ৰাজভগনৰ পৰা কলথোকালৈকে

প্ৰেমকান্ত মহন্ত

প্ৰাপ্তিস্থান

ষ্টুডেণ্টচ্ ষ্ট'ৰচ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী—৭৮১০০১

ফ্ৰেণ্ডচ্ বুক ষ্টল
পান বজাৰ
গুৱাহাটী—৭৮১০০১

দাস ব্ৰেডাৰ্ছ
চক বজাৰ
যোৰহাট

প্ৰকাশক ঃ
শ্ৰীপ্ৰেমকান্ত মহন্ত
শৰাইঘাট বৰ
বশিষ্ঠপুৰ—১
গুৱাহাটী—৭৮১০০৬

প্ৰচ্ছদ ঃ
পূৰ্ণেন্দু পত্ৰী

প্ৰথম প্ৰকাশ ঃ
চেপ্তেম্বৰ, ১৯৯৪

মূল্য ঃ ৩৫'০০ টকা

ছপা ঃ
নৱ গৌৰাঙ্গ প্ৰেছ
১০৪, ৰাজা ৰামমোহন সৰণী
কলিকতা—৭০০০০৯

মোৰ সহধৰ্মিণী

শ্ৰীমতী যজ্ঞপ্ৰভাৰ হাতত

অকণমান আগকথা

মনতে পাঙি থকা কিতাপখন নো-লিখোতেই তাৰ কাৰণে পাতনি এখন লিখিবলৈ লওঁতে সেইখনেই বাঢ়ি বাঢ়ি কিতাপখন হ'লগৈ। সেয়ে এইখন পাতনি বুলিব নোৱাৰি।

পুঞ্জীভূত দুখ-বেদনা, হা-হুমুনিয়াহবোৰ লিখিবলৈ লওঁতে ঢেৰ নিজৰ কথা ক'বলগীয়া হ'ল, অনেক ক'ব নলগীয়া তিতা কথাও ক'ব লগা হ'ল আৰু জ্ঞাতে অজ্ঞাতে অনেকৰ মনত ক্ষোভ জন্মাব লগা হ'ল ; হয়তো খেনোৰ মনত দুখো দিব লগা হ'ল।

কিছুমান কথা পাহৰণিৰ গৰ্ভত হেৰাই যোৱাৰ শংকাত ভৱিষ্যত বুৰঞ্জী লিখকৰ সহায়ক হ'ব বুলি লিপিবন্ধ কৰি থলো। অৱশ্যে ইয়াৰ বহুখিনি কথাই মোৰ প্ৰবন্ধ আকাৰে ঘাইকৈ, জনপ্ৰিয় অগ্ৰদূত আৰু অসমৰ বিভিন্ন অসমীয়া আৰু ইংৰাজী দৈনিক কাকতত যোৱা ডেৰটা দশকত প্ৰকাশ পাইছিল।

অসমীয়া জাতি গঠনৰ নামত, সোণৰ অসম গঢ়াৰ দোহাই দি যি সকলে জাতিটোক বিশ্বাসঘাতকতা কৰিলে সেইসকলৰ কিছুমান অপ্ৰকাশিত কাৰ্য্য-কলাপ পিচৰ পুৰুষে জানিব লাগে বুলি অনুভৱ কৰিয়েই এই প্ৰয়াস।

১লা ডিচেম্বৰ
ইং ১৯৯৩ চন

লিখক

এইখন মোৰ আত্মজীৱনী নহয়। কিন্তু মোৰ জীৱন কালৰ এনে কিছুমান সুদূৰ-প্ৰসাৰী পৰিণতি সম্ভাৱনাপূৰ্ণ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ঘটনাৰ লগত কেতিয়াবা জানি, কেতিয়াবা নাজানি, কেতিয়াবা প্ৰত্যক্ষভাৱে, কেতিয়াবা পৰোক্ষভাৱে, মই জড়িত হৈ পৰিছিলোঁ যে সেইবোৰৰ বৰ্ণনাৰ লগতে অলপ-অচৰপ মোৰ অগতানুগতিক বৈচিত্ৰময় জীৱন কথাও ক'ৰবাত ক'ৰবাত সোমাই পৰিছে।

মোৰ প্ৰায় আদ বয়স, চল্লিছ বছৰত অপ্ৰত্যাশিতভাৱে, ১৯৬২ চনত, মই অসম আৰক্ষী সেৱাত যোগ দিলোঁ। অপ্ৰত্যাশিত বুলিছো এই কাৰণে, কিয়নো অসম লোক-সেৱা আয়োগে ১৯৬০ চনত অসম অসামৰিক আৰু আৰক্ষী সেৱাৰ বাবে প্ৰতিযোগিতা পৰীক্ষাৰ জাননী প্ৰকাশ কৰোঁতে ময়ো প্ৰতিযোগিতাত নামিছিলোঁ একমাত্ৰ প্ৰথম শ্ৰেণীৰ অসম অসামৰিক সেৱা তথা ই এ ছিৰ প্ৰাৰ্থী হিচাপেহে। সেই সময়ত অসম অসামৰিক সেৱাৰ দুটা শ্ৰেণী আছিল। তেতিয়া মই ভাৰত চৰকাৰৰ বিত্ত বিভাগৰ অধীনত এটা কিছু গুৰুত্বপূৰ্ণ পদবীতে আছিলো যদিও অসম লোক-সেৱা আয়োগৰ জাননীখন ওলোৱাত ঘৰ আৰু বাহিৰৰ হেঁচাৰ লগতে মোৰো হাকিম হোৱাৰ আগ্ৰহ জন্মিছিল। তেতিয়া ন্যায়-পালিকা আৰু কাৰ্য্য-পালিকা বেলেগ হোৱা নাছিল। সমাজত হাকিমসকল বৰ সমীহৰ পাত্ৰ আছিল। তাতে তেতিয়াৰ এগৰাকী প্ৰখ্যাত হাকিম শ্ৰীমোহিনী ফুকনৰ চলন-ফুৰণ আৰু যশ কীৰ্তিয়ে মোৰ চেমনীয়া কালতে সেই পদটোলৈ মোক আকৰ্ষণ কৰিছিল।

কিন্তু লেঠা হ'ল মোৰ বয়সাধিক্য লৈ। তেতিয়া মই সাতাত্ৰিছৰ ডেওনা পাৰ হৈছোঁ। দ্বিতীয় মহাসমৰত কাম কৰা তিনি বছৰ ছমাহ "সামৰিক সেৱা" কাল বিয়োগ কৰিলেও উচ্চতম বয়সৰ সীমাতকৈ, এবছৰ দুবছৰ নহয়, প্ৰায় দহ বছৰ মোৰ অধিক হয়। তথাপিও এডাল কণাৰ ফৰ্মটি মাৰি পঠিয়ালো। মই কি পৰিস্থিতিতনো সময় মতে উচ্চ শিক্ষা ল'ব নোৱাৰি বুঢ়া শালিকাই মাত লোৱাদি ল'ৰা-ছোৱালীৰ বাপেকী হৈ নৈশ কলেজত পঢ়ি আই এ আৰু বি এ পৰীক্ষাত এক প্ৰকাৰ চমকপ্ৰদ ফল দেখুৱাব পাৰিছিলোঁ, সেই সকলো কথা বিবৰি অসম চৰকাৰৰ মুখ্য সচিবলৈ মোৰ অধিক বয়সৰ সীমা ৰেহাই দি প্ৰতিযোগিতা পৰীক্ষাত বহিবলৈ অনুমতি বিচাৰি আবেদন পঠালোঁ।

ফম্‌ৰ্টি লাগিল। তেতিয়া মোৰ সময়ৰ সৰুণ্ডা নোহোৱা চাকৰিৰ দায়িত্বৰ উপৰিও নানান ঘৰুৱা জঞ্জাল। ঘৰুৱা জঞ্জালৰ দায়িত্ব মোৰ সহধৰ্মিণীয়ে মূৰ পাতি ল'লে। ঢোতে খৰ মাৰি পৰীক্ষাটো দিলোঁ। অধ্যয়নৰত মেধাৱী অধ্যাপককে ধৰি বিশ্ববিদ্যালয়ৰ পৰা সদ্য নিষ্ক্ৰান্ত প্ৰাৰ্থী প্ৰতিযোগীসকলৰ মাজৰ পৰা বাছনিত উঠা সত্তৰজনৰ ভিতৰত, মোৰ হিচাপত, আশাতীতভাৱেই, মই দ্বাদশ স্থান লাভ কৰিলোঁ। জানিব পাৰিছিলোঁ যে চৰকাৰে সেইবাৰ তাৰ আগৰ বাৰৰ ছাব্বিশজনৰ বিপৰীতে যোলজনকহে ই এ ছি নিযুক্তি দিব। তপচিলভুক্ত জাতি, ভৈয়াম জনজাতি আৰু পাহাৰী জনজাতীয় প্ৰাৰ্থীৰ কাৰণে সংৰক্ষিত যথাক্ৰমে শতকৰা পাঁচ, চাৰে বাৰ আৰু দহভাগ প্ৰাৰ্থী তালিকাখনৰ তলৰ পৰা ল'লে যোলজনৰ ভিতৰত চাৰিজনতকৈ অকণমান বেছি হয়। গতিকে মোৰ স্থান দ্বাদশ হোৱাত শংকা উপজিল। তেনেতে নৱম স্থান পোৱা ৺কন্দৰ্প কুমাৰ কাকতিয়ে শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰৱক্তা পদ এৰি নাহিবলৈ সিদ্ধান্ত কৰাত মই একাদশ স্থানলৈ উঠিলো হয়, কিন্তু কিবা হেঁচাত পৰি চৰকাৰে সেইবাৰ ভৈয়াম জনজাতীয়ৰ পৰা দুজনৰ ঠাইত তিনিজন ই এ ছি লোৱাত, পাহাৰী জনজাতীয় দুজন আৰু অনুসূচিত জাতিৰ এজনক লৈ ছজনক তালিকাখনৰ তলৰ পৰা নিযুক্তি দিবলৈ স্থিৰ কৰাত, মোলৈ 'দুআঙুলে নাটিলে'। মোৰ ওপৰৰ স্থানৰ কবি দিনেশ গোস্বামী একাদশৰ পৰা দশমলৈ উঠি ই এ ছি হ'ল। অসম চৰকাৰে মোলৈ, অসম আৰক্ষী সেৱা যাচি তাঁৰ বাৰ্তা পঠিয়াই মোৰ সম্মতি বিচাৰিলে।

দ্বিতীয় মহাসমৰ কালত যদিও মোৰ সামৰিক সেৱা বুলি গণ্য কৰা অসামৰিক প্ৰতিৰক্ষা সেৱা আৰু যুদ্ধোত্তৰ কালত তেনেই তাকৰীয়া সময়ৰ বাবে হ'লেও ভাৰতীয় বিমান বাহিনীত কাম কৰা অভিজ্ঞতা আছিল, তথাপিও সেই সময়লৈকে দীৰ্ঘকাল ছেগা-চোৰোকাকৈ হোটেল ব্যৱসায়, সুমথিৰা টেঙাৰ বেপাৰ, জীৱন বীমা কোম্পানীৰ সংগঠক, বিভিন্ন কোম্পানীৰ অংশ বিক্ৰেতা এজেন্ট, বন-বিভাগৰ অস্থায়ী কেৰাণী, উত্তৰ পূব সীমান্ত ভূভাগ (NEFA)ত কেৰাণী আৰু সৰ্ব-শেষত আঠবছৰ ৰাষ্ট্ৰীয় সঞ্চয় আঁচনিৰ জিলা সংগঠক আৰু পাঁচ বছৰ সহকাৰী আঞ্চলিক সঞ্চালক হিচাপে কাম কৰি পুনৰ কুচকাৱাজ আৰু অস্ত্ৰ-শস্ত্ৰৰ লগত সম্বন্ধ থকা চাকৰি কৰিবলৈ মনে এঙাইছিল। তাতে শেহতীয়াকৈ (১৯৫৭—৬২) ডিব্ৰুগড়ত কটোৱা পাঁচ বছৰত ৺বিষ্ণুকিংকৰ কলিতা, ৺চন্দ্ৰকান্ত দত্তউকীল, ৺ললিত বৰুৱা, শ্ৰীচন্দ্ৰকান্ত হাজৰিকা, ৺তুৰাৰাম বৰা, ৺গোৰী বৰশইকীয়া, ৺ৰত্নেশ্বৰ শইকীয়া আদি লোকসকলৰ সান্নিধ্যত খলিহামাৰী আৰু কদমণি নামঘৰত গুৰু চৰিত, কৃষ্ণ কথা আৰু নামগুণ চৰ্চা কৰোতে কৰোতে মোৰ এটা মানসিক পৰিৱৰ্তন ঘটিছিল।

পিচে মানুহৰ ইচ্ছামতে কাম নহয়। সকলো ঈশ্বৰৰ ইচ্ছাতহে হয়।

যিটো পদবীৰ কাৰণেহে দিনটো কৰ্তব্যত ক্লান্ত হৈ ৰাতি তেল পুৰি পঢ়িলো পাওঁ পাওঁ হৈয়ো সেইটোৰ পৰা বঞ্চিত হ'লো। মোৰ জীৱন বৃত্তান্তও পদে পদে বঞ্চিত হোৱাৰ কাহিনী। ১৯৪০ চনত মেট্ৰিক পাছ কৰি অৰ্থাভাৱত কলেজীয়া শিক্ষাৰ পৰা বঞ্চিত হ'লো। সেই কালত অৱশ্যে মেট্ৰিক পাছো বৰ কম বিদ্যা নাছিল। ১৯৩৯ চনৰ আগলৈকে তেজপুৰতেই মেট্ৰিক পৰীক্ষাৰ কেন্দ্ৰ নাছিল। গুৱাহাটীতহে পৰীক্ষা দিবহি লাগিছিল। ১৯৩৯ চনত তেজপুৰত প্ৰথম মেট্ৰিক পৰীক্ষা কেন্দ্ৰ হওঁতে সৰ্বমুঠ পৰীক্ষাৰ্থী এশবো কমহে আছিল। সিয়ো আছিল উত্তৰ লক্ষ্মীমপুৰক সামৰি। মই ১৯৪০ চনত আমাৰ গাঁৱৰ প্ৰথম মেট্ৰিকুলেট। ছবছৰ পিচত মোৰ ভাতৃ শ্ৰীবোধেন মহন্ত দ্বিতীয় মেট্ৰিকুলেট। মেট্ৰিক পাছ কৰাৰ পৰা ষোল বছৰ পিচত ময়েই মোৰ গাঁৱৰ প্ৰথম স্নাতক। তেনেকুৱাই আছিল তেতিয়া উচ্চ শিক্ষা বিস্তাৰৰ গতি। এতিয়া মোৰ গাঁও শলগুৰিত ডাক্তৰ, প্ৰফেচাৰ আদি স্নাতক আৰু স্নাতকোত্তৰ অনেক হ'ল। মোৰ নিজৰ ঘৰতে পাঁচগৰাকী স্নাতকোত্তৰকে ধৰি বাৰ গৰাকী স্নাতক হ'ল আৰু এইবাৰ (১৯৯৩) জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ মোৰ গাঁৱৰ শ্ৰীমান দেবাশীষ বৰাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰি মোৰ গাঁৱৰ নাম উজ্জ্বল কৰিছে।

শলগুৰি নামটোৰ লগত মোৰ তেজ-মঙহৰ সম্বন্ধৰ নিচিনা। আমাৰ বংশটোক "শলগুৰীয়া গোসাঁই" বা 'শলগুৰি ঘৰ' বোলে। গুৰুজনৰ নাতি বোৱাৰী আই কণকলতাৰ বংশধৰ অনন্তদেৱ আতাই শিৱসাগৰৰ বুঢ়ীদিহিং নৈৰ পাৰত শলগুৰি নামে ঠাইত প্ৰথম সত্ৰ পাতিছিল। সেই শলগুৰি নৈয়ে নিলে। পৰৱৰ্তীকালত সেই বংশৰে এজনৰ পৰা বৰদোৱাত শলগুৰি সত্ৰ হ'ল। সেইখন 'বৰদোৱা শলগুৰি'। বৰদোৱা থানত দুখন সত্ৰ—নৰোৱা আৰু শলগুৰি। তাকে বৰফাল সৰুফাল বোলে। বৰদোৱা শলগুৰিৰ পৰাই ১৭৮৯ খ্ৰীষ্টাব্দত গোৱাই-বোৱাই পাৰ্গত কেঘৰমান 'ভকত কাৰণ'ৰ এটা চেউনী ফালি এজন শলগুৰীয়া গোসাঁই—শুভানু আতাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বৰ্তমানৰ ঠাইত চেউনী বৰদোৱা শলগুৰি সত্ৰ পাতে। কথা প্ৰসঙ্গতে কৈ থওঁ। এজন শলগুৰীয়া গোসাঁয়ে শিৱসাগৰৰ কালুগাঁৱত, এজনে নগাঁৱৰ লেটেৰীত আৰু পিচৰ কালত এজনে দৰঙৰ খটৰাৰ ওচৰত সত্ৰ পাতিছিল। সেইকেইখন যথাক্ৰমে কালুগাওঁ শলগুৰি, লেটেৰী শলগুৰি আৰু খটৰা শলগুৰি নামে খ্যাত হ'ল।

১৯৪১ চনত তেজপুৰ কাছাৰীঘৰত পাওঁ পাওঁ হৈয়ো কেৰাণীৰ কাম এটাৰ পৰা বঞ্চিত হৈছিলোঁ। তেতিয়া পৃথিৱীখন ভাবিৰ তলৰ পৰা খহি পৰা যেনেই লাগিছিল। এতিয়া উভতি চালে বৰ লাজ লাগে যে যি সময়ত (১৯৪২) গোটেই ভাৰত জুৰি বৃটিছক মহাসমৰত ধন-জন দি সহায় নকৰিবলৈ

আহ্বান জনাই সত্যাগ্রহ কৰি দেশৰ হেজাৰ হেজাৰ লোকে কাৰাবৰণ কৰিছিল, পুলিচ মিলিটেৰীৰ মাৰ খাইছিল, ঠিক সেই সময়তে আমি কিছুমানে সামান্য জীৱিকাৰ কাৰণে বৃটিছৰ অধীনত গোলামী কৰিছিলো। যুদ্ধকালীন ধুমুহাই আমাৰ সমাজ ব্যৱস্থাত এটা ভয়ানক জোঁকাৰ মাৰি গ'ল। অলপ আয়াসতে ৰাতিটোৰ ভিতৰতে ধনী হোৱাৰ হেঁপাহে বহুতৰ নৈতিক স্খলন ঘটালে। ধন ঘটিব লাগে যি কোনো উপায়ে। বৃটিছ টমি, অষ্ট্ৰেলিয়ান টমি বগা-ক'লা আমেৰিকান আৰু চীনা নিৰ্লজ্জ যৌন ক্ষুধাতুৰ সৈন্যবিলাকৰ টিঘিল্‌ঘিলনিত কিছুমান ঠাইত, বিশেষকৈ তিনিচুকীয়া ডুমডুমা আদি ঠাইত, সম্ভ্ৰমেৰে মানুহ থকা টান হৈ পৰিছিল। সিহঁতে ভাৰতীয় প্ৰশাসন-যন্ত্ৰ তথা পুলিচক কেৰেপকে নকৰিছিল। সিহঁতৰ সামৰিক পুলিচকহে সিহঁতে বাঘ দেখাদি দেখিছিল।

সেই সময়ত অতি সাধাৰণ মানুহেও কেনেকৈ ধন ঘটিবলৈ হীন বৃত্তি অৱলম্বন কৰিছিল তাৰ এটা উদাহৰণ দিওঁ। তেতিয়া (১৯৪৩-ৰ আগ ভাগ) মই তিনিচুকীয়াত এ আৰ পি-ৰ ষ্টাফ অফিচাৰ। থাকিবলৈ ভাড়াঘৰ বিচাৰি তিনিচুকীয়াৰ বিখ্যাত ব্যৱসায়ী প্ৰতিষ্ঠান এইছ এছ পুনমিঞা কোম্পানীৰ ওচৰ চাপিলো। তেওঁলোকৰ এটা খালি ঘৰ আছিল চহৰৰ এমূৰত। পুনমিঞা কোম্পানীৰ দুজন সুদৰ্শন ভাই-ককাই জলিল খলিল বৰ ভদ্ৰ আৰু অমায়িক আছিল। তেওঁলোকৰ কোনোবা এজনে ত্ৰিছৰ দশকত আৱাহনত নিয়মীয়াকৈ মনোৰম ভ্ৰমণ কাহিনীও লিখিছিল। ঘৰটো কোনেও ভাড়ালৈ নলয়। ঘৰটোত বোলে ভূত আছে। মানুহ থাকিব নোৱাৰে। মই ঘৰটো বিচাৰি যোৱাত জলিলেই নে খলিলে মোক ক'লে বোলে যদি থাকিব পাৰে লওঁক। ছমাহলৈ ভাড়াকে নালাগে যদি ঘৰটোৰ বদনামটো গুচাব পাৰে। ঘৰৰ চাবি ঘৰটোৰ চোঁহদৰ এমূৰে থকা চকিদাৰ ৰাছিদৰ হাতত আছে। আমি কোৱা বুলি ক'লেই দিব।

ঘৰটো চালোগৈ। আহল বহল, ভাল। মোৰ লগত আৰু দুজন মোৰ বিভাগৰ বিষয়াও মেচ কৰি থাকিব। ৰাছিদে আমাক বৰ নিৰুৎসাহ কৰিলে। বোলে, ইয়াত কেনেকৈ থাকিব? ঘৰটোত ভূত লম্ভিল। দিনে পাঁচবাৰ নামাজ পঢ়া এজন খাজাঞ্চিকে ধৰি আগৰ কিমানজনে সেই ঘৰ এৰি কোনোৰকম প্ৰাণ লৈ গ'ল তাৰ হিচাপো দিলে। তথাপিও আমি ঘৰটো ল'লো।

প্ৰথম কেইদিনমান ভালে ভালে গ'ল। তাৰ পিচতে ৰাতি ৰাতি ঘৰটোত দলি চপৰা আৰু গৰুৰ হাড়ৰ ফমুঁটি পৰিবলৈ ধৰিলে। তালৈ আমি কেৰেপকে নকৰিলো। এদিন প্ৰাতঃসতে দেখো আমাৰ ওলোৱা সোমোৱা বাটটোত ভৰ্ছি হৈছে। আমাৰ বদ্ধমূল ধাৰণা হৈছিল যে সেইটো কোনো অশৰীৰীৰ কাম

নাছিল। কথা-বতৰা আৰু ৰেহ ৰূপ চাই ৰছিদ কাইটিৰ ওপৰতে মোৰ সন্দেহ হৈছিল। এটা কথা বুজিছিলো যে আদ বয়সৰ ডেওনা পাৰ হোৱা ৰছিদেই নিজে ভূতৰ ভূমিকা লৈছিল যদিও সি নিজে ভূত বিশ্বাস কৰিছিল। গতিকেই ভূতেৰেই ভূত জৰাৰ এটা ব্যৱস্থা কৰিলোঁ।

তেতিয়া অতি গোপনভাৱে আমাক চৰকাৰে জানিবলৈ দিছিল যে জাপানী বিমানে যি কোনো মুহূৰ্ততে তিনিচুকীয়াত বিষাক্ত গেচ বোমা বৰ্ষণ কৰিব পাৰে। মানুহৰ মাজত আতংক হয় বুলি সেই খবৰটো অতি গোপনে ৰখা হৈছিল। আমাৰো বিষয়া পৰ্য্যায়ৰ লোকেহে খবৰটো জানিছিল। গেচ বোমা বৰ্ষণ হ'লে ৰক্ষা পাবলৈ আমাক গেচৰ মুখাৰে সৈতে আৱশ্যকীয়, অইল ক্লথেৰে তৈয়াৰী পোছাক, হাত মোজা, গাম বুট আদি যোগান ধৰা হৈছিল। মই তেনে এটা কিম্ভূত-কিমাকাৰ পোছাক মুখাৰে সৈতে নি এজন টেঙৰ বৰ ওখ চিপাহীক শিকাই বুজাই ল'লো।

ৰাতি খাই-বৈ ৰছিদ কায়ে শুবলৈ আয়োজন কৰিছে। ঠিক তেনেতে আমি সজোৱা ভূতে ৰছিদৰ দুৱাৰখন ঠেলামাৰি মেলি লৈ হেন্দোলি হেন্দোলি থিয় দিলে গৈ। ৰছিদে টেটু ফালি এটা চিঞৰ মাৰি মোক মাতিলে। ভূতে ধমক দি ক'লে "মনে মনে থাক। মোৰ হুকুম শুন। মই মহন্ত চাহাবৰ গোলাম। তই মোৰ মালিকক মোৰ নামত উপদ্ৰব কৰিছ। ৰাস্তাত পায়খানা কৰিছ। যদি আৰু কৰ তেন্তে তোক টেটু চেপি মাৰিম।" তেনেতে মই লৰ মাৰি গৈ ভূতৰ কাষতে থিয় দি ৰছিদ কাইকে সুধিলো বোলো কি হৈছে? সি মোৰ গাৰ কাষতে থিয় দি হেন্দোলি থকা ভূতটোলৈ আঙুলিয়াই ভয়ত সেহাই সেহাই বোলে, সেইটো সেইটো। মই ইফালে সিফালে চাই একো নেদেখাৰ ভাও জুৰি বোলো ক'তা? কি দেখিছা? এইবোৰ তোমাৰ মনৰ ভ্ৰম। এনেতে ভূতটো তাৰ পৰা আঁতৰি গ'ল। মই ৰছিদ কাইক ভূত যে মনৰ হে ভ্ৰম, আচলতে মিছা এনে এটা বুজনি দিলো। ৰছিদকায়ে মোৰ ভৰিত পৰি বোলে হুজুৰ আপোনাক চিনিলো। মোক দেৱতাজনে সকলো কৈছে। মই সুধিলো বোলো কি কৈছেনো? ৰছিদকায়ে এইবাৰ আৰু এটা ফাঁকি দিলে। দেৱতাজনে হেনো ওচৰৰ গাঁৱৰ কাৰবাৰ নাম দুটামান কৈ সিহঁতক সাৱধান কৰিবলৈহে তাক হুকুম দি গৈছে। নামকেটা আনক ক'বলৈ দেৱতাই মানা কৰি গৈছে। ময়ো আৰু নামকেটাৰ কাৰণে পেৰাপেৰি নকৰিলোঁ। কাৰণ মোৰ উদ্দেশ্য সিমানতে সিদ্ধি হৈছিল। তাতোকৈ ৰছিদৰ অৱস্থা দেখি মইহে ভয় খাইছিলো ৰছিদ ভয়ত হৃদযন্ত্ৰ বন্ধহৈ মৰে বুলি।

সেই এমুৰীয়া ঘৰটো ভূতৰ ভয় দেখুৱাই খালি ৰখাৰ উদ্দেশ্য আছিল— তালৈ ৰাতি ৰাতি বৃটিছ, আমেৰিকান আৰু অষ্ট্ৰেলিয়ান সৈনিকৰ সমাগম ঘটিছিল আৰু তাত কিছুমান অসামাজিক জঘন্য অসৎ কাৰবাৰ চলিছিল।

বাহিদ কাই আৰু দুজনমান ওচৰৰ অসমীয়া ডেকা তাৰ পৰা লাভবান হৈছিল। সেইটো অন্ততঃ তেতিয়াৰ অসমীয়া যুৱকৰ কাৰণে বৰ আচহুৱা অধঃপতন আছিল।

১৯৪৫ চনত যুদ্ধ অন্ত পৰাত কলিকতা লাহোৰ আদি চিভিল ডিফেন্স ষ্টাফ কলেজৰ পৰা অভিলেখ সৃষ্টি কৰি বিশেষজ্ঞ হৈ আহি লাভ কৰা উচ্চ পদ হেৰুৱাই, কলেজীয়া শিক্ষা তথা ডিগ্ৰীৰ অভাৱত গুৰুতো নলগা ভকততো নলগা অৱস্থাত পৰি কেউফালৰ পৰা বঞ্চিত হৈ অন্ধকাৰ দেখিছিলোঁ। ডুমডুমাৰ অতি লাভজনক বিলাতী মদৰ দোকানৰ অনুজ্ঞা-পত্ৰ পায়ো স্বেচ্ছাই তাক ত্যাগ কৰিব লগা হোৱাত বিবুদ্ধি হৈছিলো। সিয়ো এক ৰহস্যৰ কথা। সেই কথা এতিয়া বহুতৰ কাৰণে বৰ আচহুৱা যেন লাগিব।

মোৰ শিক্ষাগত অৰ্হতাৰ অভাৱৰ কাৰণে যুদ্ধকালত মই অসামৰিক প্ৰতিৰক্ষা বিভাগত অতি দক্ষতাপূৰ্ণ সেৱা আগবঢ়োৱা সত্ত্বেও মোক থাপ খোৱা ধৰণৰ পদমৰ্য্যাদাসম্পন্ন কাম এটা দিব নোৱাৰি অসম চৰকাৰে তেতিয়া ডুমডুমা প্লেণ্টাৰছ ষ্টোৰ্চৰ নামত থকা বিলাতী মদৰ অনুজ্ঞা-পত্ৰখন মোক দিবলৈ স্থিৰ কৰিছিল। জিলাৰ উপায়ুক্তই মোক মতাই নি কথাটো ক'লে আৰু আৱশ্যকীয় আমানতৰ ধন জমা দিয়া আদি আনুষ্ঠানিক কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিলে। মই মদৰ দোকান ল'বলৈ অলপ সংকোচ কৰিছিলোঁ যদিও ডুমডুমাৰ বি এন দত্ত এণ্ড চনচ্ নামৰ এখন মটৰৰ সা-সঁজুলিৰ দোকানৰ গৰাকী ভবদত্ত নামৰ এজন মোৰ বন্ধু ভদ্ৰলোকে মদৰ দোকানখন চলোৱাকে ধৰি সকলো দায়িত্ব ল'বলৈ আগ্ৰহ কৰাত মোৰ সংকোচ আঁতৰিল। বন্দৱস্ত হ'ল—তেখেতে দোকানখন চলাব আৰু মোৰ অনুজ্ঞা-পত্ৰখনৰ কাৰণে মোক মাহে পাঁচশকৈ টকা দিব। পাঁচশ টকা তেতিয়া তিনিজন হাকিমৰ দৰমহাৰ সমান। সেই শুভ সংবাদটো পত্ৰযোগে মই মোৰ ঘৰলৈ পঠালোঁ। লগে লগে মোৰ পিতৃদেৱৰ পৰা উত্তৰ পালো বোলে—বোপাই, তুমি যদি ভাল দেখিছা মদৰ দোকানৰ অনুজ্ঞা লোৱা। যদিও তুমি লিখাৰ দৰে তুমি দোকানত ভৰিও নিদিয়া, মাত্ৰ নামটোহে তোমাৰ, তথাপিও সেই ধন মদ বেচা ধন হ'ব। তুমি ধনবান হৈ সুখী হোৱা তাত মই হকা-বাধা নকৰো, বেয়াও নাপাও। কিন্তু তোমাৰ সেই ধনৰ ফুটা কড়ি এটাৰেও যেন মোক নুখুউৱা। দহো কুড়ি, মোৰ শ্ৰাদ্ধ পিণ্ডতো তাৰ পইচা নলগাবা।

মই সেই পত্ৰখন লৈ বিমৰিষ মনেৰে উপায়ুক্ত আই মজিদ, আই চি এছ চাহাবৰ ওচৰত হাজিৰ হ'লোগৈ। তেখেতে মোৰ কথাখিনি শুনি লৈ গহীন-ভাৱে বহাৰ পৰা উঠিল আৰু ক'লে, "তোমাৰ দেউতাৰাৰ প্ৰতি মই ইয়াৰ পৰাই চালাম জনাইছোঁ। তেখেত বৰ সাধুপুৰুষ। তুমি ধন্য। দেখা, তুমি আজি

তোমাৰ চিনাকি দিছা এজন সত্ৰাধিকাৰ গোসাঁইৰ পুত্ৰ বুলি। তুমি মদৰ ব্যৱসায়ী হ'লে তোমাৰ ল'ৰাই চিনাকি দিব মই অমুক মদ ব্যৱসায়ীৰ পুত্ৰ বুলি। তুমি তাতকৈ ডুমডুমাতে এখন আধুনিক হোটেল খোলা। মই সকলো সা-সুবিধা কৰি দিম।" মজিদ চাহাবৰ পৰামৰ্শ মতেই মই ডুমডুমাত হোটেল খুলিছিলোঁ। মজিদ চাহাবে হোটেলৰ নামকৰণো কৰিছিল—"দি ওৱে ফেয়াৰাৰ্‌ছ্‌ ইন"। মোৰ হিতাকাঙ্ক্ষী কালিয়নে থকা খোৱা বন্ধু-বান্ধৱ-সকলৰ মৰমৰ আতিশয্য আৰু মোৰো ব্যৱসায়িক অনভিজ্ঞতাৰ কাৰণে কেইমাহ-মানৰ পিচতে একৰকম লালবাটি জ্বলাই আধামূলীয়াকৈ হোটেলখন বেচি দিব লগা হ'ল।

তাৰ পিচতো ডুমডুমাতে থাকি ওচৰ-পাজৰ গাঁৱৰ সুমথিৰা টেঙাৰ বাৰী কিনি সুমথিৰা টেঙাৰ বেপাৰ কৰিও চাইছিলোঁ। তাতো ফেল। ষ্টাৰলিং জেনেৰেল ইন্স্যুৰেন্স্ কোম্পানীৰ সংগঠক আৰু বেঙ্গল চল্ট কোম্পানীকে ধৰি বিভিন্ন কোম্পানীৰ অংশ বিক্ৰীৰ এজেণ্ট হৈয়ো চালো। তেতিয়াও অসমত তেনে ব্যৱসায়ৰ বতৰ হোৱা নাছিল। তাতে সেইবোৰত মোৰ দক্ষতাও নাছিল।

ডুমডুমাত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ মুৰব্বী হৈ থকা কালছোৱাত মই মোৰ জীৱনৰ এটা অবিস্মৰণীয় কাম কৰিছিলোঁ। চেঙেলীয়া কালৰ পৰা, সেই সময়ৰ, আমি কিছুমান ল'ৰা বৰ অসম আৰু অসমীয়া ভাষা প্ৰেমী হৈ পৰিছিলোঁ। মোৰ চেমনীয়া মনৰ ওপৰত বোধহয় ৰসৰাজ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কিছু প্ৰভাৱ পৰিছিল। মই তেজপুৰ মাইনৰ স্কুলৰ ক্লাচ ফাইভত পঢ়াৰ পৰাই প্ৰধান শিক্ষক মোৰ প্ৰাতঃস্মৰণীয় কুমুদ চন্দ্ৰ শৰ্মাই মোক শিকাই বুজাই স্কুলৰ বছেৰেকীয়া বঁটা বিতৰণী সভাবিলাকত মোৰ হতুৱাই "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলাৰ জীৱিকাৰ উপায়", "বৰবৰুৱাৰ ফটোগ্ৰাফ" আদিৰ একক অভিনয় আৰু আবৃত্তি কৰাইছিল। মাইনৰ পাছ কৰি একাডেমীত পঢ়া কালতো তেখেতৰ তত্ত্বাৱধানতে সকলো বছেৰেকীয়া বঁটা বিতৰণী সভাত মই সেই ভাও দিছিলোঁ। আমি মাইনৰ পাছ কৰাবাৰেই (১৯৩৫) মাইনৰ স্কুল একাডেমীৰ লগত এক হ'ল। মোৰ ভাও চাই দৰ্শকে বৰ ভাল পাইছিল। মহাদেৱ শৰ্মাদেৱে মোক শেষলৈকে বৰবৰুৱা বুলিহে মাতিছিল। বেজবৰুৱাৰ অসম প্ৰেমৰ ভূত মোৰ গাতো লম্ভিছিল হ'ব পায়।

অসম আৰু অসমীয়া ভাল পোৱা পোকৰ কামোৰত আমাৰ কিছুমানৰ গাত তত্‌ নোহোৱা হৈছিল। অসমত বিশ্ববিদ্যালয় নাই, মেডিকেল কলেজ নাই, ইঞ্জিনীয়াৰিং স্কুল-কলেজ নাই আদি দুখে যেন আমাক খুলি খুলি খাইছিল। ১৯৪৪ চনত যেই শুনিলো যে শিৱসাগৰৰ অসম সাহিত্য সভা অধিবেশনৰ সভা মণ্ডপতে সভাৰ অন্তত বিশ্ববিদ্যালয়ৰ কাৰণে এখন অভিৰ্বতন বহিব, সেই

আমাৰ কিছুমানৰ গাত গোসাঁই নোহোৱা হ'ল। মৰেই আগবণুৱা হৈ শ্ৰীহৰি বৰকাকতি, সঞ্জীৱ বৰুৱা, অজিত বৰুৱা (কবিজন নহয়) আদি কেবাজনেও তেতিয়াৰ ডুমডুমাৰ মুকুট বিহীন সম্ৰাট হৰিহৰ চৌধুৰীক ধৰি শিৱসাগৰত অভিবৰ্ত্তন বহাৰ দিনাই প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ কাৰণে ডুমডুমাত পুঁজি সংগ্ৰহৰ সভা পাতিলোঁ। এখন পুঁজি কমিটি পতা হ'ল। তাত হৰিহৰ চৌধুৰীক সভাপতি, মোক সাধাৰণ সম্পাদক, হৰি বৰকাকতিক যুটীয়া সম্পাদক পাতিলে। আমি ৰামৰ জন্মৰ আগতে ৰামায়ণ ৰচিলোঁ। সাতাইশ হেজাৰ টকাৰ বৰঙণিৰ প্ৰতিশ্ৰুতি পোৱা গ'ল (তেতিয়া সোণৰ তোলা সত্তৰ টকা।)। কেইমাহমানৰ পাচত প্ৰস্তাৱিত বিশ্ববিদ্যালয়ৰ কৰ্ণধাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ডাঃ ভুৱনেশ্বৰ বৰুৱাৰে পুঁজি সংগ্ৰহৰ কাৰণে ডুমডুমালৈ যাওঁতে হৰিহৰ চৌধুৰীৰ চ'ৰাত চৌধুৰীৰ মুখে সকলো বৃত্তান্ত শুনি লোকপ্ৰিয়ই মোক সাবট মাৰি ধৰি কৈছিল বোলে তুমি অসম বিশ্ববিদ্যালয়ৰ পুঁজি কমিটিৰ প্ৰথম সংগঠক আৰু সম্পাদকৰ গৌৰৱ অৰ্জন কৰিলা।

মই ডুমডুমাত থকা কালতে ১৯৪৪/৪৫ চনত অসম সাহিত্য সভাৰ সভাপতি বাগ্মীবৰ নীলমণি ফুকন প্ৰেমধৰ ৰাজখোৱাৰে তালৈ যাওঁতে সাহিত্য সভাৰ এশটকীয়া আজীৱন সভ্য হৈছিলোঁ। তেতিয়া এশটকা একেলগে দিব পৰা লোকৰ সংখ্যা বৰ বেছি নাছিল। মই তেতিয়া নগদ পঞ্চাছ টকা দি কেবছৰমান পিচত দ্বিতীয় কিস্তী দিছিলোঁ। সেই সুযোগতে নীলমণি ফুকনদেৱৰ সান্নিধ্য লাভ কৰি তেখেতৰ সম্পৰ্কত ঘটা মোৰ এটা স্কুলীয়া কালৰ বিপৰ্য্যয়ৰ কথা তেখেতক কৈছিলোঁ। তেখেতে শুনি ৰগৰ কৰি মোক পৰামৰ্শ দিছিল বোলে তুমি এদিন তোমাৰ আত্মজীৱনী লিখিবা আৰু তাত এই ঘটনাটো উল্লেখ কৰিবা। মই আত্মজীৱনী লিখাৰ লায়েক নহ'লোঁ। সেয়ে এইখিনিতে কথাটো উনুকিয়াই থওঁ।

তেতিয়া মই মাইনৰ স্কুলৰ পঞ্চম কি ষষ্ঠমানত। তেজপুৰ কাছাৰীত মহৰী কাম কৰা মোৰ সৰুখুৰাৰ লগত থাকি পঢ়োঁ। খুৰাৰ কঠোৰ শাসন। বল খেলা, বায়স্কোপ চোৱা (তেতিয়া কথাছবি নৌ হয় এখোন) আদি নিষিদ্ধ। তেতিয়া সেয়াই ভাল ল'ৰাৰ লক্ষণ আছিল। প্ৰতি শনিবাৰে খুৰা কাছাৰীৰ পৰা বাহিৰে বাহিৰে আবেলি চাইকেলেৰে জামুগুৰিৰ ঘৰলৈ যায়। সোমবাৰে পুৱা ভাত খোৱাকৈ ওভতে। সেই দুদিন মই নেগুৰ কটা বাঘ। ঘটনাক্ৰমে তেনে এটা শনিবাৰতে আমাৰ স্কুলত শুনালে যে বাগ্মীবৰ নীলমণি ফুকনে সেইদিনা সন্ধ্যা টাউন হলত এটা বক্তৃতা দিব। আমি শুনিবলৈ গ'লে ভাল। কোনে পায় আৰু? মই হাতত কিতাপ বহী লৈয়েই বাহিৰে বাহিৰে টাউন হলত বাগ্মীবৰৰ ভাষণ শুনিলোঁগৈ। দীঘলীয়া ভাষণ। ৰাতি আঠ বাজি গ'ল। ভাষণ কি বুজিলো কি নুবুজিলো সেইটো ডাঙৰ কথা নাছিল।

এজন প্ৰখ্যাত সাহিত্যিকক স্বচক্ষে দেখিলোঁ আৰু তেখেতৰ ভাষণ শুনিলোঁ। সেয়ে ঢেৰ। আনন্দ মনেৰে প্ৰায় নমান বজাত বহা পাই দুৱাৰৰ তলাটো খুলিবলৈ সঁচাৰ কাঠী লৈ দেখো দুৱাৰত তলাটো নাই। দুৱাৰ ভিতৰ ফালৰ পৰা দাং দিয়া। কি কথা ? জুমি চাই দেখো খুৰাৰ চাইকেল। তালুসৰে জীৱ গ'ল। বুকু ধপ্‌ধপাবলৈ ধৰিলে। ভয়ে ভয়ে মাত লগালো। সেইদিনত সাধাৰণতে জাৰ কালি ৰাতি মানুহে আঠমান বজাতে শুই নিঃপালি দিছিল। অলপ পিচতে খুৰা উঠি আহি দুৱাৰখন মেলিয়েই সোধনাই পোচনাই সাৰোঁপ সাৰোঁপ। হাতৰ কিতাপ বহী তাতে পেলাই ৰাস্তালৈ লৰ মাৰিলোঁ। এজন মহৎ লোকৰ ভাষণ শুনি, তাকো স্কুলত দিয়া জাননীমতে, তেনে শাস্তি পোৱাত বৰ বেজাৰ লাগিল। মাক নোহোৱা মাউৰা ল'ৰা-ছোৱালীবোৰৰ অলপতে শোক লাগে হ'বলা। মোক শোকে খুণ্ডা মাৰি ধৰিলে। কেকোঁৰা পুলৰ পানীত পৰি মৰোঁগৈ বুলি গুছি গ'লো। কেকোঁৰা পুলত পানী শুকাল। ব্ৰহ্মপুত্ৰলৈ বুলি খোজ ল'লো। বাট নিৰ্জন। পদুম পুখুৰীৰ ওচৰতে টহলদাৰী চিপাহীয়ে পাই সোধাত সকলো কথা ক'লো, কান্দি কান্দি। চিপাহী দুজনে মোক মোৰ ঘৰলৈ লৈ গৈ খুৰাক অলপ ককৰ্থনা কৰিলে। খুৰাবো দুঃচিন্তা গুচিল। খুৰাই ৰান্ধি থোৱা ঢকা ভাত উদঙাই খাই আৰু কিল খোৱাৰ সম্ভাৱনা আঁতৰাত হৰিষমনেৰে শুলোঁ। সেইজন মোৰ সৰুখুৰা তনুকান্ত মহন্তৰ যহতে মই মেট্ৰিক পাছ কৰিব পাৰিলোঁ।

১৯৪৭ চনত এক প্ৰতিযোগিতামূলক পৰীক্ষা দি ভাৰতীয় বিমান বাহিনীত এয়াৰ মেন হিচাপে অলপ দিন থাকি বাংগালোৰৰ পৰা গুচি আহিব লগা হোৱাত চকুলো টুকিছিলোঁ। ১৯৪৮/৪৯ চনত তেতিয়াৰ নেফাৰ সোৱণশিৰি জিলাৰ কিমিনত ট্ৰেন্সপোৰ্ট্‌ চুপাৰিণ্টেনডেণ্টৰ পদত নিযুক্তি পোৱাটো প্ৰায় খাটাং হোৱাৰ সময়তে ৰাজ্যপাল চাৰ আকবৰ হাইদৰীৰ আকস্মিক মৃত্যু ঘটাত সেই পদৰ পৰাও বঞ্চিত হ'লো। দুজন পলিটিকেল অফিচাৰ, কেপ্টেইন আৰ. জি. মেঞ্জিজ আৰু মেজৰ জি টি এলেনৰ চুপাৰিচত ৰাজ্যপালে নেফা আৰু মণিপুৰ ভ্ৰমণৰ পৰা খ্বিলঙলৈ উভতি গৈয়েই মোলৈ নিযুক্তি-পত্ৰ পঠোৱাৰ কথা আছিল। কিন্তু সেই যাত্ৰাতে মণিপুৰত তেখেতৰ আকস্মিক মৃত্যু ঘটিল। তাৰ পিচতে ১৯৪৮ চনত ভাৰতীয় সেনাবাহিনীত চৰ্ট চাৰ্ভিছ কমিছনৰ কাৰণে পতা পৰীক্ষা আৰু সাক্ষাৎকাৰ এটাত বাছনিত উঠিও চৰকাৰৰ চৰ্ট্‌ ছাৰ্ভিছ সম্পৰ্কীয় নীতি সলনি হোৱাত সামৰিক বিষয়া হ'ব নোৱাৰিলো। সেই পৰীক্ষাটো দিবলৈ চাৰিদুৱাৰৰ পৰা খ্বিলঙলৈ যাওঁতে বাটত আৰু খ্বিলঙত হোৱা এটা অভিজ্ঞতাৰ কথা ক'বলৈ লোভ লাগিছে।

মই বাছেৰে গৈ উত্তৰ গুৱাহাটীৰ ফেৰীঘাটতে আমাৰে লগৰীয়া মনমোহন

গোস্বামীৰ টৌঙ্গত যোৱা তেজপুৰৰ প্ৰখ্যাত উকীল হৰকান্ত দাস আৰু তেতিয়া ওকালতি আৰম্ভ কৰা মোৰো বন্ধু ৰেষৰ বৰাক লগ পালো। তেখেতসকল টৌঙ্গৰে গৈছে শ্বিলঙলৈ বুলি। ময়ো শ্বিলঙলৈ যোৱা বুলি জানি দাস ডাঙৰীয়াই ক'লে বলা আমাৰ লগতে যাব পাৰিবা। বৰ ভাল লাগিল। ৰেষৰৰ লগত মোৰ তঁয়া হঁয়া। সুধিলো, তই কিয় যাব? সি বোলে এটা মোকৰ্দমাৰ ওকালতি কৰিবলৈ যাওঁ। মোৰ মনে নামানিলে। তেনেই নতুন উকীল। কোনে তাক খৰচ ভৰি ৰাজধানীত ওকালতি কৰিবলৈ পঠাব? বুজিলো, সি মোক ফাঁকি দিছে। মোক সুধিলে তই? ময়ো দিলো এটা ফাঁকি। বোলো ছাতি কাপোৰৰ হুলচেল ব্যৱসায়ৰ পাৰ্মিটৰ কথাৰে যাওঁ। ময়ো সেই গাড়ীতে উঠিলো।

গাড়ীখন প্ৰথমতে লতাশিলৰ ওচৰৰ গেৰেজ এটালৈ নিলে। তাত দেখিলো বগাৰ ওপৰত ক'লাৰে লিখা এ এছ দি ৩২৭ নম্বৰ প্লেটখন খুলি তাৰ ঠাইত একে নম্বৰৰ ক'লাৰ ওপৰত বগা লেখা প্লেট এখন লগালে। বিয়লি গৈ শ্বিলং পাই বিখ্যাত হেপিলজত উঠিলো। তাত মন কৰিলো হঠাতে আটাইকেজনৰ মুখবোৰ ক'লা পৰি গ'ল। কোৱাকুঞি কৰিছে বোলে ভোলা গগৈয়ো ইয়াতে আছে। বৰ বিপদ হ'ল। দেখিলে নহয় নম্বৰ প্লেট! ভোলা গগৈ তেতিয়া তেজপুৰৰ টাউন দাৰোগা। হৰকান্ত দাসে মনমোহনক ক'লে বোলে, চিন্তা নকৰিবা। তোমাৰ বটল এটা ভৰ্ৰণি হ'ল।

ৰাতিটো কটাই পিছদিনা প্ৰাতঃসতে মই খদমদম লগাইছো। দেখিলো ৰেষৰেও। মোক সি সুধিলে বোলে, "তই কলৈ যাব?" মই বোলো "মন্ত্ৰী এজনৰ তালৈ। তই?" সি বোলে "ইয়াৰ এজন চিনিয়ৰ উকিলৰ তালৈ যাওঁ।" আমি দুয়ো একেটা কোঠাতে আছিলো। ৰেষৰ আগতে ওলাই গ'ল। ময়ো ওলাই মেলি টৌক্সি এখন লৈ হেপীভেলিৰ সামৰিক কেন্দ্ৰ পালোগৈ। প্ৰাৰ্থীসকলৰ কাৰণে ৰখা নিৰ্দিষ্ট কোঠাত সোমাই দেখো ৰেষৰ বহি আছে। "ধেৎ আগতে নকলি কিয়? একেখন টৌক্সিতে আহিব পাৰিলোহেঁতেন।" মই বোলো "তয়েইতো প্ৰথমতে ফাঁকিটো মাৰিছিলি।"

বন্ধু ৰেষৰে জিলা সহকাৰী ন্যায়াধীশ হৈ অৱসৰ গ্ৰহণ কৰিছিল। অলপতে তেওঁ ঢুকাল। প্ৰাৰ্থীসকলৰ মাজতে ডেকা তজবজীয়া সুদৰ্শন পুলিচ এছ আই নেপুৰ চলিহাকো পালো। পৰৱৰ্তীকালত তেওঁক নগাপাহাৰত নগা বিদ্ৰোহীয়ে হত্যা কৰিলে। সেই পৰীক্ষা আৰু সাক্ষাৎকাৰত কোনোবা দামোদৰণ নামৰ এজন জুনিয়ৰ কমিছনদ সামৰিক বিষয়া আৰু মই নিৰ্বাচিত হৈছিলো। কিন্তু ইতিমধ্যে চৰকাৰে চৰ্ট ছাৰ্ভিছ কমিছন দিয়াটো বন্ধ কৰাত মই পায়ো হেৰুৱালো। তেতিয়া নোপোৱা আৰু হেৰুওৱাৰ বেদনা যে ঈশ্বৰৰ পৰম কৰুণাহে আছিল তাক সুঁৱৰিলে এতিয়া ভগৱন্তৰ চৰণত চকুলো সৰে। বিশ্বকবি

ৰবি ঠাকুৰৰ এষাৰ কথা "বঞ্চিত কৰে বাচালে মোৰে" মোৰ জীৱনত যেন পদে পদে প্ৰয়োগ হৈ আহিছে।

আদবয়সত অসম আৰক্ষী সেৱা গ্ৰহণ কৰোনে নকৰো থেৰো-গেঁৰো কৰি থাকোতেই কেবাগৰাকীও মোৰ শুভাকাংক্ষীয়ে মোক সেই পদ গ্ৰহণ কৰিবলৈ উপদেশ দিলে। সেইসকলৰ ভিতৰত আটাইতকৈ প্ৰভাৱশালীগৰাকী আছিল 'বগুলা হাকিম'—টলমিজুৰ ৰহমান, যাৰ অধীনত মই ১৯৪০-৪১ চনত কিছুদিন বাৰটকা দৰমহাত, নামত লিটাৰেট পিয়ন, কিন্তু কামত কেৰাণী আছিলোঁ। তাকৰীয়া দিনৰ কাৰণে হ'লেও কলনাইজেচন আঁচনিৰ আধাৰত কৰা কামৰ অভিজ্ঞতাই মোক পৰৱৰ্তীকালত কেনেভাৱে প্ৰভাৱিত কৰিছিল সেই কথা পিচত আলচিম।

মই ডি এছ পি কাম পায়ো ল'ব নোখোজা বুলি গম পাই তেখেতে মোৰ ঘৰলৈ গৈ বোলে, "হেৰা প্ৰেম, তুমি হাকিমৰ নামত কিয় বিয়াগোম কেৰাণী হোৱাৰ হেঁপাহ কৰিছাহে? ডি এছ পি হোৱা। মোক দেখিছানে? হাকিম হৈ কলম পিহি পিহি এতিয়া বুঢ়াকালত বন্দৰকস্তী বিষয়া হৈছোহি। আমাৰ ধন মোতকৈ কিমান বছৰ পিছত ডি এছ পি হৈ এতিয়া (১৯৬২) কামৰূপৰ এছ পি আৰু শুনিছো সি বোলে দুদিনমানতে ডি আই জিয়েই হ'ব। তুমি ডি এছ পি হোৱা।" ধন তেখেতৰ কনিষ্ঠ সহোদৰ প্ৰাক্তন এম পি আটাউৰ ৰহমানৰ ঘৰুৱা নাম।

ত্ৰিছৰ ডেওনা পাৰ হোৱাৰ পিচৰ পৰা ক্ৰমান্বয়ে ভকতসকলৰ সঙ্গত নামপাঠ প্ৰসঙ্গ আদিত বুচি বাঢ়ি যোৱাত ভৰিৰ পৰা চামৰাৰ চেণ্ডেল-জোতা সোলোকাইহে চাহ এটোপাও খোৱাৰ মোৰ নিয়ম হৈ পৰিছিল। হাকিম হ'ব পাৰিলে তেনে নিয়ম ৰাখি এটা সাত্ত্বিক জীৱন যাপন কৰাৰ হেঁপাহ হৈছিল। ঈশ্বৰে বোধহয় সেই কাৰণেই মোক ভৰিৰ চামৰাৰ জোতা দূৰৰে কথা, মূৰে কঁকালে চামৰা বন্ধাই ভাত খুউৱাৰ অভিসন্ধি কৰিছিল। তেতিয়া বঞ্চিত হোৱাৰ বেদনা অনুভৱ কৰিছিলো যদিও পিচত বুজিছিলো "আছে মোৰ ভাগ্য আসি শাপে ভৈলা বৰ।"

হাকিম পদ নাপাই মই ডি এছ পি পদ গ্ৰহণ কৰোতে মোৰ এজন সম্বন্ধীয় সত্ৰাধিকাৰ গোসাঁয়ে মোক সহানুভূতিৰ সুৰত কৈছিল বোলে, "বোপাই তুমি ধনৰ গাদীখন পালা। মানৰ গাদীখন নাপালা।" মই ডি এছ পি হ'বলৈ যাম বুলি জানি আমি চাউল-ডাইল খোৱা দোকানখনৰ মাৰোৱাৰী দোকানীজনেও হাঁহি হাঁহি মোক কৈছিল বোলে, "ছাৰ এতিয়া আপুনিতো হাত কেৰেয়া-ডাল জোকাৰি দিলেই গছৰ পকা গুটি সৰাদি ঠল ঠলকৈ ধন সৰি পৰিব।" এই দুগৰাকী লোকৰ মন্তব্য দুটাতে জনমানসত পুলিচৰ ভাবমূৰ্তিটো প্ৰকাশ

পাইছে। এইটো উত্তৰাধিকাৰীসূত্ৰে পুলিচ বিভাগে লাভ কৰি আহিছে। এসময়ত বহুত অসমীয়া মানুহে পুলিচ বিভাগত কাম ল'বলৈ ভাল নাপাইছিল। নিম্ন বৰ্গৰ পদবিলাকত আগেয়ে অসমীয়া মানুহৰ সংখ্যা সৰহ নাছিল। প্ৰাক স্বাধীনতা কালত অবিভক্ত অসমত, অৰ্থাৎ শ্ৰীহট্ট অসমৰ অংগ হৈ থাকোতে, নিম্ন পৰ্য্যায়ৰ বিষয়া আৰু কৰ্মচাৰীৰ বহুজন অংশই সুৰমা উপত্যকাৰ লোক আছিল। চিপাহী পদত বিহাৰ, উত্তৰ প্ৰদেশ আৰু নেপালৰ লোকৰ প্ৰাদুৰ্ভাৱ আছিল চকুত পৰা। পৰাপক্ষত মানুহে থানালৈ যাবলৈ ভাল নাপাইছিল। থানাবিলাকত ভেটি নিদিলে কাম নহয় এনে এটা ধাৰণা তেতিয়াও আছিল আৰু এতিয়াও আঁতৰা নাই; বৰঞ্চ বাঢ়িছেহে। স্বাধীনতাৰ পিচত ক্ৰমান্বয়ে যিবা অলপ পুলিচৰ ভাবমূৰ্তিৰ উন্নতি ঘটিছিল সিয়ো ইন্দিৰা গান্ধীৰ জৰুৰী-কালীন অৱস্থাৰ কালছোৱাত সমূলঞ্চে নষ্ট হ'ল। কিন্তু প্ৰশ্ন হ'ল— দুনীতি অকল পুলিচ বিভাগতে সীমাবদ্ধনে? আজি আৰু 'মানৱ গাদী' বুলিবলৈ ক'ৰবাত এখনমান আছেনে? (কোনোবা এটামান বিভাগেও) আজি নিকা আৰু পৱিত্ৰ ভাবমূৰ্তি অটুট ৰাখিবলৈ সক্ষম হৈছেনে? 'চাকৰি' তথা 'সেৱা' যেতিয়া নিলামত বিক্ৰী হ'বলৈ আৰম্ভ কৰে তেতিয়া সমাজে ন্যায় বিচাৰিব ক'ত? পুলিচ বিভাগত সোমাই মই এটা কথা উপলব্ধি কৰিছিলোঁ যে দুনীতিগ্ৰস্ত বিভাগবোৰৰ ভিতৰত (দুনীতিমুক্ত বিভাগ বিচাৰিবলৈ অৱশ্যে অনুবীক্ষণ যন্ত্ৰৰ সহায় ল'ব লাগিব) পুলিচ বিভাগহে বোধহয় তুলনামূলকভাৱে কম দুনীতিগ্ৰস্ত। পুলিচৰ বদনামৰ কাৰণটো সুকীয়া। কিবা লেঠাত পৰি পুলিচক দিব লগা হোৱা উৎকোচটো দিওঁতাজনৰ ওপৰত পৰা প্ৰত্যক্ষ হেঁচা। আনবোৰ বিভাগত দিওঁতা লওঁতা দুয়ো পক্ষ সমানে লাভবান হয়। অদৃশ্য হেঁচাটো পৰে ৰাইজ তথা ৰাষ্ট্ৰৰ ওপৰত। ঠিকাদাৰে যেতিয়া অভিযন্তাক ভেটি দিয়ে সেইটো তেওঁৰ ঘৰৰ পৰা নিদিয়ে। নকৰা কাম কৰা বুলি দেখুৱাই দুই পক্ষৰ সহযোগত বিল কৰি দুয়োপক্ষই ধন ভগাই লয়। লোকচান হয় ৰাষ্ট্ৰৰ। ভৰিব লগা কৰ নভৰিব লগা কৰি কৰদাতা আৰু কৰ সংগ্ৰাহক দুয়ো সমানে লাভবান হয়। হানি হয় ৰাষ্ট্ৰৰ। কিন্তু কিবা লেঠাত পৰি কোনো দুনীতি পৰায়ণ পুলিচ বিষয়াক ভেটি দিব লাগিলে সেই ধন নিজৰ গাঁঠিৰ পৰা দিব লাগিব। সেয়ে পুলিচৰ বদনামটো আন সকলতকৈ বেছি। পুলিচৰো ওপৰ মহলত বিভাগটোৰ কাৰণে কিনা সামগ্ৰীবিলাকৰ কোটি কোটি টকীয়া লেনদেনত দুনীতিৰ গুণগুণনি শুনিবলৈ পোৱা যায়। পিছে, এইটো আৰম্ভ হৈছে মন্ত্ৰী পৰ্য্যায়ৰ পৰা। ডাঙৰ ডাঙৰ ব্যৱসায়ীয়ে আজিকালি বিভাগীয় সা-সামগ্ৰীৰ যোগান সম্পৰ্কত প্ৰভাৱিত কৰে মন্ত্ৰীক। আনহে নেলাগে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ কাৰণে কিনা সামগ্ৰীতে কেনা লগাৰ কথা বফৰ্চ কেলেংকাৰীয়ে উদঙাই দিলে। মাছৰ মুৰটো গেলিলে গা ছোৱা নেগেলি পাৰেনে?

আজি অলপদিনৰ আগলৈকে চিপাহী পদৰ কাৰণে অধিক শিক্ষাৰ প্ৰয়োজন নাছিল। তেতিয়া মেট্ৰিক পাছ কৰাজনক লিটাৰেট কন্সষ্টেবল হিচাপে মকৰল কৰা হৈছিল আৰু তেওঁলোকে টকাচেৰেক ওপৰঞ্চি ভাট্টাও পাইছিল। তেতিয়া সাধাৰণভাৱে লিখিব পঢ়িব জনা, গায়ে-গাৰীয়ে ভাল স্বাস্থ্যবান হ'লেই হৈছিল। তেতিয়া চিপাহী মকৰল প্ৰক্ৰিয়াটো বৰ সৰল আৰু নিকা আছিল। জিলাৰ আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰায় প্ৰতি সোমবাৰে পুৱা পুলিচ ৰিজাৰ্ভত গোট খোৱা প্ৰাৰ্থীসকলৰ মাজৰ পৰা উপযুক্ত যুৱকসকলক বাছি লৈছিল। এতিয়া সেই ফেৰা কাম ৰাজনৈতিক দৃষ্টিভঙ্গীৰে ৰাজনৈতিক দালালৰ সহযোগত মন্ত্ৰীসকলে কৰিবলৈ লৈছে আৰু বিশ্বাস কৰিবলৈ টান পালেও, শুনা গৈছে পদবোৰ আজিকালি এক প্ৰকাৰ বিক্ৰী হয়। বিভাগটোক জহান্নামলৈ লৈ যোৱাৰ কাৰণে এইটো প্ৰশস্ত পথ।

এতিয়া চিপাহীকামৰ কাৰণেও স্নাতক প্ৰাৰ্থীৰ ভিৰ বাঢ়িছে। এইটো অৱশ্যে শুভলক্ষণ। বৃটিছৰ দিনত উপ-পৰিদৰ্শক পদৰ বাবে নিম্নতম শিক্ষাৰ অৰ্হতা আছিল ইণ্টাৰমিডিয়েট পাছ। অৱশ্যে তেতিয়াও বহু সংখ্যক স্নাতক, এম এ আৰু আইনৰ স্নাতকে উপ-পৰিদৰ্শকৰ পদত যোগ দিছিল। সেইসকলৰ সৰহ ভাগ অৱশ্যে সুৰমা উপত্যকাৰ আছিল। এতিয়া উপপৰিদৰ্শকৰ কাৰণে স্নাতক নিম্নতম অৰ্হতা। তেনেকৈ অসশস্ত্ৰ চিপাহী পদৰ কাৰণেও নিম্নতম অৰ্হতা প্ৰৱেশিকা পাছ কৰা হৈছে। কিন্তু শিক্ষাগত অৰ্হতাৰ মানদণ্ড বঢ়োৱা সত্ত্বেও পুলিচ কৰ্মচাৰীসকলৰ গুণগত কিবা পৰিৱৰ্তন ঘটা যেন চকুত পৰা নাই। তাৰ ঘাই কাৰণ বোধহয় আমাৰ সমাজ ব্যৱস্থা। বেয়া কেঁচামালেৰে ভালবস্তু গঢ়িব নোৱাৰি। দুৰ্নীতিগ্ৰস্ত পৰিৱেশত গঢ় লৈ দুৰ্নীতিৰ মাধ্যমেৰে অহা যুৱকসকলৰ বহুতে এতিয়া পুলিচ বিভাগলৈ আহোতেই সেৱাৰ মনোভাৱেৰে নাহে। তাতে যদি মাটি-বাৰী বেচি পোৱা ধন ভৰি চাকৰি ল'ব লগা হয় তেতিয়া দোষে কাক?

পুলিচত আৰু এটা সৰ্বনশীয়া "সংস্কৃতি"য়ে গা কৰি উঠিছে। 'দোকান ভঙা, গাড়ী ভঙা সংস্কৃতি'। এইটো বেছিদিনীয়া নহয়। ইয়াৰ জন্ম ১৯৮৩ চনত। শ্ৰীহিতেশ্বৰ শইকীয়া তথা ইন্দিৰা কংগ্ৰেছে গাৰ বলেৰে নিৰ্বাচন এটাৰ ভেকো-ভাওনা পাতি অসমৰ শাসনৰ গাদীত বহিল। সিফালে ইন্দিৰা গান্ধীয়ে তেওঁৰ সিংহাসনৰ উত্তৰাধিকাৰী কৰিবলৈ সজাই পৰাই অনা তেখেতৰ দ্বিতীয় পুত্ৰ সঞ্জয় গান্ধীৰ অপঘাত মৃত্যু ঘটাত বৰপুত্ৰ ৰাজীৱক সেই গাদীত বহুৱাবৰ মানসেৰে বিমান চালকৰ কামৰ পৰা এৰুৱাই তেওঁক ৰাজনীতিলৈ আনি লোকসভাৰ সদস্য পাতিলে। সঞ্জয়ৰ চিতাভস্ম শিৰত লৈ অসমৰ তেতিয়াৰ মুখ্যমন্ত্ৰী শইকীয়াই ব্ৰহ্মপুত্ৰত তৰ্পণ কৰাৰ পিচত, তেতিয়া ৰাজনীতিত অনভিজ্ঞ নতুন এম পি ৰাজীৱ গান্ধীৰ অসমলৈ আগমন হৈছিল। তেতিয়া অসম

আন্দোলনৰ ভৰপক। ঘনে ঘনে দীঘলীয়া বন্ধ। চৰকাৰ অচল। কাৰ্য্যালয়বোৰ উদং। দোকান-পোহাৰ বন্ধ। বাট-পথ নিৰ্জন। তাহানি প্ৰিন্স অব ওৱেল্‌চৰ ভাৰত ভ্ৰমণৰ সময়তো ৰাজভৃত্যসকলে যি ৰাজভক্তি দেখুওৱা নাছিল ততোধিক ৰাজভক্তি দেখুৱাই ইন্দিৰা গান্ধীৰ কৃপাধন্য হ'বলৈ প্ৰতিযোগিতা চলোৱাসকলে পোন প্ৰথমবাৰৰ কাৰণে অসম বন্ধ কালত 'গুৱাহাটীৰ স্বাভাৱিক অৱস্থা' প্ৰদৰ্শন কৰিবলৈ এক নতুন কৌশল উলিয়ালে। ৰাজীৱ গান্ধীৰ গতিপথৰ কাষৰ বন্ধ দোকান-পোহাৰবোৰ পুলিচ লগাই ৰাতিপুৱাতে তলাবোৰ ভঙাই খোলাই দিলে। ভাৰতীয় দণ্ডবিধি আইন মতে এইটো এটা ডাঙৰ অপৰাধ। কিন্তু সেই অপৰাধকে স্বয়ং চৰকাৰে কৰোৱালে আইন ৰক্ষকসকলৰ হতুৱাই আৰু সিয়ো সম্ভৱ হ'ল ৰাজনৈতিক নেতাৰ চৰণ চেলেকি প্ৰভুভক্তি দেখুৱাই পদোন্নতি আদি বিচৰা এচাম মেৰুদণ্ডহীন পুলিচ বিষয়াৰ সক্ৰিয় সহযোগত। তেতিয়াৰ পৰা আন্দোলনকাৰীৰ দ্বাৰা ঘোষিত বন্ধত দোকান পাত ভঙা, গাৰ বলেৰে যানবাহন চলোওৱা, বিনা বিচাৰে নাগৰিকক কোবাই পঙ্গু কৰাটো অসম পুলিচৰ কৰ্তব্যৰ অন্তৰ্ভুক্ত হৈ পৰিছে। সেইটো কেৱল পুলিচতে সীমাবদ্ধ হৈ থকা নাই। প্ৰশাসনীয় সেৱাৰ বিষয়াসকলৰ এচামকো শেহতীয়াকৈ সেই প্ৰতিযোগিতাত নমা দেখা গৈছে। গণতান্ত্ৰিক পদ্ধতিৰ প্ৰতিবাদ দমন কৰিবলৈ চৰকাৰে লোৱা তেনে অগণতান্ত্ৰিক আৰু আইন বহিৰ্গত কামেই এচাম যুৱকক হাতত অস্ত্ৰ তুলি ল'বলৈ একপ্ৰকাৰ বাধ্য কৰিলে।

ইন্দিৰা গান্ধীয়ে একমাত্ৰ নিজৰ আৰু নিজ পৰিয়ালৰ স্থিতি গজগজীয়া কৰিবলৈ ঘোষণা কৰা জৰুৰী-কালীন অৱস্থাৰ সময়ত তেওঁৰ হাতৰ পুতলা হোৱা এচাম চৰকাৰী বিষয়াৰ হীন আচৰণৰ কথা পৰৱৰ্তী জনতা চৰকাৰৰ দিনত পতা শ্বাহ কমিছনে অতি অৰ্থব্যঞ্জকভাৱেই প্ৰকাশ কৰিছিল, বোলে তেওঁলোকক ইন্দিৰা গান্ধীয়ে তেওঁৰ ফালে অকণমান হ'লিবলৈ কওঁতে তেওঁলোকে তেওঁৰ চৰণত দণ্ডৱৎ হ'ল। দুখৰ বিষয় যে সেইটোহে ক্ৰমাৎ পৰম্পৰা হৈ পৰিছে। বৃটিছৰ কালৰে পৰা জিলাৰ উপায়ুক্তজন ৰাইজৰ বৰ সমীহৰ পাত্ৰ হৈ আহিছে। আমি বৃটিছৰ কালতো দেখিছিলো যে ডি চি দুৰৰ কথা যি কোনো গেজেটেদ বিষয়ায়ো মিছা কথা কাচিৎ হে কৈছিল। অসুবিধাজনক কিবা কথা ক'ব লগা হ'লে কৈছিল "মোৰ সেইটো মনত নাই।" ইমানেই। এতিয়া স্বয়ং ডি চি-সকলকে দেখিছো শাসনাধিষ্ঠিত ৰাজনৈতিক নেতা মন্ত্ৰীৰ দৰে তেওঁলোকেও টিভিৰ পৰ্দাত ওলাই জীয়া ফাঁকি কথা কোৱা হৈছে। দলীয় চৰকাৰৰ এবছৰীয়া/দুবছৰীয়া উৎসৱবিলাকত চৰকাৰী বিষয়া, বিশেষকৈ ডি চি-সকলে, অংশ গ্ৰহণ কৰা এটা নতুন পৰম্পৰা আৰম্ভ হৈছে। তেওঁলোকে গমেই নাপায় যে তেওঁলোক বহি থকা আসনখনৰ লগতে তেওঁলোকৰ নিজৰো ভাৱমূৰ্তি তেনে কাৰ্যই অৱনমিত কৰে। পুলিচৰ তলতীয়া বিষয়া

কর্মচাৰীসকলৰ ভিতৰতো আৱশ্যক হ'লে উৰ্দ্ধতন বিষয়াৰ আইন বহিৰ্ভূত মই-মতালিৰ প্ৰতিবাদ কৰাৰ মানসিকতা আৰু নৈতিক সাহস নোহোৱা হ'ল। তেনে সাহস কিন্তু বৃটিছৰ আমোলতো দেখুৱাৰ অভিলেখ নোহোৱা নহয়। এটা মুখ বাগৰি অহা ঘটনা কওঁ।

১৯৩০-ৰ দশকৰ ঘটনা। ডিব্ৰুগড়ত এজন বৰ উদণ্ড অত্যাচাৰী খঙাল আৰু অভদ্ৰ আচৰণকাৰী বৃটিছ এছ পি আছিল। তেওঁ তলতীয়াসকলক কুকুৰ শিয়ালৰ দৰে ব্যৱহাৰ কৰিছিল। কথাই কথাই মাৰিবলৈকো খেদি গৈছিল আৰু কেতিয়াবা কেতিয়াবা হাতো লগাইছিল। ডিব্ৰুগড় থানাৰ বিষয়া কৰ্মচাৰীসকল তেওঁৰ উপদ্ৰৱত অতীষ্ঠ হৈ পৰিছিল। এছ পি থানালৈ যোৱা মানেই এটা উদণ্ড ষাড়গৰু থানাত সোমোৱাৰ নিচিনা হৈছিল। এদিন থানাৰ অ'চি (তেওঁ বোলে চিলেটৰ মানুহ আছিল) জনে থানাৰ বাকীসকলেৰে এছ পিক এশিকনি দিবলৈ আলচ কৰিলে। আন দিনৰ দৰে সেইদিনাও চাহাবে থানাত সোমাই তেওঁৰ নিত্য-নৈমিত্তিক ব্যৱহাৰ আৰম্ভ কৰি দিলে। আগৰ পৰা প্ৰস্তুত কৰি থোৱা ব্যৱস্থা মতে কেবাজনেও চাহাবক গৰামাৰি ধৰি থানাৰ লকাপত ভৰাই তলা লগাই দি তেওঁলোকেই থানাৰ ডায়েৰী, কাগজপত্ৰ, ওৱাল চাৰ্টবোৰ ফালি চিৰি লণ্ড ভণ্ড কৰি ডি চি, এডিশ্যনেল এছ পি আদিলৈ জৰুৰী খবৰ পঠালে বোলে চাৰ সৰ্বনাশ হৈছে। আমাৰ চাহাব হঠাতে উন্মাদ হৈ থানাৰ বয়-বস্তু ধ্বংস কৰি আমাকো মাৰিবলৈ খেদি ফুৰিছে। আমি কোনোৰকম চাহাবক ধৰি লকাপত ভৰাইছো। বেগেতে আহি কিবা এটা কৰক। ডি চি, এডিশ্যনেল এছ পি, চিভিল চাৰ্জন আদি বিষয়াসকলে থানালৈ চাপলি মেলিলে। সিফালে এছ পিয়ে খঙত জ্বলিপকি উগ্ৰমূৰ্তি ধৰি লকাপৰ দুৱাৰত মূৰ খুণ্ডিয়াই চিঞৰ-বাখৰ লগাই সঁচাকৈয়ে উন্মাদৰ লক্ষণ দেখুৱালে। হুলস্থূল শুনি থানাৰ সন্মুখত মানুহে জুম বান্ধিলে।

ডি চি আদি বিষয়াসকলে দেখে কথাটো হয়। এছ পি উন্মাদ হ'ল। তেওঁলোকেও এছ পিক লকাপৰ পৰা উলিয়াবলৈ সাহ নকৰিলে। অলপ পিচত এছ পিৰ সম্বিৎ ঘূৰি আহিল। তেওঁ শান্ত হ'ল। ডি চি-য়ে তেওঁৰ পৰা শান্ত ব্যৱহাৰৰ মৌখিক প্ৰতিশ্ৰুতি লৈ তেওঁক লকাপৰ পৰা উলিয়াই নিলে। থানাৰ মানুহখিনিৰ একতা আৰু বিশেষকৈ ভাৰতীয় জাতীয়তাবোধৰ কাৰণে সেই ষড়যন্ত্ৰটো বহুত পুৰণি নোহোৱালৈকে গোপনে থাকিল।

সদাচাৰ, সদালাপ সজ-ব্যৱহাৰ আদি গুণবোৰ যেন পুলিচৰ কৰ্ম পদ্ধতিৰ লগত ৰাহিজোৱা নহা গুণহে তেনে এটা ৰাইজৰ ধাৰণা। অনেকে ক'ৰবাত কোনো পুলিচ বিষয়া বা কৰ্মচাৰীৰ পৰা সজ আৰু ভদ্ৰ ব্যৱহাৰ পালে তেওঁক তাৰবাবে শলাগক ছাৰি পৰোক্ষভাৱে তেওঁক পুলিচৰ বাবে অনুপযুক্ত বুলিহে

মন্তব্য দি থায় বোলে, আপুনি এই 'লাইন'ৰ মানুহ নহয় দেই। আপুনি প্ৰফেচাৰ / মাষ্টৰ হ'ব লাগিছিল।

বহুতে শুনিলে বিশ্বাস কৰিবলৈকে টান পাব যে কিছুমান ঠাইৰ মানুহে অমায়িক আৰু ভদ্ৰ পুলিচ বিষয়া তেওঁলোকৰ এলেকাৰ থানাত নিবিচাৰেও। শ্ৰীভবানীকান্ত বৰুৱাদেৱে এটা কথা প্ৰসঙ্গত আমাৰ আগত কৈছিল বোলে শ্ৰীহট্টৰ এখন থানাত এজন উচ্চশিক্ষিত মাৰ্জিত ৰুচিসম্পন্ন দাৰোগাক ভাৰপ্ৰাপ্ত বিষয়া হিচাপে নিয়োগ কৰাৰ অলপ দিন পিছতে সেই অঞ্চলৰ দেৱানী মাতব্বৰসকলে এছ পি-ৰ ওচৰত গৈ আপত্তি দৰ্শালে বোলে "হজুৰ কি অ' চি দিলেন? ম্যায়াৰ মত কথা কয়। কাউকে তুই পৰ্য্যন্ত কয় না।" শেষত এছ পি-য়ে আনঠাইত তম্ভিব নোৱৰা অতি ৰুক্ষ স্বভাৱৰ, কথাই কথাই অবাইচ মাত মতা এজন দাৰোগাক তালৈ বদলি কৰি দিলে। সেইজনে হেনো থানাত এজাহাৰ দিবলৈ অহাজনকে প্ৰথমতে ধৰপ ধৰপ কৰে দুচাতমান লগাই দি সোধে বোলে "...এইবোৰ মিছা এজাহাৰ কিয় আনিছ?" তেতিয়া বোলে বহুক্ষেত্ৰত এজাহাৰকাৰীয়ে মাৰৰ কোবত এজাহাৰত লিখা কিছুমান অভিযোগ মিছা বুলি স্বীকাৰো কৰিছিল। বাটে-পথে কোনোবাই তেওঁক চালাম নকৰাকৈ গ'লে সুদাই সাৰিব নোৱাৰিছিল। তেনে "ব্যাটাৰ মত ব্যাটা" অ'চি দিয়াৰ কাৰণে মুখীয়ালসকলে গৈ এছ পি-ক ধন্যবাদ জনাইছিল।

পুলিচৰ চিপাহী কৰ্মচাৰী আৰু বিষয়াসকলৰ প্ৰশিক্ষণ ব্যৱস্থাটোও আওপুৰণি হৈয়ে আছে। আমাৰ আইন আৰু মেনুৱেলবোৰ যুগ আৰু পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপ খোৱাকৈ যথোচিৎ সংশোধন আৰু পৰিৱৰ্ধন কৰি লোৱা হোৱা নাই। ইংৰাজসকলে আমাৰ আইন আৰু মেনুৱেলবোৰ ৰচনা কৰিছিল তেওঁলোকৰ ঔপনিৱেশিক সাম্ৰাজ্যবাদী শাসন ভাৰতত গজ্‌গজীয়া কৰি ৰাখিবলৈ। তেতিয়া জনকল্যাণ ৰাষ্ট্ৰৰ ভাবনা নাছিল। ফলত কিছুমান আইন আৰু প্ৰশিক্ষণ পদ্ধতি আমাৰ বৰ্তমানৰ পৰিৱৰ্তিত জনকল্যাণ ৰাষ্ট্ৰৰ নীতিৰ লগত খাপ নোখোৱা হৈ পৰিছে। উদাহৰণ স্বৰূপে এতিয়াও অতীজৰ বৃটিছ আমোলৰ পদ্ধতিৰেই উন্মত্ত জনতা দমনৰ প্ৰশিক্ষণ পুলিচক দিয়া হয়। ইয়াত মানৱীয় দিশ প্ৰায় অনুপস্থিত। ছত্ৰভঙ্গ কৰিবলগীয়া সমবেত জনতাক নিজৰ মানুহ বুলি গণ্য কৰিবলৈ পুলিচক শিকোৱা নহয়। কোনো উত্তেজিত নাগৰিকৰ সমাবেশক বা কিবা কাৰণত এজন উত্তেজিত নাগৰিকক দমন কৰা পদ্ধতিটো, নিজৰ কোনো মানসিকভাৱে বাধাগ্ৰস্ত তথা হিংস্ৰ হৈ পৰা উন্মাদ আত্মীয় স্বজনক বশলৈ অনাৰ পদ্ধতিৰ দৰে হ'ব লাগে। পুলিচসকলক বিধি সম্মত পেচাদাৰী গুণ্ডাৰ নিচিনা কৰিবলৈ বিচৰাতকৈ তেওঁলোকক সেৱক হ'বলৈ শিকোৱাৰ ব্যৱস্থা কৰিব লাগে। এই ব্যৱস্থা অধিক আৰু স্থায়ী ফলপ্ৰসু।

অকৰীয়া হ'লেও মোৰ পুলিচ বিভাগৰ সেৱা কালত গাই-গুটীয়াকৈ তেনে নীতি প্ৰয়োগ কৰি লাভ কৰা অভিজ্ঞতাৰ পৰা মই এই কথা কৈছোঁ।

দুটামান সৰুসুৰা ঘটনা উল্লেখ কৰো। ১৯৬৮ চনৰ ২৬ জানুৱাৰীত হঠাতে গুৱাহাটীত ভয়ানক শান্তি ভংগ হৈছিল। কিছুমান দুৰ্বৃত্তই ফাঁচী বজাৰৰ দোকান-পোহাৰ জ্বলাই দিছিল। সেইটো হেনো লাচিত সেনা নামৰ এটা অসমীয়া উগ্ৰ জাতীয়তাবাদী দলৰ কাম আছিল। কামৰূপৰ এছ পি আছিল শ্ৰীঅতুল দত্ত। মই তেতিয়া বৰপেটাত এছ ডি পিও। আকস্মিকভাৱে তেনে এটা পূৰ্বপৰিকল্পিত ঘটনা ঘটাত দোষটো স্বাভাৱিকতে জিলা পুলিচ প্ৰশাসনৰ ওপৰত পৰিছিল আৰু চৰকাৰে শ্ৰীদত্তক লগেলগেই বদলি কৰি শ্ৰীজ্ঞানানন্দ শৰ্মা পাঠকক কামৰূপৰ এছ পি কৰি আনিছিল। পাঠক চাহাবে লাচিত সেনা নিৰ্মূল কৰাৰ অভিপ্ৰায়েৰে বিস্তৃত আঁচনি ৰচনা কৰিছিল।

তেতিয়াও অশান্তি সাম কটা নাই। তেনে এক বিয়লি বেলাত মোক এছ-পি-য়ে ফোন যোগে আদেশ দিলে যে মই বৰপেটা থানাৰ অ' চি প্ৰাণেশ্বৰ কলিতাক লগত লৈ তৎক্ষণাৎ গুৱাহাটীলৈ যাব লাগে—এটা বিশেষ অভিযানৰ কাৰণে। গ'লো। সন্ধ্যা গুৱাহাটী পালো। সেইদিনা একে ৰাতিতে একে সময়তে গুৱাহাটীৰ বিভিন্ন ঠাইৰ কিছুমান নিৰ্দিষ্ট ঘৰত তালাচী চলিব। মোৰ ভাগত গুৱাহাটী হাইক'ৰ্টৰ ওচৰ-পাজৰৰ অঞ্চলটো পৰিছিল। মোৰ মানুহ-খিনিক ঘৰে ঘৰে ভগাই দি মই নিজে, সেইসকলৰ আটাইতকৈ প্ৰখ্যাতজনৰ, মোৰ যিমানদূৰ মনত পৰে অধ্যাপক অচ্যুত ঠাকুৰীয়াৰ ঘৰৰ তালাচীত উপস্থিত আছিলো। ঠাকুৰীয়া ঘৰত নাছিল। তথাপিও তালাচী চলিল। দোক-মোকালিতে মোক গৈ এজন বিষয়াই খবৰ দিলে যে হাইক'ৰ্টৰ কাষৰ এঘৰৰ তালাচীত গৃহস্থই বাধা দিছে। পুলিচক ঘৰত সোমাবলৈ দিয়া নাই। মই লগে লগে গ'লো। দেখোগৈ যে মানুহ সোমোৱা লোহাৰ জপনাখনত তলা লগাই ঘৰে ঘৰোৱাহিয়ে জপনামুখত থিয় দি আছে আৰু পুলিচক গালাগালি কৰিছে। তাত সশস্ত্ৰ চি আৰ পিও আছিল। তথাপিও মই আগতীয়াকৈ দিয়া নিৰ্দেশ মতে তেওঁলোক নিৰ্মম হোৱা নাছিল। মানুহঘৰৰ আপত্তি আছিল যে মাত্ৰ কেইদিনমানৰ আগতে হেনো তেখেতসকলৰ ঘৰত তালাচী কৰা হৈছিল। মই গৈ অতি বিনম্ৰভাৱে তলাটো খুলি দিবলৈ অনুৰোধ কৰাতো ওভতাই মোক গালাগালিহে কৰিলে। মই ইচ্ছা কৰিলেই গেটখন ভঙাই পেলাব পাৰো যদিও অতি ভদ্ৰভাৱে বাৰম্বাৰ অনুৰোধ কৰি চালো। শিক্ষিত ডেকাজনক আমাৰ প্ৰতিও অকণমান ভদ্ৰ হ'বলৈ অনুৰোধ কৰাত তেওঁ অধিক উগ্ৰহে হ'ল। ঠিক তেনেতে দেখো এছ পি শৰ্মা পাঠক চাহাব তাত গৈ উপস্থিত হ'ল। তেখেত সাধাৰণ পোছাকতেই গৈছিল—হাৱাই চাৰ্ট, ট্ৰাউজাৰ আৰু ভৰিত চেণ্ডেল। তেখেতে গাড়ীৰ পৰা নামিয়েই তাত থিয়দি থকা চি আৰ পি এজনৰ হাতৰ

পৰা দীঘল লাঠী এডাল আজোৰ মাৰি লৈ একৰকম নাটকীয় ভঙ্গীত সুধিলে বোলে, "কোনে বাধা দিছে? গেট ভাঙি দে।" লগে লগে চিপাহীসকল গেট ভাঙিবলৈ সাজু হ'ল। গিৰিহঁতৰ গেট খুলি দিবলৈ তৰ্থনি হেৰাল। পাঠক চাহাবে বোলে "কোন লাচিত সেনা ওলাইছ ইয়াত? অসমীয়া বাক্য এটা শুদ্ধকৈ ক'ব নোৱাৰ, লিখিব নোৱাৰ, পঢ়িব নোৱাৰ, আকৌ লাচিত সেনা ওলাইছ! মই লাচিত সেনাৰ যম আহিছোঁ।" সিফালৰ পৰা ডেকাজনে ভেকাহি মাৰি 'ইছ্, এও লাচিত সেনাৰ যম ওলাইছে?' বুলি ক'বলৈহে পালে। পাঠক চাহাবে বোলে "ধৰ ইয়াক।" দুজনমান চিপাহীয়ে ডেও দি গৈ ডেকাজনক ধৰি গাড়ীলৈ টানি নিলে। হায়ে-বিয়ে কৰি বুঢ়ীমাকগৰাকীও ল'ৰাৰ লগত গাড়ীত উঠিলগৈ। যা হওঁক তেওঁক এৰি দিয়া হ'ল। আমি ভিতৰলৈ সোমাই গ'লো। এছ পি গ'লগৈ। মই তালাচীৰ সময়ত তাতে উপস্থিত থাকিলো। একো পোৱা নগ'ল। আমি আহিবলৈ ওলাইছো। তেনেতে এটা অভাৱনীয় ঘটনা ঘটিল।

সেই ঘৰৰ কাষৰ ঘৰ তেখেতসকলৰ দেদাই ভতিজা সম্পৰ্কীয় নিজৰ মানুহ। সেই ঘৰৰ বয়োজ্যেষ্ঠ মানুহগৰাকীয়ে আদ্যোপান্ত ঘটনা দেখি আছিল। মই যাবলৈ ওলাইছো। তেখেতে সেই বৃদ্ধ ডেকা (ভতিজা?) জনক মাতি নি মোৰ ওচৰত থিয় কৰাই ক'লে, "এখেতৰ ভৰিত ধৰি ক্ষমা খোজ। দেখিলিনে ইমান ডাঙৰ পুলিচ বিষয়া হৈয়ো, ইচ্ছা কৰিলে তোক নগুৰ নাগতি কৰিব পৰা অৱস্থাতো তেখেতে কেনেকৈ ধৈৰ্য্যৰে থাকিল আৰু উত্তেজিত তলতীয়াসকলকো সংযত কৰি ৰাখিলে?" অনুতপ্ত ডেকাজনে চাপৰিব খোজোতেই মই তেওঁক কান্ধত ধৰি ক'লো বোলো "তুমি মোক প্ৰেমকান্ত মহন্তকতো গালি-শপনি পৰা নাছিলা। মই পিন্ধি থকা এই সাজটোকহে গালি পাৰিছিলা। এইটোৰ ওচৰত ক্ষমা খুজিবলৈ কিটো আছে? ইয়াৰ একো অনুভূতি নাই। মই তোমাৰ কথাত বেয়া পোৱা নাই। হ'ব।"

মই বৰপেটাত থাকোতে হোৱা মোৰ আন এটা অভিজ্ঞতাই মোকে আচৰিত কৰিছিল। পাটাছাৰকুছি থানাৰ অন্তৰ্গত এঠাইত এটা ডাঙৰ ডকাইতি হৈছিল। সাত-আঠজনীয়া ডকাইতৰ দলটোৱে এঘৰ অৱস্থাপন্ন মানুহৰ বহু সম্পত্তি ডকাইতি কৰি নিছিল। সন্দেহত ডকাইতকেজনক গ্ৰেপ্তাৰ কৰি নগুৰ নাগতিকৈ শাস্তি দিয়ো পাটাছাৰকুছি থানাৰ পুলিচে একো শুংসূত্ৰ উলিয়াব নোৱাৰিলে। দলটো বড়ো যুৱকৰ আছিল। গ্ৰেপ্তাৰ কৰা যুৱককেজনক পিচদিনা বৰপেটা আদালতলৈ চালান দি অ' চিয়ে নিজে লৈ আহিছিল, পুনৰ পুলিচৰ জিম্মাত ল'বলৈ। কিন্তু ভৱানীপুৰৰ পৰা পকা, বামনা হৈ বৰপেটালৈ অহা পথত বামনাৰ ওচৰত বাছখন দুৰ্ঘটনাত পতিত হ'ল। অ' চিয়ে এজন চিপাহীৰে, দুৰ্ঘটনাত বেছি আঘাত নোপোৱা, এজন আচামীক আন এখন

বাহুত তুলি মোৰ ওচৰলৈ পঠাই দিলে এখন পুলিচৰ গাড়ীৰ বাবে অনুৰোধ কৰি। মই থানালৈ ফোন কৰি গাড়ী পঠাবলৈ নিৰ্দেশ দিলো। দেখিলো আচামীজনক মৰিয়াই কিলাই অৱস্থা নোহোৱাকৈ পঠাইছে। গাল মুখ হাত ভৰি উখহি আছে। তাৰ অৱস্থা দেখি মোৰ বৰ বেয়া লাগিল। মুখখন শুকান। সুধিলো সি কি খাই গৈছে। চাহ এগিলাচ আৰু বুটি এচকলৰ বাহিৰে একো খোৱা নাই। আগদিনা ৰাতি গুৰেৰে অলপ চিৰা খাইছিল। থানাৰো উপায় নাই। আচামীৰ কাৰণে খোৰাকিৰ নিৰিখ মান্ধাতা আমোলত নিৰ্ণয় কৰা মতেই আছে। বয়-বস্তুৰ দাম বাঢ়ি যোৱাত আগৰ হিচাপত দিয়া খোৰাকিৰ পইচাৰে ভাত খুৱাব নোৱাৰি। বহুত লিখি পঢ়িও একো লাভ হোৱা নাছিল। ক'ৰবাত ক'ৰবাত মৰমিয়াল অ' চিয়ে নিজৰ পৰাই আচামীক ভাত খুৱায়। নিজৰ পৰা মানে সিয়ো একপ্ৰকাৰ পৰৰ ধনেই। পাপৰ ধনেৰেই যাহওঁক কোনো কোনোৱে প্ৰায়শ্চিত্ত কৰে।

মই মোৰ গৃহিণীক মাতি নি তাৰ অৱস্থাটো দেখুৱালো। তেওঁ তাক একাহি ভাত আঞ্জা উলিয়াই দিলে। সি অতি আগ্ৰহেৰে ভাতকেটা খালে। তাৰ পিচত মই মাত্ৰ তাক ক'লো বোলো, এনে বেয়া কাম কৰ কিয় ? সি মোক আচৰিত কৰি বোলে, চাৰ অমুকৰ লগত পৰি কৰিলো। আৰু কেতিয়াও নকৰো। সুধিলো ডকাইতি কৰি নিয়া বস্তুবোৰ কি কৰিলি ? সি তাৰ নিজৰ ভাগত পৰা নগদ টকা সোণ-বান আৰু বয়-বস্তুৰ হিচাপ দিলে। আন কাৰ ভাগত কি পৰিল তাৰো হিচাপ দিলে। বস্তু নি ক'ত থৈছে গৈ তাৰো বৰ্ণনা দিলে। মই কাৰ ভাগত কি পৰিল তাৰ পৰা শুনি টুকি ল'লো।

অলপ পিচতে আমাৰ গাড়ীৰে বাকীবোৰ আচামী আৰু অ' চি পালেহি। মই নাটকীয়ভাৱে নাম ধৰি প্ৰত্যেককে মাতি কৈ গ'লো বোলো তই এই এই বস্তু পাইছ ভাগত। হয়নে ? বোলে হয়। প্ৰত্যেকটোৱেই একো দ্বিধা নৰথাকৈ কৈ গ'ল। অ'চিজনে, (কিবা সেন) ভেবা লাগি মোৰ মুখৰ ফালে চাই থাকি মাত্ৰ সুধিলে—"চাৰ আপুনি কিবা (মন্ত্ৰ) জানেনে কি ?" মই নিজেও বিস্মিত হৈছিলো। অকণমান মৰম অকণমান সহানুভূতিয়ে মানুহক কিমান সলাই পেলাব পাৰে ! সকলোৱে "আত্মা ৰাম"। মনটোৱেহে আমাৰ হুতুৰাই যতবোৰ কৰায়। নামঘোষাৰ মহৎ বাণীষাৰ—

অন্তৰত এক ঈশ্বৰক দেখিয়োক নানা বাহিৰত
অন্তৰত বোধ বাহিৰত জড় প্ৰায়।
বুদ্ধিত সমস্ত তেজিয়োক বাহিৰত সঙ্গ দেখায়োক
এহিভাবে ৰাম লোকত ফুৰা বেড়াই ॥
মনত ৰাখি চলিলে কেউকুল ৰক্ষা পৰে।

কেবাঠাইতো কেবাটাও ৰক্তক্ষয় ঘটিবলগীয়া পৰিস্থিতি শান্তভাৱে বিনা ৰক্তপাতেৰে চম্ভালি কাৰ্য্যসিদ্ধি কৰাৰ সৌৰৱণিয়ে মোক এতিয়াও আনন্দ দিয়ে। অৱশ্যে তাৰ বাবে কোনো কোনো মহলৰ পৰা কেতিয়াবা বিৰূপ মন্তব্য যে পোৱা নাছিলো এনেও নহয়। কিন্তু তেনে বিৰূপ মন্তব্যই মোৰ মনৰ আনন্দ আৰু শান্তি কাঢ়ি নিব পৰা নাছিল।

আৰক্ষীসকলৰ প্ৰশিক্ষণ আৰু কৰ্তব্যত কঠোৰ নিয়মানুবৰ্তিতা অপৰিহাৰ্য্য সঁচা। কিন্তু সেয়ে হ'লেও মানৱীয় দিশটোও আগত ৰখাটো প্ৰয়োজন। উচ্চ পদস্থসকলৰ তলতীয়াসকলৰ প্ৰতি কঠুৱা মাতকথা, নিৰ্মম ব্যৱহাৰ, তেওঁলোকৰ ব্যক্তিগত বা ঘৰুৱা সমস্যাবোৰৰ প্ৰতি আওকাণ বা অৱজ্ঞা আদিয়ে প্ৰশিক্ষাৰ্থী বা তলতীয়াসকলৰ মনত বিৰূপ প্ৰতিক্ৰিয়াও কৰে। যান্ত্ৰিকভাৱে নিয়মানুবৰ্তিতা ৰক্ষা কৰিবলৈ যাওঁতে দুই এটা হত্যা আৰু আত্মহত্যাৰ নিচিনা কৰুণ ঘটনা ঘটাও দেখা গৈছে। সকলো ক্ৰিয়াৰ প্ৰতিক্ৰিয়া থাকে। আমাৰ বহুত শাহুআয়ে নিজে বোৱাৰীকালত শাহুৰ পৰা পাই থোৱা কৰ্কশ আৰু নিষ্ঠুৰ ব্যৱহাৰৰ পোতক অবচেতন মনেৰেই নিজৰ বোৱাৰীৰ ওপৰত তুলিবলৈ বিচৰাৰ ফলত অনেকৰ ঘৰ গুচি বাঁহতল হোৱাৰ উদাহৰণো আছে। আগৰ আমাৰ শিক্ষা ব্যৱস্থাতো তেনে দোষ আছিল। মোৰ পঢ়াশলীয়া কালৰ এটা অভিজ্ঞতা উল্লেখ কৰোঁ।

আমি প্ৰাথমিক স্কুলত পঢ়া কালত একাষাৰ কথাৰ প্ৰচলন আছিল— "চেৰ্কনিৰ মুৰতহে বিদ্যা।" স্কুলত নাম লগাই দি অভিভাৱকে শিক্ষকক কৈছিল বোলে "হাত নেভাগক চকু নুফুটক। বাকী যি কৰে কৰিব।" সেয়ে পঢ়াশালী আমাৰ কাৰণে আনন্দৰ ঠাই নাছিল। দিনটো কেনেকৈ কোব নোখোৱাকৈ পাৰ হয় সেইটোহে ডাঙৰ চিন্তা আছিল। তেতিয়াৰ সেই "চেৰ্কনিৰ মুৰত বিদ্যা" তত্ত্বৰ কাৰণে বহুতো ল'ৰাই দুশ্ৰেণীমান পঢ়িয়েই স্কুল এৰিছিল। অনেকে স্কুললৈ ওলাই গৈয়ো আদবাটত কাৰবাৰ ঘৰত বা হাবিত লুকাই থাকি স্কুল ছুটীৰ সময়ত ঘৰলৈ উভতিছিল। ময়ো সেই পলায়ন বিদ্যাৰ পৰা কথমপিহে ৰক্ষা পৰিলোঁ আমাৰ সত্ৰৰ মেধিজনৰ কৃপাত।

এদিন স্কুললৈ বুলি অকলে কোবাকুবিকৈ গৈছো। অলপ পলম হৈছিল। আমাৰ গাঁৱৰ মুৰত এখন চোমনি আছিল। তাৰ পৰা স্কুলখন দেখি। চোমনিখন পাৰ হওঁ নহওঁতেই কিবা এটা শব্দ শুনি চোমনিৰ মাজৰ ফুটুকানিলৈ চালো। দেখো আমাৰ শ্ৰেণীৰে আমাৰ গাঁৱৰ পাঁচোটামান লগৰীয়া তাত জোপোকা মাৰি লুকাই আছে। সিহঁতে মোক মাতিলে বোলে, আহা আহা। আজি স্কুলত খুব মৰিয়াইছে। গ'লে মাৰ খাই মৰিবা। মই ক'লো "স্কুললৈ নগ'লে ঘৰত মাৰিব নহয়।" সিহঁতে বোলে ভয় নকৰিবা আমি স্কুল ছুটীৰ পিচতহে ঘৰলৈ যাম। ঘৰত কেনেকৈ

জানিব ?" ব্ৰখিটো মোৰ ভাল লাগিল। চ্‌চ্‌ক-চামাককৈ সিহঁতৰ লগ লাগিলোঁগৈ। ফুটুকানিৰ আঁৰত জোপোকামাৰি বৰ অস্বস্তি বোধ কৰিছিলোঁ। তথাপিও সহি মহি থাকিলো। কিন্তু অলপ পিচতে বৰষ্ৰণে কিনকিনালে। তাততো আৰ্ থাকিব নোৱাৰি। তিতি-বৰি ঘৰলৈ যাব লাগিলেও বিপদ। তাৰে এজনে কোষেশ্বৰে, ক'লে, বলাহঁক আমাৰ ঘৰলৈ যাওঁ। গ'লো। এমাহনে দ্ৰমাহ আগতে আমাৰ গাঁৱত প্ৰথম বাৰৰ বাবে পতা বঙলুৱা থিয়েটাৰৰ পোছাক-পৰিচ্ছদবিলাকো তেওঁলোকৰ ঘৰতে আছিল। কিছ্ৰপৰ নিবোকাচামোন হৈ থকাৰ পিচত কোনোবা এটাৰ ব্ৰখি খেলালে বোলে, "আহ থিয়েটাৰ কৰো।" তেওঁলোকৰ ঘৰখনত সেইদিনা বৰ ব্ৰঢ়া ককাকজনৰ (কলীয়া মেধি) বাহিৰে আন মতামান্ৰহ নাছিল। মেধিয়েও চকুৰে ভালকৈ নমনে। কাণো গধ্ৰৰ হৈছে।

সিহঁতে ভীম অৰ্জ্ৰন বভ্ৰ্ৰবাহন আদি ভাওবোৰ লৈ মোক কৃষ্ণৰ ভাও দিলে। আমি প্ৰথমতে চেপা গলাৰে বচনবোৰ মাতিছিলোঁ যদিও গা উঠি অহাত স্থান কাল জ্ঞান হেৰাল। অলপ হ্ৰলস্থ্ৰল হ'ল। ময়ো ডাঙৰ মাতেৰে বচন মাতিলোঁ। তেনেতে হাতত লাখ্ৰটি লৈ মেধিয়ে দ্ৰৱাৰ ম্ৰখত থিয়হৈ স্ৰধিলেগৈ বোলে, হেৰোঁ ইয়াত তহঁত কোন কোন আছহঁক ? আটাইবোৰ নিমাত হ'ল। আকৌ স্ৰধিলে। সেইবাৰ ইটে বোলে ককা মই অম্ৰক, সিটে বোলে মই তম্ৰক। তেওঁলোকৰ সেইকাণ্ড সেই দিনাই প্ৰথম নাছিল। সেইটো প্ৰায়েই হৈছিল। মেধিয়ে আকৌ স্ৰধিলে বোলে, হেৰোঁ আমাৰ অধিকাৰ আতাৰ ল'ৰাৰ মাতো শ্ৰনা যেন পাইছো। ইয়াত আছেনে নাই ? মোৰ চ্ৰলিৰ আগে জীৱ গ'ল। সকলোৱে তাপ মাৰিলে। কোনেও ম্ৰখেৰে নমতা হ'ল। মেধিয়ে দেখোন হঠাতে হ্ৰকহ্ৰকাই কান্দি দিলে। বোলে আজিহে নিগমে মৰিলো। আমাৰ গোসাঁইৰ ল'ৰাও যদি তহঁত হৰ্তাচাঁৰি যোৱাহঁতৰ লগ লাগিল তেন্তে হ'বলৈ কি থাকিল আৰ্ ? তাৰ পৰা মেধি পোনকোবেই আমাৰ ঘৰ পালেগৈ আৰ্ মোৰ বিদ্ৰষী আইৰ আগত সকলো ব্ৰত্তান্ত ক'লেগৈ। মই আবেলি কিলখোৱাৰ ভয়ত অণ্ঠ-কণ্ঠ শ্ৰকাই ঘৰ সোমালোগৈ। গৈ দেখো মোৰ আয়ে কান্দি আছে। আইক দেখি ময়ো কান্দিবলৈ ধৰিলো। মোৰ আতাই (পিতৃয়ে) স্ৰধিলে মই কিয় তেনে বেয়া কাম কৰিছিলো। মই আদ্যোপান্ত ক'লো। আতাই মাত্ৰ ক'লে, আগলৈ তেনে নকৰিবা। নাপায়।

মোৰ পিচৰ জীৱনৰ ওপৰত সেই ঘটনাটোৱে ইমান প্ৰভাৱ পেলালে যে মই মোৰ স্কুলীয়া কালত কোনো দিন স্কুল খতি কৰা নাছিলো। আনকি বছেৰেকীয়া পৰীক্ষা শেষ হোৱা আৰ্ ৰিজাল্ট ওলোৱাৰ মাজৰ দিনকেইটাতো মই সদায় স্কুললৈ যেনেও এপাক মাৰিছিলো।

আমি পঢ়া ম্ৰঢ়াদল এল পি (স্কুলখন কিন্তু গেৰেকীচ্ৰকত) স্কুলত

কেবাগৰাকীও অতি সুন্দৰ আৰু বিৰল প্ৰকৃতিৰ শিক্ষক আছিল। সেই দ্বিতীয় দশকতে ভোলা বৰঠাকুৰ নামৰ এগৰাকী শিক্ষকে তেখেতৰ নিজৰ ঘৰৰ পৰা হাৰমনিয়াম নি আমাক স্কুলত নিৰ্ধাৰিত পাঠদানৰ অন্তত দেশপ্ৰেমমূলক গীত গাবলৈ শিকাইছিল। থানেশ্বৰ শইকীয়া নামৰ প্ৰধান শিক্ষকজনে চাঁতিয়াৰ পৰা নিতৌ সাত-আঠ মাইল বাট চাইকেলেৰে গৈ অতি যত্ন আৰু মৰমেৰে আমাক পঢ়াইছিল। কিন্তু তাতে এনে শিক্ষকো আছিল যাৰ পদধ্বনি শুনিলেই আমাৰ হৃৎকম্প হৈছিল। সেইজনে কিবা নহয় কিবা এটা লেচু উলিয়াই হোৱাই নোহোৱাই সোকাৰে আমাৰ পিঠি সেৰেলাসেৰেল কৰিছিল। তেনে কৰি তেখেতে যেন কিবা এটা বিভৎস আনন্দ পাইছিল। সেইগৰাকী শিক্ষকে এটা ভুটিয়া ঘোঁৰাত উঠি স্কুললৈ গৈছিল। ঘোঁৰাটো নি স্কুলৰ সন্মুখৰ জামু জোপাত বান্ধি থৈছিল। কেতিয়াবা যেতিয়া তেখেতে আমাক সুধিছিল আমি কোনোবাই ঘোঁৰাটো অকণমান চৰাই আনিব পাৰোনে কি তেতিয়া আমাৰ মাজত 'মই পাৰিম মই পাৰিম চাৰ' বুলি হেতা-ওপৰা লাগিছিল। যি দুজনৰ কপালত ঘোঁৰা চৰোৱাৰ সৌভাগ্যটো মিলিছিল তেওঁলোকে, অৰ্থাৎ আমি বৰ নিষ্ঠুৰ কাম এটা কৰিছিলোঁ। কেঁকুৰি এটা পাৰ কৰি নি ঘোঁৰাটো ঘাঁহ-বন নোহোৱা এঠাইত বান্ধি লৈ উৰাই ঘুৰাই কোবাই মাষ্টৰৰ ওপৰত তেখেতে আমাক কোবোৱাৰ হিজাব পুৰাইছিলোঁ। আমাৰ কোমলমতীয়া মনত এটা আসুৰিক বাসনাই বাহ লৈছিল। পঢ়ি শুনি আমিও মাষ্টৰ হৈ তেনেকৈ নিৰ্বিবাদে ল'ৰা কোবাবলৈ পাম। সেই হেঁপাহ পুৰাবলৈ অধৈৰ্য্য হৈ তেতিয়াই আমি বাঁহৰ সিৰিপনি এচাৰি কাটি লৈ বাটৰ কাষৰ চোৰাত পাত আৰু কচুপাত-বোৰকে আমাৰ কল্পনাৰ ছাত্ৰই পাতি দিয়া হাত বুলি কোবাই চিৰাচিৰ কৰিছিলোঁ।

পুলিচ বিভাগতো বহু সময়ত কিছুমান জ্যেষ্ঠ বিষয়াৰ দুৰ্ব্যৱহাৰ, সহানুভূতিহীন আচৰণ জিৰণীহীন কাম আৰু মানসিক দ্বন্দ্বই নিম্নবৰ্গৰ, বিশেষকৈ থানা পৰ্য্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক খিতখিতীয়া কৰে। তেওঁলোকে নিজে পোৱা ব্যৱহাৰৰ প্ৰতিফলন ঘটে তেওঁলোকে ৰাইজক কৰা ব্যৱহাৰত। উৰহৰ থং ভগা ঢাৰিত তোলে। সি যিহওঁক, সেৱাৰ মনোভাবেৰে একোজন পুলিচ কৰ্মচাৰীয়ে, তেওঁ নিম্নতম থাপৰেই হওঁক বা উচ্চ থাপৰে হওঁক, কৰো বুলিলে যি জনসেৱা কৰাৰ সুবিধা আছে তেনে সুবিধা আন কোনোবা বিভাগত আছে বুলি মোৰ মনে নধৰে। কিন্তু আসুৰিক মনোভাবেৰে সিমান পৰিমাণৰ ক্ষতি কৰাৰ সুবিধাও এই বিভাগতে আছে।

পুলিচ বিষয়াসকল কেনেবাকৈ যদি ৰাজনৈতিক নেতাৰ বহতীয়া হৈ পৰে, সিটো প্ৰৱণতা বৰকৈ বাঢ়ি অহা দেখা গৈছে, তেনেহ'লে সৰ্বনাশ কথা। পুলিচকে

ধৰি দণ্ডাধীশ আৰু প্ৰশাসনীয় বিষয়াসকলে ক্ষমতা আহৰণ কৰে ৰাষ্ট্ৰৰ প্ৰতিষ্ঠিত আইনৰ পৰা; মন্ত্ৰী বা ৰাজনৈতিক নেতাৰ পৰা নহয়। আইনে তেওঁলোকৰ ক্ষমতা নিৰ্দিষ্ট কৰি থৈছে। কিন্তু আইন গৰাকি যদি কোনো বিষয়াই ক্ষমতাধিষ্ঠিত ৰাজনৈতিক নেতাৰ মন যোগাবলৈ আইন বহিভূৰ্ত দুষ্কৰ্ম কৰে তেন্তে ৰাষ্ট্ৰৰ কাৰণে তাতকৈ দুৰ্ভাগ্যৰ কথা আৰু কি হ'ব পাৰে?

পুলিচ এটা শৃংখলাবদ্ধ অনুশাসন সৰ্বস্ব ভিত্তিক বিভাগ। এই বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে সদায় নিজৰ বিভাগীয় মুৰব্বীৰ অনুগত হ'ব লাগিব আৰু নিজৰ ওজৰ-আপত্তি সুবিধা-অসুবিধা বদলি আদিৰ বিষয়ে বিভাগীয় মুৰব্বীজনৰ মুখলৈহে চাব লাগিব। সেইজনক চেৰাই ৰাজনৈতিক প্ৰভাৱশালী লোকৰ ওচৰ চাপিলে আৰু তেনে নেতাই বিভাগীয় প্ৰশাসনত হস্তক্ষেপ কৰিবলৈ ল'লে বিভাগটো জহন্নামৰ পথলৈ গতি কৰিব। পুলিচৰ কৰ্তব্য আৰু বিভাগীয় প্ৰশাসনত হস্তক্ষেপ কৰা মানেই পুলিচৰ মনোবল ভাঙি দিয়া যাৰ ফলস্বৰূপে আৱশ্যকীয় সময়ত সংকটজনক পৰিস্থিতিৰ সম্মুখীন হ'বলৈ পুলিচে সামৰ্থ্য হেৰুৱাই পেলায়। দুৰ্ভাগ্যৰ কথা যে ভাৰতত, বিশেষকৈ অসম পুলিচত আজি কিছুদিনৰ পৰা সেই প্ৰৱণতা ক্ষীপ্ৰতাৰে বাঢ়ি অহা দেখা গৈছে। তাৰ ফলত সঘনে অসামৰিক কাৰ্য্যত সামৰিক বাহিনীক ব্যৱহাৰ কৰিব লগা হৈছে যিটোৰ পৰিণতি আৰু ভয়ানক।

পুলিচ বিভাগত তলতীয়াজনে ওপৰৱালাজনক, আন্তৰিকতা থাকক নাথাকক, সন্মান দেখুৱাব লগাটো বিধিসন্মত ৰীতি। আন্তৰিক শ্ৰদ্ধা আৰু আনুষ্ঠানিক শ্ৰদ্ধা দুটা সুকীয়া বস্তু। এটা ৰসাল কাহিনী কওঁ।

কাহিলীপাৰাত এদিন এটা বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বৰ ভোজ (বৰাখানা) হৈছিল। তেনে উৎসৱত বিষয়াসকলৰ বহুতৰ খানাতকৈ পিনালৈ আকৰ্ষণ অধিক। উচ্চপদস্থ বিষয়াসকলে প্ৰায়ে তেনে বৰাখানাত সস্ত্ৰীক যোগদান কৰে। অভ্যস্তসকলে খাই ভোজনৰ পূৰ্বৰঙ্গ হিচাপে বিলাতী পানীয়ৰ জুতি লয়। মনবোৰ পাতল কৰি লৈ ৰং-ৰহইছ কৰে। যি ক'ৰবাত দুই চাৰিয়ে পানীয়ত মুখ নিদিয়ে, সেইসকলেও "হংসো মধ্যে বকো যথা" নহ'বলৈ হাতত সুৰ্মথিৰা বা নেমুটেঙাৰ ৰসৰ চৰ্পতৰ গিলাচ লয়।

জানুৱাৰী মাহ। জাৰ গুছাবলৈ প্ৰকাণ্ড তম্বুটোৰ তলত ঠায়ে ঠায়ে বৰ বৰ কেৰাহীত পকা আঙঠাৰ ব্যৱস্থা। অনুজ্জ্বল পোহৰেৰে তম্বুৰ ভিতৰখন গমগমীয়া। ৰাজ্যখনৰ সৰ্বোচ্চ পদাধিকাৰীজনকে ধৰি স্থানীয় প্ৰায় সকলো ৰাজপত্ৰিত বিষয়াৰ হাতে হাতে পকা-পানীয়ৰ গিলাচ। তেনে সময়তে 'পকাভক্ত'ৰ শাৰিত নপৰা এগৰাকী অধিক্ষকে সস্ত্ৰীক সভাস্থলত প্ৰৱেশ কৰিলেগৈ। অভ্যৰ্থনাৰ দায়িত্বত থকা সেই বাহিনীৰ এজন সহকাৰী অধিনায়কে নতুন

অভ্যাগতজনক উচ্চস্বৰে আদৰণি জনাই সকলোৱে দৃষ্টি আকৰ্ষণ কৰিলে। ইতিমধ্যে অভ্যৰ্থনাকাৰীজনেও, ভৱপকত নহ'লেও, ৰমৰমীয়া অক্লথাত পৰি কথাৰ লাগ-বান্ধ কিছু হেৰুৱাইছিল। তেওঁ অভ্যাগতজনক বোলে, "চাৰ এতিয়াহে ভাল লাগিছে। আপুনি আহিল। আমাৰ দিনটো পবিত্ৰ হ'ল।" এইদৰে অলপ থৰক-বৰক কথা কোৱাত উপস্থিত সকলোৱে ৰস পাই খিলখিলাই হাঁহিলে। সেইটোৱে বোধহয় তেওঁক আৰু কথা ক'বলৈ উৎসাহিত কৰিলে। কিন্তু এইবাৰ তেওঁৰ কথা বহুতৰ কাৰণে বিৰক্তিকৰ হৈ পৰিল। তেওঁ অভ্যাগতজনক বোলে, "চাৰ আপুনি আমাৰ সকলোৰে পূজ্য, সকলোৰে নমস্য। আপুনি আমাৰ এইটোৰো মালিক" বুলি দুইহাতেৰে নৱাগতজনৰ ভৰি চুই "আৰু এইটোৰো মালিক" বুলি পুলিচী কায়দাত অভিবাদন কৰিলে। সকলোৱে গিৰ্জনি মাৰি হাঁহিলে। সেইদৰে তিনি বাৰমান কৰি হঠাতে তেওঁ নৱাগতজনৰ ভৰিৰ পৰা হাত দুখন দাঙি নাটকীয় ভঙ্গীৰে বাকীসকলৰ ফালে দেখুৱাই, "চাৰ, এইবিলাক—এইবিলাক এইটোৰহে মালিক" বুলি পুলিচী অভিবাদন কৰিলে। তাৰ পিচতে বোলে, "পোছাকটো গ'লেই গ-অ-ল্। কোনে পোচে এওঁলোকক?" ধেমালিৰ পৰা পৰিস্থিতিটো অস্বস্তিকৰ আৰু গম্ভীৰ হৈ পৰিল। কিন্তু উপায় কি? কথাবোৰতো তেওঁ কোৱা নাছিল। তাহানি সম্ৰাট আকবৰকো হেনো এটা মদাহীয়ে কিনিব খুজিছিল। সম্ৰাট এদিন সুসজ্জিত হাতীত উঠি গৈ থাকোতে হেনো এটা মাতালে বাট আগচি ধৰি সুধিলে বোলে "এই হাতীটো আৰু ইয়াত উঠি অহা মানুহটোৰ দাম কিমান? মই কিনিম।" সম্ৰাটৰ গা-ৰখীয়াই তাক মাৰ ধৰ কৰিব খোজাত সম্ৰাটে হেনো তেনে কৰিবলৈ নিদি তাক ৰাতিটো কাৰাগাৰত ৰাখি পিচদিনা ৰাজসভাত হাজিৰ কৰিবলৈ হুকুম দিলে। পিচদিনা তাক নি সম্ৰাটৰ আগত হাজিৰ কৰোৱাই সি কিমান দাম দিব পাৰে সোধাত সি হেনো উত্তৰ দিছিল বোলে, "জাহাপনা মইতো আপোনাক কিনিব খোজা নাছিলোঁ। যি কিনিব খুজিছিল সি ৰাতিয়েই পলাল।" সম্ৰাটে সুধিলে "কোন সি?" উত্তৰত মানুহটোৱে বোলে, "মদৰ নিচা।" ৰাজসভাৰ সকলোৱে তাৰ কথা শুনি হাঁহিলে। বেটেলিয়নৰ দৰবাৰৰ হাঁহি কিন্তু বহুসময়লৈ বন্ধ হ'ল। কোনো কোনোৱে গুণগুণালে বোলে "নিচাৰ কোবত আচল কথাটোকে কৈ দিলে।"

মই যিবাৰ ডি এছ পি হৈছিলোঁ সেইবাৰ নৱনিযুক্ত ডি এছ পি-ৰ সংখ্যাটো পূৰ্বতকৈ তুলনামূলকভাৱে কিছু ডাঙৰ আছিল। পাঁচজন। তাৰ আগৰ বাৰ আছিল তিনিজন। তাৰ আগতে প্ৰায়ে দুজনকৈ। কেতিয়াবা মাত্ৰ এজনো। স্বাধীনতাৰ ঠিক পিচতেহে বৃটিছ বিষয়াসকল গুচি যোৱাত সাতজন নে আঠজনৰ এটা ডাঙৰ বেছ নিযুক্ত হৈছিল। আমাৰ পাঁচজনৰ ভিতৰত প্ৰতিযোগিতাত লাভ কৰা স্থানৰ উপৰিও বয়সতো মই সকলোতকৈ জ্যেষ্ঠ

আছিলোঁ। দেৰগাঁৱত মেচবিল্ডিং বুলি জনাজাত "অফিচাৰছ মেচ"ত আমাক থাকিবলৈ গাই পতি একোটাকৈ কোঠা দিয়া হৈছিল। খকাখোৱাৰ ব্যৱস্থা নিখুঁতে। তথাপিও পুলিচ বিভাগৰ বিষয়াসকলৰ আদব্-কায়দা, মেচৰ নিয়ম প্ৰণালীবোৰত অভ্যস্ত নোহোৱা পৰ্য্যন্ত আমাৰ আচহুৱা আচহুৱা লাগিছিল। প্ৰাতঃসৰ পৰা মিনিট এটাও ইফাল-সিফাল কৰিব নোৱৰা ব্যস্ততা। আইনৰ ক্লাচৰ উপৰিও পিটি, পেৰেদ আৰু নিয়মানুবৰ্তিতাৰ নামত প্ৰশিক্ষকসকলৰ কঠোৰ আৰু কৰ্কশ ব্যৱহাৰে একোটাহঁত সময়ত তিতা কেঁহা নলগোৱাও নহয়। গাত নলগাই সহজভাৱে খেলুৱৈৰ মনোভাবেৰে ল'ব পাৰিলে, অৱশ্যে, সেইবোৰ আমোদৰ বিষয়েই হৈ থাকে। মই পেটে পেটে সেইবোৰ মঞ্চত অভিনয় কৰাৰ দৰে লৈছিলোঁ। তাকে কোনোজনে কৰিবলৈ টান পাই প্ৰশিক্ষণৰ মাজৰ পৰা বা কৰ্মজীৱনৰ আৰম্ভণিতেই পুলিচ বিষয়াৰ চাকৰি এৰি গুচি যায়। আমাৰ লগৰে শ্ৰীপৰমানন্দ কলিতাই (এতিয়া তেখেত জিলা ন্যায়াধীশ) অতীষ্ঠ হৈ প্ৰায়েই কৈছিল বোলে, "এইটো কোনো ভদ্ৰলোকৰ চাকৰি নহয়।" আৰম্ভণিৰ পৰাই তেখেত ইমান বিৰক্ত হৈছিল যে বিভাগীয় সকলো পৰীক্ষাত দক্ষতাৰে উত্তীৰ্ণ হৈ কামত নিগাজী হোৱাৰ পিচতো তেখেতে সেই পদ ইস্তাফা দি গুচি গ'ল। পুলিচ বিভাগ, এজন সৎ আৰু সম্ভাৱনাপূৰ্ণ দক্ষ বিষয়াৰ সেৱাৰ পৰা বঞ্চিত হ'ল।

পুলিচ ট্ৰেইনিং কলেজত একো একোজন বৰ কৰ্তব্য পৰায়ণ, দূৰদৰ্শী, জ্ঞানী পেৰেদ প্ৰশিক্ষক পাইছিলোঁ। তেওঁলোকৰ সাধাৰণ শিক্ষা-দীক্ষা বৰ বেছি নাছিল। কিন্তু তেওঁলোকৰ কৰ্তব্যনিষ্ঠা বৰ উচ্চস্তৰৰ আছিল। তেওঁলোক ফিল্ডৰ ভিতৰত বৰ কঠোৰ। আমি উচ্চ পদস্থ বিষয়া কাৰণে বাহিৰত আমাক চাৰ বুলি চেলুট কৰিছিল। আমাৰ মাজৰে এজনে পেৰেদ প্ৰশিক্ষকসকলক মাতি নি মেচত বহুৱাই ভালকৈ খুৱাই বুৱাই খাটিৰ কৰি প্ৰায়ে অনুৰোধ কৰিছিল অলপ ৰেহাই পাবলৈ। প্ৰশিক্ষকসকলৰ এজন, চিকুন বৰুৱাই, কৈছিল, হ'ব চাৰ। নাম মাত্ৰকৈ অলপ কৰাম। কিন্তু পেৰেদ ফিল্ডত সোমোৱা মাত্ৰেই বৰুৱাই কাৰো চকুলৈ নাচাইছিল। পূৰা কাম আদায় কৰিছিল।

আমাৰ প্ৰশিক্ষণ শেষ হোৱাত বৰুৱাই আমাক ক্ষমা খোজাৰ ভঙ্গীত কৈছিল বোলে, চাৰ আপোনালোকে কৃতকাৰ্য্যতাৰে সকলো কাম নিয়াৰিকৈ শিকি ওলাইছে। আপোনালোক আমাৰ চাহাব। কালিলৈতো মই আপোনালোকৰ তলতে কোনো জিলা বা বেটেলিয়নত কাম কৰিবগৈ লাগিব। মোক এতিয়া কামত ফাঁকি দিয়া দেখি গ'লে আপোনালোকে মোৰ ওপৰত কেনেকৈ আস্থা ৰাখিলেহেঁতেন? আনহাতে আপোনালোক কামবোৰত কেঁচা হৈ থাকিলহেঁতেন।

মই চিকুন বৰুৱাৰ কথাত মোহিত হৈছিলো। পৰৱৰ্তীকালত আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ জন-চেৰেক শিক্ষাগুৰুৰ কাৰ্যকলাপ দেখি ঘনে ঘনে মোৰ চিকুন বৰুৱা আৰু তেখেতৰ লগৰ পেৰেদ প্ৰশিক্ষকসকললৈ মনত পৰিছিল। বৰুৱাই পিচত সহকাৰী অধিনায়ক পদলৈকে পদোন্নতি পাইছিল।

পুলিচ ট্ৰেইনিং কলেজত যোগ দিয়াৰ পিচতে নতুন বিষয়াসকলে প্ৰচলিত ৰীতিমতে স্থানীয় জ্যেষ্ঠ বিষয়াসকলক ঘৰত দেখা কৰি চিনাজনা হ'ব লাগে। সেই পৰ্বৰ আটাইতকৈ স্মৰণীয়টো আছিল, তেতিয়া তৃতীয় অসম পুলিচ বেটেলিয়নৰ অধিনায়ক শ্ৰীজ্ঞানানন্দ শৰ্মা পাঠকক দেখা কৰা দিনটো। তেখেতৰ বঙলা পোৱাত তেখেতে আমাক বহিবলৈ নকৈ এক অননুকৰণীয় ভঙ্গীৰে এজন এজনকৈ পেৰেদত চোৱাদি ভৰিৰ পৰা মূৰলৈ চালে। তাৰ পিচত মোক সুধিলে বোলে আপুনি বোধহয় লেঠা মাৰি আহিছে। বাকী কেইজনে একা? বাকী চাৰিজনে হাঁহি হাঁহি বোলে চাৰ নাই মৰা। তেখেতে বোলে তেনেহ'লে আপোনালোকে দুই এদিনতে মোক আপোনালোকৰ ৰাশি চক্ৰ আৰু গোত্ৰ কি দিব। এতিয়া মোক বহু কন্যাদায়গ্ৰস্ত পিতৃয়ে ধৰিবহি নহয়। তেনৈকৈ তেখেতে পৰিবেশটো তেনেই ঘৰুৱা কৰি ল'লে। পুলিচ বিভাগত নতুনকৈ শিকা আমাৰ বহুত জড়তা তেখেতৰ তাত নোহোৱা হ'ল। আন জন-চেৰেকৰ বঙলাত আনুষ্ঠানিক সৌজন্যতামূলক শব্দ উগাৰি থাকিব লগা হৈছিল। ইংৰাজ গ'ল। কিন্তু ইংৰাজী বাহ্যিক ঢং আমাৰ একাল সমাজত থাকি গ'ল। সেয়েহে কৃপাবৰ বৰবৰুৱাই "ইংৰাজৰ বিৰুদ্ধে যুদ্ধ ঘোষণা" কৰোতে ইংৰাজক এটা চৰ্ত দিছিল যে তেওঁলোকে তেওঁলোকৰ কোট পেণ্ট হেট টাই কাটা চামুচ আৰু আদব্-কায়দা এৰি যাব লাগিব। একালত বাঙালীসকলৰ মাজতো ভয়ানক বিজতৰীয়া ঢং দেখি কোনোবা এজনে ব্যঙ্গ কৰিছিল বোলে, "আমৰা বিলিতি ধৰণে হাসি, ফৰাসী ধৰণে কাশি, পা ফাঁক কৰে সিগাৰেট খেতে বড্ডই ভালবাসি।" কোনোবাজনক লগ পাই আপুনি বৰ অস্বস্তি বোধ কৰিলেও কৰমৰ্দন কৰি ক'ব লাগিব "আপোনাক লগ পাই পৰম আনন্দ পালো।" কেতিয়াও তেওঁক লগ পোৱাৰ ইচ্ছা নাথাকিলেও মুখেৰে ক'ব লাগিব "আকৌ লগ পোৱাৰ হেঁপাহ থাকিল" ইত্যাদি কোৱা ভাতুৰীয়া ব্যৱহাৰ কৰিব নাজানিলে আপুনি শালৰ মাজত শিঙি হ'ব।

পেটত এটা আৰু মুখত এটাৰ কত যে নমুনা নেদেখিলোঁ! দেৰগাঁৱতে এদিন এজন অধিনায়কৰ বঙলালৈ বিয়লি ফুৰিবলৈ গৈ দেখো তেখেতে টেলিফোনত কাৰবাৰ লগত কথা পাতি আছে। তেখেতে মোক বহিবলৈ ইঙ্গিত দি কাৰবাক কৈ আছে—"হয় ছাৰ। ছাৰ। ছাৰ। বাৰু ছাৰ। হ'ব ছাৰ। ছাৰ? অ' অ' ছাৰ। ছাৰ। ছাৰ। ছাৰ? ছাৰ ছাৰ। ভাল ছাৰ। থওঁ ছাৰ? নমস্কাৰ ছাৰ।' ইমানকে কথা পাতি (?) ফোনটো থৈ তেখেতে

মোৰ ফালে চাই চেকচেককৈ হাঁহি বোলে, আপুনি চাগে ভাবিছে ক'ত সোমালোহি এইখন? কথা নাই বতৰা নাই—কেৱল ছাৰ আৰু ছাৰ। মই এতিয়া যাৰ লগত কথা হ'লো অৰ্থাৎ ছাৰ ছাৰ মাৰিলো, সেইজন কোন জানেনে? এটা মস্ত অলগন্ধ গৰু। কিন্তু বুলিলো। আপুনিও বুলিব লাগিব। এইটোৱেই নিয়ম।

মই অৱসৰ ল'বলৈ দুবছৰমান মাত্ৰ থকাত আকৌ সেই একেজন বিষয়াকে এটা সৌজন্যমূলক সাক্ষাৎ কৰিবলৈ গৈ ঘটনাক্ৰমে সেই দিনাও টেলিফোনটো ধৰি থকা অৱস্থাতে পালোগৈ। তেতিয়া তেখেত বিভাগৰ প্ৰায় শিখৰত। মোক বহিবলৈ ইঙ্গিত দি তেখেতে কৈ আছে "·এঃ আপুনি বৰ ভুল কৰিলে নহয়। আপুনি নেতৃত্বৰ কাৰণে কনটেষ্ট নকৰি সেইজনৰ লগত চুক্তি কৰিব লাগিছিল যে আপোনাক হ'মটো দিব লাগিব। এতিয়া বা আপোনাক হ'ম দিয়েনে নিদিয়ে? যি হ'ল হ'ল আপুনি হেঁচা দিয়ক। হ'ম আপুনি ল'ব্বই লাগিব। মই এই ফালৰ পৰা যি পাৰো কৰিম ··· হয় হয় নেৰিব · লাগক ·" ইত্যাদি বুলি ফোনটো থ'লে। তেতিয়া জনতা পাৰ্টিয়ে সংখ্যা গৰিষ্ঠতা লাভ কৰিছে। মই সুধিলো বোলো ছাৰ আপুনি অমুকৰ লগত কথা হৈছিল হ'বলা। তেখেতে বোলে হয় হয় ঠিক ধৰিছে মহন্ত। মই বোলো সেইজন হ'ম মিনিষ্টাৰ হ'লে বৰ উৎপতীয়া হ'বনে কি? তেখেতে বোলে নহয় নহয়। অসম পুলিচ চলাব পৰা, বিশেষকৈ (হাতেৰে মুৰত পাগুৰি আৰু মুখত ডাবি গোফৰ ভাও দেখুৱাই) এইবোৰক ঠিক কৰিব পৰা মানুহ অসমত মাত্ৰ এটাহে আছে। সেইটো হৈছে অমুক। যোৱা চৰকাৰত তমুকে হ'ম মিনিষ্টাৰ হৈ পুলিচৰ ঘৰ কেটামান সজালে হয়। কিন্তু তেওঁ এটা নপুংসক। সেইকেটাক (আকৌ ভঙ্গী) চুৰলৈ সাহকে কৰিব নোৱাৰিলে।

সেই একেজন পুৰুষেই অনতি পৰৱৰ্তী কালত সেই 'নপুংসক' জনক "ৰাষ্ট্ৰীয় পুৰুষ" আৰু শেষত প্ৰায় ঈশ্বৰৰ শাৰীত বহুৱাই তোষামোদ সাহিত্যও ৰচনা কৰিলে।

আৰম্ভণিতে কৈছো যে মই চল্লিছ বছৰ বয়সত পুলিচ প্ৰশিক্ষণলৈ গৈছিলোঁ। মোৰ বয়সলৈ চাই বহুতে সেই সুকঠিন প্ৰশিক্ষণটো মই ল'ব পাৰিম নে নাই সন্দেহ কৰিছিল। মোৰ সময়তো, আগতো আৰু পিচতো বহুত তজবজীয়া ডেকাই কষ্ট সহিব নোৱাৰি পদকে ইস্তফা দি গুচি গৈছিল। প্ৰাতঃসতে চাৰে পাঁচ বজাত কাৰ্যসূচী আৰম্ভ হয় আৰু ৰাতি দহমান বজালৈকে প্ৰায় জিৰণী নোহোৱাকৈ সময়ৰ লগত যুঁজিব লাগে। পিটি, পেৰেদ, হাৰদোল, ঘোঁৰা চালনা, চাৰিটামান আইনৰ ক্লাচৰ উপৰিও বিয়লি ফুটবল, ভলিবল, হকি আদি খেল-বোৰত বাধ্যতামূলকভাৱে যোগ দিব লাগে। তাৰ উপৰিও মোৰ নিজৰ এক

সুকীয়া নিত্য কাৰ্যসূচী আছিলেই। পুলিচ বিভাগত যোগ দিয়াৰ দুই বছৰ মান আগৰ পৰা মই নিয়মিতভাৱে চল্লিছ মিনিটমান যোগাসন আৰু প্ৰাণায়াম কৰিবলৈ লৈছিলোঁ। তাৰ উপৰি গা পা ধুই গুৰুসেৱা নকৰাকৈ পানী এটোপাও গ্ৰহণ নকৰা আমাৰ বংশগত এটা পুৰণি অভ্যাসৰ কাৰণে মই মোৰ লগৰীয়াকেইজনতকৈ প্ৰায় ডেৰ ঘণ্টা আগতে শয্যা ত্যাগ কৰিব লাগিছিল। অৱশ্যে তাৰ কাৰণে মই একো কষ্ট বা অসুবিধা পোৱা নাছিলোঁ।

আমাৰ প্ৰশিক্ষণ আৰম্ভ হৈছিল ১৯৬২ চনৰ ১২ মাৰ্চৰ পৰা। কিন্তু সাত মাহ পুৰা হওঁতে-নহওঁতেই চীনে ভাৰত আক্ৰমণ কৰাৰ কাৰণে বিশ নৱেম্বৰৰ দিনা হঠাতে আমি জৰুৰী কৰ্তব্যৰ কাৰণে ভূৰবন্ধা ঘাটলৈ যোৱাৰ আদেশ পালোঁ। চীনে বমদিলা দখল কৰি তেজপুৰ অভিমুখে আগবাঢ়িছে। তেজ-পুৰ অঞ্চলত যিকোনো মুহূৰ্ততে বোমাবৰ্ষণ হোৱাৰ সম্ভাৱনা। সেই অঞ্চলৰ সকলো মানুহক ভোমোৰাগুৰি ঘাটৰ পৰা ফেৰীৰে ভূৰবন্ধা ঘাটলৈ পাৰ কৰা হৈছে। ঘৰবাৰী এৰি অহা মানুহবোৰ ভূৰবন্ধাৰ বালিত নামিছেহি। তেওঁলোকক অসমৰ বিভিন্ন ঠাইলৈ পঠোৱা আৰু অন্যান্য সেৱাৰ কাৰণে আমাক কেচেঁলিয়া প্ৰশিক্ষণৰেই নিয়োগ কৰা হ'ল। মোৰ কাৰণে সেইটো ব্যক্তিগত দুঃচিন্তাৰ কাৰণো হ'ল। মোৰ সহধৰ্মিণী তেতিয়া সৰু সৰু ল'ৰা-ছোৱালী কেইটাৰে আমাৰ তেজপুৰৰ কমাৰচুবুৰীৰ ঘৰত আছিল।

আমি কেউজন প্ৰশিক্ষাৰ্থী বিষয়া সন্ধ্যা ভূৰবন্ধা ঘাট পালোগৈ। তাত তেজপুৰীয়া ভগনীয়া ৰাইজৰ বিলৈ বিপত্তি দেখি চকুলো ওলাল। চাৰিওফালে হাহাকাৰ। ল'ৰা-ছোৱালীৰ কান্দোন। কোঢ়াল। তেনে অৱস্থাতে এগৰাকী মহিলাক বিছনা কাপোৰেৰে আঁৰবেৰ দি প্ৰসূতি গৃহ পাতি দিব লগাও হৈছিল। প্ৰত্যেকবাৰ ফেৰীত লানি নিছিগা ভগনীয়াৰ মাজত মোৰ নিজৰ পৰিয়ালটো আহেনে কি তাতো মই চকু দি থাকিব লগা হৈছিল। তেজপুৰৰ বিভিন্ন বয়সৰ বহু-সংখ্যক লোকে মোক চিনি পাইছিল। ডি এছ পি-ৰ পোছাকত দেখি চিনাকীসকলৰ কোনোবাই "হেৰা প্ৰেম" কোনোবাই "প্ৰেমদাদা" আদি বুলি মাতি সহায়ৰ কাৰণে মোক জুমুৰি দি ধৰিছিল। কাৰবাক নগাঁৱলৈ, কাৰবাক পুৰণিগুদামলৈ, কাৰবাক যোৰহাটলৈ যোৱাৰ দিহা কৰি দিব লাগে। তেতিয়ালৈকে আমাৰনো তাত কৰ্তব্য কি, কি কৰিবলৈনো আমাক তালৈ নিয়া হৈছিল তাৰ নিৰ্দেশ দিবলৈ বিভাগীয় কৰ্তৃপক্ষীল বিষয়া এজনো দেখা পোৱা নাছিলো। ভূৰবন্ধাঘাটত গৈ লানি লাগি বৈ থকা বাছ আৰু ট্ৰাকবোৰ দেখি আৰু সেইবোৰ মানুহ কাঢ়িয়াবলৈকে তালৈ নিয়া বুলি অনুমান কৰি মই ড্ৰাইভাৰসকলৰ হাতত থকা লগবুকবোৰত লিখিত আদেশ দি যাত্ৰীসকলক পঠাবলৈ আৰম্ভ কৰি দিলো। অলপ পিচত উচ্চ পদস্থ বিষয়াৰ পৰা মই নিৰ্ভুলভাৱেই কাম কৰা বুলি জানিব

পাৰিছিলোঁ। সেই ৰাতিয়েই মোৰ পৰিয়ালটোও গৈ ভুৰবন্ধা পালেগৈ আৰু তেওঁলোকক মোৰ লগৰীয়া ফনিধৰ গগৈৰ ভায়েক, তেতিয়া শিলঘাটত আবকাৰী পৰিদৰ্শক, গৰাকীৰ ঘৰত দুদিন ৰাখি দেৰগাঁৱলৈ পঠাই দিলো। মোৰ সহধৰ্মিণীয়ে তেজপুৰৰ পৰা ঘৰদুৱাৰ এৰি আহোতে ভোমোৰাগুৰি ঘাটতে আপুৰুগীয়া বস্তু শৰাই বটা, টেমাবটা, পানখোৰা, বানবাটি, বানকাঁহী আদি ভৰাই নিয়া ডাঙৰ ট্ৰাংকটো হেৰুৱাই গৈছিল। তেতিয়া যানবাহন আৰু ভগনীয়া মানুহৰ হেঁচা-ঠেলাত প্ৰাণকেটাৰ হানি-বিঘিনি নোহোৱাকৈ ঘাব পৰাটোকে পৰম সৌভাগ্য মানি বস্তুবোৰৰ কাৰণে অলপো খেদ হোৱা নাছিল।

ভুৰবন্ধাত আমি তিনিদিনমানহে থাকিব লগা হৈছিল। চীনে এক-পক্ষীয়ভাৱে যুদ্ধ-বিৰতি ঘোষণা কৰি উভতি গ'ল। আমাৰ চৰকাৰ চীনা আক্ৰমণৰ সময়ত কেনে বিতত হৈছিল তাৰ এটা উদাহৰণ দিওঁ।

আমি ভুৰবন্ধা পোৱাৰ দ্বিতীয় দিনা ৰাতি নমান বজাত হঠাতে শিলঘাট ডাক বঙলালৈ মোৰ ডাক পৰিল। গৈ দেখো তাত নগাঁৱৰ উপায়ুক্ত, এছ পি কে-পি এছ গিল, দ্বিতীয় অসম বেটেলিয়নৰ অধিনায়ক ৺দেবেন সোনোৱাল, কেবাগৰাকীও জ্যেষ্ঠপ্ৰশাসনিক বিষয়া আৰু নগাঁৱৰ সহকাৰী আয়ুক্ত আই এ এছ প্ৰবেচনাৰ দিলীপ সিং বহি আছে। মোকো বহিবলৈ দি জ্যেষ্ঠ বিষয়াসকলে কিবা আলোচনা কৰি দিলীপ সিং আৰু মোক তেতিয়াই তেজপুৰলৈ যাবলৈ আদেশ দিলে। সিং আৰু মই তেজপুৰৰ যথাক্ৰমে সাধাৰণ প্ৰশাসন আৰু পুলিচ প্ৰশাসনৰ দায়িত্ব ল'বগৈ লাগে। তেজপুৰৰ লগত বেতাঁৰ যোগাযোগ কৰিব নোৱাৰি অসম চৰকাৰৰ ধাৰণা হৈছিল যে তাৰ ডি চি আৰু এছ পি সদৰ এৰি গুচি গৈছিল আৰু যেহেতুকে চীনা পিচ হুহকি গ'ল সেয়ে আমি গৈ তাত সদ্যহতে পুনৰ প্ৰশাসনৰ দায়িত্ব ল'ব লাগে। আমাৰ দুয়োৰে আনন্দ। প্ৰশিক্ষাৰ্থী হৈ থকা অৱস্থাতে এদিন দুদিনলৈ হ'লেও ডি চি, এছ পি-ৰ দায়িত্ব ল'বলৈ পাম। অৱশ্যে তাৰ কাৰণে দুজন জ্যেষ্ঠ বিষয়া নপঠাই আওভাও নোপোৱা আমি দুজনক কিয় পঠাইছিল সেইটো প্ৰহেলিকা হয়েই ৰ'ল।

তেজপুৰৰ সম্পৰ্কে চৰকাৰে ডি চি, এছ পি পলাই যোৱা বুলি সন্দেহ কৰাৰ কাৰণো অৱশ্যে আছিল। চীনা আক্ৰমণৰ সময়ত তেজপুৰত ডি চি আছিল এজন আই এ এছ বিষয়া ড° পি কে দাস। চীনা সৈন্য আগবাঢ়ি অহাৰ ধামখুমীয়াত তেজপুৰৰ শালনি বিমান ঘাটিৰ পৰা মুহূৰ্তে মুহূৰ্তে ভাৰতীয় বিমান বাহিনীৰ বিমানে কলিকতালৈ অহা-যোৱা কৰি অনা-অসমীয়া বৰ বৰ বিষয়াসকলৰ পৰিয়ালবিলাক অপসাৰণ কৰিছিল। ড° পি কে দাসেও তেখেতৰ পৰিয়ালটো বিমানেৰে পঠাবলৈ শালনিলৈ নিছিল। বিমানত তুলি দিয়াৰ পিচত তেখেতৰ পৰিবাৰে হেনো তেখেতকো তেওঁলোকৰ লগতে কলিকতা বিমান বন্দৰলৈকে গৈ সেই একেখন বিমানতে ঘূৰি আহিবলৈ খাটনি ধৰিছিল।

মাত্ৰ দুঘণ্টাৰ কথা। ড° দাস গ'ল। কিন্তু তেওঁলোকৰ বিমান আকাশ মাৰ্গত থাকোতেই শালনি বিমান কোঠটো বন্ধ কৰি দিব লগা পৰিস্থিতি হ'ল। তেখেতে কলিকতা বিমান বন্দৰৰ পৰা উভতি অহাৰ উপায় নোহোৱা হ'ল। চৰকাৰে তেখেতে কৰ্তব্য এৰি পলাই যোৱা বুলি গণ্য কৰিলে। ঘটনাচক্ৰত মই শিলঘাটত থাকোতেই তেতিয়াৰ কমিছনাৰ আই চি এছ বিষয়া ভাগাইৱালাই তেজপুৰৰ ডি চি 'পলোৱা' সম্দৰ্ভত তদন্ত কৰি গৈ শিলঘাটৰ ডাকবঙলাৰ মোৰ কোঠাতে বহি তেখেতৰ দ্ৰুতে লেখকজনক প্ৰতিবেদনৰ শ্ৰুতলিপি দিওঁতে কথাখিনি মোৰ কাণত পৰিছিল আৰু তাৰ পৰিণতি মই অনুমান কৰিছিলোঁ।

আগৰ কথাটোলৈ আহো। ৰাতি বাৰ মান বজাত দিলীপ সিং আৰু মই তেজপুৰৰ ডি চিৰ বঙলালৈ পোনে পোনে গ'লো। যাওঁতে এছ পিৰ বঙলাটোৰ বাহিৰ ভিতৰ উজ্জ্বল বিজুলী চাকিৰে পোহৰ হৈ থকা দেখিলো। কিন্তু গৈ দেখো ডি চি-ৰ বঙলা আন্ধাৰ। তেতিয়া তাত নতুন ডি ছি ৰাণা কে দি এন সিং। গম পালো ডি চি আছে। তেতিয়া ক'ৰবালৈ ওলাইহে গৈছে। তাৰ পৰা আমি এছ পি-ৰ বঙলালৈ গ'লো। তাত এছ পি তেতিয়া শ্ৰীনিশিনাথ চাংকাকতি। তেখেতো বঙলাত নাই। সমুখৰ কোঠাটোত আঠুৱা তৰি এখন বিছনা সজাই থোৱা আছে। চন্তৰীৰ পৰা জানিলো সেইখনত এছ এছ বিৰ আঞ্চলিক সংগঠক দেবেন বৰা শোৱে। তেখেতো ক'ৰবালৈ ওলাই গৈছে। ক্ষন্তেক পিচতে টেলিফোনটো বাজি উঠিল। চন্তৰীজনে কথা বুজিব নোৱাৰি ফোনটো মোক দিলে। মিছামাৰীনে বালিপৰাৰ পৰা এজন উচ্চ পদস্থ সামৰিক বিষয়াই এছ পি-ক বিচাৰিছে। এছ পি নাই আৰু মোৰ পৰিচয় দিয়াত তেওঁ উসাহ নসলোৱাকৈ মোক ক'লে যে তেওঁলোকে যৰে বস্তু ততে এৰি যাবলৈ ওলাইছে। সেইবোৰৰ তত্বাৱধান লোৱাৰ দিহা কৰিব লাগে। মই ঘুৰাই তেওঁক কিবা কোৱাৰ আগতে ফোনটো থৈ দিলে। ৰবলৈ সময় নাই। "পলাই বাসৰ পাচক নচাই।"

তাৰ অলপ পিচতে বিজুলি বেগেৰে নিজে গাড়ী চলাই চাংকাকতিদেৱ বঙলা পালেগৈ। আমি দুয়ো আমাক তালৈ পঠোৱাৰ উদ্দেশ্য ক'লো। তেখেতে খঙেৰে কিবা এটা ক'লে। আমি বুজি নাপালো যদিও তেখেতৰ মুৰ্তি দেখি ঘুৰাই সুধিবলৈ সাহ নহ'ল। যি বুজিছিলোঁ ওপৰ মহলৰ মুৰ্খামি দেখি তেখেতৰ খং উঠিছিল। আমি খোৱা-বোৱা কৰিলোনে নাই তেখেতে সুধিলে। নাই খোৱা বুলি জানি তেখেতলৈ ৰান্ধি থোৱা ভাতকে আমাক দুয়োকে খাবলৈ ক'লে। তেখেতে ক'ৰবাত খাই গৈছিল। আমি খালো আৰু ৰাতিটো ডাক বঙলাত খালি থকা একমাত্ৰ বিছনাখনত দুয়ো শুই পিচদিনা পুৱা এদিনলৈ হ'লেও ডি চি, এছ পি হোৱাৰ ভগ্ন স্বপ্ন লৈ শিলঘাটলৈ উভতিলো। তেজপুৰৰ

ডাক বঙলাতে তেওঁলোক দ্বিতীয় অসম পুলিচ বেটেলিয়নৰ সহকাৰী অধিনায়ক ভবেন ফুকনে বাহৰ পাতি আছিল।

সেই বিভ্ৰাটটো ঘটিবলৈ পাইছিল এটা কাৰণত। প্ৰধানমন্ত্ৰী নেহৰুৱে অসমবাসী ৰাইজক বিদায় বাণী শুনোৱাৰ পাচত তেজপুৰ নিৰ্ঘাত চীনৰ হাতত পৰিব বুলি তাৰ ট্ৰেজাৰী, ষ্টেট বেংক আদিৰ টকাৰ নোটবোৰ পুৰি মুদ্ৰাবোৰ পদুম পুখুৰীত পেলাই পুলিচৰ বেতাঁৰ যন্ত্ৰপাতিবোৰ নষ্ট কৰি পেলাইছিল। ফলত বাহিৰৰ লগত তেজপুৰৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল।

পুলিচ ট্ৰেইনিং কলেজৰ প্ৰশিক্ষণৰ অন্তত এবছৰ কোনোবা এখন জিলাত হাতে কামে শিকিব লাগে। মই সেই বছৰ প্ৰথম হিচাপে পৰম্পৰা মতে গুৱাহাটীত পৰিব লাগিছিল। কিন্তু মোক দৰং তথা তেজপুৰত দিলে। তেজপুৰত মোৰ নিজা ঘৰ আছে, পৰিয়াল আছে। গতিকে মোৰ কাৰণে সেইটো আশীৰ্বাদ-স্বৰূপ আছিল। পিচত গম পাইছিলো যে তেতিয়াৰ আই জি পি শ্ৰীইমদাদ আলি চাহাবে মই বিবাহিত আৰু তেজপুৰত মোৰ ঘৰ এখন আছে বুলি জানিয়েই মোৰ সুবিধাৰ কাৰণে মোক তেজপুৰত দিছিল। কিমান সহানুভূতিশীল আছিল সেইসকল বিষয়া।

১৯৬৩ চন। তেতিয়া দৰং জিলাৰ এছ পি আছিল, কামত অতি কঠোৰ আৰু অতি কোমল মনৰ, শ্ৰীদেৱকান্ত কাকতি। তেখেতৰ বিচক্ষণতা, নিষ্কলুষতা, কৰ্তব্যনিষ্ঠা আৰু দেশপ্ৰেমে মোক মোহিত আৰু অনুপ্ৰাণিত কৰিছিল। সেই বছৰতে তেতিয়াৰ ভাৰতৰ পুলিচ প্ৰধান ভোলানাথ মল্লিকে তেজপুৰৰ বিভিন্ন অঞ্চল, বিশেষকৈ পুব বংগজ পমুৱা মুছলমানসকলৰ বসতি প্ৰধান ঠাইবোৰ ভ্ৰমণ কৰি চীনা আক্ৰমণৰ সময়ত ঘটা এটা ঘটনাৰ সত্যাসত্য অনুসন্ধান কৰিছিল। চীনা সৈন্যই ১৯ নৱেম্বৰত (১৯৬২) বমদিলা দখল কৰাত আৰু আমাৰ সৈন্যবাহিনীয়ে তেজপুৰ অঞ্চল ত্যাগ কৰাত এটা ভয়ানক আতংকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছিল। চৰকাৰৰ নিৰ্দেশত তেজপুৰ অঞ্চলৰ ৰাইজ সম্ভাব্য চীনা বোমাবৰ্ষণৰ ভয়ত দক্ষিণ পাৰলৈ গ'ল। তেনে সময়তো সেই সেই অঞ্চলৰ সেই শ্ৰেণীৰ লোকে, অচঞ্চল হৈ থকাই নহয়, তেওঁলোকৰ প্ৰায়বোৰ মছজিদৰ ওপৰত বগা পতাকা আৰু ঠায়ে ঠায়ে পাকিস্তানী পতাকা উৰুৱাই চীনাৰ বোমা বৰ্ষণৰ পৰা ৰক্ষা পোৱাৰ প্ৰয়াস কৰিছিল। সেই ঘটনাই সেই লোকসকলৰ পৰা, বিশেষকৈ ১৯৫০ চনৰ পিচত অনুপ্ৰৱেশ কৰা পাকিস্তানীসকলৰ পৰা, ভৱিষ্যতে কি বিপদ হ'ব পাৰে তাৰ এটা স্পষ্ট ইংগিত দিছিল।

মল্লিক চাহাবে তদন্তান্তত দিয়া প্ৰতিবেদনৰ ভিত্তিতে ভাৰত চৰকাৰে (তেতিয়া লালন প্ৰসাদ সিং কেন্দ্ৰীয় সচিব আছিল) পাকিস্তানী অনুপ্ৰৱেশ প্ৰতিৰোধ আঁচনি ৰচনা কৰি অনুপ্ৰৱেশকাৰীসকলক বিচাৰি উলিয়াই বিতাড়ন কৰাৰ ব্যৱস্থা কৰিছিল। সেইখিনিতেই থোৰতে পি আই পি স্কীম। সেই

আঁচনি মতে যিসকল লোকৰ বা তেওঁলোকৰ পূৰ্বপুৰুষৰ নামে ভাৰতৰ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় পঞ্জীত ঠাই পোৱা নাই সেইসকল দেখদেখকৈ ১৯৫০ চনৰ পিচত অনুপ্ৰবেশ কৰা পাকিস্তানী লোক। বহু চৰ্চিত হ'লেও ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ইতিবৃত্তি এইখিনিতে দোহাৰিব খুজিছোঁ।

দ্বিতীয় মহাযুদ্ধৰ অন্তত বৃটিছ চৰকাৰ সলনি হ'ল। কনজাৰভেটিভ দলক হৰুৱাই লেবাৰ পাৰ্টিয়ে ক্ষমতা দখল কৰিলে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতি নতুন চৰকাৰৰ নীতি সলনি হ'ল। দীৰ্ঘদিনীয়া অহিংস আন্দোলনৰ কাৰণে হওঁক নহওঁক আন কেইটামান সমসাময়িক ঘটনাই ভাৰতৰ স্বাধীনতাৰ দিন চমুচপাই দিলে। যুদ্ধকালতে জাপানৰ হাতত বন্দী হোৱা বৃটিছ ভাৰতীয় সৈন্যসকলক লৈ আজাদ হিন্দ ফৌজ তথা ইণ্ডিয়ান নেশ্যনেল আৰ্মি গঠিত হৈছিল। মহাসমৰ চলি থকা কালত বহু প্ৰবন্ধেৰে বৃটিছ চৰকাৰে ভাৰতৰ জনগণক তথা পৃথিৱীক সেই বাহিনীৰ অস্তিত্বৰ বিষয়ে অন্ধকাৰত ৰাখিবলৈ যত্ন কৰিছিল আৰু যথেষ্ট পৰিমাণে সফলো হৈছিল। কিন্তু বুদ্ধিমান বৃটিছসকলেই মহাসমৰৰ অন্তত দিল্লীৰ লালকিল্লাত আই এন এৰ যুদ্ধবন্দীসকলৰ বিচাৰ পাতিলে। তাৰ প্ৰতিক্ৰিয়া বৃটিছ ভাৰতীয় সৈন্যসকলৰ ওপৰত বাৰুকৈয়ে পৰিছিল। অতি কম সময়ৰ ব্যৱধানত অ'ত ত'ত ৰাজকীয় ভাৰতীয় বিমান বাহিনী (RIAF) আৰু ৰাজকীয় ভাৰতীয় নৌ-বাহিনীত (RIN) বিদ্ৰোহে উকি মাৰিছিল। সাতে পাঁচে বৃটিছে বুজি পাইছিল যে ভাৰতত তেওঁলোকৰ চাউল উকলিল। সেয়েহে ৰসতে নাম থৈ তেওঁলোকে ভাৰতক স্বাধীনতা দিবলৈ সিদ্ধান্ত কৰিলে।

মুছলীম লীগে ভাৰতৰ বিভাজন আৰু মুছলমানসকলৰ কাৰণে সুকীয়া ৰাষ্ট্ৰ পাকিস্তান দাবী কৰিছিল। তেওঁলোকৰ মতে মুছলমান এটা সুকীয়া জাতি। তেওঁলোক ভাৰতীয় জাতিৰ অন্তৰ্ভুক্ত নহয়। অপ্ৰিয় হ'লেও সত্য যে অবিভক্ত ভাৰতৰ সৰহ সংখ্যক মুছলমানেই মুছলীম লীগৰ সমৰ্থক আছিল আৰু পাকিস্তান বিচাৰিছিল। সেয়ে নোহোৱা হ'লে, অৰ্থাৎ অকল তেতিয়াৰ পূব আৰু পশ্চিম পাকিস্তানৰ অন্তভৰ্ুক্ত হোৱা অঞ্চলৰ মুছলমান-সকলেহে পাকিস্তান বিচৰা হ'লে ভাৰতৰ বিভাজন নহ'লহেঁতেন। সমগ্ৰ ভাৰতৰ —কি উত্তৰৰ কি দক্ষিণৰ, কি পূবৰ কি পশ্চিমৰ আনকি অসমৰে সৰহখিনি মুছলমানে মুছলীম লীগৰ সমৰ্থক হৈ পাকিস্তান নিবিচৰা হ'লে ভাৰত বিভক্ত নহ'লহেঁতেন।

বৃটিছে ভাৰতক স্বাধীনতা দিয়াৰ কুৰুং কাৰাং কৰোতেই পাকিস্তানৰ দাবীও জোৰদাৰ হ'ল। জিন্নাই ১৯৪৬ চনৰ ১৬ আগষ্টৰ পৰা প্ৰত্যক্ষ কাৰ্য্য ব্যৱস্থা (DIRECT ACTION) লোৱাৰ ফটোৱা জাৰি কৰিলে। বিভিন্ন

ঠাইত যাইকৈ কলিকতাত ১৬।১৭।১৮ আগষ্টত তেজৰ নৈ বলে। সেই নৰমেধ যজ্ঞতে অসমীয়া উদীয়মান ডেকা কবি অমূল্য বৰুৱা কলিকতাৰ আততায়ীৰ হাতত নিধন হ'ল। নোৱাখালি "নোৱাখালি" হ'ল। সেই অমানৱীয় ঘটনাই ভাৰতৰ বিভাজন নিশ্চিত কৰিলে। তাৰ পিচত ক্ষীপ্র গতিত ভাৰতৰ ৰাজনৈতিক পটৰ পৰিৱৰ্তন ঘটিল।

অসমৰ পৰিস্থিতি সম্যকভাৱে বুজিবলৈ আৰু কিছু আগুৱাই যাব লাগিব। অসমলৈ অবিভক্ত ভাৰতৰ পূব বঙ্গৰ ভূমিহীন মুছলমান কৃষকসকল ভূমিৰ সন্ধানত অহা বা শুদ্ধভাৱে ক'ব লাগিলে তেওঁলোকক ভূমিদান দি নিমন্ত্রণ কৰি অনাৰ ইতিহাস কিছু পুৰণি। প্রাক-স্বাধীনতা কালত ভাৰতৰ মুছলীম লীগে, ক্রমে সবল হৈ, মুছলমান বসতি-প্রধান অঞ্চলেৰে পাকিস্তান গঢ়াৰ পৰিকল্পনা কৰিছিল। অসমকো পৰিকল্পিত পাকিস্তানৰ অন্তভূৰ্ক্ত কৰা হৈছিল। ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন (Govt. of India Act, 1935) বলবৎ হোৱাত ১৯৩৭ চনত যেতিয়া পোন প্রথমবাৰৰ কাৰণে প্রাদেশিক জনপ্রিয় চৰকাৰ গঠিত হৈছিল তেতিয়া নীতিগত কাৰণত কংগ্রেছে চৰকাৰ নপতাত অসমত ছাৰ ছাদুল্লাৰ সংখ্যালঘু কোৱালিচন মুছলীম লীগ চৰকাৰ গঠিত হৈছিল। ছাদুল্লাই ১৯৩৮ চনৰ চেপ্তেম্বৰত পদত্যাগ কৰিব লগা হ'ল। তেতিয়া গোপীনাথ বৰদলৈয়ে কংগ্রেছী মন্ত্রীসভা পাতিলে। কিন্তু দ্বিতীয় মহাসমৰ বৰ্জন নীতিৰ কাৰণে বৰদলৈয়ে ১৯৩৯ চনৰ নৱেম্বৰত ইস্তফা দি পুনৰ ছাৰ ছাদুল্লাক মন্ত্রীসভা পাতিবলৈ সুচল কৰি দিব লগা হ'ল। ছাদুল্লাই ১৯৪১ চনৰ ডিচেম্বৰলৈকে শাসন কৰিলে। মাজতে সাত মাহ গৱৰ্ণৰৰ শাসনৰ পিচত ছাদুল্লাই পুনৰ মুছলীম লীগ কোৱালিচন চৰকাৰ পাতি যুদ্ধকালীন শাসন চলালে ১৯৪৬ চনৰ ফেব্রুৱাৰীলৈকে। ১৯৪৬ চনৰ নিৰ্বাচনত জিকি বৰদলৈৰ কংগ্রেছ মন্ত্রীসভা ১৯৫০ চনৰ আগষ্টত তেখেতৰ মৃত্যুলৈকে ক্ষমতাত থাকিল। মুছলীম লীগ তথা ছাদুল্লাৰ শাসনকাল অসম বুৰঞ্জীৰ গৌৰৱোজ্জ্বল অধ্যায় নহয়। ছাদুল্লাচাহাব গোলাঘাটৰ ভিতৰুৱাল গাঁৱৰ খাচ অসমীয়া আছিল যদিও তেখেতৰ জীৱনৰ লক্ষ্য আছিল অসমক যেনে তেনে মুছলীম সংখ্যাগৰিষ্ঠ কৰি লীগৰ প্রস্তাৱিত পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা। তথাপিও ভাৰতীয় সংস্কৃতিৰ উদাৰতা আৰু মহত্ত্ব অটুট ৰাখি স্বাধীন ভাৰতৰ সংবিধান ৰচনাত ছাৰ ছাদুল্লাকো অংশীদাৰ কৰা হৈছিল।

ছাদুল্লাৰ শাসনকালছোৱাত অসমক মুছলমান সংখ্যাগৰিষ্ঠ কৰাৰ মতলবেৰে তেওঁ ঔপনিৱেশিক আঁচনি (Colonization Scheme), উন্নয়ন আঁচনি (Development Scheme) আদি ৰচনা কৰি সৰ্বশেষত দ্বিতীয় মহাসমৰৰ গইনা লৈ অধিক শস্য উৎপাদন অভিযান (Grow more food Campaign)

ৰাজভগনৰ—৩

আৰম্ভ কৰে। তিনিওটাৰে লক্ষ্য আছিল কিন্তু একেটাই। পূব বংগৰ পৰা মুছলমানসকলক আনি অসমৰ চৰণীয়া পথাৰ, সংৰক্ষিত অঞ্চলবোৰ, অসংৰক্ষিত অঞ্চলবোৰ আৰু চৰ অঞ্চলবোৰত বহুৱাই অসমখন মুছলীম বসতি-প্ৰধান প্ৰদেশ কৰা। সেয়েহে ভাৰতৰ ভাইচৰয় লৰ্ড ওৱাভেল চাহাবে (Wavell's Diary) শেষৰখন আঁচনিৰ নাম ৰগৰ কৰি দিছিল অধিক মুছলমান উৎপাদন অভিযান (Grow more Muslim Campaign)।

কলʼনাইজেচন তথা ডেভেলপ্‌মেণ্ট আঁচনিৰ লগত ঘটনাক্ৰমে মোৰ প্ৰত্যক্ষ সম্বন্ধ ঘটিছিল। ১৯৪০ চনত মেট্ৰিক পাছ কৰি আৰ্থিক দুৰৱস্থাৰ কাৰণে উচ্চ শিক্ষাৰ আশা এৰি মই তেজপুৰ কাছাৰীত কেৰাণীৰ চাকৰি বিচাৰিছিলো। কম খৰচতে পঢ়াৰ সুবিধা কৰিবলৈ তেতিয়া এতিয়াৰ দৰে যʼতে তʼতে কলেজ নাছিল। শ্ৰীহট্টকে ধৰি তেতিয়াৰ অসমত কলেজ আছিল দুখন। গুৱাহাটীত কটন কলেজ আৰু শ্ৰীহট্টত মুৰাৰীচাঁদ কলেজ। যোৰহাটতো জে বি কলেজ আৰম্ভ হৈছিল আৰু বৰপেটাতো সেই বছৰেই নে তাৰ আগৰ বছৰত মাধৱ চৌধাৰী কলেজ আৰম্ভ হৈছিল। কেৰাণীৰ কাম নাপাই কেমাহমান কাছাৰীৰ গ্ৰেজিং শাখাত আৰু পিচলৈ কলʼনাইজেচন অফিচত মাত্ৰ বাৰটকা দৰমহাত লিটাৰেট পিয়নৰ কাম কৰিছিলো। নাম আৰু দৰমহাটোহে পিয়নৰ—কামটো আছিল কেৰাণীৰ। কলʼনাইজেচন অফিচাৰ আছিল "বগুলা হাকিম"—টলমিজুৰ ৰহমান। সেইটো অফিচতময়েই একমাত্ৰ লিখক আছিলো। বাকী দুজনৰ এজন মণ্ডল আৰু আনজন পিয়ন। তাত গৈ দেখো যে হেজাৰে হেজাৰে "বি" ফৰমত (চহা ভাষাত কবুলা) আঠ অনীয়া টিকট লগোৱা দৰ্খাস্ত মুঠাই মুঠাই বান্ধি ৰেকৰ্বিলাকত দমাই থোৱা আছে। মণ্ডলজনৰ নাম আছিল খোছনুৰ আলি। কিবা ৰহমান নামৰ কানানগু এজনো আছিল। তেওঁলোকে প্ৰায়ে মঙ্গলদৈ, দলগাঁও, কলাইগাঁও, চতিয়াৰ চোৱাগুৰি চাপৰি, পাঁচ মাইল আদি ঠাইত পূব বঙ্গৰ পৰা অনা মুছলমান ভূমিহীন কৃষকসকলৰ মাজত মাটি বিতৰণ কৰি ফুৰিছিল। ৰঙাচকুৱা আৰু কলদাৰি ঘাটৰ ওচৰৰ এটা "আনক্লাচিফাইদ ষ্টেট ফৰেষ্ট্‌ এলেকা আৰু ডিপলোঙাৰ ওচৰৰ তেনে ঠাইতো হাতীৰ পিঠিত উঠি পমুৱা মুছলমান বহুৱাবলৈ মাটি চাই ফুৰিছিল। কানানগু আৰু মণ্ডলজনে মাজে মাজে পূব বংগৰ মৈমনচিং, নোৱাখালি, ৰংপুৰ আদি ঠাইলৈ গৈ 'বি' ফৰমত তাৰ ভূমিহীন মুছলমান কৃষকসকলৰ টিপচহী লৈ জাপে জাপে দৰ্খাস্ত আনিছিল। মাটিৰ বাবে আবেদন কৰিবলৈ তেওঁলোক অসমলৈ অহাৰ প্ৰয়োজনো নাছিল। মাটিৰ পট্টন পোৱাৰ পিচতহে তেওঁলোক অসমলৈ আহিছিল।

মই সেই অফিচত যোগ দিয়াৰ লগে লগে মোৰ কৰ্তব্য আছিল দমাই থোৱা দৰ্খাস্তবোৰ এফালৰ পৰা পঞ্জীয়ন কৰা। তেতিয়া সেই আঁচনিৰ লক্ষ্য আৰু

তাৰ অৰ্থনৈতিক বা ৰাজনৈতিক পৰিণতিৰ বিষয়ে মোৰ একো ধাৰণা নাছিল। কিন্তু অন্য এটা কাৰণত পেটে পেটে মই সেই কাৰবাৰটো ভাল পোৱা নাছিলোঁ।

মই পাঠশালা স্কুলত পঢ়ি থকা সময়তে বৰদোৱা থানৰ আমাৰ এঘৰ আত্মীয় পুষ্প গোসাঁইৰ ঘৰত এটা ভয়ানক ডাঙৰ ডকাইতি হৈছিল। সেই ডকাইতবোৰ বৰদোৱাৰ আশে-পাশে নতুনকৈ বহা পমুৱা লোক আছিল বুলি প্ৰমাণিত হৈছিল। সেই ঘটনাৰ পৰা পমুৱা লোক মাত্ৰেই তেওঁলোক নিষ্ঠুৰ ডকাইত বুলি মোৰ কোমল মনত এটা ধাৰণা জন্মিছিল। তেতিয়া নগাঁৱৰ ধিং বৰদোৱা আদি অঞ্চলত সঘনে স্থানীয়সকলৰ নাৰী অপহৰণ হৈছিল। আনকি বিয়া কৰাই বাহি বিয়াৰ দিনা গৰুগাড়ীত তুলি নিয়া কন্যাও জাকৰুৱা পমুৱাই বাটৰ পৰা কাঢ়ি নিয়াৰ নিচিনা নাশ্ৰুত-নাভুত ঘটনাও দুই এটা ঘটিছিল। হেজাৰে হেজাৰে দৰ্খাস্তিৰ দ'ম দেখি আমাৰ দেশখন চোৰ ডকাইতেৰে ভৰি পৰিব বুলি মই মনে মনে আতংকিত হৈ পৰিছিলোঁ। সেইকাৰণে নিতৌ ঘৰতো কাম কৰাৰ অজুহাত দেখুৱাই মই ৰেজিষ্টাৰখনেৰে একোজাপ দৰ্খাস্ত ঘৰলৈ নি তাৰ সৰহখিনি জুইত পুৰি খন-চেৰেক বহীত ভৰাই আনিছিলো। তেনে কৰিয়েই মই মনত অলপ সকাহ পাইছিলোঁ।

নবাগতসকলৰ ভিতৰত যে তুলনামূলকভাৱে জঘন্য অপৰাধীৰ সংখ্যা অধিক সেই কথা পিচত পুলিচ বিভাগলৈ আহিও মই বুজিব পাৰিছিলোঁ। মই তেজপুৰত ১৯৬৩ চনত প্ৰবেচনাৰী ডি এছ পি থাকোতে এছ পি কাকতি দেৱে এচিষ্টেন্ট এছ পি যুগল কিশোৰ সিনহা (তেওঁ এতিয়া ডি জি পি) আৰু মোক দৰং জিলাৰ ১৯১২—১৯৬২ চনৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰৰ (এঘাৰ আৰু বাৰ) আইন শৃংখলা আৰু পুলিচ প্ৰশাসনৰ অধ্যায়ৰ খচৰা প্ৰস্তুত কৰাৰ দায়িত্ব দিছিল। মোৰ ভাগত পৰিছিল মঙ্গলদৈ মহকুমা। সেই প্ৰসঙ্গত থানাবিলাকৰ সংশ্লিষ্ট পঞ্চাছ বছৰৰ পৰিদৰ্শন টোকাবোৰ অধ্যয়ন কৰোতে মঙ্গলদৈয়েই নে দলগাঁও থানাৰ এটা পৰিদৰ্শন টোকাত এজন এছ পি-য়ে (মোৰ যিমানদুৰ মনত পৰে সেইজন আটাউৰ ৰহমান) নবাগতসকলৰ বিষয়ে এটা মন্তব্য লিপিবদ্ধ কৰিছিল যে "তেওঁলোক বৰ ভাল খেতিয়ক ; কিন্তু বৰ বেয়া ওচৰঘৰীয়া।" (They are very good cultivators, but very bad neighbours.)

এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি যে ১৯০৬ চনত লৰ্ড কাৰ্জনে বঙ্গদেশৰ ক্ৰম-বৰ্ধমান স্বদেশী আন্দোলন দুৰ্বল কৰাৰ মানসেৰে বংগদেশৰ হিন্দু বসতি-প্ৰধান পশ্চিম অংশ আৰু মুছলমান বসতি-প্ৰধান পুৰ্ব অংশ দুফাল কৰি অসমক পুৰ্ববংগৰ লগত সাঙুৰি দি ঢাকা পুৰ্ববংগ আৰু অসমৰ ৰাজধানী কৰিছিল।

কিন্তু কাৰ্জনৰ সেই কাৰ্য্যৰ ফল তেওঁ পৰিকল্পনা কৰাৰ ওলোটাটোহে হ'ল। 'বংগ ভঙ্গ আন্দোলনে' বংগদেশৰ স্বদেশী আন্দোলন অধিক শক্তিশালিহে কৰিলে। ১৯১২ চনত সেই বিভাজন ৰদ কৰিববলৈ বৃটিছ চৰকাৰ বাধ্য হ'ল যদিও সেই সাত বছৰ কালতে পূৰ্ববংগৰ পৰা কেবালাখো পূৰ্ববংগীয় মুছলমানে আহি অসমত থিতাপী ল'লে। তেওঁলোকৰ জনবল অলপ দিনতে ইমান বাঢ়ি গ'ল যে ১৯৩৪ চনত নগাঁৱৰ আলিটাঙনিত ঢাকাৰ নবাৱক আনি সভাপতিৰ আসনত বহুৱাই পতা পমুৱাসকলৰ এখন বৃহৎ ৰাজহুৱা সভাৰ আকাৰ আৰু প্ৰকৃতি দেখি শান্তিপ্ৰিয় থলুৱা ৰাইজ শংকিত হৈ পৰিছিল। সেয়াই আৰম্ভণি। পিচত ছাৰ ছাদুল্লাৰ শাসন কালত আৰু তেখেতৰ প্ৰত্যক্ষ উৎসাহত অসম ভেলিতো পূৰ্ববংগজ মুছলমানসকলৰ জনবল প্ৰবলভাৱে বাঢ়ি গ'ল। ১৯৪৪ চনৰ এপ্ৰিল (?) মাহত মুছলীম লীগৰ আহ্বানত বৰপেটাত যি সশস্ত্ৰ জনসমাবেশ হৈছিল আৰু তাত যিবোৰ উত্তেজনা-মূলক শ্লোগানেৰে আকাশ-বতাহ কঁপোৱা হৈছিল সি বৰপেটা বাসী ৰাইজক সন্ত্ৰস্ত কৰি তুলিছিল। তেজপুৰ মঙ্গলদৈ আৰু উত্তৰ লক্ষ্মীমপুৰ চহৰৰ ৰাইজেও তাৰ কিছু সোৱাদ পাইছিল। কাকতি ফৰিঙৰ দৰে চাটি ধৰা পূৰ্ববংগীয় পঁমুৱাসকলৰ য'তে ত'তে ৰবলেৰে মাটি দখল আৰু আনুসঙ্গিক ভাবে সংঘটিত নাৰী হৰণকে ধৰি ঘটা জঘন্য অপৰাধবোৰে শান্তিপ্ৰিয় থলুৱা মানুহক ঠায়ে ঠায়ে ঘৰ পামঘৰ আদি এৰি যাবলৈকো বাধ্য কৰিছিল। থলুৱা-সকলে সংৰক্ষিত গোপচাৰ আৰু চাপৰিৰ গৰু-ম'হৰ খুটি এৰি দিব লগা হৈছিল। সিফালে তেওঁলোকৰ হৈ মুছলীম লীগৰ মুৰব্বী জিন্নাচাহাব, অসম মুছলীম লীগৰ সভাপতি আব্দুল হামিদখান, যিজন পিচলৈ মৌলানা ভাছানী নামে খ্যাত হ'ল আৰু যাৰ নামে আজিও অসমৰ বুকুত 'ভাছানীৰ চৰ' বিদ্যমান আৰু ক্ষমতাত অধিষ্ঠিত স্বয়ং ছাদুল্লাচাহাব সকলো সময়তে হাতে-কামে সৰব আছিল। সেই বহিৰাগতৰ সোঁতৰ পৰা থলুৱাসকলক ৰক্ষা কৰিবলৈ "লাইন প্ৰথা" (Line System) কৰিব লগা হৈছিল যাতে সেই সীমা অতিক্ৰমি তেওঁলোকে থলুৱা মানুহৰ মাটি বেদখল কৰিব নোৱাৰে। কিন্তু তাৰ পৰাও আশানুৰূপ ফল লাভ নহ'ল।

পূৰ্ববংগৰ পৰা ভূমিহীন মুছলমান কৃষকসকলক অনাত ছাদুল্লাৰ মতলব যিয়ে নাথাকক, তেওঁলোক কিন্তু কেৱল মাটিৰ লোভতেই আহিছিল। তেওঁলোকৰ মানত তেতিয়া আছিল "উপৰে আল্লা নীচে ছাদুল্লা।"

সি যিয়ে নহওঁক ১৯৩৮ চনৰ পৰা ১৯৪৬ চনত ঘোষিত মুছলীম লীগৰ প্ৰত্যক্ষ সংগ্ৰাম (Direct Action) আৰু "লড়কে লেঙ্গে পাকিস্তান" "হাসকে লেঙ্গে হিন্দুস্থান, ধ্বনিয়েও ১৯৪৭ চনৰ ১৪/১৫ আগষ্টৰ মাজৰাতি বৃটিছে ভাৰতক দ্বিখণ্ডিত কৰি স্বাধীনতা দিয়া সময়লৈকে সেই এটা দশকত হোৱা-

হোৱে মৈমনচিঙীয়া মুছলমান আমদানি কৰিও ছাদুল্লাই অসম উপত্যকা মুছলমান সংখ্যাগৰিষ্ঠ কৰিবলৈ সক্ষম নহ'ল। ভাৰতৰ স্বাধীনতা কেনেবাকৈ আৰু এটাদশকমান পিচুৱাই যোৱা হ'লে কিন্তু ছাদুল্লাই আসাম ভেলিও মুছলমান সংখ্যাগৰিষ্ঠ যে কৰিব পাৰিলেহেঁতেন তাত সন্দেহ নাই। সেয়ে হোৱা হ'লে আসাম ভেলিও পাকিস্তানৰ অন্তৰ্ভুক্ত হ'লহেঁতেন। তেতিয়াৰ অসমৰ সুৰমা উপত্যকাৰ শ্ৰীহট্ট জিলা গণভোটৰ দ্বাৰা পাকিস্তানৰ অন্তৰ্ভুক্ত হ'ল। দেশ বিভাজনৰ পিচতো ছাদুল্লাই ভাঙি দিয়া পাৰেদি পূব পাকিস্তানৰ পৰা অসমলৈ, কিছুমান চেতনাহীন মূৰ্খ ৰাজনীতিজীৱীৰ পৰোক্ষ পৃষ্ঠপোষকতাত, পাকিস্তানী / বাংলাদেশীৰ সোঁত অব্যাহত থাকিল।

আকৌ উজাই যাওঁ। ১৯৪১ চনত মোৰ একমাত্ৰ হাবিয়াস আছিল তেজপুৰৰ কাছাৰী ঘৰত এটা কেৰাণীৰ কাম যোগাৰ কৰাটো। তেতিয়া পয়ত্ৰিছ টকা দৰমহাৰ কেৰাণীৰ চাকৰি বৰ লোভনীয় আছিল। শিক্ষিতৰ সংখ্যা তাকৰ আছিল যদিও যিসকল স্কুল-কলেজৰ পৰা ওলাই আহিছিল সেই সকলে হা-চাকৰি হা-চাকৰি কৰি অফিচে অফিচে ঘূৰি ভৰিৰ তলুৱা ক্ষয় নিয়াব লগা হৈছিল। জোতা চেণ্ডেল পিন্ধিব পৰা ভাগ্যবানৰ সংখ্যা তেতিয়া বৰ বেছি নাছিল। তেতিয়া ঘৰুৱা শিক্ষক পদ একোটা পোৱাও বৰ ভাগ্যৰ কথা আছিল। মই মাহিলী চাৰিটকা বন্দৰস্তত পগলা ফাটেকত আৰু দহটকা বন্দৰস্তত পানীকলত ঘৰুৱা শিক্ষকতা কৰিছিলো। তাৰ কাৰণে সন্ধ্যা মোৰ থকা ঠাই কমাৰ চুবুৰীৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ আৰু পুৱা প্ৰায় পাঁচ কিলোমিটাৰ খোজকাঢ়ি অহা-যোৱা কৰিছিলো। দহটকীয়া ঘৰুৱা শিক্ষকতাটো মোৰ প্ৰাতঃস্মৰণীয় একাডেমীৰ প্ৰধান শিক্ষক দুলাল চন্দ্ৰ ভট্টাচাৰ্য্যৰ অনুমোদনত পাইছিলো। সেইটো টিউছন বহুতৰ ঈৰ্ষাৰ পদ আছিল। সন্ধ্যা পগলা ফাটেকৰ কৰ্মী এজনৰ ঘৰত তেখেতৰ সপ্তম মানত পঢ়া গাভৰু ছোৱালী এজনী পঢ়াইছিলোঁ। বন্দৰস্ত চাৰিটকা আছিল যদিও মাহৰ মূৰত প্ৰায়ে তিনি টকাকৈয়ে পাইছিলো। মাকগৰাকীয়ে মোৰ ছাত্ৰীগৰাকীৰ হতুৱাই টকাকেটা বটা এটাত মোক দিয়াইছিল। মই তেতিয়া চেঙেলীয়া ডেকা। গাভৰু ছাত্ৰীজনীৰ আগত টকাকেটা গনি ল'বলৈ লাজ লাগিছিল। তেতিয়া এটকীয়া দুটকীয়া নোটৰ প্ৰচলন হোৱা নাছিল। শুদ্ধ ৰূপৰ টকা।

আৱাহন যুগৰ প্ৰখ্যাত ঔপন্যাসিক আৰু গল্পকাৰ দীননাথ শৰ্মায়ো তেতিয়া কমাৰচুবুৰীত আমাৰ ওচৰতে এজনৰ বহাত থাকি ঘৰুৱা শিক্ষকতা কৰি পেট প্ৰৱৰ্তাইছিল। কোনোবা চাকৰিয়াল নমৰিলে বা পেঞ্চন নাপালে কাম খালি নহৈছিল। চৰকাৰী বিভাগৰ সংখ্যাও আছিল তেনেই সীমিত। মোৰ হাবিয়াস আছিল যে কল'নাইজেচন অফিচতে লিটাৰেট পিয়ন হিচাপে ঘঁহোতে ঘঁহোতে এদিন শিল ক্ষয় যাব আৰু কেৰাণীৰ পদ এটা ভাগ্যত উঠিব। কিন্তু অভ

অন্তৰায় হৈ পৰিল এজন মোৰ অতি শুভাকাঙ্ক্ষী লোক—মহম্মদ হোচেইন ককাইটি। তেখেত কো অপাৰেটিভ ইন্সপেক্টৰৰ অফিচৰ কেৰাণী আছিল আৰু সেই একেটা ঘৰতে আছিল আমাৰ কল’নাইজেচন অফিচটো। ককাইটিয়ে সদায় মোক খেচখেচাই থাকে—“তই কি কেৰাণী হৈ মৰিবলৈ আহিছ? এৰ এই কাম। তাতকৈ চিপাহী হ। উন্নতি হ’ব।” আমাৰ অফিচৰ আগেদি জন-চেৰেক বয়সস্থ বুগীয়া কেৰাণী দুৰ্বল খোজেৰে যায়। ককাইটিয়ে গৈ মোৰ কাণ এখনত ধৰি মোক টানি নি দেখুৱাই কয় “তয়ো কেইবছৰমান পাচত সেইটো হ’বি।” গেৰেপ গেৰেপকৈ বাটেদি দাৰোগা এজন যোৱা দেখিলেও তেনেকৈ মোক টানি নি দেখুৱাই কয় “দেখিছ সোটো? বুঢ়া হৈছে। কিন্তু খোজ দেখিছ?” মই তেখেতক ককাইটি বুলি মাতিছিলোঁ। এতিয়াও মাতো। এতিয়া (১৯৯৩) তেখেত নব্বৈৰ ওচৰ পাওঁ পাওঁ। তেখেতেই মোক জোৰ কৰি নি চিভিক গাৰ্দত নাম ভৰ্তি কৰাইছিল। নিজেও চিভিক গাৰ্দ হৈছিল। আমি ধোঁৱা বৰণীয়া হাফপেণ্ট চাৰ্ট পিন্ধি পুলিচ ৰিজাৰ্ভত সপ্তাহে এদিন পেৰেদ কৰিছিলো। কেবাগৰাকীও হাকিম আৰু উকীলো চিভিক গাৰ্দ হৈছিল। মই স্কুলত স্কাউট আছিলো। গতিকে মই চকুত পৰাকৈ পেৰেদ কৰিব পাৰিছিলোঁ।

ককাইটিয়ে এদিন মোক ‘আহচোন আহ’ বুলি ডাক বঙলালৈ লৈ গ’ল। তাত তেতিয়া দ্বিতীয় মহাসমৰৰ কাৰণে সৈনিক ভৰ্তি কৰিবলৈ এজন বুটিছ ৰিক্ৰুইটিং অফিচাৰে বাহৰ পাতিছিল। গৈ দেখো ককাইটিয়ে আগতেই মোৰ নাম ধাম তাত দি থৈছে। তাৰ পৰা কোনোৰকম হে সাৰিলোঁ। ’৪২ চনৰ জানুৱাৰীৰ শেষৰ ফালে এটা সোমবাৰে আকৌ মোক ককাইটিয়ে পেৰেদ ফিল্ডতে নি এছ পি আলবান আলি চাহাবৰ আগত হাজিৰ কৰি এক প্ৰকাৰ জোৰ কৰিয়েই মোক ডিব্ৰুগড়ৰ কাৰণে এ আৰ পি-ত ভৰ্তি কৰাই দিলে। মই ৮ ফেব্ৰুৱাৰীৰ দিনা নিৰুপায় হৈয়েই ডিব্ৰুগড় অভিমুখে যাত্ৰা কৰিলোঁ। সেই খিনিতেই মোৰ জীৱনৰ গতি সলনি হ’ল—ককাইটিৰ কাৰণে। ডিব্ৰুগড়ত প্ৰাথমিক প্ৰশিক্ষণ শেষ হোৱাত মোক তিনিচুকীয়ালৈ পঠালে। তাৰ পৰাই শ্ৰীহট্টৰ প্ৰশিক্ষণত মই চকুত পৰাকৈ কৃতকাৰ্য্য হোৱাত এমাহ মানৰ পিচতে কলিকতা আৰু তাৰ পিচত লাহোৰৰ চিভিল ডিফেন্স ষ্টাফ কলেজলৈ উচ্চ পৰ্য্যায়ৰ প্ৰশিক্ষণ ল’বলৈ প্ৰেৰিত হ’লো আৰু অভিলেখ স্থাপন কৰি কৃতকাৰ্য্য হ’লো। অতি ক্ষীপ্ৰ গতিৰে এ আৰ পি-ত উচ্চপদ পালো যদিও ১৯৪৫ চনৰ আগষ্টত জাপানৰ হিৰোচিমা আৰু নাগাচাকিত পেলোৱা এটম বোমাই যুদ্ধখনো অন্ত পেলালে আৰু আমাৰ চাকৰিৰো অন্ত পৰিল।

আকৌ ককাইটিক সোঁৱৰো। ককাইটি কেৰাণী হৈয়েই হা-হুমুনিয়াহ কাঢ়ি থাকিল যদিও মোৰ তেতিয়াৰ আৰু পিচৰ উন্নতি (?)-ৰ খবৰবোৰ পাই

আনন্দত আত্মহাৰা হৈছিল। তেতিয়াও আৰু এতিয়াও ককাইটিয়ে মোক লগ পালেই সোধ নাই পোচ নাই তপচ কৰে মোৰ গালত চৰ এটা সোধাই অলপ সময় থৰ হৈ চাই থাকে। তাৰ পিচতে ককাইটিৰ চকুৰ পৰা দুধাৰি চকুলো আনন্দৰ চকুলো বয়। মোৰ গালদুখনত হাত ফুৰাই সোধে "দুখ পালি ?"

১৯৪৬ চনত লীগৰ প্ৰত্যক্ষ কাৰ্য ব্যৱস্থাৰ পৰিণতি আৰু প্ৰতিক্ৰিয়া হিচাপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অসমৰ বাহিৰে প্ৰায় গোটেই ভাৰততে সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল। দ্বি-খণ্ডিত হৈ স্বাধীন হোৱাৰ পিচতো ভাৰত আৰু পাকিস্তান উভয় ৰাষ্ট্ৰত সাম্প্ৰদায়িক অশান্তিয়ে সাম নাকাটিলে। পাকিস্তানৰ ভাগত পৰা খণ্ডৰ হিন্দু আৰু শিখসকলৰ জীৱন দুৰ্বহ হৈ পৰিল। হত্যা, লুণ্ঠন, ধৰ্ষণ, বাধ্যতামূলক বিবাহ, সমূহীয়া ধৰ্মান্তৰকৰণ আদি জঘন্য আৰু বিভৎস অত্যাচাৰত তিষ্ঠিব নোৱাৰি বহু হিন্দু আৰু শিখে পাকিস্তান ত্যাগ কৰিছিল। মহাত্মা গান্ধীৰ প্ৰত্যক্ষ প্ৰভাৱ আৰু পৰম্পৰাগত সংস্কাৰৰ কাৰণে সেই সংঘৰ্ষই ভাৰতত বিভৎস ৰূপ নল'লেও পাকিস্তানত ঘটা ঘটনাৰ প্ৰতিক্ৰিয়া হিচাপে ভাৰতৰ পৰাও বহুজন সংখ্যক মুছলমান পাকিস্তানলৈ গুচি গৈছিল আৰু গুচি যোৱাৰ সম্ভাৱনা হৈছিল। কিছুমান গৈছিল পাকিস্তানত ঘটা সাম্প্ৰদায়িক অত্যাচাৰৰ প্ৰতিক্ৰিয়াৰ শংকাত, কিছুমান গৈছিল তেওঁলোকৰ স্বপ্নৰ পবিত্ৰভূমিত বাস কৰাৰ অভিলাসেৰে। পাকিস্তানৰ হিন্দু শিখৰ লগত স্থাৱৰ সম্পত্তিৰ বদলাবদলি কৰিও ভাৰতৰ পৰা কিছু মুছলমান পাকিস্তানলৈ আৰু সেই অনুপাতে পাকিস্তানৰ পৰা কিছুমান হিন্দু শিখ ভাৰতলৈ আহিছিল। এই প্ৰক্ৰিয়াৰে কাৰ্যতঃ জনসংখ্যাৰেই অদল বদল ঘটাৰ উপক্ৰম হৈছিল। অনেক হিন্দু / শিখে সকলো সা-সম্পত্তি এৰি কোনোৰকম প্ৰাণকেইটা লৈ ভাৰতলৈ আহিছিল আৰু অনেক মুছলমানেও তেনেকৈ সকলো স্থাৱৰ অস্থাৱৰ সম্পত্তি এৰি পাকিস্তানলৈ গৈছিল। যা হওঁক উভয় ৰাষ্ট্ৰৰ প্ৰব্ৰজনে পূৰ্ণ গতি লাভ নৌ কৰোতেই ১৯৫০ চনৰ ৮ এপ্ৰিলত দুই ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰীদ্বয়ৰ মাজত এখন চুক্তি সম্পাদিত হ'ল আৰু সেইখনেই নেহৰু-লিয়াকৎ চুক্তি। লিয়াকৎ আলি খানে বুজি পাইছিল যে যদি সেই গতিত উভয় ৰাষ্ট্ৰৰ মাজত ধৰ্মৰ ভিত্তিত জন-প্ৰব্ৰজন ঘটে তেন্তে পাকিস্তানৰ সৰ্বনাশ হ'ব। কাৰণ পাকিস্তানে ভাৰতৰ ভাগত পৰা অংশৰ তিনিকোটি মুছলমানক ঠাই দিব নোৱাৰিব। সেয়ে খান চুক্তিখনত অধিক আগ্ৰহী আছিল। সেই চুক্তি মতে ১৯৫০ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত উভয় ৰাষ্ট্ৰৰ যিসকল উদ্বাস্তুৱে পুনৰ নিজগৃহ ভূমিলৈ উভতি যাব সেইসকলে তেওঁলোকৰ ইতিমধ্যে হ্ৰত নাগৰিকত্ব ঘূৰাই পাব। এইখিনিতে স্মৰণ কৰিব পাৰি যে ভাৰতীয় সংবিধানে ভাৰতীয় নাগৰিকত্ব স্থিৰ কৰাৰ সময় সীমা নিৰ্ধাৰণ কৰিছিল ১৯৪৮ চনৰ ১৯ জুলাই। ১৯৫০ চনৰ নেহৰু-লিয়াকৎ চুক্তিয়ে দৰাচলতে সেই তাৰিখটো হোহোকাই ১৯৫০ চনৰ ৩১ ডিচেম্বৰলৈ নিলে।

১৯৫০ চনৰ পিচত পাকিস্তানৰ পৰা অনুপ্ৰৱেশ কৰাসকলে বা তেওঁলোকৰ নাতি-পুতিয়ে যাতে ভাৰতৰ নাগৰিকত্ব দাবী কৰিব নোৱাৰে তাৰ বাবে ১৯৫১ চনৰ পিয়লৰ নথি ৰাষ্ট্ৰীয় নাগৰিকৰ পঞ্জী (থোৰতে এন আৰ চি) হিচাপে গৃহীত হ'ল। এন আৰ চি, অসমৰ পিয়ল বিভাগে ৰেজিষ্টাৰ জেনেৰেল অব্ ইণ্ডিয়া (আৰ জি আই)-ৰ প্ৰত্যক্ষ নিৰ্দেশনা মতে প্ৰণয়ন কৰিছিল। সেইখন এখন গোপন নথি। চেন্সাচ আইনৰ ১৫ ধাৰা মতে চেন্সাচ সম্পৰ্কীয় গোচৰৰ বাহিৰে আন কোনো দেৱানী বা ফৌজদাৰী গোচৰত তাক ব্যৱহাৰ কৰিব নোৱাৰে। ১৯৬৪ চনত তেতিয়াৰ অসম পুলিচৰ মুৰব্বী শ্ৰীভবানীকান্ত বৰুৱাৰ পৰামৰ্শ ক্ৰমে ভাৰত চৰকাৰে এন আৰ চিখন অসমত বিদেশী চিনাক্ত-কৰণৰ কাৰণে ব্যৱহাৰ কৰিবলৈ পুলিচক অনুমতি দিছিল আৰু অসম পুলিচে বৰ কৃতকাৰ্য্যতাৰে তাক ব্যৱহাৰ কৰিছিল। পাকিস্তানী অনুপ্ৰৱেশকাৰী চিনাক্তকৰণ আৰু বহিস্কৰণত এন আৰ চি-ৰ ব্যৱহাৰে ন্যস্তস্বাৰ্থ মহলক অসুবিধাত পেলালে। ক'ৰবাত ধৰা পৰিলেই "পানীয়ে চৰ উটাই নিয়াত অমুক চৰৰ পৰা উঠি আহি বহিছো" বুলি কোৱাৰ সান্দহ খোৱা বালি তল গ'ল। ভাৰতীয় মুছলমানক পুলিচে হাৰাশাস্তি কৰাৰ অজুহাত দেখুৱাই কংগ্ৰেছ দলে আৰু লগতে জমিয়েৎ-ই-উলেমা-ই-হিন্দ্ নামৰ সংগঠনটোৱেও "গোপন নথি" এন আৰ চি-ৰ প্ৰতিলিপি লাভ কৰিলে যাতে তেওঁলোকেও চৰুৱা মুছলমানসকলক আৱশ্যক বুজি প্ৰমাণিত প্ৰতিলিপি দিব পাৰে।

এন আৰ চি-ৰ গুৰুত্বলৈ চাই সময়ত হাতে লেখা নথিবোৰ নষ্ট হোৱাৰ আশংকাত তেতিয়াৰ দৰং জিলাৰ এছ পি শ্ৰীদেৱকান্ত কাকতিয়ে তাক ছপা কৰি থ'বলৈ আৰু পাৰিলে মাইক্ৰ' ফটো কৰি ৰাখিবলৈ চৰকাৰক পৰামৰ্শ দিছিল। কিন্তু এন আৰ চি-ৰ বিলুপ্তিত লাভবান হ'ব খোজা ন্যস্তস্বাৰ্থ চক্ৰৰ পাকত গোপনীয়তা ভঙ্গৰ সম্ভাৱনাৰ অজুহাত দেখুৱাই সেই পৰামৰ্শ অগ্ৰাহ্য হ'ল। ভাৰত চৰকাৰে এন আৰ চি-ৰ সুৰক্ষাৰ ব্যৱস্থা ল'বলৈ অসম চৰকাৰক দঢ়াই দঢ়াই সঁকিয়াই আছিল আৰু তাক জিলা / মহকুমাৰ ট্ৰেজাৰি / চাব ট্ৰেজাৰিত ৰাখিবলৈ পৰামৰ্শ দিছিল। তথাপিও কিন্তু শিলচৰ মহকুমাৰ দুটাখণ্ড হৰলুকী হৈছিল।

সি যিয়ে নহওঁক, ১৯৭১ চনৰ পূব পাকিস্তানৰ বিদ্ৰোহৰ সময়লৈকে এন আৰ চি-য়েই অসমত পাকিস্তানী চিনাক্তকৰণৰ আটাইতকৈ নিৰ্ভৰযোগ্য নথি আছিল। পৰৱৰ্তীকালত উদকেই যেতিয়া ভেটা ৰথীয়া পতা হ'ল তেতিয়া যি হ'ব লগা সেয়ে হ'ল।

নেহৰু-লিয়াকৎ চুক্তি কৰোতে নেহৰুৰ দৃষ্টিভঙ্গী আছিল মানৱীয়। ইয়াত তেখেতৰ দূৰদৃষ্টি বা ৰাজনৈতিক বিচক্ষণতা প্ৰকাশ পোৱা নাই। কিন্তু লিয়াকৎ আলি খানৰ উদ্দেশ্য আছিল ৰাজনৈতিক লাভ আৰু সাম্প্ৰদায়িক।

খানে বুজিছিল যে সেই চুক্তিৰ দ্বাৰা পাকিস্তানহে একপক্ষীয়ভাৱে লাভৱান হ'ব। তেওঁ জানিছিল যে নিৰ্য্যাতিত হৈ যিবিলাক হিন্দু / শিখে পাকিস্তান এৰি কোনোৰকম ভাৰতৰ মাটিত ভৰি দিছিল সেইবিলাকে তাত পাই যোৱা 'সোৱাদ' আৰু দেখি যোৱা বিভৎসতাৰ কথা সুঁৱৰি কেতিয়াও "ইছলামিক ৰাষ্ট্ৰ" পাকিস্তানলৈ উভতি নাযায়। আনহাতে ভাৰত এৰি যোৱা মুছলমানসকলে বিনা দ্বিধাই "ধৰ্ম নিৰপেক্ষ" ভাৰতলৈ উভতি যাব। ফল ঠিক আলিখানে ভবা মতেই হ'ল। ততোধিক, ১৯৫০ চনৰ ৩১ ডিচেম্বৰৰ পিচতো পূব পাকিস্তানৰ পৰা উন্মুক্ত জল-পথ আৰু থল-পথেদি পাকিস্তানী অনুপ্ৰৱেশৰ সোঁত অসমলৈ অব্যাহত থাকিল। ভাৰতত থকা অঙহী-বঙহীসকলৰ ওচৰত তেওঁলোকৰ আশ্ৰয় সহজলভ্য হৈ থাকিল। তাৰ উপৰিও পূব পাকিস্তানত দৰিদ্ৰতাৰ কাৰণে দুৰ্বহ জীৱন নিৰ্বাহ, তেওঁলোকৰ অস্বাভাৱিক জন বিস্ফোৰণ, অসমৰ চৰ অঞ্চলত তেতিয়াও সহজে পাব পৰা মাটি বা চৰবাসী দেৱানী মাতব্বৰসকলৰ কৃষি বনুৱা হিচাপে পাব পৰা জীৱিকাৰ লোভে পূব পাকিস্তানীসকলক অসমলৈ আকৰ্ষণ কৰিয়েই থাকিল। ভূতৰ ওপৰত দানৱৰ দৰে তাৰ লগত, ৰাজনৈতিক ক্ষমতা ন্যস্তস্বাৰ্থ যোগ হ'ল। ছাদুল্লাৰ কল'নাইজেচন আঁচনিৰ আধাৰত যিবোৰ বিশেষ বিশেষ অঞ্চলত পূৰ্ববংগজ মুছলমানসকলক বহুওৱা হৈছিল সেইবোৰ ঠাই তেওঁলোকৰ একচেটিয়া হ'ল। স্বাধীনতাৰ পূৰ্বে তাৰ সকলো বাসিন্দা গোটে-পাতে মুছলীম লীগৰ সমৰ্থক আছিল যদিও স্বাধীনতাৰ লগে লগেই তেওঁলোক একেৰাতিতে গোটে-পাতে কংগ্ৰেছী হৈ কংগ্ৰেছৰ একচেটিয়া ভোটৰ ভঁৰালত পৰিণত হ'ল আৰু কংগ্ৰেছ তেওঁলোকৰ ৰক্ষক আৰু ঘাই পৃষ্ঠপোষক হ'ল। কংগ্ৰেছক ভোট নিদিলে পাকিস্তানলৈ খেদি পঠোৱা হ'ব আৰু কংগ্ৰেছক ভোট দিবলৈ নতুনকৈ অনুপ্ৰৱেশ কৰিলেও হানি নাই এনে ধাৰণা তেওঁলোকৰ মাজত প্ৰচাৰিত হ'ল।

প্ৰাক-স্বাধীনতা কালৰ ঘোৰ কংগ্ৰেছবিৰোধী তথা স্বাধীনতা সংগ্ৰাম বিৰোধী বৃটিছ চৰকাৰৰ একান্ত অনুগত এশ্ৰেণী লোকো স্বাধীনতাৰ পিচতে ক্ষমতা-ধিষ্ঠিত কংগ্ৰেছ দলৰ অনুগতই নহয়, একপ্ৰকাৰ কৰ্ণধাৰ হৈ পৰিল। এই শ্ৰেণীৰ মানুহৰ চৰিত্ৰ, অৱশ্যে, ভৃলিঙ্গ পক্ষীৰ দৰে। ভৃলিঙ্গ পক্ষী সদায় পশুৰাজ সিংহৰ কাষে কাষে থাকে আৰু সিংহই মঙহ খাই মুখমেলি শুই থাকোতে ঠোটেৰে সিংহৰ দাঁতৰ মাজত লাগি থকা মঙহবোৰ বুকি বুকি উলিয়াই খাই জীৱন নিৰ্বাহ কৰে। সিংহয়ো দাঁত খৰকিয়াই দিয়াত সুত লাগি টোপনি যায় আৰু একোটাহ'ত মিচিকিয়া হাঁহিৰে সময়ে সময়ে ভৃলিঙ্গ পক্ষীক কৃতাৰ্থ কৰে। আতি-গুৰি বিচাৰিলে, এতিয়াও তেনে ভৃলিঙ্গ পক্ষী শাসকদলৰ গাত লাগি থকা দেখিবলৈ পোৱা যায়।

মই তেজপুৰত প্ৰবেচনাৰী ডি এছ পি থকা বছৰতে (১৯৬৩) তেতিয়াৰ

অতিৰিক্ত আৰক্ষী মহা-পৰিদৰ্শক শ্ৰীভৱানীকান্ত বৰুৱাৰ নেতৃত্বত অসমৰ পৰা পাকিস্তানী অনুপ্ৰৱেশকাৰী উচ্ছেদ কৰি পুব পাকিস্তানলৈ পঠোৱাৰ অভিযান আৰম্ভ হৈছিল। দৰং জিলাৰ এছ পি শ্ৰীদেৱকান্ত কাকতিয়ে অতি নিষ্ঠাৰে সেই অভিযানত নেতৃত্ব দিছিল। চতিয়াৰ দক্ষিণৰ চৰ চাপৰি অঞ্চলৰ পৰা নথি-পত্ৰ পৰীক্ষা কৰি বহু পাকিস্তানীক উচ্ছেদ কৰি গোলোকগঞ্জৰ সীমাইদি পাকিস্তানলৈ পাৰ কৰি দিয়া হৈছিল। সেই অভিযানত কাকতিদেৱে মোক বিশেষ দায়িত্ব দিছিল আৰু মই তাক এক পবিত্ৰ কাম হিচাপে ডাঙৰ সন্মান বুলি গ্ৰহণ কৰি ৰাতি দিন সমানে খাটিছিলোঁ। তেতিয়া মাজে মাজে মোৰ মনত এটা ভাবে ভুমুকি মাৰিছিল যেন সেইটো কামৰ কাৰণেই ঈশ্বৰে মোক পুলিচ বিভাগলৈ নিছিল।

আমাৰ সেই অভিযানত প্ৰবল বাধা পাইছিলো স্থানীয় কংগ্ৰেছদল আৰু সেইদলৰ পালিনেতাসকলৰ পৰা। তেওঁলোক, লাওটো বেঙেনাটোৰ বিনিময়তে দেশখন বেচিবলৈ প্ৰস্তুত যেন দেখিছিলোঁ। তথাপিও, ৰাজনৈতিক নেতাৰ অনুগ্ৰহ আৰু ভাবুকি তুচ্ছজ্ঞান কৰা অকুতোভয় শ্ৰীভৱানীকান্ত বৰুৱা আৰু শ্ৰীদেৱকান্ত কাকতিৰ সবল নেতৃত্বত আমি সেই অঞ্চলৰ পৰা কেবা হাজাৰো পাকিস্তানী বহিস্কাৰ কৰিবলৈ সমৰ্থ হৈছিলোঁ। অৱশ্যে তেওঁলোকৰ বহুতেই পিচত পুনৰ অনুপ্ৰৱেশ কৰি ৰাজনৈতিক ছত্ৰছায়াত নিৰাপদ হ'লহি। পিচৰ কংগ্ৰেছ চৰকাৰে অসমৰ বিদেশী নাগৰিক চিনাক্তকৰণৰ মূল নথি এন আৰ চি খনকে অপ্ৰাসঙ্গিক কৰাত সেইসকল বিদেশী নিগাজী হোৱাই নহয়, চোৰেই গিৰিহঁতো হ'ল।

পি আই পি স্কীমৰ আধাৰত পুলিচ বিভাগেও, অনুপ্ৰৱেশ ধৰা পেলাব পৰা, কিছুমান নিৰ্ভৰযোগ্য নথি তৈয়াৰ কৰিছিল। বিশেষ বিশেষ অঞ্চলবোৰত কিছুমান নিৰীক্ষণ চকী (Watch Post) পতা হৈছে। তাত ৰখা ৰেজিষ্টাৰত নিজ নিজ এলাকাৰ সকলো মানুহৰ নাম বয়স আদি লিখি জন্ম-মৃত্যুৰো হিচাপ ৰখা হয়। ৰাষ্ট্ৰীয় পঞ্জীৰ দৰেই এইখন ৰেজিষ্টাৰো বৰ নিৰ্ভৰযোগ্য। কিন্তু ভোটবেংক ভগাৰ ভয়ত, একমাত্ৰ ডেৰবছৰীয়া গোলাপ বৰবৰাৰ চৰকাৰৰ বাহিৰে, কোনেও আনকি বিদেশী খেদা আন্দোলনৰ চৌত চৰকাৰ পতা অসম গণ পৰিষদেও তাত লেশমাত্ৰও গুৰুত্ব নিদিলে। বৰবৰা চৰকাৰে বিদেশীৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়াত গুৰুত্ব আৰোপ কৰাৰ মূল্য হিচাপে গাদী হেৰুৱাব লগা হ'ল। ওপৰঞ্চি পুৰস্কাৰ হিচাপে ১৯৮৫ চনৰ নিৰ্বাচনত তেওঁৰ দলে শোচনীয় পৰাজয় বৰণ কৰাই নহয়, ১৯৯১ চনৰ নিৰ্বাচনত তেওঁ নিজে নিৰ্বাচনত নামি আমানত পৰ্য্যন্ত হেৰুৱালে আৰু তেওঁৰ দলে ব্ৰহ্মপুত্ৰ উপত্যকাত এখনো আসন লাভ কৰিব নোৱাৰিলে। এয়ে অসমবাসী ভাৰতীয়ৰ ৰাষ্ট্ৰীয়

চেতনাবোধ। আনহাতে এতিয়াও (১৯৯৩) কিন্তু বিদেশী অনুপ্ৰবেশকাৰী আৰু ভোটাৰ তালিকাত বিদেশীৰ নামেই অসমৰ জ্বলন্ত সমস্যা।

আন এটা প্ৰসঙ্গলৈ যাওঁ। ১৯৬৪ চনত তেতিয়াৰ অসমৰ আই জি পি শ্ৰীইমদাদ আলি চাহাবে পোন প্ৰথমবাৰৰ কাৰণে সামৰিক বাহিনীৰ বিষয়াসকলে ল'ব লগা এটা বিশেষ প্ৰশিক্ষণ অসম পুলিচৰ এচাম বিষয়াক দিয়াই অনাৰ ব্যৱস্থা কৰিছিল। কাৰণ অসম পুলিচ বেটেলিয়নবিলাকো কামে-কাজে অস্ত্ৰে-শস্ত্ৰে ভাৰতীয় পদাতিক সৈন্যবাহিনীৰে প্ৰায় একে। সেই কাৰণে পুলিচ বেটেলিয়নবোৰ পৰিচালনা কৰিবলৈ প্ৰথম অৱস্থাত প্ৰাক্তন সামৰিক বিষয়া আনিব লগা হৈছিল। ফলত অসম পুলিচৰ কেবাটাও উচ্চপদ প্ৰাক্তন সামৰিক বিষয়াই ভোগ কৰিছিল আৰু তাৰ কাৰণে কনিষ্ঠ পুলিচ বিষয়াসকলৰ পদোন্নতি লেহেম হৈছিল। সামৰিক বাহিনীৰ ওপৰ মহলৰ লগত যোগাযোগ কৰি আলি চাহাবে কিছুমান পুলিচ বিষয়াক সামৰিক বাহিনীত সেই বিশেষ প্ৰশিক্ষণটো দিয়াই অনাৰ দিহা কৰিছিল। সেই আঁচনিৰ প্ৰথম চাৰিজন বিষয়াৰ এজন আছিলো মই। বাকী তিনিজন আছিল এইছ এছ চিত্তৰঞ্জন (এতিয়া ডি জি পি), প্ৰয়াত অলোক কুমাৰ সিনহা আৰু প্ৰয়াত নৃপেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য্য।

শ্বিলঙৰ অসম ৰেজিমেণ্টত আমি লোৱা সেই প্ৰশিক্ষণটোত আমাৰ লগত কেবাজনো মেজৰ কেপ্টেইন আৰু লেফ্‌টেনেণ্ট্ আছিল। প্ৰশিক্ষণটো টান আছিল যদিও আমি সামৰিক বিষয়াসকলৰে সমান দক্ষতাৰে তাক সম্পূৰ্ণ কৰিব পাৰিলোঁ। তাৰ ভিতৰত কেটামান অতি জটিল আৰু কষ্টসাধ্য কাম সামৰিক বাহিনীৰে ছত্ৰিছৰ ওপৰ বয়সীয়া বিষয়াৰ কাৰণেও বাধ্যতামূলক নাছিল। মই তেতিয়া বিয়াল্লিছৰ ডেওনা পাৰ হৈছিলোঁ যদিও স্বেচ্ছাই মই সেই কঠোৰ কামকেটা সম্পন্ন কৰিছিলোঁ। প্ৰশিক্ষণৰ অন্তত আমাৰ বিদায়ৰ 'ৰেজিমেণ্টেল ডিনাৰ নাইট'ত আসাম ৰেজিমেণ্টেল চেণ্টাৰৰ অধিনায়ক তেতিয়া কৰ্ণেল পিচত ব্ৰিগেডিয়াৰ আৰু মিজোৰামৰ মুখ্যমন্ত্ৰী চাইলো চাহাবে সামৰিক বিষয়াসকলক সম্বোধি কৈছিল বোলে, তোমালোকে দেখিলাহঁক যে তোমালোকে কৰিব পৰা সকলো কঠিন কাম এই পুলিচ বিষয়াকেজনে তোমালোকৰ সমান দক্ষতাৰে সম্পন্ন কৰিলে। কিন্তু জানি থোৱা যে তেওঁলোকে কৰিব পৰা সকলো কাম তোমালোকে কিজানি কৰিব নোৱাৰিবা।

মই প্ৰথম অসম পুলিচ বেটেলিয়নৰ সহকাৰী অধিনায়ক হৈ থকা প্ৰায় আঢ়ৈ বছৰ কালত কেবাটাও উত্তেজনাপূৰ্ণ স্মৰণীয় ঘটনা ঘটিছিল। পুলিচ বেটেলিয়ন এক অৰ্ধসামৰিক বাহিনী। ইয়াৰ জন্ম বৰ বেছি পুৰণি নহয়। দ্বিতীয় মহাসমৰৰ সময়ত, বিশেষকৈ বিয়াল্লিছৰ পটভূমিত ৰেলপথবিলাক পহৰা দিবৰ কাৰণে অসমত ৰেইল-ফোৰ্চ নামে এটা বাহিনী গঠিত হৈছিল।

যুদ্ধান্তত সেই বাহিনীকে অসম পুলিচ বেটেলিয়ন নামেৰে পুনৰ্গঠিত কৰিলে। ইতিমধ্যে নগা বিদ্রোহীসকলৰ কাৰ্য্যকলাপ বাধা দিবৰ কাৰণে অসম পুলিচ বেটেলিয়নৰ সম্প্ৰসাৰণ ঘটিল। নগা বিদ্রোহ দমনৰ দায়িত্ব সামৰিক বাহিনীক দিয়া হৈছিল। সেইকাৰণে অসম পুলিচ বেটেলিয়নৰ সিংহভাগ সামৰিক-বাহিনীৰ হাতত দিয়া হৈছিল। প্ৰথম অসম পুলিচ বেটেলিয়নৰ ওঠৰ নে উনৈশটা প্লাটুন সামৰিক কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণত আছিল আৰু তেওঁলোকক উত্তৰ কাছাৰ আৰু মণিপুৰৰ সীমান্তৰ পৰ্বতীয়া অঞ্চলত নিয়োগ কৰা হৈছিল। কেইমাহমান বেটেলিয়নৰ দেৰগাঁৱস্থ দোপদৰত এড্‌জুটেণ্টৰ দায়িত্ব পালন কৰাৰ পিচত মোক অসম-মণিপুৰ (টামেংলং) সীমান্তত উইং কমাণ্ডাৰ হিচাপে বালাধনত নিয়োগ কৰিলে। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত আৰু সুপ্ৰশিক্ষিত নগা বিদ্রোহীসকলৰ লুণ্ঠন আদি অত্যাচাৰৰ পৰা নগা, কুকি, মাৰ, ডিমাচা আদি গাঁওবোৰ ৰক্ষা কৰা আৰু বিদ্রোহীসকলৰ পূৰ্ব-পাকিস্তানলৈ আহ-যাহ বন্ধ কৰাই তাত আমাৰ ঘাই কৰ্তব্য আছিল। মাজে সময়ে সশস্ত্ৰ নগা বিদ্রোহীসকলে বেটেলিয়নৰ ব'ৰ্ডাৰ আউট পষ্টু (বিঅ'পি) বিলাকো আক্ৰমণ কৰিছিল, আমাৰ সশস্ত্ৰ পুলিচ বা সামৰিক বাহিনীৰ টহলদাৰী দলৰ ওপৰতো বেহু-ৰচনা কৰি অতৰ্কিতে আক্ৰমণ চলাইছিল।

মোৰ দায়িত্বত থকা অঞ্চলটোৰ কিছু অংশত জেমি নগা, কিছু অংশত মাৰ (HMAR) আৰু কিছু অংশত কুকিসকলৰ গাঁও আছিল। গাঁওবোৰ সেৰেঙা—ইখনৰ পৰা সিখনলৈ প্ৰায় দহ বাৰ কিলোমিটাৰ। বাট-পথ দুৰ্গম। মাৰ আৰু কুকি প্ৰায় সকলোৱেই খ্ৰীষ্টান হৈছিল আৰু তেওঁলোকৰ গাঁৱে গাঁৱে গীৰ্জা আছিল। জেমি নগাসকল কিছু ৰক্ষণশীল। ৰাণী গাইদুলু সেই অঞ্চলৰে। জেমিসকলৰো প্ৰায় প্ৰতি গাঁৱতে দুই-চাৰি ঘৰকৈ খ্ৰীষ্টান হ'বলৈ আৰম্ভ হৈছিল। কিন্তু উত্তৰ কাছাৰ পাহাৰৰ ডিমাচাসকলে সকলো প্ৰকাৰৰ প্ৰলোভন নেওচি নিজৰ ধৰ্ম সংস্কৃতিত অচল-অটল হৈ থাকি গৌৰববোধ কৰিছিল।

জেমি গাঁওবোৰত যিসকল নিজৰ পুৰণি তথাকথিত হিন্দু ধৰ্মতে আছিল তেওঁলোকক নন-খ্ৰীষ্টান বোলা হৈছিল আৰু এনে এটা প্ৰৱণতাই গা কৰি উঠিছিল যেন খ্ৰীষ্টান নোহোৱাকৈ থকাসকল খ্ৰীষ্টানসকলতকৈ হীন আছিল। দুই-চাৰিঘৰৰ কাৰণে হ'লেও গাঁৱে প্ৰতি গীৰ্জা সজাই দিয়া হৈছিল আৰু তাত খ্ৰীষ্টানকেঘৰৰ সকলো প্ৰতি সন্ধ্যা গোটখাই প্ৰাৰ্থনা গীত গাইছিল। সেই সুৰীয়া গীতে 'অনা খ্ৰীষ্টান' ল'ৰা-ছোৱালীবোৰকো স্বাভাৱিকতে আকৰ্ষণ কৰিছিল।

তেওঁলোকে ঘাইকৈ জুম পদ্ধতিত কৰা খেতিত উৎপন্ন হোৱা ধান, গোমধান, লতা আলু, কচু, তিয়'হ, ছিৰাল, জলকীয়া, বেঙেনা আদি খেতিৰ ওপৰত নিৰ্ভৰ কৰিছিল। খ্ৰীষ্টান হোৱাসকলে বুং (মদ) খাবলৈ, অন্ততঃ দেখুৱাই খাবলৈ

বা ঘৰত তৈয়াৰ কৰিবলৈ, এৰিছিল। তাৰ বিপৰীতে 'অ-খ্ৰীষ্টান' সকলে ধান চপায়েই চুঙাই চুঙাই 'বুং' তৈয়াৰ কৰিছিল। আচলতে 'বুং' মানেই চুঙা। বছৰটোলৈ নহ'লেও আঠ-ন মাহৰ জোখাৰে উৎপন্ন হোৱা ধান তেওঁলোকে প্ৰথম পাঁচ মাহ মানতে বুং কৰি খাই অন্ত কৰি বাকী কেমাহ বৰ কষ্টত কটাইছিল। তেওঁলোকৰ পোহনীয়া জন্তুৰ ভিতৰত আছিল গৰু, গাহৰি আৰু মেঠোন। গৰুৰ গাখীৰ তেওঁলোকে নাখায়। মেঠোনবোৰ আধা বনৰীয়া হৈয়েই আছিল। প্ৰায়বোৰে কুকুৰা পুহিছিল। অস্বাস্থ্যকৰ পৰিবেশৰ কাৰণে ৰোগ ব্যাধিয়ে তেওঁলোকক সততে জুৰুলা কৰিছিল। কেঁচুৱা আৰু ল'ৰা-ছোৱালীৰ মৃত্যুৰ হাৰ বৰ বেছি আছিল। ৰোগ ব্যাধিৰ চিকিৎসা পূজা-পাতলতে সীমাবদ্ধ আছিল। অখ্ৰীষ্টানসকলৰ মাজত বেমাৰ হ'লে পূজা, বেমাৰ ভাল হ'লেও পূজা, জুমৰ কাৰণে মাটি ভঙাৰ দিনা পূজা, গুটি সিঁচাৰ দিনাও পূজা, খেতি চপোৱাৰ দিনাও পূজা, জন্ম, মৃত্যু, মৃতকৰ কাম সকলোতে কেৱল পূজা। পূজা মানে কুকুৰা গাহৰি আৰু কেতিয়াবা অনুষ্ঠান চাই মেঠোন মাৰি চুঙাই চুঙাই বুং খুউওৱা।

বালাধনত থকা কালতে জেমি নগা গাঁওবোৰত নামঘৰ সাজিবলৈ উদগণি দি ফুৰা এজন খ্ৰীষ্টান গাঁওবুঢ়াক মই সুধিছিলো বোলো আপুনি নিজে হিন্দু ধৰ্ম ভাল পাইছে আৰু নামঘৰ সজাতো উৎসাহ দিছে, কিন্তু আপুনি নিজে কিয় নিজৰ ধৰ্ম এৰি খ্ৰীষ্টান হৈছিল? তেওঁ দিয়া উত্তৰটোৱে জেমিসকলৰ অৰ্থ-নৈতিক অনগ্ৰসৰতাৰ কাৰণ প্ৰকাশ কৰিছিল। তেওঁ কৈছিল বোলে আমাৰ পুৰণি নিয়ম খালি পূজা খালি পূজা। আমাৰ চব পূজাই খাই দিলে। আমি কি খাম? সেই কাৰণে খ্ৰীষ্টান হ'লো। এতিয়া আপুনি যিটো শংকৰ দেৱৰ ধৰ্ম দেখুৱাইছে সেইটো আমাৰ একদম নিজৰ নিচিনা লাগিছে। সেই কাৰণে আমাৰ মানুহক সেইটো ল'বলৈ কৈছোঁ।

উন্নয়ন খণ্ডবিলাকৰ অধীনত কাম কৰা গ্ৰামসেৱকসকলৰ কৰ্তব্য কি নাজানো। কিন্তু বালাধনত প্ৰায় ডেৰ বছৰ কাল জেমি গাঁওবোৰত মই বোধহয় এজন গ্ৰামসেৱকৰ কামেই কৰিছিলোঁ। আমাৰ বেটেলিয়নৰ উৎসাহী জোৱানসকলৰ হতুৱাই জেমি ল'ৰা-ছোৱালীবিলাকক দলে বলে শাৰী পতাই এঙাৰেৰে দাঁত মাজিবলৈ, ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰিবলৈ, গাহৰিয়ে লেতেৰা কৰা বাট-পথ আৰু ঘৰৰ আশ-পাশবোৰ পৰিষ্কাৰ কৰিবলৈ, লাও-কোমোৰা, শাক-পাচলিৰ গুটি নি তাৰ খেতি কৰিবলৈ শিকাই আমি শ্ৰমদান কৰিছিলো। তেনেই নিজাববীয়াকৈ। আমাৰ বেটেলিয়নৰ বিষয়া আৰু জোৱানসকলে গাঁওবিলাকৰ ৰূপ একৰকম সলাই পেলাইছিল। গাঁৱৰ মানুহবিলাকে আমাৰ জোৱানসকলৰ সহযোগত বালাধন, হাংৰুম, দিজুং, পুৰণা চংগাই, নতুন চংগাই, খাংনাম, পৰামনা আদি গাঁৱত একোটা নামঘৰ (টিৱাংকি) সাজি মানুহবিলাকক

ল'ৰা-ছোৱালীবিলাকক নাম গাবলৈ শিকাইছিল। প্ৰতি নামঘৰতে আমাৰ দক্ষ জোৱানসকলে গাখীৰৰ বাকচেৰে সজা গুৰু আসনত গোলাঘাটৰ যদুমণি ছাপা-খানাৰ গৰাকী ধলবসত্ৰৰ গোসাঁই পূৰ্ণচন্দ্ৰ গোস্বামীয়ে দান দিয়া গুণমালা পুথি প্ৰতিষ্ঠা কৰা হৈছিল। জোতাৰ ৰঙৰ খালি টেমাৰে সজা চাকি আৰু সাধাৰণ গছৰ ডাল কাটি তাৰে সজা আটক ধুনীয়া গছাই নামঘৰবোৰ চকুত লগা কৰি তুলিছিল। আমাৰ লগতে থকা এজন কেন্দ্ৰীয় চোৰাংচোৱা বিষয়া ডিব্ৰুগড়ৰ সদানন্দ দাসে সেই কামবোৰত সহায় কৰিছিল।

মই গুচি অহাৰ পাচতো যাতে সেই প্ৰক্ৰিয়াটো চলি থাকে তাৰ ব্যৱস্থা কৰিবলৈ মই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কালৈ লিখিম নাজানি ড° মহেশ্বৰ নেওগ দেৱলৈ সকলো কথা বিবৰি শংকৰ সংঘৰ লগত যোগাযোগ ঘটাই দিবলৈ লিখিছিলোঁ। তেখেতৰ উপদেশ মতেই সংঘৰ এজন বিষয় ববীয়া বলোৰাম চলিহাই, মই মাজতে এবাৰ দেৰগাঁৱলৈ যাওঁতে, মোক লগধৰি কামটোৰ বুজ লৈছিল। কিন্তু কাৰ্যতঃ একো নহ'ল। সম্বলহীন সত্ৰবোৰৰ যে কোনোবাই সেই দায়িত্ব ল'ব তেনে সম্ভাৱনাও দেখা নাছিলোঁ। একালত বাৰে ঘৰ সত্ৰৰ শ্ৰীৰাম গোসাঁয়ে নগা নক্তে ৰজাক শৰণ দি নৰোত্তম নাম দিয়াতে পাহাৰ পৰ্বতত ধৰ্ম প্ৰচাৰত হাঁত পাৰিছিল। এই শতিকাঁত নিকামুল সত্ৰৰ সত্ৰাধিকাৰ গহন চন্দ্ৰ গোস্বামী, ঘাৰমৰা সত্ৰৰ দয়াকৃষ্ণ গোস্বামী আৰু শলগুৰি সত্ৰৰ কৃষ্ণকান্ত মহন্তই সেই দিশত গাই-গুটীয়াকৈ কিছু সেৱা আগবঢ়াইছিল।

জেমিসকলৰ মাজত সামান্যভাৱে হ'লেও এটা আত্মচেতনাবোধ জন্মাৰ খবৰটো কেনেবাকৈ কলিকতাৰ ষ্টেটছমেন কাকতত প্ৰকাশ হোৱাত পাটনাৰ এগৰাকী অৱসৰ প্ৰাপ্ত ভাৰতীয় প্ৰশাসনীয় সেৱাৰ জ্যেষ্ঠ বিষয়া ৰামৰুদ্ৰ প্ৰসাদ সিংহই, তেখেতে পতা হিন্দু মিছন নামৰ এটা সংগঠনৰ সম্প্ৰসাৰণৰ সম্ভাৱনাৰ বুজ ল'বলৈ মোক লগ ধৰিছিলহি। তাৰ পিচত বিশ্ব হিন্দু পৰিষদৰ ফালৰ পৰাও তাত কাম কৰাৰ যো-জা চলিছিল। কিন্তু তাত শংকৰদেৱৰ প্ৰৱৰ্তিত সৰল ভক্তি ধৰ্মৰ বাহিৰে কৰ্ম-বহুল আন কিবাই খাপ খাব বুলি মোৰ মনে নধৰে।

জেমিসকলৰ মাজত মই কিবা সেৱা কৰিব পাৰিছিলোনে নাই সেইটো যিয়ে নহওঁক, তেওঁলোকে মোক বৰ আপোনজন বুলি গ্ৰহণ কৰিছিল। পৰৱৰ্তী-কালত ৰাণী গাইদুলুৰ লগত মোৰ দেখা হওঁতে আৰু ৰাণীৰ লগত জেমিগাঁও ফুৰোতে মোক ৰাণীয়ে ভুয়সী প্ৰশংসা কৰিছিল। আত্মগোপন কৰি থকা কালছোৱাতে বোলে তেখেতে জেমিসকলৰ মাজত মই কৰা কাম নিৰীক্ষণ কৰি আছিল আৰু সন্তোষ পাইছিল।

মই জেমিসকলৰ মাজত দিয়া ভাষণবোৰত কেতিয়াবা কেতিয়াবা জন্মান্তৰৰ কথা কৈছিলোঁ। তাৰে আঁত ধৰি, মই জেমি অঞ্চলৰ পৰা বিদায় লোৱাৰ সময়ত

মোৰ এখন বিদায় সভাত এজন জেমি গাওঁবুঢ়াই কৈছিল বোলে ই আগৰ জন্মত জেমি আছিল। সেই কাৰণেহে আমালৈ ইয়াৰ ইমান মৰম। আন এজন গাওঁবুঢ়াই কৈছিল বোলে তই নাযাবি। আমাৰ যিজনী ছোৱালীকে তই পছন্দ কৰ তাকে দিম। তই ইয়াতে থাক। তেওঁলোকৰ সেই মৰমৰ সৰল কথাবোৰে মোৰ চকুলো সৰাইছিল। জেমিসকলৰ মাজত মোৰ কৰ্তব্যৰ ওপৰঞ্চি সেই সেৱামূলক কামবোৰ কৰোতে যেতিয়া এক বিমল আনন্দ লাভ কৰিছিলো তেতিয়াও মোৰ মনত এটা ভাৱে ভুমুকি মাৰিছিল যেন ঈশ্বৰে মোক সেই কামত নিয়োগ কৰিবলৈহে মই বিচৰা অসম অসামৰিক সেৱাৰ পৰা বঞ্চিত কৰি মোক অসম আৰক্ষী সেৱালৈ আনিছিল। তেতিয়া (১৯৬৪-৬৫) স্বাধীনতা লাভৰ প্ৰায় সোতৰ ওঠৰ বছৰ পিচতো সেই ভিতৰুৱা ঠাইবোৰত উন্নয়নমূলক একো কাম হোৱা নাছিল। উন্নয়নৰ নামত, শিক্ষাৰ নামত কেৱল ফাঁকি। তাত শিক্ষাৰ কেনেভাৱে বিস্তাৰ হৈছিল তাৰ এটা উদাহৰণ দিওঁ।

মই এদিন বিয়লি বালাধনৰ পৰা টামেংলং সীমান্তৰ টাটিফাই নামৰ গাঁও এখনলৈ যোৱাৰ পথত ফাইফি নামৰ এখন মাৰ গাঁৱত ৰাতি কটাইছিলোঁ। সেই গাঁৱত এজন বাহিৰৰ মাৰ যুৱকক পাই আমাৰ জোৱানসকলে নি মোৰ আগত হাজিৰ কৰালে। সুধি জানিলো তেওঁ টাটিফাইৰ বাবু অৰ্থাৎ স্কুল মাষ্টৰ। তেতিয়া বন্ধ নোহোৱা সত্ত্বেও কিয় স্কুল এৰি আহিছিল বুলি সোধাত তেওঁ ক'লে যে তেওঁ 'তনখা' ল'বলৈ হাফলঙলৈ গৈছিল। পিচদিনা তেওঁ নানা অজুহাত দেখুৱাই যাব নোখোজোতেও মই তেওঁক একপ্ৰকাৰ জোৰ কৰিয়েই মোৰ লগত ল'লো। দহমান বজাত টাটিফাই পাওঁ পাওঁ হওঁতে আমাক প্ৰথমতে তেওঁৰ স্কুললৈ লৈ যাবলৈ ক'লো। মাষ্টৰ বিমোৰত পৰিল। স্কুলখন ক'ত তেওঁ দেখা নাই। কৈফিয়ৎ দিলে যে তেওঁ নতুন। থাংনামৰ পৰা বদলি হৈ গৈছে। গতিকে স্কুলখন তেতিয়াও দেখা নাই। সুধিলো, কেতিয়া বদলি হৈছে। ক'লে ছমাহমান হৈছে। সেই ছমাহ বোলে তেওঁ কেতিয়াবা নিজগাঁও থাংনামৰ পৰা কেতিয়াবা কেতিয়াবা শহুৰেকৰ গাঁও ফাইফিৰ পৰা হাফলঙলৈ 'তনখা' ল'বলৈ অহা-যোৱা কৰা আৰু তাৰ ভাগৰ মৰাতে গৈছিল। তেৱেঁই কিন্তু স্কুলখনৰ একমাত্ৰ শিক্ষক। মই বালাধনত থকা কালছোৱাত কোনো অসামৰিক বিষয়া বা জিলাপৰিষদৰ লোকক সেই ভিতৰুৱা ঠাইবোৰলৈ যোৱা দেখা নাছিলো। কেই বছৰমান পিচত, ১৯৬৯ চনত পদোন্নতি পাই মই চতুৰ্থ বেটেলিয়নৰ অতিৰিক্ত অধিনায়ক (চেকেণ্ড ইন-কমাণ্ড) হৈ হাফলঙত থাকোতে কেতিয়াবা কেতিয়াবা সামৰিক বাহিনীৰ চেক্টৰ কমাণ্ডাৰৰ লগত ভাৰতীয় বিমান বাহিনীৰ হেলিকপ্তাৰেৰে বালাধন আদি ভিতৰুৱা আৰু সীমান্তৰ বি অ পি বিলাক পৰিদৰ্শন কৰিবলৈ গৈছিলোঁ। সেই সময়তে হাফলঙত থকা শিক্ষা

বিভাগৰ ডেপুটি ইন্সপেক্টৰ ৰংপী আৰু জিলা পৰিষদৰ এগৰাকী কাৰ্যবাহী সদস্য লালৰুৱানা মাৰক কথা প্ৰসঙ্গত ভিতৰুৱা ঠাইবোৰলৈ নোযোৱাৰ কাৰণে তেখেতসকলক সমালোচনা কৰিছিলো। তেওঁলোক দুয়ো মোকে ওভতাই ধৰিলে বোলে এবাৰ মোৰ লগত তেওঁলোকক হেলিকপ্তাৰেৰে বালাধনলৈ এটা 'লিফ্‌ট্‌' দিব লাগে। মই চেক্টৰ কমাণ্ডাৰ কৰ্ণেল সাংখাক কথাটো ক'লো। তেওঁ বৰ উদাৰ আছিল। নিবলৈ ৰাজি হ'ল যদিহে তেওঁলোকে বেটেলিয়নৰ জোৱানৰ পোছাক পিন্ধি যাব পাৰে। নহ'লে বিমান বাহিনীৰ পাইলটে আপত্তি কৰিব। মাৰ আৰু ৰংপী দুয়ো সহজতে ৰাজি হ'ল। দুয়োকে মোৰ বাসভৱনত অলপ খোজ-কাটল শিকাই চিপাহীৰ পোছাক পিন্ধাই বালাধনলৈ নিলো যাতে তাৰ উন্নতিৰ অৱস্থা তেওঁলোকে স্বচক্ষে দেখিব পাৰে।

জনজাতীয় পাহাৰী অঞ্চলবোৰ পিচপৰি থকাৰ কাৰণে বহু জনজাতীয় নেতাই দায়ী বুলি মোৰ এটা ধাৰণা। মোৰ সন্দেহ হয় যে জনজাতীয় শিক্ষিত মুষ্টিমেয় পৰিয়ালকেইটাই বাকীসকলৰ প্ৰগতি হোৱাটো নিবিচাৰে যাতে ভৱিষ্যতেও তেওঁলোকৰ বংশধৰসকলেহে জনজাতীয়সকলৰ কাৰণে ৰখা আচুতীয়া সা-সুবিধাবিলাক একচেটীয়াভাৱে ভোগ কৰি থাকিব পাৰে। পাহাৰী জনজাতীয় অঞ্চলবোৰত বৃহৎ পৰিমাণৰ ধন ব্যয় কৰা সত্ত্বেও চকুত পৰাকৈ তাৰ উন্নতি নোহোৱাৰ কাৰণেও তেওঁলোকৰ কিছুমান নেতৃস্থানীয় লোকেই বেছি জগৰীয়া বুলি মই সন্দেহ কৰো। পৰৱৰ্তীকালত মই চাৰে তিনি বছৰ (১৯৭৩—৭৬) কাৰ্বি আংলং জিলাৰ আৰক্ষী অধিক্ষক থাকোতে মোৰ এটা উল্লেখনীয় অভিজ্ঞতা ঘটিছিল।

হামৰেণ মহকুমাৰ কাইন্দুলি মকইৰমু আদি ঠাই কিছুমান মেঘালয়ে বেদখল কৰি এটা সীমা বিবাদ-সৃষ্টি কৰাৰ আশংকাত মই তাত তিনিটা বেটেলিয়ন পুলিচৰ চকী পাতিবলৈ স্থিৰ কৰিছিলোঁ। গোপনে আঁচনি প্ৰস্তুত কৰি চৰকাৰৰ পৰা তাৰ অনুমোদন আৰু ধন মঞ্জুৰি লৈ ক্ষীপ্ৰতাৰে তাত সাজিব লগা ঘৰ-দুৱাৰৰ কাৰণে একলাখমান টকাৰ বাঁহ খেৰ আদি বস্তুৰ যোগান দিবলৈ জাননী জাৰি কৰি হামৰেণ মহকুমাৰে এজন ডাঙৰ কাৰ্বি ঠিকাদাৰক, তেওঁ দিয়া নিৰিখ মতেই বস্তুখিনি দিবলৈ আদেশ দিছিলোঁ। বস্তু যোগান দিবলৈ আদেশ দিয়াৰ দুঘণ্টামান পিচতেই ঠিকাদাৰজনে বিল লৈ মোৰ ওচৰত হাজিৰ হ'ল। মই বিচুৰ্তি হৈ তেওঁক সুধিলো। তেওঁ বোলে, মই ঠিকা পাইছো যেতিয়া মন্ত্ৰেইতো বিল দিম। যেতিয়া মই তেওঁক ক'লো যে যথাস্থানত বস্তুখিনি জমা দিয়াৰ পিচতহে বিল দিব লাগে তেতিয়া তেওঁ মোক ঘুৰাই প্ৰশ্ন কৰিলে বোলে কি বস্তুবোৰ সঁচাকৈয়ে দিব লাগিব নেকি ?

এনেকৈয়ে তেনেবোৰ বহুত ঠাইত উন্নয়নৰ কামো হয় বুলি মই সন্দেহ কৰাৰ

থল পালোঁ। সেয়ে যেনিবা ক'ৰবাত ফিফ্‌টি ফিফ্‌টি ক'ৰবাত ছিক্সটি ফৰ্টি। তাৰ উপৰিও বহুসময়ত সকলো ঠাইতে উন্নয়নৰ কামত খৰচ কৰিব লগা টকাৰ সিংহ ভাগ খৰচ হয় শাসনাধিষ্ঠিত দলৰ দলীয় কাৰ্যালয় আৰু দলীয় কামত।

সহকাৰী অধিনায়ক হিচাপে বালাধনত থকা সময়ত মোৰ জোৱানসকলৰ লগত সশস্ত্র নগা বিদ্রোহী এটা বৃহৎ দলৰ এখন খণ্ডযুদ্ধ হৈছিল। ১৯৬৫ চনৰ ২৮ ডিচেম্বৰৰ প্ৰাতসতে বালাধনৰ ওচৰৰ দিজুং জেমি গাঁৱৰ গাঁওবুঢ়াই মোক খবৰ দিলেগৈ যে এটা বৃহৎ ৭০/৮০ জনীয়া সশস্ত্র দলে ৰাতি তেওঁলোকৰ গাঁৱত কটাই পুৱাতি নিশা বৰালাইকেৰ পথেদি পাকিস্তান অভিমুখে গৈছেগৈ। দুবছৰমান আগতেও এবাৰ সেই পথেদি এটা নগা বিদ্রোহীৰ দল পাকিস্তানলৈ গৈছিল। মই সেই সংবাদ লগেলগেই সংশ্লিষ্ট সকলোকে বেতাঁৰ যোগে জনালো। কেই মিনিটমান পিছত সেই পথৰ এটা নিৰ্দিষ্ট ঠাইত ব্যূহ ৰচনা কৰি তেওঁলোকক বধ বা বন্দী কৰিবলৈ মোলৈ সামৰিক চেক্টৰ কমাণ্ডাৰৰ পৰা আদেশ গ'ল। মোৰ কিন্তু সন্দেহ হৈছিল যে বিদ্রোহীসকলে দিজুং গাঁৱৰ লোকক সেই পথে যাব বুলি কৈছিল আমাক বিভ্ৰান্ত কৰিবলৈহে। কাৰণ তেওঁলোক ক'লৈ যাব কোন পথে যাব এইবোৰ কথা কাকো কেতিয়াও নকয়। মোৰ সন্দেহ হৈছিল যে তেওঁলোকে দিজুং গাঁৱৰ ওচৰৰ ওখ পাহাৰটোত দিনটো থাকি দূৰবীণেৰে আমাৰ আলেখ লেখ চাব। মোৰ বি অ পিৰ পৰা প্লাটুন ওলাই যোৱাৰ পিছত ৰাতিলৈ হয়তো মোৰ উইং হেড কোৱাৰ্টাৰ আক্ৰমণ কৰিব বা সেইখিনিৰ পৰা উভতি নিৰ্বিঘ্নে বৰা আৰকাপৰ পথেদি পাকিস্তানলৈ যাব। চেক্টৰ হেড কোৱাৰ্টাৰলৈ মই যথাস্থানত ব্যূহ ৰচনা কৰাইছোঁ বুলি এটা ম্বোওৰ্থক বাৰ্তা পঠাই মোৰ এটা প্লাটুন আমাৰ চোতালত সজাই-পৰাই বৰালাইকেৰ অভিমুখে যাত্রা কৰাই তেওঁলোকক কেইশগজমান দূৰৰ পৰা আন এটা হাবিতলীয়া লোৰেৰে আহি পিছ দুৱাৰেদি উইং হেড্‌কোৱাৰ্টাৰত সোমাবলৈ হুকুম দিলো। বিয়লি সেই পিছ ফালৰ গুপুত পথেদি তেওঁলোকক বৰা আৰকাপত ব্যূহ ৰচনা কৰিবলৈ পঠালোঁ। গোটেই ৰাতি খাপ দি প্লাটুনটো পিছদিনা পুৱা উভতি আহিল। বিদ্রোহীসকলৰ কোনো শুংসুত্ৰ নাই। ২৯ তাৰিখেও একে ৰকমে বৰ আৰকাপতে খাপ দিয়ালো। সেই ৰাতিও নিষ্ফল হ'ল। কেনেবাকৈ বৰালাইকেৰ পথেদিয়েই তেওঁলোক পাৰ হ'ল বুলি আৰু ওপৰৰ হুকুম মতে কাম নকৰাৰ ভয়ানক পৰিণতিৰ কথা ভাবি মোৰ অণ্ঠ-কণ্ঠ শুকাল। বিদ্রোহীসকলৰো কোনো খা-খবৰ নাই। তথাপিও মৰণত শৰণ দি ৩০ তাৰিখেও পুনৰ বিয়লি বৰা আৰকাপতে মোৰ মানুহক 'এমবুচ' পাতিবলৈ পঠালোঁ। সেইদিনা সন্ধ্যা প্ৰায় ছয়মান বজাত মোৰ জোৱানসকলে ব্যূহ ৰচনাৰ কাৰবাৰ কৰোতেই নিঃসংকোচে সেইপথে গৈ থকা বিদ্রোহীসকল মোৰ জোৱান-সকলৰ মুখামুখি হ'ল। গুলীয়া-গুলি আৰম্ভ হ'ল। অস্ত্ৰবলত তেওঁলোক

তেতিয়া আমাৰ পুলিচ বেটেলিয়নতকৈ সবল আছিল। তেওঁলোক টুইন্স মৰটাৰ, ষ্টেচাৰ ৰাউণ্ড গুলি আৰু নাটো (NATO)-ৰ পৰা পাকিস্তানৰ জৰিয়তে পোৱা ষ্টীম গ্ৰেণেদ্‌ৰে সুসজ্জিত আছিল। তেতিয়ালৈকে আমাৰ (গ্ৰেণেদ্ ফায়াৰিং ৰাইফলহে আছিল। প্ৰায় দুঘণ্টা জুৰি যুদ্ধ চলিল। দুই পক্ষৰ গুলীয়া-গুলিত পৰ্বত কন্দৰ কঁপি উঠিল। তাৰ পিছতে এক ভয় লগা নিস্তব্ধতা। পুৱতি নিশা প্লাটুন কমাণ্ডাৰজন উইং হেড কোৱাৰ্টাৰলৈ ঘুৰি আহিল। কিন্তু আমাৰ সাতজন জোৱান সন্ধানহীন। তেওঁলোকৰ সন্ধানত মই নিজে এটা প্লাটুন লৈ ধলপুৱাতে ঘটনাস্থললৈ ওলাই গ'লো। এজন অলপীয়া আৰু এজন গুৰুতৰ জখমেৰে, আটাইকেজনকে বৰা আৰকাপৰ পৰা কিছু নিলগত হাবিৰ মাজতে পালোগৈ। তেওঁলোকৰ চাৰিজনে জখমী-কেজনক লৈ আন্ধাৰত আৰ ভি (পূৰ্বে নিৰ্ধাৰিত মিলনস্থল) লৈ গৈ থাকোতে কাৰবাৰ খোজৰ শব্দ শুনি শত্ৰু-মিত্ৰ ঠাৱৰাব নোৱাৰি সেইখিনিতে নিতাল মাৰি আছিল।

সেই খণ্ডযুদ্ধখনত আমাৰ জোৱানসকল কৃতকাৰ্য হৈছিল। বিপক্ষৰ কমেও তিনিজন নিহত হৈছিল আৰু তেওঁলোকে বৰা আৰকাপ গাঁৱৰ ভাৰীৰে মৃতদেহকেটা আৰু কেবাজনো জখমী লৈ উভতি যাব লগা হৈছিল। সামৰিক কৰ্তৃপক্ষৰ উপৰিও অসমৰ মুখ্যমন্ত্ৰী আৰু আৰক্ষী মহাপৰিদৰ্শকৰ পৰা মোলৈ আৰু মোৰ জোৱানসকললৈ বেতাঁৰ যোগে অভিনন্দন গৈছিল। কিন্তু আচৰিত কথা যে মোৰ নিজৰ দেৰগাঁৱস্থ বেটেলিয়নৰ অধিনায়কজন নিমাত হৈ ৰ'ল।

গুৰুতৰভাৱে জখম হোৱা মোৰ জোৱান দুজনক, বিশেষকৈ এজনক, তৎক্ষণাৎ তাৰ পৰা চিকিৎসাৰ কাৰণে নিবলৈ মই সামৰিক কৰ্তৃপক্ষক হেলিকপ্তাৰ খুজি বেতাঁৰ বাৰ্তা পঠালোঁ। কিন্তু সামৰিক কৰ্তৃপক্ষই ওভতাই আদেশ দিলে যে গঞ্জা-ভাৰীৰে তেওঁলোকক কুমাচেৰা হৈ শিলচৰলৈ পঠাব লাগে। হেলিকপ্তাৰ পঠোৱা হেনো সম্ভৱ নহ'ব। মই পুনৰ টানি অনুৰোধ জনালো যে গাঁওবাসী মানুহবোৰ গাঁও এৰি পলাল, ভাৰী পোৱা নাযাব। মোৰ জোৱান এজনৰ অৱস্থা সংকটজনক। হেলিকপ্তাৰ অত্যন্ত জৰুৰী। তথাপিও সামৰিক কৰ্তৃপক্ষৰ একে কথা। মই দেখি আহিছিলো যে সামৰিক বাহিনীৰ লোক তাত গৈ কেতিয়াবা কেনেবাকৈ জৰৰ নৰীয়া পৰিলেও হেলিকপ্তাৰেৰে তেওঁলোকক স্থানান্তৰ কৰে ; অথচ মোৰ পুলিচ জোৱানে ইমান এটা বীৰত্বৰ কাম কৰি গুৰুতৰ-ভাৱে জখম হওঁতেও হেলিকপ্তাৰৰ যোগ্য নহ'ল। এই ক্ষোভ আৰু পৰিস্থিতিয়ে সৃষ্টি কৰা আবেগৰ বশৱৰ্তী হৈ মই পৰিণতিৰ কথা নাভাবি সামৰিক কৰ্তৃপক্ষলৈ এখন বেতাৰ-বাৰ্তা পঠালোঁ আৰু তাৰ খবৰ আৰক্ষী মহাপৰিদৰ্শক, মোৰ অধিনায়ক আৰু টু-আইচিক দিলোঁ। তাত মই লিখিছিলো যে এঘণ্টাৰ ভিতৰত হেলিকপ্তাৰ গৈ নাপালে মই মোৰ

গোটেইখিনি জোৱানেৰে সৈতে বিঅ'পি ত্যাগ কৰি কুমাচেৰা হৈ জখমী জোৱান কেজনেৰে শিলচৰলৈ গুছি যাম। কাৰণ মোৰ আৰু মোৰ জোৱানসকলৰ কাৰণে চকুৰ আগতে এজন লগৰীয়া অসহায়ভাৱে মৰিবলৈ এৰি দিয়াটো সম্ভৱ নহ'ব। সেইখন এক প্ৰকাৰ বিদ্ৰোহ ঘোষণাৰ নিচিনা আছিল। মোৰ সৰ্বনাশ হ'ব বুলি ভয় খাই বাৰ্তা প্ৰেৰক সহকাৰী উপ-পৰিদৰ্শক বংশীধৰ বৰা, কেন্দ্ৰীয় চোৰাংচোৱা বিষয়া সদানন্দ দাস আৰু মোৰ কোম্পানীৰ কমাণ্ডুৰ/প্লাটুন কমাণ্ডাৰ-সকলে সেইখন নপঠাবলৈ মোক অনুৰোধ কৰিছিল। মই মান্তি নহ'লোঁ। বেতাঁৰখন গ'ল। পোন্ধৰ মিনিটমানৰ পিচতে উত্তৰ পালো যে মুখ্যমন্ত্ৰী (বিমলা চলিহা)-ৰ বিশেষ অনুৰোধত এখন বিমান বাহিনীৰ হেলিকপ্তাৰে মোৰ হেলিপেদত নামিবগৈ—'মাৰ্চিলেণ্ডিং' কৰিব। সেইমতে হেলিকপ্তাৰ গৈ মোৰ জখমী জোৱান দুজনক ৰবৈয়াৰ সামৰিক চিকিৎসালয়লৈ স্থানান্তৰ কৰিলে। তেওঁলোক দুয়ো সুস্থ হ'ল।

সেই আবেগৰ মুহূৰ্তত কৰা কিছুমান বলিয়ালিৰ কথা মনত পৰিলে এতিয়া হাঁহিহে উঠে। জখমী খগেন চৰকাৰৰ অৱস্থা বৰ বেয়া আছিল। তেওঁৰ কৰঙণৰ মঙহ গুলীত প্ৰায় উৰি গৈছিল। ভাগ্যে হাড়ডালত নালাগিল। মৃত্যু সন্নিকট বুলি জানি তেওঁ সেহাই সেহাই মাকলৈ দিব লগা শেষ সংবাদ মোক দিব খুজিছিল। মই উত্তেজিত হৈ কৈছিলোঁ "মোৰ হুকুম মাননে নামান?" তেওঁ মূৰ দুপিয়াই জনাইছিল মানে। তেতিয়া মই 'হুকুম' দিছিলোঁ, 'খবৰদাৰ তই মৰিব নোৱাৰ। মোৰ হুকুম। বুজিছ?' তেওঁ শলাগি সেহাই সেহাই কৈছিল 'নমৰো হুজুৰ।' সাঁচাকৈয়ে খগেনে মোৰ 'হুকুম' পালিলে।

সেই সংঘৰ্ষটো ঘটাৰ দুই এদিনৰ ভিতৰতে আমাৰ বেটেলিয়নৰ অধিনায়ক গৰাকীৰ এটা উৎসাহ-সূচক আগমনলৈ আমি বাট চাই আছিলোঁ। যা হওঁক দহ দিন মানব মূৰত তেখেত ওলালগৈ। তেখেত আছিল তেতিয়া নৱ বিবাহিত। অহুকাণে পহুকাণে শুনিছিলো তেখেতৰ পত্নীয়ে বোলে তেনে বিপদ-সংকুল ঠাইলৈ তেখেতক যোৱাত বাধা দিছিল। লাই চঙৰ জীপ হেদলৈকে তেখেতৰ পৰিবাৰে গৈ তেখেতক বিদায় দিয়া দৃশ্যটো হেনো হিন্দী চিনেমাৰ নিচিনা উপভোগ্য হৈছিল।

আমি যিমান উত্তাপ আৰু হেঁপাহেৰে তেখেতৰ আগমনলৈ বাট চাই আছিলো সিমানেই চেঁচা পানী ঢালিলে তেখেতৰ আমাৰ বিঅ'পিত পদাৰ্পণে। চুলিৰ আগত জীৱ বান্ধি বীৰত্ব দেখুওৱা আমাৰ জোৱানসকলক প্ৰশংসা কৰক ছাৰি বেহুৰ ভিতৰত পৰিও বিদ্ৰোহীসকলৰ মাত্ৰ তিনিজনকহে কিয় বধ কৰিব পৰা হ'ল বুলি দোষাৰোপহে কৰিলে। পিচদিনা পুৱা তেখেতে নিজে

ঘটনাস্থল পৰিদৰ্শন কৰিব বুলি হুকুম শুনালে। তিনি বছৰমান আগতে তেখেত মোৰ পদতে বালাধনত আছিল।

পিছ দিনা পুৱা 'টোপোলাভাত' লৈ আমি তেখেতৰ সৈতে বৰা আৰকাপলৈ ৰাওনা হ'লোঁ। দুঘণ্টামান খোজ কঢ়াৰ পিচত আমি গৈ মৌল্লেন মাৰ গাঁও এখনৰ টিলাৰ নথ পালোগৈ। আমাৰ আগে আগে স্কাউট। সামৰিক নিয়মেৰে আমি সন্তৰ্পনে অগ্ৰসৰ হৈছোঁ। তেনেতে হঠাতে টিলাৰ ওপৰত দুটা গুলী ফুটাৰ শব্দ হ'ল। আমি লগে লগে পেট পেলাই পৰি নিজৰ নিজৰ অস্ত্ৰ সাজু কৰিলোঁ। কিন্তু আমাৰ অধিনায়ক গৰাকী বিহ্বল হৈ পৰিল। পেট পেলাই পৰাৰ পৰিবৰ্তে তেখেতে অস্থিৰ হৈ ইফালে সিফালে লৰ মাৰিব খুজিলে। মই এক প্ৰকাৰ জোৰ কৰি আৰু ধমকি দিহে তেখেতক শুৱাই দিব লগা হ'ল। তেখেতে কান্দো কান্দো হৈ থোকাথুকি মাতেৰে তেখেতৰ নৱ-বিবাহিতা পত্নীক দিব লগা অন্তিম সন্দেশ দিবলৈ ওলাল। বহু কষ্টে তেখেতক শান্ত কৰা হ'ল।

সেই দুটা গুলীৰ শব্দৰ পিচত আৰু শব্দ নাই। উৎকণ্ঠাৰে আমি অপেক্ষা কৰি থাকোতেই আমাৰ স্কাউট উভতি আহি জনালেহি যে সেইকেইটা বন্দুকৰ গুলীৰ শব্দ নাছিল। বৰদিনৰ কাৰণে অনা ফটকাৰ বাহি কেটামান ফটকা ওপৰৰ খ্ৰীষ্টান গাঁৱৰ কোনোবা ল'ৰাই ফুটাইছিল। তেওঁলোকে আমি যোৱাৰ কথাও গম পোৱা নাছিল।

যা হওঁক সেই শব্দ দুটাই আমাৰ অধিনায়কজনক এখন যুদ্ধৰ অভিজ্ঞতা দিলে। আমি পুনৰ যাত্ৰা আৰম্ভ কৰিব খোজোতেই তেখেতে ক'লে বোলে, "আৰু দৰকাৰ নাই। বি অ পিলৈ উভতিব লাগে।" এইবাৰ তেখেত আমাৰ জোৱানসকলৰ সাহস আৰু বীৰত্বৰ প্ৰশংসাত শতমুখ হৈ পৰিল। অসমীয়া মানুহৰ বীৰত্বৰ কথা তেখেতে বোলে অসমলৈ অহাৰ আগতেও শুনিছিল। এতিয়া নিজ চকুৰে তাক প্ৰত্যক্ষ কৰিলে। মই পুনৰ তেখেতক বৰা আৰকাপলৈ তাৰ পৰা বেছিদূৰ নাই বুলি বুজায়ো আৰু অগ্ৰসৰ হ'বলৈ মান্তি কৰাব নোৱাৰিলোঁ। তেখেতে এইবাৰ মোক বৰ ককাইৰ সন্মান দি মোৰ আগত তেখেতৰ "লুকুৱাব লগা একো নাই" বুলি তেখেতৰ শৰীৰৰ যিটো অৱস্থাৰ কথা মোক কাণে কাণে ক'লে সেইটো শুনি মই জোৱানসকলক অলপ নিলগলৈ পঠাই তাত টোপোলাভাত খোৱাৰ দিহা-পোহা কৰিবলৈ আদেশ দি অনতি-দূৰৰ পানী নলা এটাৰ কাষলৈ তেখেতক লৈ গৈ কিছু সময়ৰ পিচত জোৱান-সকলৰ লগ লাগিলোগৈ।

আমাৰ অধিনায়কগৰাকীৰ আগৰাতিৰ জুহালৰ গুৰিৰ বীৰত্ব আৰু সেইদিনৰ অৱস্থা দেখি মোৰ ১৯৪২-৪৩ চনৰ তিনিচুকীয়াৰ ঘটনা এটালৈ মনত পৰিছিল।

তেতিয়া মই এ. আৰ. পিৰ এজন জ্যেষ্ঠ বিষয়া। হঠাতে জাপানী বোমাৰু বিমানৰ আগমনৰ সংকেত পাই আমি আমাৰ "ৰিপোৰ্ট চেণ্টাৰ-কাম-কণ্ট্ৰল ৰুম"ত সোমালোঁ। অলপ পিচতে বোমা বৰ্ষণ আৰম্ভ হ'ল। তিনিচুকীয়াৰ আশে-পাশে পৰা বোমাৰ শব্দত আমাৰ আৰ চি চি ঘৰটো কঁপিবলৈ ধৰিলে। ভয়ত আমাৰ বুকু ধপধপাব লাগিছে। মুখৰ পানী শুকাই গৈছে ; তাৰ মাজতে কাচেম আলি নামৰ লেংপেঙীয়া শুকান চিপাহী এটাৰ কথাই আমাৰ ভয়-ভীত পাহৰাই খন্তেকলৈ হঁহুৱালে। হাফপেণ্ট পিন্ধি থকা কাচেম আলিৰ আঁঠুৰ বৰ বৰ ঘিলা দুটাই সকলোৰে চকুত পৰাকৈ ঠক ঠকাইছে। অন্তৰত ভয়ে মোকো 'ক'লৈ যাও গোপাল ক'লৈ যাওঁ কৃপাল' লগালেও বিষয়া হিচাপে সাহস দেখুৱাই তাক সুধিলো বোলো, "কি কাচেম আলি ভয় কৰিছ নে কি ?" কাচেমে তপৰাই উত্তৰ দিলে বোলে, 'না হজুৰ। আমি ভয় পায় নাই। পা কাঁপলেও আমাৰ বুকে সাহস আছে।"

নগা বিদ্ৰোহীৰ লগত আমাৰ সংঘৰ্ষ হোৱাৰ পোন্ধৰ দিন মান পিছত নৱম মাৰাঠা ৰেজিমেণ্টৰ এটা কোম্পানী এজন মেজৰ আৰু দুজন কেপ্তেইনৰ অধীনত বালাধনলৈ গৈ ৰৰা আৰকাপত ছাউনী পাতিছিল। আৰকাপত ছাউনী পতাৰ আগতে দুদিনমান তেওঁলোক আমাৰ আলহী হৈছিল। আৰকাপত ৰহাৰ এসপ্তাহমান পিছত এদিন মণিপুৰৰ তামেংলঙৰ মোৰ এজন মাৰ-চোৱাংচোৱাই মোক এটা অবিশ্বাস্য সংবাদ দিলেগৈ যে তেওঁলোকে জিৰি নৈৰ সিপাৰৰ মণিপুৰৰ ফালৰ জেমি গাঁও এখনৰ পৰা ৰাতি কেবাজনো যুৱকক ধৰি জিৰিৰ পাৰত গুলীয়াই মাৰিলে। মোক খবৰটো দিয়াৰ এঘণ্টামান পিছতে মই মেজৰগৰাকীৰ পৰা কাঠ পেন্সিলেৰে লিখা এখন চিঠি পালোঁ। তেওঁ লিখিছিল যে গুপ্তচৰৰ মুখে এদল বিদ্ৰোহী নগাৰ আগমনৰ খবৰ পাই তেওঁলোকে আগবাতি জিৰিৰ পাৰত এম্বুচ পাতিছিল। সৌভাগ্যক্ৰমে এম্বুচ কৃতকাৰ্য হ'ল আৰু সাতজন বিদ্ৰোহী মৰা পৰিল। বিদ্ৰোহীসকলৰ পৰা তিনিটা খজা বন্দুক আৰু কেইপাতমান যাঠি উদ্ধাৰ কৰা হ'ল।

যি নগা বিদ্ৰোহীয়ে অত্যাধুনিক বিদেশী অস্ত্ৰশস্ত্ৰেৰে সজ্জিত হৈ ফুৰে সেইসকলৰ পৰা খজা বন্দুক আৰু যাঠি উদ্ধাৰ ! সেই নৃশংস কাণ্ডটোৱে মোক বৰ বেজাৰ দিলে। কেবা দিনলৈকো মই খাব শুব নোৱৰা হৈছিলোঁ। মেজৰগৰাকী বিয়লি মোৰ উইং হেড কোৱাৰ্টাৰলৈ গৈ এটা মনে সজা বিৱৰণ দিলে। মই আগতীয়াকৈ পোৱা সংবাদটোৰ কথা তেখেতক ক'লত তেখেতৰ গা চেবালে। তেখেতে যি কথা কৈ মোৰ সমৰ্থন বিচাৰিছিল তাক বিশেষ কাৰণত মই প্ৰকাশ কৰিবলৈ অক্ষম।

সেই ঘটনা সম্পৰ্কে মই মোৰ উৰ্ধতম অসামৰিক কৰ্তৃপক্ষক গোপনীয়,

প্ৰতিবেদন দি জনাইছিলো আৰু তাৰ ওপৰত এটা তদন্তও হৈছিল। কিন্তু তাতে শেষ।

সৈন্যবাহিনীৰ জোৱানসকল আমাৰ তাত কেতিয়াবা আলহী হ'লে আমাৰ জোৱানসকলে সেই কেদিন নিজৰ অস্ত্ৰশস্ত্ৰ আৰু গুলী-বাৰুদ বৰ সাৱধানে ৰাখে। নহ'লে তেওঁলোকৰ কিছুমানৰ সেইবোৰ চুৰ কৰি নিয়াৰ অভ্যাস আছে বুলি আমাৰ জোৱানসকলে প্ৰমাণ পাইছিল। তেওঁলোকে বোলে তেনেকৈ সংগ্ৰহ কৰা অস্ত্ৰ-শস্ত্ৰ মিছাকৈয়ে দিগ্বিজয় কৰি নিয়া বুলি নাম কৰিবলৈ বিচাৰে।

১৯৬৬ চনৰ মাজভাগত মই বেটেলিয়নৰ পৰা বৰপেটালৈ এছ ডি পিঅ' হৈ গ'লোঁ। দৰাচলতে পুলিচ বিষয়া হিচাপে সেইটোৱেই মোৰ জনসাধাৰণৰ লগত প্ৰত্যক্ষ সম্বন্ধ থকা প্ৰথম পদ। ১৯৬৯ চনৰ ফেব্ৰুৱাৰীলৈকে বৰপেটাত থকা কালছোৱা মোৰ বিশেষ স্মৰণীয় কাল। মই বৰপেটাৰ ৰাইজৰ পৰা যি মৰম-চেনেহ আৰু সহযোগিতা পাইছিলো তাৰ দ্বাৰা যেন মই নিজকে নিজে পুনৰ আৱিষ্কাৰ কৰিছিলোঁ। তাৰ ৰাইজে মোক সকলো সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত কৰাই লৈছিল। বৰপেটালৈ ১৯৬৯ চনত সাহিত্য সভা নিমন্ত্ৰণ কৰা সম্পৰ্কীয় অভিৱৰ্তনবো ময়ে সভাপতি আছিলো আৰু অভ্যৰ্থনা সমিতিৰো এজন কাৰ্যকৰী সভাপতি আছিলো। সভাপতি আছিল তেতিয়াৰ ৰাজহ মন্ত্ৰী মহেন্দ্ৰমোহন চৌধুৰী।

এদিন মোৰ বাস-ভৱনত সঙ্গীত শিৰোমণি খগেন দাস, গিৰীশ দাস (তানচেন) আদিয়ে আলোচনা কৰোতে বৰগীত আৰু পুথি পাঠৰ ৰাগ আৰু প্ৰাসৰ প্ৰসঙ্গ ওলাল। আমাৰ শিল্পীসকলে সাধাৰণতে মাত্ৰ কেটামান ৰাগৰ গীত গোৱাৰ প্ৰৱণতাৰ বিষয়ে আলচ কৰি তাতে ঠিক কৰা হ'ল যে প্ৰত্যেক ৰাগৰ গীত, পদ, দুলড়ী, ছবি, লেচাৰি, পয়াৰ, মধ্যাৱলী আদি বিভিন্ন ছন্দৰ পাঠৰ প্ৰতিযোগিতা পতা হওঁক। সেইমতে বৰপেটা কীৰ্তন ঘৰৰ প্ৰাঙ্গনত সাতদিন, দিনে প্ৰায় সাতঘণ্টীয়া প্ৰতিযোগিতা পতা হৈছিল। তাত সকলো সময়তে প্ৰায় তিনিহেজাৰ শ্ৰোতা আছিল। অন্তিম দিনা বৰপেটা সত্ৰৰ বংশৰা মুৰব্বীসকলক মান ধৰা হৈছিল। সেই কালছোৱাতে শ্ৰীমন্ত শংকৰদেৱৰ সম্পূৰ্ণ আৰু মহাপুৰুষ মাধৱদেৱৰ বছা বছা একুৰি বৰগীত দেৱনাগৰী আখৰেৰে আৰু হিন্দী পাতনিৰে বৰপেটা ৰোডৰ মাৰোৱাৰী যুৱক সম্থাৰ আৰ্থিক সাহায্যেৰে প্ৰকাশ কৰা হৈছিল। তাত আগভাগ লৈছিল সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত গিৰিকান্ত অধিকাৰীদেৱে।

বৰপেটাৰ মিলন মন্দিৰৰ লগতো মই সক্ৰিয়ভাৱে জড়িত হৈছিলোঁ। সেই মঞ্চত এবাৰ দুদিনীয়াকৈ পতা পিয়লি ফুকন নাটকত, মই প্ৰথম নিশা নাম ভূমিকাত আৰু দ্বিতীয় নিশা নাৰায়ণৰ ভূমিকাত অভিনয় কৰিছিলোঁ। সেই

মঞ্চতে আগমনী নাটকত নিত্যানন্দৰ ভাও দিছিলোঁ। ১৯৬৯ চনৰ অসম সাহিত্য সভা অধিবেশনৰ সাংস্কৃতিক সন্ধিয়াতো সেই নাটকত মই একেটা ভাও দিছিলোঁ।

মই বৰপেটাত কাৰ্যভাৰ লোৱাৰ দুমাহমান পিছতে ৰবৰজাৰৰ সভাত মোৰ ভাষণ প্ৰসঙ্গত বৰপেটাত অংকীয়া নাটৰ ভাওনা লোপ পোৱাত আবেগিকভাৱে আক্ষেপ কৰিছিলোঁ। তাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেতিয়াৰ যুৱ ছাত্ৰ শ্ৰীকিশোৰী মোহন পাঠক আৰু জন-চেৰেকে অংকীয়া নাট পুনৰ প্ৰচলন কৰিব বুলি মঞ্চত গৈ অতি আবেগিকভাৱে প্ৰতিশ্ৰুতি ঘোষণা কৰিছিল আৰু তাৰ মাত্ৰ ছমাহ পিছতে ৰবৰজাৰতে অস্থায়ী মঞ্চ পাতি শ্ৰীমহানন্দ দাস বায়ন আদি সংস্কৃতি প্ৰেমীসকলে অৰ্জুন ভঞ্জন নাটৰ অংকীয়া ভাওনা পাতি মোকেই উদ্ঘাটন কৰিবলৈ মাতিলে। সেইখন নাটৰ অভিনয়, গীত-মাত ইমান সুন্দৰ হৈছিল যে পিছত গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই নাটখন বাণীবন্ধ কৰাই বহুবাৰ প্ৰচাৰ কৰিছিল। অনাতাঁৰৰ নাটখনত ময়েই সূত্ৰধাৰৰ ভূমিকা লৈছিলোঁ।

বৰপেটাত মোৰ জনপ্ৰিয়তাৰ এটা বিৰূপ প্ৰতিক্ৰিয়াও হৈছিল। অন্য বিভাগীয় মুৰব্বী জন-চেৰেকে মোৰ জনপ্ৰিয়তা সহ্য কৰিবলৈ টান পাইছিল। তেওঁলোকে এজন ৰঙা কাপোৰ পিন্ধা অসমীয়া ব্ৰহ্মচাৰী নি বৰপেটাত এটা ব্যয় বহুল জকমকীয়া বিষ্ণু যজ্ঞ পাতিছিল। তাত কোনেও মোৰ সহযোগিতা বিচৰাও নাছিল। যজ্ঞ হৈ যোৱাৰ পিচতে বৰপেটাৰ কেজনমান মতান্ধ লোকে সেই বিষয়াকেজনৰ বিৰুদ্ধে এখন নিম্নখাপৰ ৰুচিসম্পন্ন প্ৰচাৰপত্ৰ ছপাকৈ উলিয়ালে। সংশ্লিষ্ট বিষয়াকেজনে সেই প্ৰচাৰকসকলৰ বিৰুদ্ধে আদালতত গোচৰো তৰিছিল আৰু প্ৰতিশোধপৰায়ণ মানসিকতাৰে পদকীয়াকেজনৰ কাৰণে গাইপতি পাঁচ হেজাৰ টকাৰ জামিন হোৱা মানুহজনৰ আৰ্থিক অৱস্থা নিৰূপণ নোহোৱালৈকে পদকীয়াকেজনক জেল হাজোতলৈ পঠোৱাৰ দিহা কৰিছিল। কিন্তু জামিনদাৰজনে তেনে সম্ভাৱনা বুজি জেপত কুৰি হেজাৰমান নগদ টকালৈ গৈছিল। তেওঁ লগে লগে নগদ টকা আদালতত দাখিল কৰিছিল। অভিসন্ধিটো বিফল হ'ল। দুৰ্ভাগ্যৰ কথা যে সেই বিষয়াকেগৰাকীয়ে মোক তেনে হীন কামৰ সহযোগী আৰু ময়েই তেওঁলোকৰ বুদ্ধিদাতা আছিলো বুলি অমূলক সন্দেহ কৰিছিল। মোৰ ওপৰত তাৰ হোৰ তুলিবলৈ তেওঁলোকে লেচু বিচাৰি থাকোতেই এটা ঘটনা ঘটিল।

পাটাছাৰকুছি থানাৰ অন্তৰ্গত এটা নৰহত্যা অপৰাধৰ গোচৰৰ কেজনমান অভিযুক্ত লোকে চেচন আদালতত খালাচ পাইছিল। উচ্চ-ন্যায়ালয়ত আপীল হোৱাত অভিযুক্তসকলক পুনৰ গ্ৰেপ্তাৰ কৰিবলৈ পৰোৱানা জাৰি হৈছিল। থানাৰ পুলিচে কেবাবাৰো চেষ্টা কৰিও অভিযুক্তকেইজনক গ্ৰেপ্তাৰ কৰিব নোৱাৰাৰ প্ৰতি তাৰিখতে বৰপেটাৰ মহকুমা ন্যায়িক দণ্ডাধীশলৈ প্ৰতিবেদন পঠাইছিল। শেষত এদিন আচামীকেইজনে নিজে আদালতত আত্মসমৰ্পণ কৰি

পুলিচৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পৰা ৰক্ষা পাৰিল। সেই সন্দৰ্ভত মহকুমা ন্যায়িক দণ্ডাধীশগৰাকীয়ে পাটাছাৰকুছি পুলিচৰ ওপৰত দুনীতিৰ কটাক্ষপাত কৰি এখন প্ৰতিবেদন পঠাইছিল। সেইখনৰ ওপৰত তদন্ত কৰি প্ৰতিবেদন দিবলৈ পুলিচ কৰ্তৃপক্ষৰ পৰা মোলৈ আদেশ গ'ল। মই থানা আৰু আদালতৰ নথিপত্ৰ পৰীক্ষা কৰি বিতং তথ্যপাতিৰে থানাৰ পুলিচ সম্পূৰ্ণ নিৰ্দোষী আছিল বুলি মোৰ প্ৰতিবেদন পঠালোঁ। তাত অৱশ্যে মই কৰিব নলবগীয়া কাম এটা কৰিলোঁ। মোৰ ইংৰাজীত লিখা প্ৰতিবেদনখনৰ সামৰণিত এফাকি অসমীয়া খণ্ডবাক্য সুমুৱাই দিলোঁ—"দ্যা ভুত ইজ ইন দ্যা সৰিয়হৰ ডুলি।" তাৰ দুটা অৰ্থ হ'ল। এটাৰ মতে "ভুলটো ভুল ধৰোঁতাৰ গাত।" আনটোৰ মতে দুনীতি পুলিচত নহয় দুনীতি জাৰিবখোজা আদালতত তথা ন্যায়-পালিকাত। তাৰ ভিত্তিতে মোৰ বিৰুদ্ধে গুৱাহাটী উচ্চ-ন্যায়ালয়ত এটা আদালত অৱমাননাৰ মোকৰ্দমা তৰা হ'ল। যদিও তেতিয়াৰ কামৰূপৰ আৰক্ষী অধিক্ষক কে পি এছ গিলে মোক সমৰ্থন কৰি মোকৰ্দমাটো চলাব খুজিছিল, মই মোৰ এডভোকেট তৰুণ দাস (পিছলৈ উচ্চ-ন্যায়ালয়ৰ মাননীয় ন্যায়াধীশ) ৰ সুপৰামৰ্শ মতে এটা ক্ষমাপ্ৰাৰ্থনাৰে দায়টো এৰালোঁ। কাৰণ তেতিয়া মোৰ পদোন্নতিৰ সময়। আদালতত লেঠা এটা থাকিলে মোৰ বিপদ আছিল। হেলেও চক্ৰটোৱে মোক "হাইকোৰ্ট দেখুৱাইহে" এৰিলে।

মোৰ ওপৰত প্ৰতিশোধমূলকভাৱে মোকৰ্দমাটো তৰোৱাৰ প্ৰতি প্ৰতিশোধ স্বৰূপে সংশ্লিষ্টসকলৰ বিৰুদ্ধে "ইটো সিটো কিবা এটা" ব্যৱস্থা ল'বলৈ গিল চাহাবে মোক পৰামৰ্শ দিছিল। কিন্তু মই তেনে কাম কৰিবলৈ সবিনয়ে অনিচ্ছা প্ৰকাশ কৰাত তেখেতে মোক অকণমান প্ৰশংসাৰ মুৰত ক'লে বোলে, ঠিক আছে। আপুনি ধাৰ্মিক মানুহ। নালাগে।

বৰপেটা মহকুমাৰ এক বিস্তীৰ্ণ অঞ্চল একালৰ পূব বংগীয় বংশোদ্ভৱ মুছলমান লোকৰ বসতি স্থল। দেশ বিভাজনৰ পিছতো সেই অঞ্চলবোৰলৈ পূব পাকিস্তানৰ পৰা অনুপ্ৰৱেশ বন্ধ নহ'ল। এই লোকসকলৰ ভাষা, ধৰ্ম আৰু গোষ্ঠীগত মিলৰ কাৰণে তেওঁলোকৰ মাজত অনুপ্ৰৱেশকাৰীসকলক আশ্ৰয় দিয়া লোকৰ অভাৱ নাছিল। বিশেষকৈ দেৱানী আৰু মাতব্বৰসকলে তেওঁলোকে 'দখল' কৰি ৰখা বৃহৎ বৃহৎ অঞ্চলবোৰত খেতি কৰিবলৈ সস্তীয়া কৃষি বনুৱা হিচাপে তেতিয়াৰ পূব পাকিস্তানৰ পৰা অভাৰতীয়সকলক অনায়। তাৰাবাৰী, বাঘবৰ, কলগছীয়া, গোৱালপাৰা আদি ঠাই লাট নিছিগাকৈ তেতিয়াৰ পূব পাকিস্তান বৰ্তমানৰ বাংলাদেশৰ লগত লাগি থকাত আৰু গোটেই অঞ্চল একে গোষ্ঠীৰ মানুহৰ বসতিস্থল হোৱাত দুই ৰাষ্ট্ৰৰ লোকসকলৰ গোপন আহ-যাহ ইমান সহজ আৰু অবাধ যে তাৰ মাজত যে এটা আন্তঃৰাষ্ট্ৰীয় 'সুৰক্ষিত' সীমা আছে তাক বিশ্বাস কৰিবলৈকে টান হয়। অনেক সময়ত

নৰহত্যাৰ নিচিনা কাৰ্য কৰাবলৈ সেই অঞ্চলৰ ক্ষমতাশালী লোকে সিথন ৰাষ্ট্ৰৰ পৰা পেছাদাৰী নৰহন্তা আমদানি কৰি আনি ঘটনা কৰোৱাই ৰাতাৰাতি পঠাই দিয়াৰ দৃষ্টান্তৰো অভাৱ নাছিল। মুঠৰ ওপৰত বৰপেটাৰ চৰ অঞ্চল আৰু অসমৰ অন্যান্য তেনে অঞ্চলবোৰ তেতিয়াৰ পাকিস্তানী আৰু বৰ্তমানৰ বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলৰ ভূস্বৰ্গ আছিল আৰু হয়তো কম-বেছি পৰিমাণে এতিয়াও সেই অৱস্থাৰ বিশেষ পৰিৱৰ্তন ঘটা নাই। সেয়ে হোৱা হ'লে বাংলাদেশীৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'ব খুজিলেই তাৰ সৰহসংখ্যক বাসিন্দা জাঙুল খাই উঠাৰ কোনো কাৰণ নাথাকিলহেঁতেন। অৱশ্যে তাৰ মাজতে পুৰণি তথা দেশ বিভাজনৰ পূৰ্বে অহা মুছলমানসকলৰ মাজত, নতুন অনুপ্ৰৱেশ ঘটিলে, গোপনে পুলিচক খবৰ দিয়া লোকৰো অভাৱ নাছিল। তেওঁলোকে ভয় খাইছিল যে তেনেকৈ অনুপ্ৰৱেশ চলি থাকিলে তেওঁলোকৰ বংশধৰসকলৰ কাৰণেই একালত মাটিৰ অকুলন হ'ব।

অল্প লিখা-পঢ়া জনা বা নজনা দলীয় ৰাজনীতি আৰু ক্ষমতাৰ দালালী কৰা দেৱানী মাতব্বৰ জাতীয় লোসকলে কেৱল সস্তীয়া কৃষি বনুৱাৰ বাবেই যে অনুপ্ৰৱেশ উৎসাহিত কৰিছিল এনেও নহয়। ৰাজনৈতিকভাৱে শক্তি আহৰণ আৰু সাম্প্ৰদায়িক সংখ্যা-গৰিষ্ঠতা লাভো তেওঁলোকৰ লক্ষ্যৰ ভিতৰত আছিল। তেওঁলোকৰ ৰাজনীতি মানে কংগ্ৰেছ (আই)। শাসনাধিষ্ঠিত দলত থকা মানে সকলো প্ৰকাৰে ৰক্ষা কবচ পিন্ধি থকা। কেনে—তাৰ এটা উদাহৰণ দিওঁ।

এবাৰ নগৰবেৰাৰ ফালৰ মাতব্বৰজাতীয় লোক এজন এটা নৃশংস নৰহত্যাৰ লগত প্ৰত্যক্ষভাৱে জড়িত বুলি অভিযুক্ত হৈছিল। গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ তেওঁ পলাই ফুৰিছে। তেনেতে অসমৰ আৰক্ষী মহাপৰিদৰ্শকে, তেওঁলৈ এগৰাকী মন্ত্ৰীয়ে লিখা এখন অৰ্ধ চৰকাৰী চিঠিৰ প্ৰতিলিপিৰে, মোলৈ লিখিলে যে বিষয়টো মই নিজে চাব লাগে। মন্ত্ৰীগৰাকীয়ে লিখিছিল যে বাঘবৰৰ পুলিছে সেই ব্যক্তিজনক অযথা বিচাৰি হাৰাশাস্তি কৰিছে। তেওঁ নিৰ্দোষী। তেওঁক জড়িত কৰা ঘটনাটোৰ দিনা অভিযুক্তজন শ্বিলঙৰ স্বয়ং মন্ত্ৰীগৰাকীৰ ঘৰত আলহী আছিল। মন্ত্ৰীগৰাকীয়ে হেনো চৰ অঞ্চল ভ্ৰমণ কৰোতে নাৱত পৰি ভৰিত দুখ পাইছিল আৰু সেই ব্যক্তিজনে পৰিচৰ্যা কৰি তেখেতক শ্বিলঙলৈকে লৈ গৈছিল। তেওঁক অভিযুক্ত কৰা অপৰাধটোৰ দিনাও ব্যক্তিজন মন্ত্ৰীৰ খবৰ ল'বলৈ শ্বিলঙলৈ গৈছিল।

মই নিজে পুংখানুপুংখকৈ চালোঁ। তদন্তকাৰী পুলিচ বিষয়াগৰাকীৰ হাতত মাতব্বৰগৰাকীৰ বিৰুদ্ধে এনে প্ৰত্যক্ষ আৰু কটকটীয়া প্ৰমাণ আছিল যে মই মন্ত্ৰীগৰাকীৰ পত্ৰখনৰ কথাখিনিৰ এটা অংশ বিশ্বাস কৰিবলৈ টান পালোঁ।

আৰক্ষী মহাপৰিদৰ্শক অকুতোভয় শ্ৰী ভবানীকান্ত বৰুৱাই মোৰ প্ৰতিবেদন পাই মন্ত্ৰীগৰাকীক নিৰাও কৰিলে।

অসমৰ পৰা পুলিচে আইন সঙ্গতভাৱে পাকিস্তানী অনুপ্ৰবেশকাৰী বহিস্কাৰ কৰা কামত বহু সময়ত সম্প্ৰদায় নিৰ্বিশেষে কিছুমান অদূৰদৰ্শী ৰাষ্ট্ৰ নীতিজ্ঞান বৰ্জিত তথাকথিত ৰাজনৈতিক নেতা আৰু পালি নেতাই বিধি পঠালি দিছিল। তথাপিও যেনে তেনে হলেও সেই প্ৰক্ৰিয়া অব্যাহত আছিল।

বাংলাদেশৰ মুক্তিযুদ্ধৰ নামত, তেতিয়াৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে তথাকথিত মুক্তিযোদ্ধাসকলক সকলো প্ৰকাৰে সহায় কৰি পূব পাকিস্তানক পাকিস্তানৰ পৰা বিচ্ছিন্ন কৰাই সন্তোষ লভিলে হয়; তাৰ পৰা কিন্তু ভাৰতৰ লাভতকৈ লোকচান অধিক হ'ল। পূব-পশ্চিম হিচাপে পাকিস্তান দুখন হৈ থাকোতে পাকিস্তান এক প্ৰকাৰ দুৰ্বল আছিল। ভাৰতৰ ওপৰৰ আকাশমাৰ্গ তেওঁলোকৰ কাৰণে অপৰিহাৰ্য আছিল আৰু সেয়ে পাকিস্তান ভাৰতৰ ওচৰত অলপ হ'লেও সেও হৈ থাকিব লগা হৈছিল। এতিয়া পাকিস্তান অধিক শক্তিশালী হৈ পৰিল আৰু ভাৰতৰ অপৰিসীম ত্যাগৰ বিনিময়ত জন্ম লাভ কৰা বাংলাদেশো ভাৰততকৈ ক্ৰমান্বয়ে সম ইছলামিক ৰাষ্ট্ৰ পাকিস্তানৰ ফালেহে দোঁ খাইছে। আনহাতে বিষময় পৰিণাম ভোগ কৰিব লগা হৈছে অসমে।

পূৰ্ব পাকিস্তানক বিচ্ছিন্ন কৰাত অৰিহণা যোগোৱাৰ প্ৰতিশোধৰূপে এতিয়া ভাৰতক খোৰা কৰিবলৈ পাকিস্তানে জাম্মু-কাশ্মীৰ আৰু পাঞ্জাবত যি অপকৰ্ম কৰিছে তাক দোষিবলৈ ভাৰতৰ নৈতিক অধিকাৰ আছেনে? পাকিস্তানে দৰাচলতে ভাৰতীয় মুদ্ৰাৰেই ভাৰতৰ ঋণ পৰিশোধ কৰিছে। আচৰিত কথা এইটোহে যে ভাৰতৰ যহত জন্ম হোৱা বাংলাদেশেও আলফা আদি ভাৰতবিৰোধী সংগঠনক আশ্ৰয় আৰু সহায় দি ভাৰতৰ শত্ৰুতা কৰিছে। কালৰ কুটিল পৰিহাস যে বাংলাদেশী বিতাৰণ আন্দোলনৰ অংশীদাৰ অসমীয়া যুৱকসকলেও আলফাৰ নামত বাংলাদেশত শিবিৰ পাতিছেগৈ।

১৯৭০ চনত পূব পাকিস্তানৰ বাঙালী জাতীয়তাবাদী আন্দোলনৰ আৰম্ভণিতে তাৰ সংখ্যা লঘু তথা হিন্দুসকলকে যতকুটৰ ঘাই বুলি তেওঁলোকৰ ওপৰতে দৌৰাত্ম্য আৰম্ভ হৈছিল। তেওঁলোকৰ বহুতে ভাৰত তথা অসম আৰু পশ্চিমবংগলৈ উদ্বাস্তু হিচাপে ভাগি আহিছিল। সেই আন্দোলন বাঢ়ি যোৱাত, ১৯৭১ চনৰ ২৫ মাৰ্চত পাকিস্তানৰ কেন্দ্ৰীয় চৰকাৰে পূব পাকিস্তানত সামৰিক অভিযান আৰম্ভ কৰিলে। তেতিয়া বাংলাভাষী মুছলমান হিন্দু উভয় সম্প্ৰদায়ৰে প্ৰায় এককোটি লোকে ভাৰতত আশ্ৰয় বিচাৰি আহিছিল। ভাৰত চৰকাৰে তেওঁলোকৰ কাৰণে আশ্ৰয় শিবিৰ পাতি তেওঁলোকক এবছৰৰো অধিক কাল ভৰণ-পোষণ দিব লগা হৈছিল। সেই অজুহাততে ভাৰত-পাকিস্তানৰ মাজত ঘোষিত যুদ্ধ লাগিল আৰু পাকিস্তান ঘাটিল। বাংলাদেশৰ জন্ম হ'ল।

জন্ম লয়ত বাংলাদেশ এখন চেকুলাৰ তথা ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ বুলি ঘোষিত হৈছিল যদিও পুনৰ মুচিক হ'বলৈ সৰহ দিন নালাগিল।

ভাৰতত আশ্ৰয় লোৱা শৰণাৰ্থীসকলৰ বহুতে আশ্ৰয় শিবিৰত নাথাকি ভাৰতীয় আত্মীয় কুটুম্বৰ ঘৰতো আলহী হৈছিল। তেনেকৈ আলহী ৰখা সকলে, সময়ত তেওঁলোকক ওভতাই পঠাবৰ কাৰণে কৰ্তৃপক্ষৰ হাতত গতাই দিবলৈ প্ৰতিশ্ৰুতি দিছিল যদিও তেনে বহু পাকিস্তানী হৰলুকি হ'ল। সি যি হওঁক নৱজাত বাংলাদেশলৈ ভগনীয়াসকলক ওভতাই পঠোৱাৰ সময়ত বাংলাদেশৰ চতুৰ নেতা মুজিবুৰ ৰহমানে এটা চৰ্ত আৰোপ কৰিলে। মুজিবুৰে ভয় খাইছিল জানোচা নৱজাত চেকুলাৰ বাংলাদেশলৈ, দেশ বিভাজনৰ সময়ত বা জাতীয় আন্দোলনৰ আগতে অহা হিন্দুসকলো উভতি যাব খোজে? গতিকে তেওঁ এটা চৰ্ত আৰোপ কৰিলে। তেওঁ ভাৰতৰ প্ৰধানমন্ত্ৰীৰ লগত এটা বুজাপৰাত উপনীত হ'ল। তাকে "ইন্দিৰা-মুজিব আণ্ডাৰষ্টেণ্ডিং" বোলা হয়। সেই বুজাপৰা মতে ১৯৭১ চনৰ ২৫ মাৰ্চ আৰু তাৰ পিছত ভাৰতলৈ অহা তেতিয়াৰ পূব পাকিস্তানীসকলকহে তেওঁৰ ৰাষ্ট্ৰই গ্ৰহণ কৰিব। এই 'বুজাপৰা' টোৰ গোলমলীয়া আৰু ভুল ব্যাখ্যাৰ ভিত্তিতে অসমত বিদেশী বহিষ্কাৰৰ ক্ষেত্ৰত ভীষণ সমস্যাই গা কৰি উঠিল। সেই 'বুজাপৰা' খনত পাকিস্তানী অনুপ্ৰৱেশকাৰী (ইনফিলট্ৰেটৰ) সকলৰ কথা উল্লেখ নাই। ভগনীয়া (ৰিফিউজী) সকলৰ কথাহে আছে। ভগনীয়া তথা ৰিফিউজী আৰু অনুপ্ৰৱেশকাৰী তথা ইনফিলট্ৰেটৰ দুটা স্পষ্ট সুকীয়া শ্ৰেণী। গতিকে সেই 'বুজাপৰা' ১৯৫১ চনৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চ লৈকে অসমলৈ অনুপ্ৰৱেশ কৰা মুছলমান লোকসকলক বহিষ্কাৰ কৰাত বাধা হ'ব নোৱাৰে। দুখৰ কথা যে অসম গণ পৰিষদ চৰকাৰো এই দিশটোৰ প্ৰতি তেনেই আওকণীয়া হৈ থাকিল। অৱশ্যে এইটোও অনস্বীকাৰ্য যে অসমত চিৰকালৰ কাৰণে বসবাস কৰিবলৈ অহা হিন্দু বাঙালীসকলে অসমৰ মাটিত বিশেষকৈ নগৰ চহৰবোৰত সদায় অজীণপাতকী হৈ থাকি ভাষিক অৰ্থত একো একোখন ক্ষুদ্ৰ বাংলাদেশ পাতিবলৈ বিচাৰে। বাঙালী হিন্দুসকলৰ এই জিন যাব নোখোজা মনোবৃত্তিটো স্বাভাৱিকতে অসমীয়াসকলে সহিবলৈ টান পায়। তেওঁলোকে বৃহৎ অসমীয়া জাতি গঠনত সহায় হোৱাৰ পৰিৱৰ্তে অন্তৰায় হোৱাটো সহিবলৈ টান পোৱাটো স্বাভাৱিক কথা। এই ক্ষেত্ৰত অসমীয়াসকলবো কিছুমান কম জগৰীয়া নহয়। গাঁও-ভুই আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ চহৰত বসতি কৰি ল'ৰা-ছোৱালীক অসমীয়াত পঢ়াই শুনাই জিন যাব খোজা বাঙালীসকলকো, ডাঙৰ ডাঙৰ নগৰত ঘটা ভাষা ভিত্তিক অশান্তিৰ সময়ত অবুজ অসমীয়া যুৱক কিছুমানে অত্যাচাৰ কৰি তেওঁলোক জিন যোৱাৰ প্ৰক্ৰিয়াটোত বাধা দিয়ে।

বাংলাদেশৰ জন্মৰ লগে লগে ভাৰতৰ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীয়ে নতুন

মিতিৰৰ আঠাৰ আতিশয্যত অসম আৰু অসমীয়াৰ নামকে নুমোৱাৰ দিহা কৰিছিল। সেই অপ্ৰকাশিত কাহিনী হয়তো বহুতে বিশ্বাস কৰিবলৈকে টান পাব।

তেতিয়া অসমৰ ৰাজধানী শ্বিলঙতে। ভবেন্দ্ৰনাথ ফুকন আৰু মই বিশেষ শাখাৰ আৰক্ষী অধিক্ষক। ভাৰত-পাকিস্তান যুদ্ধ অন্ত হৈছে। বাংলাদেশৰ জন্ম হৈছে। তেনে সময়তে বিশেষ শাখাৰ মুৰব্বী উপ-মহাপৰিদৰ্শক ঘনকান্ত মেধিৰ কোঠালৈ মোৰ ডাক পৰিল। গৈ দেখো ভবেন ফুকনে নিবিষ্ট চিত্তে কিবা এখন পঢ়ি আছে। মেধি ডাঙৰীয়াই বৰ চিন্তিতভাৱে চিগাৰেট এটা পকাই পকাই তেখেতৰ চকীৰ পাছফালে পাইচাৰী কৰি আছে। দুয়ো গহীন। মই সোমোৱা মাত্ৰে মেধিয়ে মোক মুখেৰে একো নকৈ বহিবলৈ ইঙ্গিত দিলে। বহিলোঁ। উদ্বিগ্ন চিত্তে। কাৰো মাতবোল নাই। অলপ পিছতে ফুকনে কাগজখনৰ পৰা মূৰ তুলিলে। মেধিয়ে নাটকীয় ভঙ্গীত সুধিলে, 'হ'ল?' ফুকনে বোলে 'হয় চাৰ।' 'মহন্তক দিয়ক'। দিলে। ময়ো পঢ়িলোঁ। সেইখন আছিল ভাৰত চৰকাৰৰ পৰা যোৱা এখন গোপনীয় চিঠি। ময়ো নিমাতে চিঠিখন পঢ়ি মূৰ তুলিলোঁ। মোকো একে প্ৰশ্ন—'পঢ়িলে?' 'হয় চাৰ।' 'কি বুজিলে?' কি বুজিলো বুলি কওঁ? 'চাৰ চাৰ' বুলি অলপ ঘেহালোঁ। ফুকনেও প্ৰায় তেনেই কৰিলে। চিঠিখনৰ বক্তব্য আছিল—'পাক ব্ৰাঞ্চ' বুলি পি আই পি স্কীমৰ আধাৰত অসম পুলিচৰ যিটো প্ৰায় ষোল্লশ জনীয়া বাহিনীৰ ভৰণ পোষণৰ খৰচ তেতিয়ালৈকে ভাৰত চৰকাৰে বহন কৰি আছিল, পূৰ্ব পাকিস্তানৰ বিলুপ্তিৰ পিছত যেহেতুকে আমাৰ মিত্ৰ নতুন ৰাষ্ট্ৰ বাংলাদেশৰ জন্ম হ'ল, সেয়ে ভাৰত চৰকাৰে আৰু পি আই পি স্কীমৰ প্ৰয়োজনীয়তা বোধ নকৰে। সেই মানুহখিনিক অসম চৰকাৰে সাধাৰণ পুলিচ বাহিনীত নিয়োগ কৰিব লাগে। ভাৰত আৰু বাংলাদেশৰ আন্তৰ্জাতিক সীমা ভাৰত-নেপাল সীমাৰ লেখীয়াকৈ উন্মুক্ত সীমা গণ্য কৰাৰ কথা ভাৰত চৰকাৰে চিন্তা কৰিছে।

ফুকন আৰু মই বিবুধিত পৰিলোঁ। তাত আমাৰ কৰণীয় কি আছিল উৱাদিহ পোৱা নাছিলোঁ। এইবাৰ মেধিয়ে গদ গদ স্বৰেৰে আৰম্ভ কৰিলে—"ভাৰত-বাংলাদেশৰ সীমা মুকলি সীমা কৰাৰ মানে হ'ল—যিটো কাম ছাৰ ছাদুল্লাই সম্পূৰ্ণ কৰিব নোৱাৰিলে তাক ইন্দিৰা গান্ধীয়ে সম্পূৰ্ণ কৰিবলৈ ওলাইছে। অসম ৰাজ্যত অসমীয়া বুলি এটা ভাষা, অসমীয়া বুলি এটা জাতি, অসমীয়া বুলি এটা কৃষ্টি থাকিলেই বা নাথাকিল তাত ইন্দিৰা গান্ধীৰ কি লাভ লোকচান আছে? অসমীয়া জাতি ভাষা কৃষ্টি নাথাকিলেও ভাৰত থাকিব। তেওঁ বা উত্তৰ ভাৰতৰ নেতা প্ৰধান মন্ত্ৰী হৈ থাকিব। বচ। কিন্তু এইটো জানো হ'বলৈ দিব পাৰি?" আমি দুয়ো ভেবা লাগি মেধিৰ মুখলৈ

চাই থাকিলোঁ। ক্ষুদ্র পুলিচ বিষয়া হৈ আমি কি প্ৰতিকাৰ কৰিব পাৰোঁ? আকৌ মেধিয়ে মুখ বজালে, "বোলে ফুকন, আপুনি কাছাৰ জিলাত এডিশ্যনেল এছ পি আছিল নহয়?" 'হয় চাৰ।' "মহন্ত আপুনি গোৱালপাৰা জিলাত এডিশ্যনেল এছ পি আছিল নহয়?" ময়ো বোলো 'হয় চাৰ।' আপোনালোক দুয়ো দুফালে যাওঁক। আজিয়েই, এতিয়াই। ফুকন কাছাৰলৈ, মহন্ত ধুবুৰীলৈ। সীমান্ত অঞ্চলবোৰ ঘূৰি সীমান্তৰ দুই ফালৰ পৰিস্থিতি অধ্যয়ন কৰি, আৱশ্যক হ'লে কাউণ্টাৰ এচপিয়নেজৰ সহায়েৰে, তিনি দিনৰ ভিতৰত মোক একোখন তথ্যবহুল প্ৰতিবেদন দিয়ক। ইতিমধ্যে আমালৈ অহা কিছুমান গোপন খবৰ মতে জয়ৰ উল্লাসত বাংলাদেশত নতুন ধ্বনি উঠিছিল— "এপাৰ বাংলা ওপাৰ বাংলা" লগ লগাই অসমৰো অংশ বিশেষৰে বৃহত্তৰ স্বাধীন বাংলা নামৰ এখন ৰাষ্ট্ৰ পতাৰ। নতুন বাংলাদেশৰ পৰা বহুলোকে সীমান্ত পাৰ হৈ গোৱালপাৰা আৰু কাছাৰ জিলাত প্ৰৱেশ কৰিছেই। সেই সকলোবোৰ তথ্য গোটাই ঠায়ে ঠায়ে চোৰাংচোৱা নিযুক্তি দি মোক্ একোখন প্ৰতিবেদন দিয়ক। বাকীখিনি মই কৰিম।"

সেইটো কাম কৰিবলৈ যাওঁতে মোৰ আন এটা অঘটন ঘটিছিল। তাক কৈ লওঁ।

তেতিয়া আমাৰ চৰকাৰী গাড়ীবিলাক নামে নামে দিয়া আছিল। তেলৰ খৰচ নিজে ভৰি ভ্ৰমণ বানচত চৰকাৰৰ পৰা ল'ব লাগে। দূৰলৈ যাবলৈ হ'লে নিজৰ হাতত অলপ সৰহ পইচা থাকিব লাগে। সেইদিনা মোৰ হাতত সিমান পইচা নাছিল। ৰিজাৰ্ভ ইন্সপেক্টৰজনৰ হাতত সাধাৰণতে বিতৰণ নোহোৱাকৈ বহুতৰ দৰমহা আৰু ভ্ৰমণ বানচৰ পইচা জমা থাকে। সেইদিনা আছিল শনি বাৰ। ইতিমধ্যে অফিচ ছুটী হ'ল। আমাৰ ৰিজাৰ্ভ ইন্সপেক্টৰজনক বিচাৰি এগৰাকী আৰক্ষী অধীক্ষক পদ মৰ্যাদাৰ বিষয়াৰ ঘৰত পোৱা গ'ল। তেওঁক মতাই নি মই মোৰ ল'বলগা টকাৰ শ্লিপ এখন দি ল'লোঁ কিবা যে জৰুৰী কামত মই গুৱাহাটীলৈ গ'লো সেইটো তেওঁ আৰু সিজন বিষয়াই জানিলে।

মোৰ পৰিয়াল তেতিয়া গুৱাহাটীৰ ভাড়া ঘৰত। মই গুৱাহাটী পাই পিছদিনা পুৱা গাড়ীখনৰ কিবা অলপ মেৰামতি কৰাই লওঁতে গুৱাহাটীতে মোৰ প্ৰায় এঘাৰ বাজিল। ধুবুৰীলৈ বুলি ৰাওনা হওঁ আৰু। তেনেতে চান্দমাৰি পুলিচ চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনে গৈ মোক জানালে বোলে মই তৎক্ষণাৎ আই জি পি-ৰ লগত টেলিফোনত কথা হ'বলৈ আই জি পি-য়ে বোলে নিৰ্দেশ দিছে। মই যে শ্বিলং এৰি গুৱাহাটীলৈ গৈছো সেইটো আই জি পি-য়ে জনাৰ কথা নাছিল। গতিকে মই অনুমান কৰিলোঁ যে সেই নিৰ্দেশটো বোধহয় ডি আই জি মেধিৰ পৰাহে গৈছিল। তেখেতে চাগৈ আৰু কিবা পৰামৰ্শ দিব। পুলিচ চকীৰ মানুহে ডি আই জি-কে আইজি বুলি ভুল কৰিছে। মোৰ ভাড়া

মৰত ফোন নাছিল। মই চান্দমাৰি চকীলৈ গৈ প্ৰথমতে আই জি লৈকে ফোন কৰিলোঁ। আই জি নাই। হাস্পতাললৈ গৈছে। গতিকে মই নিশ্চিত হ'লো যে ফোনটো মেধিৰহে আছিল। মেধিলৈ ফোন কৰিলোঁ। মোৰ মাতষাৰ শুনিয়েই মেধিয়ে বিচুৰ্তি খাই বোলে, কি এতিয়াও আপুনি গুৱাহাটীতে? মই ভাঙিপাতি ক'লো। শুনি মেধিয়ে ক'লে বোলে আপুনি তেনেহ'লে আই জিক ফোনত লগ ধৰিবহে গুৱাহাটী এৰিব। আকৌ আই জিক চেষ্টা কৰি কৰি প্ৰায় আধাঘণ্টামানৰ মূৰত পালোঁ। আই জিয়ে মোৰ মাত শুনিয়েই মাত্ৰ ক'লে আপুনি যলৈ বুলি গৈছে গৈ থাওঁক। মই মেধিৰ পৰা সকলো জানিলোঁ। আপুনি যাওঁক।' মই একো তং ভং নাপালোঁ।

ৰামৰায় কুঠি অঞ্চলৰ সীমান্ত ভ্ৰমণ কৰি আৱশ্যকীয় তথ্যপাতি লৈ তিনি দিন মান পিছত শ্বিলঙলৈ উভতি গৈহে উৰহি গছৰ ওৰটো পালোঁ। দেওবাৰে ৰাতিপুৱাতে আই জিক কোনোবাই লগালেগৈ যে মই ডি আই জি ঘন মেধিৰে ষড়যন্ত্ৰ কৰি আই জিৰ গৰু খুটিৰ গৰুপালৰ কাৰণে কোনোবা এখন জিলাৰ এছ পিয়ে চৰকাৰী গাড়ীৰে পঠাবলগীয়া 'ভুচি-খুদি' হাতে লোটে ধৰাই দিবলৈ গুৱাহাটীলৈ গৈছোঁ। সেই সময়ত শৰৎ সিংহৰ নতুন চৰকাৰে দুনীতিৰ বিৰুদ্ধে কিছুমান ব্যৱস্থা লৈছিল। তেতিয়াৰ আই জি গৰাকীৰ শ্বিলঙত এখন ডাঙৰ গৰুৰ পাম আছিল আৰু অভিযোগ উঠিছিল যে তালৈ জিলাৰ দুজনমান এছ পিয়ে নিয়মিতভাৱে চৰকাৰী গাড়ীৰে ভুচি আৰু খুদি যোগান ধৰিছিল। তেতিয়া বিৰোধী দলৰ এজন মুখ চোকা বিধায়ক দুলাল বৰুৱাই বিধানসভাতে আই জি গৰাকীৰ বিৰুদ্ধে অভিযোগ কৰিছিল যে বহুত চিপাহীক আই জিৰ গৰু খুটিত কাম কৰিবলৈ লগোৱা হৈছিল। বহুতে কেৱল ঘাঁহ কটা কামতহে ব্যস্ত আছিল। তেখেতে কিছুমান চিপাহীৰ নাম আৰু ঘাঁহ কঢ়িওৱা গাড়ীৰ নম্বৰ সদনত ঘোষণা কৰিছিল। কেবাখনো জিলাৰ পৰা চৰকাৰী গাড়ীত আই জিলৈ বিনামূলীয়াকৈ যোগাৰ কৰা ভুচি খুদি যায়। বৰুৱাই ব্যঙ্গ কৰি আই জি গৰাকীৰ নাম দিছিল 'লাও ভুচি খুদি দেওঁ'। এটা চক্ৰই সেই তথ্যবোৰ মেধি আৰু মোৰ পৰা বৰুৱাই পোৱা বুলি আই জি গৰাকীক লগাইছিল।

ঘন মেধিয়ে সদায় অসম আৰু অসমীয়াৰ স্বাৰ্থত অগ্ৰাধিকাৰ দিছিল। সেয়ে তেখেতক পুলিচ বিভাগৰ এটা শক্তিশালী চক্ৰই বাঙালী বিদ্বেষী আখ্যা দিছিল। সেই একেটা চাব চক্ৰটোৱে মোৰ গাতো মাৰিছিল, যদিও মই মোৰ কৰ্তব্যত কেতিয়াও কোনো ধৰণৰ সাম্প্ৰদায়িকতাৰ ভাবৰে পৰিচালিত হোৱা নাছিলোঁ।

মই এদিন মেধিৰ আগত আক্ষেপ কৰি কৈছিলো বোলো চাৰ মই সদায় জ্ঞান বিশ্বাসে কৰ্তব্যত নিৰপেক্ষ হোৱা সত্বেও মোক কিয় সেই চক্ৰটোৱে বাঙালী

বিদ্বেষী বুলি ভাবে ? মেধিয়ে হুৱাই মোকে প্ৰশ্ন কৰিলে বোলে আপুনি অসমীয়া সাহিত্য চাহিত্য কৰেনে নকৰে ? বোলো, কেতিয়াবা কেতিয়াবা কৰোঁ। বোলে, শংকৰদেৱৰ মাধৱদেৱৰ সভা-সমিতিত বক্তৃতা দিয়েনে ? বোলোঁ, দিওঁ। বোলে, তেন্তে আৰু কি লাগিছে ?

মেধি বৰ স্পষ্ট বাদী আৰু নিৰ্ভীক আছিল। দিল্লীত বহা এখন বিভাগীয় উচ্চস্তৰৰ কনফাৰেন্সত এজনে অসমীয়া জাতিক সংকীৰ্ণ জাতীয়তাবাদী বুলি নিন্দা কৰোতে তেখেতে তেখেতৰ ভাষণত তাৰ উত্তৰ দিছিল এনেকৈ—বোলে ভাৰতত এনে এখন ৰাজ্য আছেনে য'ত তাৰ খিলঞ্জীয়া বাসিন্দাসকলে ডাকঘৰৰ পৰা টিকট এটা, পোষ্ট কাৰ্ড এটা কিনিব ল'গা হ'লেও নিজৰ ভাষাত নহয়—অন্য এটা ভাষাত খুজিব লাগে ? ভাৰতত এনে ৰাজ্য আন কৰবাত আছেনে য'ত তাৰ বাসিন্দাসকলে বেংকত বা ইন্সুৰেঞ্চ অফিচত গৈ কিবা এটা বিচাৰিলে নিজৰ মাতৃভাষাত নহয় অন্য এটা ভাষাত কথা ক'ব লাগিব ? বজাৰত বস্তু এপদ কিনিবলৈ গ'লেও নিজৰ ভাষাত নহয় আন কিবা ভাষাত কথা ক'ব লাগিব ? এনেকৈ তেখেতে নাটকীয়ভাৱে বৰ্ণাই শেষত সকলোকে ওভটাই প্ৰশ্ন কৰিলে বোলে তাৰ খিলঞ্জীয়া লোকসকলে যদি নিজৰ ভাষাত কথাবাৰ ক'বলৈ বিচাৰে তেন্তে তাক আপোনালোকে সংকীৰ্ণতা বুলি আখ্যা দিবনে ? সকলো তাপ মাৰিলে। পিচবেলা সভাকক্ষত গোট খাওঁতে, কে এন প্ৰসাদ (যি ইমাৰ্জেন্সিৰ সময়ত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ সোঁ হাত হৈ পৰিছিল আৰু ৯০/৯১-ত অসমত ৰাষ্ট্ৰপতি শাসনকালত জ্যেষ্ঠ উপদেষ্টা হৈ আহিছিল) নামৰ এজন প্ৰতাপী পুলিচ বিষয়াই মেধিক অলপ উপলুঙাৰ সুৰত অভিবাদন জনাইছিল বোলে গুড্ আফটাৰনুন মিষ্টাৰ আসাম। চুঙা চাই সোপা দিয়া মেধিয়ে তপৰাই উত্তৰ দিছিল বোলে থেংকইড ফৰদি কম্প্লিমেণ্ট মিষ্টাৰ ইন্দিয়া।

এতিয়া আচল কথাটোলৈ আহোঁ। ফুকন আৰু মই সীমান্ত অঞ্চল পৰিভ্ৰমণ কৰি আৱশ্যকীয় তথ্যপাতি, তাৰে কিছুমান চাঞ্চল্যকৰ—গোটাই নি মেধিক দিলোঁ। তাৰ ওপৰত ভিত্তি কৰি মেধিয়ে এটা অসাধ্য সাধন কৰিলে অকলে। মেধিৰ অকাট্য যুক্তি আৰু তথ্যভিত্তিক প্ৰতিবেদনে ভাৰত চৰকাৰক ভাৰত-বাংলাদেশ সীমান্ত উন্মুক্ত ৰখা আৰু অসম পুলিচৰ পাক ব্ৰাঞ্চ (পিছত বৰ্ডাৰ ব্ৰাঞ্চ) বিলুপ্ত কৰাৰ প্ৰস্তাৱ উঠাই ল'বলৈ বাধ্য কৰিলে। প্ৰস্তাৱ কৰা মতে ইন্দিৰা গান্ধীয়ে তেতিয়া ভাৰত-বাংলাদেশৰ আন্তৰ্জাতিক সীমা উন্মুক্ত কৰি দিয়া হ'লে অসমৰ অৱস্থা কি হ'লহেঁতেন তাক 'সুৰক্ষিত' সীমা সত্ত্বেও ঘটা অনুপ্ৰৱেশৰ পৰাই অনুমান কৰাত কষ্ট হ'ব নালাগে। অসমক একালত গ্ৰুপিঙৰ পৰা ৰক্ষা কৰাত লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ যি অৱদান, এটা সংকট কালত অসমক ৰক্ষা কৰাতো এজন সামান্য পুলিচ বিষয়া ঘন মেধিৰ নীৰৱ অৱদান, মোৰ মতে, তাতকৈ কোনো গুণে কম নহয়।

আকৌ অলপ উজাই যাওঁ। চতুৰ্থ বেটেলিয়নৰ চেকেণ্ড-ইন-কমাণ্ড-পদৰ পৰা বদলি হৈ মই ১৯৭০ চনৰ ২৪ এপ্ৰিলত ধুবুৰীত গোৱালপাৰা জিলাত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ পদত যোগ দিছিলোঁ। ধুবুৰীত প্ৰায় এবছৰ তিনিমাহ থকাৰ পিছত পদোন্নতি পাই শ্বিলঙত অসমৰ বিশেষ শাখাৰ আৰক্ষী অধীক্ষকৰ পদত যোগ দিছিলোঁ। তাকৰীয়া সময় হ'লেও ধুবুৰীত মোৰ কাৰ্য-কালৰ ভিতৰতে পৃথিৱী ৰজন জনাই যোৱা বিখ্যাত ৰাজখোৱা নৰহত্যা অপৰাধটো উদ্ঘাটিত হৈছিল। সেই ৰহস্যাবৃত ঘটনাটোৰ বিষয়ে সেই সময়ত কাগজে-পত্ৰই যথেষ্ট আলোচনা-বিলোচনা হৈছিল। মোৰ বাসভৱনতে বাহৰ পাতি ভাতৃপ্ৰতীম সাংবাদিক আৰু গল্পকাৰ নিৰোদ চৌধুৰীয়ে 'অসম বাণী'ত সেই ৰহস্যাবৃত হত্যাকাণ্ডটো আৰু ৰহস্যময় কৰি ধাৰাবাহিক ৰূপে প্ৰকাশ কৰিছিল। সেই লানি প্ৰবন্ধই 'অসম বাণী'ৰ গ্ৰাহকৰ সংখ্যা হেনো কেবা গুণো বঢ়াইছিল।

এইখিনিতে মনত থাকোতেই কৈ থওঁ। ৰীনা ডেকা নামৰ নলবাৰীৰ ছোৱালী এজনীৰ ৰঙিয়াত ৰহস্যজনকভাৱে ঘটা মৃত্যুৰ ধাৰাবাহিক বিৱৰণেও এটা সময়ত অৰ্দ্ধ সাপ্তাহিক 'অগ্ৰদূত'ৰ পঢ়ুৱৈৰ সংখ্যা বহুত বঢ়াইছিল। সেই সময়ত (১৯৭৬/৭৭) মই অভয়াপুৰীত নৱম আৰক্ষী বাহিনীৰ অধিনায়ক আছিলোঁ। মই অতি বিশ্বস্তসূত্ৰে জনা মতে সেই ঘটনাটোত ৰঙিয়া থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সন্তোষ গোস্বামী বা থানাৰ আন পুলিচ বিষয়া সম্পূৰ্ণ নিৰপৰাধ আছিল। শেষত নিৰ্দোষী প্ৰমাণিত হ'লেও কাল্পনিক ৰহন সনা কলংকেৰে গোস্বামীকে ধৰি থানাৰ বিষয়া কেজনমানৰ অযথা হাৰাশাস্তি হ'ল আৰু তেওঁলোকক মনোকষ্ট দিয়া হ'ল। সেই ছোৱালীজনীক নলবাৰীৰে তাইৰ প্ৰেমিকগৰাকীয়ে বিয়লিৰ বেলেৰে গৈ কামাখ্যাত পিছ দিনা বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিছিল। সেইমতে তাই স্কুলৰ পৰা বাহিৰে বাহিৰে নলবাৰী ৰেল ষ্টেচনলৈ গ'ল। কিন্তু প্ৰেমিকজনক তাত নেদেখিলে। তেওঁ নিশ্চয় ৰেলতে উঠিছে বা উঠিব বুলি তাই ৰেলত উঠিল। তাইৰ অসহায় অৱস্থাটো দেখি কেটামান দুষ্ট ডেকাই তাইৰ পিছ ল'লে। তাই কথাটো টং কৰি গুৱাহাটীত ৰাতি গৈ বিপদত পৰাৰ শংকাত ৰঙিয়াতে নামি দিলে। দুষ্ট ডেকাকেটাও তাতে নামি তাইৰ পিছ ল'লে। তাই নিৰুপায় হৈ এজন অচিনাকী বিহাৰী স্কুল মাষ্টৰৰ ঘৰত সোমাই ৰাতিটোৰ কাৰণে আশ্ৰয় বিচাৰিলে। মাষ্টৰজন আৰু তেওঁৰ মাকে আশ্ৰয় দিলে। ডেকাকেজনে গৈ বিহাৰী মাষ্টাৰজনৰ ওচৰত সিহঁত ছোৱালীজনীৰ আত্মীয় বুলি তাইক নিব খুজিছিল। ছোৱালীজনী সিহঁতৰ লগত যাবলৈ মান্তি নোহোৱাত মাষ্টৰে সিহঁতৰ হাতত তাইক গটাই নিদিলে।

সেইদিনা মাঘ বিহুৰ উৰুকা নে কিবা এটা উপলক্ষত থানাত ৰঙিয়া

টাউন কমিটিৰ অধ্যক্ষকে ধৰি কেবাজনো গণ্যমান্য লোক আছিল। ডেকাকেজনে তাতে গৈ অ'চিক জনালে যে 'দেচৱালী মানুহ' এজনে অসৎ অভিপ্ৰায়েৰে অসমীয়া ছোৱালী এজনী নি ৰাখিছে। অ'চি গোস্বামীৰে এজন উপপৰিদৰ্শক পঠাই দিলে। সঁচাসঁচিকৈ ছোৱালী জনী বিহাৰী মানুহজনৰ ঘৰত পাই পুলিচে তাইক থানালৈ নিলে। তাই তাত নিজৰ আচল নাম ধাম নিদি বেলেগ নামেৰে পৰিচয় দিছিল। গোস্বামীয়ে বোলে ৰাতিটোৰ কাৰণে ছোৱালীজনী ৰাখিবৰ কাৰণে নগৰ পালিকাকে অনুৰোধ কৰিছিল। কিয়নো থানাত ৰাখিবলৈ তিৰোতাৰ কাৰণে যিটো লক-আপ আছিল সেইটো প্ৰায় সকলো মফচল থানাত কৰাৰ দৰে মালখানা হিচাপে ব্যৱহাৰ কৰা হৈছিল। উপায়ন্তৰ হৈ ছোৱালীজনী ৰাতিটোৰ বাবে অ'চিৰ পৰিয়ালৰ লগতে ৰাখিলে। কিন্তু পিছদিনা ধল পুৱাতে তাই ওলাই গৈ অনতিদূৰৰ ৰেলপথত চলন্ত ৰেলৰ আগত পৰি মৰিল।

আকৌ ৰাজখোৱাৰ কাহিনীটোলৈ আহোঁ। পৰৱৰ্তীকালত ৰাজখোৱা মোকৰ্দমাটোৰ তদন্তকাৰী বিষয়া কৃষ্ণহৰি ডেকাই সেই ঘটনাৰ ওপৰত এখন কিতাপো লিখি প্ৰকাশ কৰিছে। আকৰ্ষণীয় কৰিবলৈ তাত বহুত ৰংৰহণো সনা হৈছে। মই সেই মোকৰ্দমাটোৰ আৰম্ভণীৰে পৰা এটা গুৰুত্বপূৰ্ণ অৱস্থালৈকে তদন্তৰ তদাৰক কৰিছিলোঁ। ইয়াত মই ; পলমকৈ হ'লেও, তাৰ এটা বস্তুনিষ্ঠ বিৱৰণ মোৰ দিনপঞ্জীৰ টোকাৰ পৰা দিবলৈ যত্ন কৰিছোঁ। পলমকৈ হলেও মানুহে সত্যটো জনা ভাল।

মই ধুবুৰীত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ কাৰ্যভাৰ লোৱাৰ সময়ত তাত উপেন ৰাজখোৱা নাছিল আৰু তেখেতৰ বিষয়ে মই একো কথা গম পোৱা নাছিলোঁ। ১৯৭০ চনৰ মে মাহৰ পোন্ধৰ নে যোল তাৰিখে ৰেঞ্জ ডি আই জি বৰদাচৰণ শৰ্ম্মা সস্ত্ৰীক ধুবুৰী চাৰ্কিট হাউচত উঠিছিল গৈ। তেখেত ৰেলেৰে গৈছিল। ষ্টেচনৰ পৰা তেখেতসকলক নি চাৰ্কিট হাউচত নমোৱাৰ পিচতে ডিষ্ট্ৰিক্ট আৰু চেচন জজৰ বঙলাটোৰ পৰা পিয়ন উমেশ বৈশ্যই শৰ্মা আৰু তেখেতৰ পৰিবাৰক হাঁহি হাঁহি নমস্কাৰ জনালেগৈ। ৰাজখোৱাই অৱসৰ লোৱাৰ পিছত তেখেতৰ ঠাইত তালৈ যোৱা জাজ নলিনী চৌধুৰীয়ে তেতিয়াও বঙলা-টোলৈ যোৱা নাছিল। তেখেত তেতিয়াও চাৰ্কিট হাউচতে। শৰ্মাদেৱে উমেশক হাঁহি মাৰি লঘু সুৰত সুধিলে বোলে, কিঐ, তোৰ চাহাবৰ খবৰ কি ? উমেশেও মেহেঙা মেহেঙকৈ হাঁহি ক'লে বোলে ক'ব নোৱাৰো ছাৰ। শৰ্মাই পেঘেনিয়াই পেঘেনিয়াই সুধি গ'ল আৰু উমেশে উত্তৰ দি গ'ল। আমি মানে, এছ পি ব্ৰজেন হাজৰিকা আৰু মই নীৰৱ শ্ৰোতা। আমি তাত একো গুৰুত্ব দিয়াও নাছিলো আৰু তেতিয়ালৈকে দিয়াৰ কাৰণো নাছিল। উমেশে শৰ্মাৰ প্ৰশ্নৰ উত্তৰত দিয়া বিৱৰণটো এনে ধৰণৰ—

এদিন এখন ক'লা আম্বাচাদৰ গাড়ী আহিছিল। তাতে জজে তেখেতৰ পৰিবাৰ আৰু বৰজীয়েক লীনাক ক'ৰবালৈ পঠাই দিলে। তাৰ কেইদিনমান পিছত ২৫ ফেব্ৰুৱাৰীত সেই একেখন গাড়ী আকৌ গৈছিল। সেইবাৰ মাজু জীয়েক নুনা আৰু সৰুজীয়েক ভণ্টুক তাতে পঠাই দিলে। ক'লৈ সি ক'ব নোৱাৰে। যোল এপ্ৰিল মানে ৰাজখোৱাও বগুলা এৰি গুছি গল। ক'লৈ সি নাজানে।

আমি বাকী বিলাকে কোনেও সেই কথোপকথনত একো গুৰুত্ব দিয়া নাছিলো আৰু শ্ৰীবৰদা শৰ্মাদেৱেও বিশেষ গুৰুত্ব দিয়া যেন দেখা নাছিলো।

পিছৰ মাহত, জুনত বিলাসীপাৰাত কিবা এটা সাম্প্ৰদায়িক ধৰণৰ গণ্ডগোল লগা সন্দৰ্ভত ডি. আই. জি. শৰ্মা পুনৰ ধুবুৰীলৈ গৈছিল। সেইবাৰো উমেশক তেখেতে ঘুৰাই পকাই একেখিনি কথাকে সুধিছিল আৰু উমেশেও আগৰদৰেই উত্তৰ দিছিল।

ৰাজখোৱা আৰু তেখেতৰ পৰিয়ালটো অন্তৰ্ধান হোৱা সম্পৰ্কে নানা কথা ওলাবলৈ ধৰিলে। খেনোৰ মতে তেখেতে সপৰিয়ালে উত্তৰ বংগৰ 'শ'লমাৰি আশ্ৰমত বা আন কোনো তীৰ্থস্থানত থাকিবলৈ গ'ল। শ'লমাৰি আশ্ৰমখনৰ সাধুজনক হেনুতে নেতাজী সুভাষ বসু বুলিও এটা গুজৱ উলিয়াইছিল। ৰাজখোৱাৰ শেষৰ ফালৰ কথা-বতৰাত বোলে এটা সন্যাসৰ ভাৱ প্ৰকাশ পাইছিল।

জুলাই মাহৰ মাজভাগত ডি. আই. জি. শৰ্মাই মোক টেলিফোন যোগে জনালে যে সেই মাহৰে সাত তাৰিখে ধুবুৰী টেলিগ্ৰাফ অফিচৰ পৰা ৰাজখোৱাই তেখেতৰ পেঞ্চন আদিৰ সংক্ৰান্তত কৰা এখন টেলিগ্ৰাম চিলঙৰ এ. জি. অফিচত ওলাইছে। মোলৈ ডি. আই. জি.-ৰ নিৰ্দেশ মই টেলিগ্ৰাফ অফিচত থকা মূল কপিটো পৰীক্ষা কৰাব লাগে—তাৰ হাতৰ আখৰ খিনি কাৰ নিৰ্ণয় কৰিব লাগে। মই ততালিকে ধুবুৰী থানাৰ অ'চি শিবজেন কাহালিক মতাই নি জজ আদালতৰ, ৰাজখোৱাৰ হাতৰ আখৰ চিনি পোৱা এজন কৰ্মচাৰীৰে টেলিগ্ৰাফ অফিচলৈ পঠালোঁ। কাহালিয়ে চিভিল চিৰস্তাদাৰজনেৰে গৈ চাই আহি মোক জনালে যে সেইখন চহীৰে সৈতে স্বয়ং ৰাজখোৱাৰ হাতৰ আখৰ। ডি. আই. জি-ক জনালো আৰু বিষয়টোৰ এটা অনানুষ্ঠানিক তদন্ত আৰম্ভ হ'ল। এটা কথা প্ৰতিপন্ন হ'ল যে ৰাজখোৱা ধুবুৰীৰ আশপাশ ক'ৰবালৈ গৈছিল যদিও নিশ্চয় ধুবুৰীলৈ যোৱা নাছিল। যোৱা হলে ধুবুৰীৰ নিচিনা সৰু চহৰ খনত সেইটো জনাজাত হ'লহেতেন? ক'ত থাকি ৰাজখোৱাই টেলিগ্ৰামখন পঠাইছিল? আটাইতকৈ সম্ভাৱনাপূৰ্ণ ঠাই গোৰীপুৰ। কাৰণ?

ৰাজখোৱাৰ লগত ঘনিষ্ঠতা থকা ধুবুৰীৰ পবিত্ৰ চক্ৰৱৰ্তীৰ পৰা পোৱা খবৰ মতে ৰাজখোৱাৰ লগত গোৰীপুৰৰ তেখেতৰ সহপাঠী সত্যপ্ৰকাশ চক্ৰৱৰ্তীৰ

হ'লিগলি আছিল আৰু তেখেতৰ পুতেক জয়প্ৰকাশক ৰাজখোৱাই জাজ অফিচত কেৰাণী কামত নিয়োগ কৰিছিল।

শ্ৰীবৰদা শৰ্মা তেখেতৰ জেঠৌৰিয়েক শ্ৰীঅপূৰ্ব বৰুৱাৰে পুনৰ ২২ জুলাইত ধুবুৰীত উপস্থিত হ'ল। বহুত সোধপোছৰ পিচত জয়প্ৰকাশে সন্তেদ দিলে যে ৰাজখোৱা শিলিগুৰিৰ চেভয় হোটেলৰ সাত নম্বৰ কোঠাত আছে আৰু তাত ৩১ জুলাইলৈকেহে থাকিব। ২৪ জুলাইৰ পুৱা ডি আই জি শৰ্মা, অপূৰ্ব বৰুৱা আৰু অ'চি দ্বিজেন কাহালি শিলিগুৰিলৈ ৰাওনা হ'ল। যথাস্থানত ৰাজখোৱাক আৱিষ্কাৰ কৰিলে। কাহালিক আন এটা কোঠাত বহুৱাই শৰ্মা আৰু বৰুৱাই ৰাজখোৱাৰ পৰিয়ালৰ বিষয়ে সুধিলে। ৰাজখোৱাই বোলে নানা কথা সলাই শেষত তেখেতৰ পৰিয়ালৰ আটাইবোৰৰ অৰ্থাৎ তেখেতৰ পৰিবাৰ আৰু তিনি কন্যাৰ ৰহস্যজনকভাৱে মৃত্যু হোৱা বুলি স্বীকাৰ কৰিলে। শৰ্মা আৰু বৰুৱাই তেখেতক অসমলৈ লৈ আহিব খোজাত তেখেতে আহিবলৈ কাপোৰকানি পিন্ধাৰ সময়তে নিজৰ পেটত চুৰি কটাৰি সুমুৱাই আত্মহত্যাৰ চেষ্টা কৰিছিল। দুইজনে কোনোৰকম ৰাজখোৱাৰ হাতৰ কটাৰিখন কাঢ়িলৈ চিঞৰ-বাখৰ লগালে। হোটেলৰ মানুহ তাত গোট খালেগৈ। পেটৰ জখম বৰ গুৰুতৰ নোহোৱাত তেখেতৰ প্ৰাণ ৰক্ষা পৰিল। শিলিগুৰি থানাৰ পুলিচক খবৰ দিয়া হ'ল আৰু ৰাজখোৱাৰ ওপৰত আত্মহত্যা কৰিবলৈ লোৱাৰ অপৰাধত গোচৰ তৰি তাৰ পুলিচে তেখেতক গ্ৰেপ্তাৰ কৰি জেলৰ হাসপাতাললৈ প্ৰেৰণ কৰিলে।

শ্ৰীশৰ্মা আৰু বৰুৱাই হোটেলত থকা ৰাজখোৱাৰ বিছনা-পাটি আৰু অন্যান্য সা-সামগ্ৰীবোৰ লৈ আহিল আৰু বাহিৰে বাহিৰে গুৱাহাটীলৈ গ'ল। গুৱাহাটীত ৰাজখোৱাৰ বিছনাৰ মাজত ডেৰহেজাৰ মান টকা আৰু কাঠ পেন্সিলেৰে লিখা এখন কাগজ পাইছিল। তাত লিখা আছিল—

"I am Upendranath Rajkhowa, a retired District and Session Judge of Assam. My wife and three daughters are all expired. So what is the use of my being alive ?

Upendranath Rajkhowa
31. 7. 70

কাগজখনত তাৰিখ দিয়া আছিল ৩১।৭।৭০। কিন্তু কাগজখন উদ্ধাৰ হৈছিল ২৪।৭।৭০ তাৰিখে। সেইটো অৰ্থপূৰ্ণ আছিল। জয়প্ৰকাশ চক্ৰৱৰ্তীয়েও ৰাজখোৱা চেভয় হোটেলত ৩১।৭।৭০ লৈকেহে থাকিব বুলি কৈছিল। হোটেলৰ মেনেজাৰ জনেও হেনো ৰাজখোৱাই কেবাদিনো নাখাই নবৈ ব্ৰত কৰি থকা বুলি কৈছিল।

গুৱাহাটী পাই শ্ৰীবৰদা শৰ্মাই ধুবুৰীৰ এছ পিলৈ ওপৰত উল্লেখ কৰা ৰাজখোৱাৰ ঘোষণাটো গাঁঠি দি এখন এজাহাৰ পঠিয়াইছিল। তাত তেখেতে এটা 'অপকৰ্ম' "foul play" সন্দেহ কৰিছিল। সেইখন আমাৰ হাতত পৰাৰ দিনটো আছিল শনিবাৰ—আ ষ্টৰ ৮ তাৰিখ। এছ পি ব্ৰজেন হাজৰিকা, ডি এছ পি নিৰ্মল কান্তি দত্ত আৰু মই বিষয়টোৰ ওপৰত আলোচনা কৰি ধুবুৰী থানাত এটা অপঘাত মৃত্যুৰ গোচৰ তৰিবলৈ দিলোঁ। তাতে আলোচনা কৰি আমি এটা সন্দেহত একমত হৈছিলোঁ যে সেইটো নিশ্চয় এটা ৰহস্যাবৃত হত্যাকাণ্ড। মোৰ সন্দেহ হৈছিল যে ৰাজখোৱাই তেখেতৰ পৰিয়ালটো বধ কৰি বঙলাটোৰ ভিতৰতে পকা ভাঁড় পুতি তাৰ ওপৰত প্লাষ্টাৰ কৰাই থৈ গৈছে। মোৰ কথাত এছ পিয়েও হয়ভৰ দিলে। বঙলাটোৰ ভিতৰখন পৰীক্ষা কৰিবলৈ আমাৰ হেপাহ হ'ল। আমি গ'লো। ইতিমধ্যে নতুন জাজ চৌধুৰীয়ে বঙলা লৈছিল। গৈ জানিলো জাজ গোৱালপাৰালৈ গ'ল। তেতিয়াও তেখেতৰ পৰিয়াল যোৱা নাই। বঙলাত থকা পিয়ন-চহীচে আমি এনেয়ে বঙলাটোৰ ভিতৰখন চাবলৈ গৈছিলো বুলি কোৱাত উপযাচিয়েই আমাক সোমাই চাবলৈ দিলে। ক'তো পকা ভঙাৰ চিনমোকাম নেদেখিলো। চৌহদটোও ঘূৰি পকি চালোঁ। অব্যৱহৃত হৈ থকা কুঁৱাটোৰ পানী তোলাই শুঙি চালো—জানোছা মৃতদেহবোৰ গধুৰ বস্তু বান্ধি তাত পেলাই থোৱা আছে? ক'ৰবাত গাত খান্দি পোতাৰ চিন আছেনে কি তাকো চালোঁ। চহীচে আমাক বহিবলৈ চকী উলিয়াই দিয়াত বাৰান্দাতে বহি কথা উলিয়ালোঁ। ৰাধাকান্ত নামৰ মালীজনো ইতিমধ্যে আমাৰ লগত বহিলগৈ। তেওঁ জাজ ৰাজখোৱা আৰু তেখেতৰ পৰিবাৰৰ প্ৰশংসাত শতমুখ। ৰাধাকান্ত আৰু চহীচক নানা কথা সুধি থাকোতে চহীচে অলপ অৱজ্ঞাৰ সুৰত কিবা এটা কৈছিল। তাতে আমাৰ লগত যোৱা ডি এছ পি দত্তই তেওঁক অলপ ডবিয়াইছিল আৰু কৈ পেলাইছিল যে আমি এটা নৰহত্যা সংক্ৰান্ত অপৰাধৰ তদন্ত কৰিছিলোঁ। সেই কথাটোৱে পৰোক্ষভাৱে এটা কাম সাধিলে। পিছদিনা জাজ চাহাব ঘূৰি অহাত চহীচে কথাটো জাজক লগাই দিছিল। আমিযে তেওঁলোকক ৰাজখোৱা থকা কালত ক'ৰবাত নতুন গাঁত খান্দি পোতা বা আগৰ কোনো পুৰুণি গাঁত পোতাৰ বিষয়ে অনুসন্ধান কৰিছিলো সেই কথাটো শুনি জাজৰ লগত গোৱালপাৰালৈ যোৱা পিয়ন বিগন প্ৰসাদে এটা নতুন তথ্য প্ৰকাশ কৰিলে। বঙলাৰ কাযতে থকা লাইটৰ খুটা এটা উঠাই নিয়াৰ পিছত হোৱা ডাঙৰ গাঁতটো ৰাজখোৱাই বহু দিনলৈ পুতিবলৈ নিদিয়াৰ কথা আৰু পিছত কোনে গাঁতটো পুতিলে তাকো ক'ব নোৱাৰাৰ কথা ক'লে। বাৰীৰ পাছ ফালেও পদুম ফুল ৰুবৰ কাৰণে খন্দোৱা গাত এটা পোতাই পেলোৱাৰ কথাও তেওঁৰ মনত পৰিল। বিগনৰ মনে গোম্ধালে। জাজ চৌধুৰীও শুনি বিচুৰ্ত্তি হ'ল।

সেই ৰাতিয়েই ৰাজখোৱাৰ সম্পৰ্কীয় প্ৰভাত চন্দ্ৰ শৰ্মা ফুকনে নগাঁৱৰ পৰা শিলিগুৰিলৈ গৈ ৰাজখোৱাক দেখা কৰি আহি ধুবুৰীত তেখেতৰ সহপাঠী জাজ চৌধুৰীক মাত লগাবলৈ যাওঁতে চৌধৰীয়ে ফুকনক কথাটো ক'লে। ফুকনে খবৰটো এছ পিক জনাবলৈ পৰামৰ্শ দিলে। এছ পিয়ে দহ তাৰিখ সোমবাৰে পুৱা খবৰ পাই ধুবুৰী থানাৰ অ'চি কাহালিক সেই ঠাইবোৰ খান্দি চাবলৈ আদেশ দিলে। লগত মানুহ লৈ অ'চিয়ে লাইটাৰৈ গাঁতৰ ঠাইত চাব মৰাওতেই এটা পেণ্ট ওলাই পৰিল। লগে লগে হুলস্থুল লাগিল। তেতিয়া এজন দণ্ডাধীশৰ সাক্ষাতত গাঁত কেটা খন্দোৱা হ'ল। লাইটৰ খুটাৰ ঠাইত ৰাজখোৱাৰ পৰিবাৰৰ আৰু বৰজীয়েক বুলি সন্দেহ কৰা দুটা আৰু পদুমৰ গাঁতত বাকী দুটা কঙ্কাল আবিষ্কাৰ হ'ল। পৰিবাৰৰ বুলি সন্দেহ কৰা মৃতদেহটোৰ আঠু দুটা কোচাই কৰঙণৰ লগত এডাল নাইলনৰ ৰচীৰে বান্ধি দিয়া আছিল।

ধুবুৰী থানাত এটা নৰহত্যা গোচৰ তৰা হ'ল। ইমান দিনে যে উমেশে মিছা কথা কৈ আছিল সেইটো ওলাই পৰিল। তেওঁ তেতিয়া গুৱাহাটীৰ কাৰবাৰ ঘৰত লগুৱা আছিল। গুৱাহাটীৰ এছ পিক ফোন যোগে খবৰ দি উমেশক গ্ৰেপ্তাৰ কৰি জৱানবন্দী লোৱাবলৈ অনুৰোধ কৰা হ'ল। গ্ৰেপ্তাৰ হৈয়েই উমেশে সকলো কথা স্বীকাৰ কৰিলে। তেওঁক এজন দণ্ডাধীশৰ ওচৰত হাজিৰ কৰোৱাই তেওঁৰ স্বীকাৰোক্তি লিপিবদ্ধ কৰালে।

একে সময়তেই প্ৰডাকচন ওৱাৰেণ্ট লৈ ধুবুৰী থানাৰ এজন বিষয়া পঠাই শিলিগুৰি জেল হাজোতৰ পৰানি ৰাজখোৱাক সেইদিনাই পোনে পোনে ধুবুৰী জেলৰ এক নিভৃত কোঠাও ৰখা হ'ল। ৰাজখোৱাই যাতে ধুবুৰীত মৃতদেহবোৰ উদ্ধাৰ হোৱাৰ খবৰ ঘুণাক্ষৰেও নাপায় তাৰ বাবে কটকটীয়া ব্যৱস্থা লোৱা হৈছিল।

উমেশ বৈশ্যই গুৱাহাটী আদালতত কৰা স্বীকাৰোক্তিটো আছিল এনে ধৰণৰ—

"এদিন মোক লীনা বাইদেউ, লুনা আৰু ভণ্টুৱে বেড্‌মিণ্টন খেলিবলৈ মাতিলে। মই, লুনা এফালে, বাইদেউ আৰু ভণ্টু এফালে। এবাৰ ককটো মাৰিবলৈ গৈ জোটাপোটা লাগি মই লুনাৰ গাতে পৰিলোঁ। তেওঁ মোৰ ফালে চাই হাঁহি দিলে। পিছদিনা মই পুৱা ভাত ৰান্ধি থাকোতে লুনাই মোৰ গালৈ পানী ছটিয়াই ধেমালি কৰিলে আৰু তেনে সময়তে কাষৰ বাটেৰে স্কুললৈ গৈ থকা ছোৱালী এজাক দেখুৱাই মোক সুধিলে বোলে তোমাক তাৰ কোনজনী লাগে? মই ক'লো কাকো নালাগে। তুমি হলেই হ'ব। সেই ৰাতি লুনা মনে মনে মোৰ বিছনালৈ গ'ল। পিচ দিনা ৰাতি ভণ্টুও মোৰ বিছনালৈ গৈ ক'লে বোলে কালি সৰু বাইদেউ তোমাৰ বিছনালৈ অহা মই গম পাওঁ। সেই

ৰাতি তাই মোৰ লগত শুলে। এনেকৈ লুনা আৰু ভণ্টু মোৰ ওচৰলৈ আহি থাকে। এদিন লুনাই মোক ক'লে বোলে বৰ বেয়া কথা হ'ল নহয়। কালি মই তোমাৰ লগৰ পৰা যাওঁতে দেউতাই দেখিলে।

বঙলাৰ ফুলনিৰ পৰা কোনোবাই খুব ৰাতিপুৱাতে ফুল চুৰ কৰে। ডাঙৰ বাইদেৱে মোক ৰাতিপুৱা ফুলনি ৰখিবলৈ কলে। মই ক'লো বোলো মই সাৰ নাপাওঁ। বাইদেৱে ক'লে কালিলৈ মই জগাই দিম। পিছদিনা বাইদেৱে মোক আন্ধাৰে মুধাৰে জগাই দিলেগৈ। মই উঠি বাইদেউৰ সৈতে মোৰ কোঠাৰ পৰা ওলাই দেখো চাহাবে সিফালৰ দুৱাৰখনৰ ওচৰৰ পৰা খং মুখেৰে আমালৈ চাই আছে। তাৰ কিছুদিনৰ পিছত মোক মোৰ ঘৰৰ কাৰণে অলপ টকাৰ দৰ্কাৰ হ'ল। চাহাবে মোক ধাৰে দিলে।

এদিন চাহাবে মোক কৈছিল তই মোৰ এটা ডাঙৰ কাম কৰিব লাগিব। পাৰিবিনে নাই? মই ক'লো পাৰিম। এবাৰ লুনা আৰু ভণ্টু গুৱাহাটীত থকা সময়তে চাহাবে ৰাতি মোক জগাই দি ক'লে তই যে কৈছিলি ডাঙৰ কাম এটা কৰিবি বুলি আজি কৰিব লাগিব আহ। তেতিয়া চাহাবে মোক গধুৰ লোহা এছটা দি কলে তয়ে ময়ে একেলগে মেম চাহাব আৰু লীনাক বধ কৰিম। আমি দুয়ো দুফালৰ পৰা একেলগে শুই থকা অৱস্থাতে মেম চাহাব আৰু বাউদেউক মুৰত কোবাই মাৰি বঙলাৰ ওচৰৰ লাইটৰ খুটাৰ গাঁতত পুতি থ'লো।

তাৰ কেইদিনমান পিছত লুনা আৰু ভণ্টু গুৱাহাটীৰ পৰা আহিল। এদিন চাহাবে মোক ৰাতি জগাই কলে এতিয়া তয়ো মৰিবি ময়ো মৰিম। ইহঁত দুজনীয়ে মাক আৰু বায়েকক বিচাৰি হুলস্থুল লগাইছে। ইহঁত দুজনীক নামাৰিলে আমি দুয়ো মৰিম। সেইৰাতিও আগৰ বাৰৰ দৰে দুয়ো দুফালৰ পৰা তেওঁলোকক কোবাই মাৰিলোঁ আৰু নি পদুমৰ কাৰণে খন্দা গাঁতত পুতি থলোঁ।"

ৰাজখোৱাক নি ধুবুৰী জেল পোৱাৰ পিছদিনা পুৱা মই এছ আই শান্তিৰঞ্জন দত্তক লগত লৈ জেলৰ ভিতৰত ৰাজখোৱাক আচুতীয়াকৈ অকলে ৰখা বেৰেকটোলৈ গ'লো। মই সাধাৰণ পোছাকত যোৱা কাৰণে তেখেতে মোক জেলৰ ডাক্তৰ বুলি ধৰি বঙলা ভাষাত ক'লে বোলে তেখেতৰ পেটৰ কটা ঘাঁটো শুকুৱা নাই আৰু বিষটোও অলপ অলপ আছে। মই মোৰ নিজৰ পৰিচয় দিয়াত তেখেতে ক'লে বোলে, "ডি আই জি বৰদা শৰ্মাই মোক ফাঁচীত তোলাৰ ষড়যন্ত্ৰ কৰিছে। মই অলপ জ্যোতিষো জানো। জ্যোতিষ মতেও মোৰ ফাঁচী হ'ব লাগে।"

মই মোৰ নিজৰ পৰিয়ালৰ কথা উলিয়াই তেখেতৰ পৰিয়ালৰ আৰু ল'ৰা-ছোৱালীৰ খা-খবৰ সুধিলোঁ। তেখেতে একেবাৰে নিৰুদ্বেগেৰে

নানান মিছা কথা কবলৈ ধৰিলে। মোৰ জেৰাত বহুতো কথা সলালে। এবাৰ ক'লে কাৰবাক কোক্ৰাঝাৰত থকা কোনোবা আত্মীয়ৰ ঘৰলৈ পঠোৱা বুলি। একোবাৰ কয় বোম্বাইলৈ যোৱা বুলি। একোবাৰ কয় নিৰুদ্দেশ হোৱা বুলি। একোতেই সঁচা কথা নকয়। তেখেতৰ বিছনাত পোৱা তেখেতে লিখা কাগজখনত কিয় তেখেতে My wife and three daughters are all expired" বুলি লিখিছিল—সোধাত অৱশ্যে স্বীকাৰ কৰিলে যে তেখেতৰ পৰিয়ালটোৰ বিলুপ্তি ঘটিছে। বিৱৰণ দিলে—বৰজীয়েকে গতা মাৰি দিয়াত মাক বঙলাৰ পিছ ফালৰ ওখ পিৰালিৰ পৰা পৰি ম'ৰিল। অনুশোচনাত বৰজীয়েকে এমুঠি শ্লিপিং টেবলেট খাই মৰিল। ৰাতিয়েই তেখেত ওলাই গৈ—ঠেলা এখনত পাঁচশ টকা ভৰি মৃতদেহ দুটা ব্ৰহ্মপুত্ৰত পেলাই দিয়ালে। কেইদিনমান পিছত বাকী দুজনী জীয়েক গুৱাহাটীৰ পৰা গৈ মাক-বায়েক মৰা বুলি শুনি সিহঁতো ব্ৰহ্মপুত্ৰত পৰি মৰিল। একো পধ্যেই আচল কথা নকয়। অতিষ্ঠ হৈ মই এবাৰ তেখেতক সুধিলো বোলো বাৰু মোক এটা প্ৰশ্নৰ উত্তৰ দিয়ক। আপোনাৰ পৰিবাৰৰ ভৰি দুখন কিয় কোচাই বান্ধি দিছিল? ৰাজখোৱা বিবৰ্ণ হ'ল। কিছুসময় মৌন হৈ থাকি এটা হুমুনিয়াহ কাঢ়ি মাত্ৰ ক'লে, আপুনি দেখোন সকলো কথা জানিছেই। মোক কিয় সোধে?

মই যেতিয়া তেখেতক ক'লো যে উমেশে দণ্ডাধীশৰ আগত সকলো স্বীকাৰোক্তি কৰিছে তেতিয়া তেখেতে অতি নিৰ্বিকাৰ ভাবে উত্তৰ দিলে বোলে "সি স্বীকাৰ কৰিছে সিহে মৰিব।" মই একে লেঠাৰিয়ে কেবাদিনো ৰাজখোৱাক ঘূৰাই পকাই সোধপোছ কৰিছিলোঁ। তেখেতে তেখেতৰ পৰিবাৰ বা ছোৱালী কেজনীৰ চৰিত্ৰ সম্পৰ্কে সন্দেহ কৰা কথাটো দৃঢ়ভাবে অস্বীকাৰ কৰিছিল। সেই সম্পৰ্কে উমেশৰ কথাও মিছা বুলি কৈছিল। এদিন আকৌ বৰজনী জীয়েকেই সকলো দুৰ্ভাগ্যৰ মূল বুলিও কৈছিল। বৰজীয়েক বোলে গুৱাহাটী মিউনিচিপালিটিত কাম কৰা এজন মেট্ৰিকুলেট কেৰাণীৰ প্ৰেমত পৰিছিল। সেই যুৱকজনে সাধাৰণ আধুনিক গান গাইছিল। তেওঁৰ বৰজীয়েক তাতে মোহ গৈছিল। তাই সংস্কৃতত এম এ হৈয়ো তেনে এজন নিম্নখাপৰ ল'ৰাৰ লগত বিয়া হ'ব খোজাত ৰাজখোৱা আৰু তেখেতৰ পৰিবাৰ বৰ ক্ষুণ্ণ হৈছিল। কেবাজনো প্ৰফেচাৰ, ইঞ্জিনীয়াৰ প্ৰাৰ্থী আহোতে বোলে তাই ওলাই মাতবাৰকে নিদিলে। শেষত তেখেত বোলে সম্মত হৈছিল। কিন্তু তেখেতৰ পৰিবাৰে আকোৰগোজ হৈ প্ৰতিজ্ঞা কৰিছিল যে জীয়েকক সেই ল'ৰাটোলৈ বিয়া দিলে তেখেতে আত্মহত্যা কৰিব। বৰজীয়েকেও প্ৰতিজ্ঞা কৰিছিল যে সেই যুৱকৰ লগত বিয়া হবলৈ নাপালে তেওঁ আত্মহত্যা কৰিব। ইয়াতে ধৈৰ্য-চ্যুতি হৈ ৰাজখোৱাই মাক-জীয়েক দুয়োকে উমেশেৰে লগ লাগি বধ কৰিছিল।

বাকী দুজনী জীয়েকৰ ভৱিষ্যত অন্ধকাৰ আৰু অনিশ্চিত হ'ব কাৰণেই সিহঁতকো বধ কৰিছিল। কাৰণ মাক আৰু বায়েক সন্ধানহীন হোৱাৰ পিছত সিহঁতদুজনীক বিয়া কৰাবলৈ হেনো কোনো ভাল পৰিয়ালৰ ল'ৰা আগ নাবাঢ়িব। মাক আৰু বায়েকৰ হত্যাৰ ঘটনাও এদিন নহয় এদিন যেনেও প্ৰকাশ পাব। গতিকে সিহঁতৰ জীৱন দুৰ্বহ হ'ব।

ৰাজখোৱাই মোক কৈছিল যে চেচন আদালতত তেখেতে স্বীকাৰোক্তি কৰিব। মই অভিযোগনামাৰ হুকুম দিব লাগে। মই তেখেতক কৈছিলোঁ যে তেখেতে যদি দণ্ডাধীশৰ আগত স্বীকাৰোক্তি কৰে তেতিয়াহে মই অভিযোগনামা দিবলৈ হুকুম দিম। নহয়, তেখেতে চেচন আদালততহে স্বীকাৰোক্তি কৰিব। মই সেইটো সমূলি বিশ্বাস কৰা নাছিলোঁ। তেখেতৰ জীয়াই থকাৰ এটা অদম্য হেপাহ আছিল। সেই কাৰণেই তেখেতে চেভয় হোটেলত চুৰিখন পেটত ভালকৈ বহুৱাব পৰা নাছিল।

সেই মোকৰ্দমাটোৰ তদন্তত একাণপতীয়াকৈ লাগি নানা ঠাইলৈ যাব লাগিব কাৰণে ডি আই জি শৰ্মাৰ ইচ্ছানুসৰি তেতিয়াৰ হোজাইৰ ডি এছ পি কৃষ্ণ হৰি ডেকাক তদন্তকাৰী বিষয়া পতা হৈছিল। ডেকাৰ তদন্তৰ ধৰণ অলপ পুৰণি কলীয়া বিধৰ আছিল। তেখেতে তদন্তৰ লগত মঙ্গল চোৱাৰ লেখীয়া গণনা যোগ দিছিল আৰু তান্ত্ৰিক ধৰণৰ ভাওঁ দেখুৱাই অভিযুক্তক ভয়খুৱাই সোধপোছ কৰিছিল। উমেশ বৈশ্যক জেলৰ পৰা উলিয়াই নি ধুবুৰী থানাত সোধপোছ কৰোতে মোৰ সমুখতে ডেকাই ৰঙাজবা ফুল, সেন্দুৰ আদি বস্তু আগলতি কলাপাত এখনত লৈ উমেশক ভয়ভীত খুৱাব খুজিছিল। যি নিৰ্ভয়ে নিসংকোচে দুটাকৈ নৰহত্যা কৰি হাঁহি মুখে থাকিব পাৰে তাক ৰঙা জবা আৰু সেন্দুৰে কি ভয় খুৱাব? উমেশে গুৱাহাটী আদালতত প্ৰথমতে স্বীকাৰ কৰিছিল যদিও পিচত ওলোটাখৰ মাৰিছিল।

অপৰাধ বিজ্ঞানৰ এটা সূত্ৰমতে গুপ্ত হত্যাৰ নিচিনা ঘটনা কৰাৰ পিছত অপৰাধীজন ঘটনাস্থলৰ পৰা বৰ বেছি দুৰলৈ সাধাৰণতে নাযায়। গ'লেও সেইঠাইলৈ বা তাৰ আশ পাশলৈ পুনঃ পুনঃ আহি থাকে। সেই সূত্ৰটো ৰাজখোৱাৰ ক্ষেত্ৰত শুদ্ধ প্ৰমাণিত হৈছিল। ধুবুৰীত ঘটনা কৰি তেখেতে অনতিদূৰৰ শিলিগুৰিত থকাই নহয়, গাতে লাগি থকা গৌৰীপুৰলৈকো সঘনে অহা যোৱা কৰি আছিল। এদিন বোলে তেখেতে গৌৰীপুৰৰ চক্ৰবৰ্তীৰ ঘৰত আলহী থাকোতে এটা আচহুৱা ব্যৱহাৰ কৰিছিল। পুৱা তেখেতে গা ধুবলৈ গাত তেল ঘঁহি থকা অৱস্থাতে এজন পুলিচৰ মানুহ তালৈ সোমোৱা দেখি তেখেতে তৰানৰা ছিঙি লৰ মাৰি গৈ পায়খানাত সোমাইছিল। সেই পুলিচ বিষয়াজন আচলতে তেখেতে কামত মকৰল কৰি যোৱা জয়প্ৰকাশৰ

ভেৰিফিকেচনৰ কাৰণেহে গৈছিল। সেইটো দেখি চক্ৰৱৰ্তীৰ ঘৰৰ মানুহে ভাবিছিল যে তেখেতৰ নিচিনা 'বৰলোক' এজন তেনে সাধাৰণ মানুহৰ ঘৰত আলহী থকাটো প্ৰচাৰ হোৱাৰ ভয়তহে তেখেতে তেনে আচৰণ কৰিছিল।

ৰাজখোৱা মোকৰ্দমাটোৰ তদন্ত চলি থকা অৱস্থাতে মই পদোন্নতি পাই ধুবুৰী এৰিলোঁ। পিছত অপৰাধ অনুসন্ধান শাখাৰ ফণী ৰায়ৰ তত্ত্বাৱধানত মোকৰ্দমাটোৰ তদন্ত পৰ্যায় শেষ কৰি অভিযোগনামা দাখিল কৰা হৈছিল। ৰাজখোৱা যে সেই বিভৎস হত্যা কাণ্ডৰ নায়ক আছিল তাত তিলমানো সন্দেহৰ থ'ল নাছিল যদিও সন্দেহৰ সুবিধাৰে তেখেত সাৰি যোৱাৰ সম্ভাৱনাই বেছি আছিল। তেখেতক দোষী সাব্যস্ত কৰিবলৈ সাক্ষ্য প্ৰমাণত পুলিচে কিছু যোগ-বিয়োগ কৰিব লগা হৈছিল। যদিও বিগন প্ৰসাদৰ কথা শুনি ন্যায়াধীশ চৌধুৰীয়ে এছ পিক দিয়া খবৰৰ ভিত্তিতহে গাঁত খান্দি মৃতদেহ কেটা উদ্ধাৰ কৰা হৈছিল, পুলিচৰ ডায়েৰীত সাল-সলনি কৰি সেইটো ৰাজখোৱাই পুলিচ তদন্তকাৰী বিষয়া ধুবুৰী থানাৰ কাহালী নে দত্তৰ আগত কৰা স্বীকাৰোক্তিৰ ভিত্তিত উদ্ধাৰ হোৱা বুলি দেখুওৱা হ'ল। আইন মতে পুলিচৰ আগত দিয়া অপৰাধৰ স্বীকাৰোক্তি আদালতত অগ্ৰহণীয়। কিন্তু তেনে স্বীকাৰোক্তিৰ দম খেদি যদি ঘটনাৰ লগত জড়িত কিবা প্ৰমাণ উদ্ধাৰ হয় তেনেহ'লে সেইখিনি স্বীকাৰোক্তি আদালতত গ্ৰহণীয়। ৰাজখোৱাৰ উকীলে কেনেবাকৈ ন্যায়াধীশ চৌধুৰীক সাক্ষী থিয় কৰোৱা হ'লে ৰাজখোৱাক ফাঁচী কাঠত তোলাটো সম্ভৱ নহ'লহেতেন।

ৰাজখোৱাৰ সেই চাঞ্চল্যকৰ ঘটনাৰ সম্পৰ্কত বহুতো মুখৰোচক কথা ওলাইছিল। খেনোৱে উলিয়াইছিল যে কোনো এক ডাক্তৰী পৰীক্ষাত তেখেত পিতৃ হোৱাৰ উপযুক্ত নাছিল বুলি প্ৰমাণিত হৈছিল। গতিকেই তেখেতে তেনে কাম কৰিলে। কোনোৱে তেখেতৰ পৰিবাৰৰ চৰিত্ৰৰ ওপৰত চেকা পেলাইছিল। কিন্তু ফৰেনচিক লেবৰেটৰীত তেখেতৰ আৰু তেখেতৰ জীয়েকহঁতৰ ফটো আৰু মৃতদেহৰ লাওখোলাবোৰ চুপাৰ ইমপজ কৰি দেখা গৈছিল যে জীয়েকহঁতৰ লাওখোলাৰ লগত তেখেতৰ মুখ মণ্ডলৰ গঠনৰ সম্পূৰ্ণ মিল আছিল।

ইমান বিলাক হত্যাকাণ্ড কৰিও তেখেত নিৰুদ্বেগ আৰু নিৰ্বিকাৰ হৈ থকাটোও বৰ অস্বাভাৱিক আছিল। তথাপিও এদিন তেখেতক মই চকুলো টোকাইছিলো। ভৱানী প্ৰসাদ অধিকাৰী (?) ৰ 'কবৰৰ ফুল' শীৰ্ষক এটি কবিতাই নে প্ৰবন্ধ অসম বাণীত ওলাইছিল। সেইটো তেখেতৰ বৰজীয়েকৰ হত্যাৰ সম্পৰ্কত আবেগিক বিধৰ লিখা আছিল। মই জেৰা কৰাৰ সুবিধা হ'ব বুলি সেইটো নি তেখেতক পঢ়িবলৈ দিছিলোঁ। অলপ পঢ়িয়েই তেখেতে পঢ়িব নোখোজাত ময়ে আবৃত্তিৰ সুৰত পঢ়ি শুনালোঁ। ৰাজখোৱাই "আৰু নপঢ়িব

আৰু নপাঠুৰ" বুলি চিঞৰি উঠিছিল আৰু তেখেতৰ চকুৰ লোতক বাগৰি আহিছিল।

সকলো হত্যাকাণ্ডৰে একোটা গভীৰ কাৰণ থাকে। ৰাজখোৱাৰ ক্ষেত্ৰত সেইটো ৰহস্য হৈয়েই ৰ'ল। সেই মোকৰ্দমাটোৰ তদন্ত চলি থকা সময়তে এদিন মই ডি আই জি বৰদা শৰ্মাৰ লগত একেলগে গোলোকগঞ্জৰ পৰা অভয়াপুৰীলৈ গৈ থাকোতে তেখেতে সেই প্ৰসঙ্গত একাষাৰ কথা কৈ মোক স্তম্ভিত কৰিছিল। তেখেতে কৈছিল যে ৰাজখোৱাৰ পৰিয়ালটো সন্ধানহীন হোৱা শুনিয়েই হেনো তেখেতে সন্দেহ কৰিছিল যে ৰাজখোৱাই তেওঁলোকক হয় হত্যা কৰিছিল নহয় পাকিস্থানীক বিক্ৰী কৰি দিছিল। মই দুবাৰো তেখেতক তেনে সন্দেহৰ কাৰণ সোধাত তেখেত নিমাতে থাকিল। গতিকে মোৰ সন্দেহ হৈছিল যে সেই পৰিয়ালটোত ক'ববাত কিবা এনে ৰহস্যজনক কেণা আছিল যিটো কেতিয়াও উদ্ঘাটিত নহ'ল আৰু নহ'ব। শৰ্মাদেৱ ৰাজখোৱাৰ আপোন শালপতি।

পৰিয়ালটো বধ কৰাত ৰাজখোৱাৰ যিয়েই উদ্দেশ্য নাথাকক লাগে, উমেশ বৈশ্যৰ কি স্বাৰ্থ আছিল বাৰু? মেম চাহাব আৰু লীনাক বধ কৰাত উমেশে অংশ লোৱাৰ এটাই কাৰণ হ'ব পাৰে যে ঘৰ খনৰ অভিভাৱিকা স্বৰূপ তেওঁলোকক আঁতৰালে লুনা আৰু ভন্টুৰ লগত তাৰ অবাধ হলি গলি সুচল হব। লুনা আৰু ভন্টুৰ হত্যাত হয়তো আত্মৰক্ষাই তাক পৰিচালিত কৰিব পাৰে।

মই ধুবুৰীত অতিৰিক্ত আৰক্ষী পদত থাকোতেই মোলৈ ভাৰত চৰকাৰৰ কেবিনেট চেক্ৰেটেৰীয়েটৰ অধীনত তেতিয়া নতুনকৈ গঠিত হোৱা 'ৰ' (ৰিচাৰ্চ এণ্ড এনালিচিচ্ উইং) ত যুটীয়া সহকাৰী সঞ্চালকৰ পদ যচা হৈছিল। সেইটো গ্ৰহণ কৰা হ'লে মোৰ অৱসৰলৈকে মই কেন্দ্ৰীয় চৰকাৰৰ অধীনতে থাকিব লাগিলহেতেন। এখন জিলাৰ আৰক্ষী অধীক্ষক হোৱাৰ মোৰ এটা গোপন হেঁপাহ আছিল। সেয়ে 'ৰ'ৰ পদটো বৰ লোভনীয় আছিল যদিও মই গ্ৰহণ নকৰিলোঁ। পদোন্নতি পাই বিশেষ শাখাৰ আৰক্ষী অধীক্ষক থকা সময়তো (১৯৭২) মোক 'ৰ'-ৰ সহকাৰী সঞ্চালকৰ পদত নিযুক্তি দিবৰ কাৰণে অসম চৰকাৰে মোৰ সেৱা ভাৰত চৰকাৰৰ হাতত অৰ্পণ কৰাৰ জাননী প্ৰায় ওলাওঁ ওলাওঁ হওঁতেই মই মহাপৰিদৰ্শক লালা বি কে দে চাহাবক দেখা কৰি মোৰ মনৰ গোপন হাবিয়াসটোৰ কথা খোলোচাকৈ ক'লোগৈ। তেখেতে মোৰ কথা ৰাখিলে। মই পিছত গম পাইছিলোঁ—আৰম্ভণিতে মই প্ৰথম বেটেলিয়নৰ সহকাৰী অধিনায়ক থাকোতে অধিনায়ক থকা টি. এ. সুব্ৰামনিয়াম চাহাব তেতিয়া 'ৰ'-ত আছিল আৰু তেখেতেই বাৰে বাৰে মোক নিবলৈ ইচ্ছা কৰিছিল।

মই বিশেষ শাখাৰ আৰক্ষী অধীক্ষক পদত থকা সময়তে ১৯৭২ চনত অসমত

অসমীয়া ভাষা মাধ্যম আন্দোলন হৈছিল। সেই আন্দোলনৰ ধামখুমিয়াতে থাৰুপেটীয়াত আহত হোৱা মোজাম্মিল আলিক গুৰুতৰ অৱস্থাত গুৱাহাটী মেডিকেল কলেজ হাসপাতললৈ অনা হৈছিল। পিছদিনা পুৱা দহমান বজাত কামৰূপৰ এছ পিয়ে টেলিফোন যোগে মোক জনালে যে দুই এঘণ্টাৰ ভিতৰতে মাজাম্মিলে শেষ নিশ্বাস পেলাব। তেওঁৰ অৱস্থা সংকটজনক। মই সেই সংবাদ লগে লগে সংশ্লিষ্ট সকলোকে দিলোঁ। মোজাম্মিলৰ মৃত্যুয়ে গোটেই অসমত ভয়ানক প্ৰতিক্ৰিয়া ঘটোৱাৰ সম্ভাৱনা আছিল। সেইদিনাই একমান বজাত মোক লক্ষীমপুৰ জিলাৰ এছ. পি. পদত নিয়োগ কৰা হ'ল আৰু চৰকাৰৰ নিৰ্দেশ মতে তিনিমান বজাত ধোবাৰ ঘৰৰ কাপোৰ ধোবাব ঘৰতে এৰি উত্তৰ লক্ষীমপুৰলৈ বুলি চিলঙ এৰি। পিছদিনা সেই জিলাৰ কাৰ্যভাৰ গ্ৰহণ কৰিলোগৈ।

১৯৬০ চনৰ ভাষা আন্দোলনত আটাইতকৈ বেছি অশান্তি ঘটা ঠাইবোৰৰ ভিতৰত নগাঁও আৰু উত্তৰ-লক্ষীমপুৰ শীৰ্ষত আছিল। লক্ষীমপুৰ জিলাত সাফল্যৰ বিষয়ে একো নকৈ মাত্ৰ মোৰ বিদায় সভাত লক্ষীমপুৰ জিলা নাগৰিক সম্হাই কুন্দত কটা ধুনীয়া কাঠৰ বকলাৰে বন্ধা সাঁচিপতীয়া পুথিৰ আহিঁত লিখি মোক দিয়া অভিনন্দনখনৰ কিয়দংশ ইয়াত তুলি দিব খুজিছোঁ।

"লক্ষীমপুৰ জিলা গঠন হোৱাৰ এবছৰ পাছতেই এই জিলাখনৰ আৰক্ষী অধীক্ষক ৰূপে আমি আপোনাক আমাৰ মাজত পাই ভাবিছিলোঁ যে জিলাখনে প্ৰগতি আৰু উন্নতিৰ বাটত অসমৰ অন্যান্য জিলাৰ পৰ্যায়লৈ আহিবলৈ যি দুই চাৰি বছৰ লাগে সেইখিনি সময়লৈকে আমি আপোনাক আমাৰ মাজত পাম। কিন্তু চাৰিমাহ পুৰ হ'বলৈ পোৱাৰ আগতেই অসমৰ বৃহত্তৰ স্বাৰ্থৰ খাটিৰত আপোনাক আমাৰ মাজৰ পৰা এৰি দিবলগীয়া হ'ল। এজন সুদক্ষ পুলিচ বিষয়া হিচাপে আপুনি এই চাৰি মাহত যিখিনি প্ৰশংসনীয় কাম কৰিলে সিয়েই আমাৰ মনত যাউতিযুগলৈ অম্লান হৈ থাকিব। মাধ্যম্ আন্দোলনৰ সময়ত যেতিয়া অসমৰ আটাইকেইখন জিলা আৰু সৰহখিনি নগৰ সান্ধ্য আইনৰ কবলত পৰি নগৰবাসীৰ জীৱন দুৰ্ব্বহ আৰু অতিষ্ঠ কৰি তুলিছিল, তেতিয়া এইখন জিলাত শান্তি সম্প্ৰীতি অটুট আছিল। আপোনাৰ যোগ্য প্ৰশাসন আৰু আৰু কঠোৰ সতৰ্কতাৰ কাৰণেই, আপোনাৰ যোগ্যতা আৰু দক্ষতাৰ কাৰণেই এই নগৰত দুই এটা সৰুসুৰা ঘটনাৰ বাহিৰে আন একো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহ'ল ; তাৰবাবে আপুনি সমূহ নগৰবাসীৰ ধন্যবাদৰ পাত্ৰ। অসম অৰুণাচলৰ আহুকলীয়া সীমা বিবাদ আৰু এই জিলাৰ কোনো কোনো অংশত চলা পাহাৰী জনজাতীৰ ব্যাপক বেদখল আৰু অত্যাচাৰৰ প্ৰতিৰোধ কল্পে আপুনি লোৱা ব্যৱস্থাই পাহাৰ ভৈয়ামৰ সম্ভাৱ আৰু সম্প্ৰীতি ঘুৰাই অনাত

উল্লেখযোগ্য বৰঙণি যোগাব। আপোনাৰ সুদক্ষ আৰু চোকা দৃষ্টিৰ কাৰণেই এই জিলাখনত অশুভ শক্তিসমূহে গা কৰিব পৰা নাছিল। চোৰ-ডকাইত আৰু অসামাজিক বে-আইনী শক্তিবোৰ আপোনাৰ কাৰণেই মূৰ ডাঙি উঠিব পৰা নাছিল। ইয়াৰ বাহিৰেও পুলিচ আৰু জনসাধাৰণ তথা ছাত্ৰ সমাজৰ মাজত মধুৰ সম্পৰ্ক গঢ়ি উঠিছিল।

আপোনাৰ বিদায় বেলাত আমি এই সকলোখিনি শ্ৰদ্ধাৰে সুঁৱৰিছো।"

শুদ্ধ নিৰাসক্ত নেতৃত্ব পালে জিলা এখনৰ পুলিচসকলে ৰাইজৰ মাজত কেনে কাম কৰিব পাৰে অভিনন্দনখনত উল্লেখ কৰা কৃতকাৰ্যতাখিনিয়ে তাৰ এটা ইঙ্গিত দিয়ে। সেয়া এজন ব্যক্তিৰ কাম নাছিল—আছিল জিলাখনৰ পদমৰ্যাদা নিৰ্বিশেষে সমূহ পুলিচ কৰ্মীৰ।

১৯৬০ চনৰ ৰাজ্যভাষা আন্দোলনে অসমৰ জনগোষ্ঠী বিলাকৰ মাজত যি বিচ্ছিন্নতাৰ বীজ সিঁচি গৈছিল সি ফলেফুলে জাতিস্কাৰ হৈ ১৯৭২ চনত মাধ্যম আন্দোলনৰ জন্ম দিলে। পঢ়া-শুনা এৰি ৰাজপথলৈ ওলাই আহিবলৈ চেলু বিচাৰি ফুৰা এছাম ছাত্ৰৰ কাৰণে মাধ্যম আন্দোলন আছিল এটা সুৱৰ্ণ সুযোগ। অনেক ছাত্ৰই মাধ্যম আন্দোলনটোনো কি তাৰ ভুকে নাপাইছিল। তেওঁলোকৰ কিছুমানে বঙালী ছোৱালীক শাৰী এৰুৱাই মেখেলা পিন্ধোৱাটোও মাধ্যম আন্দোলনৰ কাৰ্যসূচীৰ ভিতৰুৱা বুলি ধৰিছিল। লক্ষীমপুৰতে কেবাজনো ছাত্ৰনেতাই মোৰ আগত কথা কওঁতে তেওঁলোকৰ মুখত বাৰে বাৰে 'মধ্যম' 'মধ্যম' শুনি মই সুধিলো বোলো 'মধ্যম' আন্দোলন মানে কি বুজিছা? উত্তৰত বোলে আমাৰ অসমীয়া ভাষা ইংৰাজী আৰু বঙালীৰ মধ্যত হব লাগিব।

মাধ্যম আন্দোলনটোৱে অসমৰ বহুঠাইত হিংসাৰ ৰূপ লোৱাৰ গুৰিতে কৰ্তৃপক্ষৰ কিছুমান অপৰিপক্ক সিদ্ধান্তও দায়ী আছিল। এটা দৃষ্টান্ত দিওঁ।

লক্ষীমপুৰ জিলাত আমি অৰ্থাৎ জিলা প্ৰশাসনে হৃদয়হীন ব্যৱস্থাৰ পৰিৱৰ্তে, সাধাৰণ ৰাইজ, যুৱ শক্তি আৰু ছাত্ৰ শক্তিক বিশ্বাসতলৈ কাম কৰিছিলো। উপায়ুক্ত আছিল নীতিন মুখাৰ্জী। আমাৰ দুয়োৰে মাজত সুস্থ বুজা-পৰা আৰু সহযোগিতা অটুট আছিল। জিলা প্ৰশাসনত এইটো অতি লাগতিয়াল চৰ্ত। তাহানি অনিল চৌধুৰীয়ে (তেখেত অসম লোক সেৱা আয়োগৰো অধ্যক্ষ আছিল) ৰগৰ কৰি কৈছিল বোলে জিলা এখন গৰুগাড়ী। ডি চি আৰু এছ পি হ'ল তাৰ বলদ হাল। গৰু হালৰ সমান খোজ কাটল আৰু আচৰণৰ ওপৰতে গাড়ীখন ঠিক ভাবে চলাৰ দৰে ডি চি, এছ পিৰ সহযোগিতা আৰু বুজা পৰাৰ ওপৰত জিলা প্ৰশাসন ঠিকভাবে চলে।

অসমৰ আন প্ৰায়বোৰ জিলাত অশান্তি চলি থকা সত্বেও আমাৰ জিলাখন

প্ৰায় স্বাভাৱিক আছিল। তেনে সময়তে ৰাজধানী চিলঙত অসমীয়া বিৰোধী এটা চক্ৰই গা কৰি উঠিছিল। এদিন হঠাতে খবৰ পালো যে অতি দক্ষ, বিশেষকৈ বিশেষ শাখাৰ অতি বিচক্ষণ মুৰব্বী ঘনকান্ত মেধিক এক প্ৰকাৰ অপদস্থ কৰিয়েই অকস্মাতে তেখেতৰ ঠাইত আন এজন বিষয়াক বিশেষ শাখাৰ মুৰব্বী পতা হ'ল। তাৰ পিছদিনা পুৱা ভাগতে জিলা অধিক্ষক সকললৈ দিয়া এখন বেতাৰ বাৰ্তা পালো যে একোজন বিশেষ কটকীয়ে এক বিশেষ গোপন আদেশপত্ৰ লৈ প্ৰত্যেক জিলালৈ গৈ আছে। সেইখন ল'বলৈ এছ পি সকল নিজ নিজ সদৰত থাকিব লাগে। মই উপায়ুক্তক কথাটো জনাই থ'লো। কাৰণ মই অনুমান কৰিছিলো যে সেই গোপন আদেশ পত্ৰখন নিশ্চয় নিৰাপত্তা আইনৰ অধীনত ব্যৱস্থা লোৱাৰ আদেশ হ'ব।

নেকনেকীয়া বৰষুণ। তিৰপোল ফটা জীপ এখনত তিতি বুৰি ৰাতি নমান বজাত গোপন পত্ৰখন লৈ এজন বিশেষ শাখাৰ উপ-পৰিদৰ্শক লক্ষীমপুৰ পালেগৈ। অনুমান কৰাটোৱেই হয়। এখন নামৰ তালিকা। তেওঁলোকক সেই ৰাতিয়েই নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰি জেলত ভৰাব লাগে আৰু পিছদিনা পুৱা হুকুম তামিল কৰাৰ খবৰ পঠাব লাগে। উপায়ুক্ত তেতিয়া মোৰ বাস ভৱনতে। তালিকাখন দেখি আমাৰ দুয়োৰে চকু থৰ হল। উত্তৰ লক্ষীমপুৰ নগৰৰ এনে কিছুমান লোকৰ নাম তাত আছিল যাক লগতলৈ সেইদিনাও আমি শান্তি সম্প্ৰীতি ৰক্ষা কৰি আছোঁ। আমাৰ তথা জিলা প্ৰশাসনৰ পৰা কোনো প্ৰতিবেদন নোপোৱাকৈ কোনে সেইখন তালিকা চিলঙত বহি প্ৰস্তুত কৰিলে? সেই মতে কাম কৰিলে দেখোন জনমানসত আমি বিশ্বাসঘাতক প্ৰতিপন্ন হোৱাৰ উপৰিও তেতিয়ালৈকে শান্ত হৈ থকা জিলাখন নিৰ্ঘাত অশান্ত হৈ পৰিব।

তেতিয়া দৰং আৰু লক্ষীমপুৰ জিলাৰ আইন শৃংখলাৰ দায়িত্বত তেজপুৰত বাহৰ পাতি থকা ডি আই জি চামচুদ্দিন আহমদক আমি দুয়ো ফোন কৰি কথাটো ক'লো। তেখেত বোলে নিৰুপায়। ৰাতিয়েই বিশেষ শাখাৰ নতুন মুৰব্বী আৰু হুকুমটোৰ উৎস বাবৰ চাহাবক ফোন কৰিলো। আমি দুয়ো বুজোৱা সত্বেও তেখেত অচল অটল। হুকুম মতে কাম হ'ব লাগে। বচ্। তেতিয়া মই তেখেতক ক'লো যে সেই হুকুম আখৰে আখৰে পালন কৰিম। কিন্তু ৰাতিপুৱা সাত বজাত পোৱাকৈ লক্ষীমপুৰ জিলালৈ কমেও তিনিটা চি আৰ পিৰ কোম্পানী পঠাব লাগে। নহ'লে পৰিস্থিতি শান্ত ৰাখিব পৰা নাযাব। তেখেতে ঘুৰাই মোক ক'লে বোলে চি আৰ পি লাগিলে আগতে খুজিব লাগিছিল। তেতিয়া ৰাতিটোৰ ভিতৰতে ক'ৰ পৰা চি আৰ পি পঠাব? মই ক'লো যে আগতে বিচৰাৰ প্ৰয়োজন নাছিল। সেই ৰাতি কৰিব খোজা গ্ৰেপ্তাৰৰ কাৰণে যি পৰিস্থিতি উদ্ভব হ'ব তাক চম্ভালিবলৈহে চি আৰ পি

নহলেই নহ'ব। সেইবাৰ বাবৰ চাহাবে উপায়ুক্তৰ লগতো কথা হ'ল আৰু শেষত আদেশটো তেতিয়া পালন নকৰিলেও হ'ব বুলি নিজৰ খুটি লৰালে। সেই হুকুম পালন কৰাৰ কাৰণেই আন জিলা বিলাকত পৰিস্থিতিৰ অধিক অৱনতি ঘটিল। আমি ৰেহাই পালো কাৰণে আমাৰ জিলাখন শান্ত হৈ থাকিল।

মই লক্ষীমপুৰ জিলাত অধীক্ষক হৈ থকা সময়তে হেম বৰুৱাদেৱক লক্ষীমপুৰ জিলা সাহিত্য সভাৰ ফালৰ পৰা তালৈ নিমন্ত্ৰণ কৰি নিছিল। একালত পাৰ্লিয়ামেণ্ট ক'পাই থকা লোকজনৰ শাৰীৰিক, বিশেষকৈ কথাকে ভালকৈ ফুটাই ক'ব নোৱাৰা অৱস্থা দেখি আমাৰ বৰ দুখ লাগিছিল। তাতে যেতিয়া তেখেতে ক'লে যে তেখেতৰ সেই শাৰীৰিক অৱনতিৰ ঘাই কাৰণ আছিল এটা প্ৰচণ্ড মানসিক আঘাত আৰু সেই আঘাতটো পাইছিল—তেখেতে অসমৰ হৈ সিংহৰ দৰে যুঁজি থকা স্বত্বেও তেখেতক অসমৰ ৰাইজে কৰা প্ৰত্যাখ্যানৰ পৰা। তাতোকৈ শোক লগা কথাটো আছিল, তেখেতে যেতিয়া ক'লে যে, কংগ্ৰেছে অসমৰ এজন জনপ্ৰিয় শিল্পী গায়কক কেইহেজাৰ মান টকাৰে কিনি লৈ শিখণ্ডি হিচাপে একেটা সমষ্টিতে তোলাই দি তেখেতৰ ভোটৰ বিভাজন ঘটাই কংগ্ৰেছী প্ৰাৰ্থীজনৰ জয় সম্ভৱ কৰিছিল।

হায় জনপ্ৰিয় শিল্পী। শিল্পী সুন্দৰৰ পূজাৰী। পিছে যাৰ নিজৰ জীৱন পুতি গন্ধময়, তাৰ দুৰ্গন্ধ লোটাই লোটাই সুগন্ধী আতৰেও দূৰ কৰিব নোৱাৰে। সুকণ্ঠী হ'লেই শিল্পী নহয়। শিল্পী মহান।

পাৰ্লিয়ামেণ্টৰ পৰা হেম বৰুৱাৰ প্ৰস্থান অসমীয়া জাতিৰ কাৰণে এটা মৰ্মন্তুদ ঘটনা।

মোক লক্ষীমপুৰ জিলাৰ পৰা কাৰবি আংলঙ জিলালৈ (তেতিয়া মিকিৰ পাহাৰ) বদলি কৰা হৈছিল আকস্মিকভাৱে। ডিফুত পুলিচ আৰু স্থানীয় কলেজ টীমৰ মাজত হোৱা এখন ফুটবল খেলাত উদ্ভৱ হোৱা এটা সংঘৰ্ষৰ পৰা আৰম্ভ হৈ গোটেই জিলাখনতে পুলিচ আৰু জনসাধাৰণৰ সম্পৰ্ক অহি নকুল হৈ পৰিছিল। য'তে ত'তে পুলিচ আৰু জনসাধাৰণৰ সংঘৰ্ষ হৈছিল। তাকৰীয়াকৈ আৰু বিনা অস্ত্ৰে পুলিচ আলিবাটলৈকে ওলাব নোৱাৰা হৈছিল।

কন্দলটোৰ সুত্ৰপাত হৈছিল ফুটবল খেলখনত কিছুমান যুৱকে পুলিচৰ গ'লৰ পিচ ফালে বলটো গলেই ভোৰতাল বজাই গ'ল ৰক্ষকজনৰ মনযোগ ভ্ৰষ্ট কৰাৰ চেষ্টাৰ পৰা।

আনহাতে তেতিয়া কাৰবি আংলঙ আৰু উত্তৰ কাছাৰ জিলাৰ জনজাতীয় জনচেৰেক প্ৰভাৱশালী নেতা লগ হৈ এখন সুকীয়া ৰাজ্য ফালি অসমৰ পৰা ওলাই যাবলৈ এটা আন্দোলন গঢ়ি তুলিছিল। তাত শৰৎ সিংহৰ মন্ত্ৰীসভাত ঠাই

নোপোৱা এজন কংগ্ৰেছী প্ৰাক্তন মন্ত্ৰীও আছিল। সেই আন্দোলনটো তেতিয়া তুংগত। সেই কংগ্ৰেছী প্ৰাক্তন মন্ত্ৰী গৰাকীক মই উপায়ুক্ত উমাচৰণ শৰণীয়াৰ সাক্ষাততে তেখেতৰ অফিচ কোঠাতে সুধিছিলো বোলো আপুনি একালত অসমৰ লগত থকাৰ ঘোৰ সমৰ্থক আছিল। এতিয়ানো হঠাতে কিয় মত সলনি হ'ল? উত্তৰত তেখেতে কৈছিল বোলে, এইটো এটা খেলাহে। মোৰ কিমান শক্তি আছে তাকে সিংহক দেখুৱাব খুজিছো।

এনেকৈয়ে আমাৰ দেশত আন্দোলন হয়। সেইসময়ত সমান্তৰালভাবে হাওৰাঘাট অঞ্চলৰ পুৰণি অজনজাতীয় বাসিন্দাসকলৰ মাজতো এটা প্ৰতি-আন্দোলনে গা কৰি উঠিছিল। সেইটো আছিল অসমৰ পৰা ফাটি নতুন ৰাজ্য পাতিব খোজা আন্দোলনটোৰ প্ৰতিক্ৰিয়া। সেইসকলৰ দাবী আছিল যে যেতিয়া নগাঁও জিলাৰ নমাটি মৌজাকে ধৰি সেই অঞ্চলটো আৰু শিৱসাগৰ জিলাৰো একাংশ ফালি নি উত্তৰ কাছাৰ মহকুমাৰে লগ লগাই সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলা গঠন কৰা হৈছিল তেতিয়া তেওঁলোকে এখন সুকীয়া জিলা হ'লেও অসমতে থাকিব কাৰণে আপত্তি কৰা নাছিল। কিন্তু যেতিয়া জনজাতীয় কিছুমান নেতাই অসমৰ পৰা ওলাই গৈ এখন সুকীয়া ৰাজ্যপতাৰ প্ৰস্তাৱ কৰিলে তেতিয়া অজনজাতীয় বসতি প্ৰধান নমাটি মৌজাৰে অজনজাতীয় লোকসকলে পুনৰ নগাঁৱৰ অন্তভূৰ্ক্ত হ'ব লাগে বুলি দাবী তুলিলে। বোকাজান অঞ্চলতো প্ৰায় একে এটা দাবীৰ গুণগুণনি উঠিছিল। আনহাতে ডিমাপুৰৰ সংলগ্ন কাৰবি আংলঙ জিলাৰ এক বৃহৎ সংৰক্ষিত বনাঞ্চলকে ধৰি এক খণ্ড নগালেণ্ডে থপিয়াই নিব খোজাত তাত সঘনে অশান্তি হৈছিল।

ডিমাপুৰ ষ্টেচনটোৰ পূৰ্বৰ নাম আছিল মণিপুৰ ৰোড্। তেতিয়া শিৱসাগৰ জিলাৰ অন্তভূৰ্ক্ত। নগালেণ্ড ৰাজ্য গঠন হোৱাৰ সময়ত মণিপুৰ ৰোডকে ধৰি শিৱসাগৰ জিলাৰ কিছু অংশ নগালেণ্ডত দিয়া হৈছিল।

পুৰুণি কালৰ পৰা সীমা সদায় কন্দলৰ এটা কাৰণ হৈ আহিছে। শ্ৰীমদ্ভাগৱতত আছে যে ৰজা পৰীক্ষিতে কলিক তেওঁৰ সসাগৰা ৰাজ্যৰ পৰা বহিষ্কাৰ কৰিব খোজোতে, ৰজাক কাকুতি মিনতি কৰি কলিয়ে তেওঁৰ ৰাজ্যতে অকণমান ঠাই বিচাৰিছিল। ৰজাই দয়া পৰৱশ হৈ কলিক নিৰ্দিষ্ট কৰি দিয়া সীমিত ঠাইবোৰৰ ভিতৰত 'সীমা' ও আছিল এটা। কলি মানেই কন্দল। সেই কাৰণে জ্ঞানী সকলে প্ৰথমতে সীমাৰ লেঠাটো নিষ্পতি কৰি লয়। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে আমাৰ অদুৰদৰ্শী নেতাসকলে সেইটো কামকে সদায় পিচলৈ থয়। সেইসকলৰ ভিতৰত অসমীয়া নেতাসকলৰ স্থান শীৰ্ষত।

পুলিচ বিভাগত মোৰ ওঠৰবছৰীয়া কাৰ্যকালৰ ভিতৰত কাৰবি আংলঙতেই সৰ্বাধিক—চাৰে তিনি বছৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য ঘটিছিল।

জনজাতীয় নেতাসকলকে ধৰি আমাৰ দেশৰ জনসাধাৰণৰ সবাতোকৈ ডাঙৰ দুৰ্ভাগ্যটো হ'ল সমস্যা চিনাক্তকৰণত অক্ষমতা। আমি অনুভৱ কৰা 'অভাৱ' আৰু আমাৰ 'আৱশ্যকতা'ৰ সামঞ্জস্য নাই। আমাক কি লাগে? ৰাজ্যনে, ব্লকনে, থানানে, ডাক বঙলানে বিদ্যালয়নে উদ্যোগ তাক আমি নাজানো। জনচেৰেক স্বাৰ্থান্বেষী নেতাৰ প্ৰৰোচনাত বিচাৰিব লগা নিজৰ দৰ্কাৰীটো নিবিচাৰি বিচাৰো নেতাসকল লাভবান হোৱা বা হ'ব পৰা কিবা এটা। তাহানি নগা পাহাৰ জিলা, খাচিয়া জয়ন্তীয়া জিলা, গাৰোপাহাৰ জিলা, লুচাই পাহাৰ জিলাৰে একেলগে থকা বৰ অসমত মুঠ বিধায়কৰ সংখ্যা আছিল এশ আঠজন। মন্ত্ৰী আছিল বাৰজন মান। এতিয়া খণ্ড-বিখণ্ড হোৱাৰ পিছত আটাই কেখন ৰাজ্যৰ মন্ত্ৰীৰ সংখ্যাই ডেৰশমান হৈছেগৈ। বিধায়কৰ সংখ্যাও চাৰে তিনিশ মান হৈছে। নেতাসকলৰ কাৰণে এমপ্লইমেণ্ট এভিনিউ—নিযুক্তিৰ থল বাঢ়িছে। কিন্তু দুখীয়া জন সাধাৰণৰ অৱস্থা একেই থাকিল।

কাৰ্বি আংলঙ জিলাত অপৰাধৰ সংখ্যা ভৈয়ামৰ জিলা বিলাকৰ তুলনাত তাকৰ। অৱশ্যে তাত ৰাজনৈতিক সমস্যা অধিক আৰু কিছু জটিল। সাধাৰণ কাৰ্বি লোকসকল তুলনামূলক ভাবে দুখীয়া। দুখীয়া নুবুলি দৰিদ্ৰ বুলিলেহে থাপ খায়। কাৰ্বি নেতাসকলেও কাৰ্বি জনসাধাৰণৰ উন্নতি কল্পে মনে প্ৰাণে শুদ্ধচিত্তে কিবা কৰিছে বুলি ভাবিবলৈ কেতিয়াবা টান লাগে। তাৰ মাজতে জনচেৰেক যে ব্যক্তিক্ৰম নাছিল এনেও নহয়। মই কাৰ্বি আংলঙত থকা সময়ছোৱাত ছত্ৰসিং টেৰণ আৰু জয়সিং দলৈ আদি মুষ্টিমেয় নেতাৰ বাহিৰে কাৰ্বিসকলৰ উন্নতিৰ অৰ্থে মনে প্ৰাণে চিন্তা কৰা নেতা মোৰ চকুত পৰা নাছিল।

কাৰ্বি সাধাৰণ লোক সকলৰ দৰিদ্ৰতাৰ এটা কাৰণ আছিল তাত প্ৰচলিত 'পাইকাচ' প্ৰথা। কাষৰ নগাঁও জিলাৰ পৰা গৈ কাৰ্বি আংলঙত থিতাপি লোৱা পমুৱা মুছলমান সম্প্ৰদায়ৰ কণ্টসহিষ্ণু খেতিয়কসকলে কাৰ্বি সকলৰ খেতিৰ মাটিবোৰ কিছু নগদ টকা দি এবছৰ, দুবছৰ বা কেবাবছৰৰ কাৰণে খেতি কৰিবলৈ কিনি লয়। মাটিৰ গৰাকী সকলে টকাকেটাৰে যথাশীঘ্ৰে মদে-ভাতে খাই হাত উদং কৰি দৰিদ্ৰতাত ভোগে। জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য জয়সিং দলৈৰে আলচ কৰি তেতিয়াৰ ডি চি উমাচৰণ শৰণীয়া আৰু মই সেই প্ৰথাটো বন্ধ কৰাৰ কাৰণে চেষ্টা কৰিছিলোঁ। তেনে কৰাত বহু হিন্দু আৰু মুছলমান উভয় সম্প্ৰদায়ৰ পাইকাচ ভোগী খেতিয়কে কাৰ্বি আংলঙ জিলা ত্যাগ কৰিব লগা হৈছিল। তেওঁলোকে হোজাইত কিছুমান সাম্প্ৰদায়িক নেতাৰ প্ৰৰোচনাত আশ্ৰয় শিবিৰ পাতি সেইটোক এটা ৰাজনৈতিক সমস্যাৰ গঢ় দিয়াৰ চেষ্টাও কৰিছিল।

এইখিনিতে স্মৰণ কৰিব পাৰি যে ১৯৪৭ চনত দেশ বিভাজনৰ সময়ত কাৰবি আংলঙৰ হাওঁৰাঘাট অঞ্চলত এটা সীমিত সংখ্যাৰ হিন্দু উদ্বাস্তু বহিবলৈ দিয়া হৈছিল। তেওঁলোকৰ ক্ৰমবৰ্ধমান জনসংখ্যা আৰু অধিক প্ৰব্ৰজনে কাৰবি আংলঙত এটা ওপৰঞ্চি সমস্যাৰ সৃষ্টি কৰিছিল।

কাৰবি আংলং খাইকৈ চহকী তাৰ বন-সম্পদৰ কাৰণে। ডিফু আৰু বোকাজানত দুটা প্লাইউদ ফেক্টৰী বহি এফালৰ পৰা নিৰ্মমভাৱে বন-সম্পদ নিৰ্মূল কৰি নিছিল আৰু তাত ইন্ধন যোগাইছিল জনচেৰেক অদূৰদৰ্শী কাৰবি নেতাই। হাবিৰ মাজে মাজে বেদখল কৰি বহা নেপালী অনুপ্ৰৱেশকাৰী সকলক জয়সিং দলৈ ডাঙৰীয়াৰ ইচ্ছানুসৰি উচ্ছেদ কৰাত আমি পূৰ্ণ-সহযোগিতা আৰু সহায় আগবঢ়াইছিলো। সেই নেপালী কৰতিয়াল বিলাকেই কাৰবি আংলঙৰ বন-সম্পদ ধ্বংসৰ কাৰণে দায়ী আছিল।

ইতিমধ্যে ডিলাই পাহাৰ অঞ্চলত আৱিষ্কাৰ হোৱা চুণশিলৰ খনিৰ চুণ-শিলেৰে বিলাতী-মাটি প্ৰস্তুত কৰিবলৈ বোকাজানত ভাৰতীয় চিমেণ্ট নিগমে এটা বিয়াগোম কাৰখানা প্ৰতিষ্ঠা কৰে। বোকাজানলৈ ডিলাইৰ পৰা ৰজ্জু পথেৰে চুণশিল কঢ়িওৱা হয়। বৃহৎ শিল্প প্ৰতিষ্ঠানৰ আনুসঙ্গিক সমস্যা কিছুমানেও কাৰবি আংলঙত প্ৰবেশ কৰিলে। বোকাজানত কাৰখানাটো বহাত স্থানীয় মানুহৰ একো লাভ নহ'ল। বৰঞ্চ মিহি বিলাতী-মাটি আকাশলৈ উৰি গৈ ওচৰ-পাজৰৰ এক বিস্তীৰ্ণ অঞ্চলত নিজৰি পৰি মাটিৰ উৰ্বৰণ শক্তি হ্ৰাস কৰাৰ লগতে স্বাস্থ্যৰ কাৰণে এটা ভয়ংকৰ ভাবুকি হ'ল।

মোৰ জীৱনৰ এটা স্মৰণীয় কাম মই কাৰবি আংলঙত কৰিবলৈ পাই আনন্দিত হৈছো। কাৰবিসকলৰ ভাষা-সংস্কৃতিৰ বুজ ল'বলৈ গৈ মই বিস্ময়কৰ এক আৱিষ্কাৰৰ মুখামুখী হ'লো। কাৰবিসকলৰ মাজত মুখে মুখে কাৰবি ভাষাত পুৰুষানুক্ৰমে ৰামায়ণ গান চলি আহিছে। তাক কোৱা হয় "ইতা কুংৰীপী আলুন"—সীতা কুঁৱৰীৰ গীত। সেই গীত 'ছাৱিন আলুন' আৰু 'ৰিণচাৱিন' নামেৰেও পৰিচিত। কাৰবি ভাষাত স্ত্ৰি লিঙ্গৰ নামৰ উপাধিৰ পিচত 'পী' যোগ হয়। যেনে—টেৰণপী, তেৰাংপী, ৰংপীপী ইত্যাদি। অসমীয়া ভাষাতো স্ত্ৰি লিঙ্গৰ নামৰ উপাধিৰ পিচত নী, অনী আদি প্ৰত্যয় হয়; যেনে—বৰাণী, বৰুৱানী, শইকীয়ানী, মেধিয়নী ইত্যাদি। আজিকালি অৱশ্যে এইটো ক্ৰমাৎ অপ্ৰচলিত হৈ আহিছে।

কাৰবি ৰামায়ণৰ কবিজনৰ নাম ছাৱিন। তেওঁৰ সময় সঠিক কৈ কোনেও ক'ব নোৱাৰে। জনশ্ৰুতি মতে তেওঁ নগাঁও আৰু কাৰবি আংলঙৰ সীমামুৰিয়লি কন্দলি অঞ্চলৰ লোক আছিল। কন্দলি কাৰবি আংলঙৰ গাতে লাগি থকা একালৰ বৰাহী ৰজা মহামাণিফৰ ৰাজধানী ডবকাৰ পৰা বৰ বেছি দূৰত নহয়। এইজন বৰাহী ৰজাৰ পৃষ্ঠপোষকতাতে 'অপ্ৰমাদী কবি' মাধৱ কন্দলিয়ে চতুৰ্দশ

শতিকাৰ ৰাজভাগত ভাৰতীয় আঞ্চলিক ভাষাৰ তৃতীয়খন 'ৰাম-কথা' 'পদ'ত ৰচনা কৰিছিল। মাধৱ কন্দলিৰ পূৰ্বে কম্বনে তামিল ভাষালৈ আৰু এজনে কানাড়া ভাষালৈ ৰামায়ণ অনুবাদ কৰিছিল। সেয়ে অনুমান কৰাৰ যুক্তি আছে যে কাৰ্বি ৰামায়ণখনো মাধৱ কন্দলিৰ ৰামায়ণৰ পিচতে ছাৰিনে ছন্দত ৰচনা কৰিছিল।

ছাৰিন আলুনত বাল্মিকী ৰামায়ণৰ জঁকাটোহে আছে। কাৰ্বি কবিৰ হাতত ছাৰিন আলুনে কাৰ্বি চৰিত্ৰ, আচাৰ-নীতি আৰু সমাজ ব্যৱস্থাৰ প্ৰতিফলন হোৱা এখন বৈশিষ্ট্যপূৰ্ণ কাব্যৰূপে প্ৰকাশ পাইছে। ছাৰিন আলুনৰ মতে ৰাম-ৰাৱণৰ ঘটনাৰ পটভূমিও কাৰ্বি আংলংহে—অযোধ্যা-লংকা নহয়।

পূৰ্বে বৈদিক শাস্ত্ৰসমূহ শ্ৰুতি স্মৃতি হিচাপে গুৰু-শিষ্যৰ মাধ্যমেৰে মুখ বাগৰি অহাৰ দৰেই কাৰ্বি ৰামায়ণখনো মুখ বাগৰি অহা সম্পদ। কিন্তু নানা অপসংস্কৃতিৰ হেঁচাত সেই সম্পদে লুপ্তপ্ৰায় অৱস্থা পাইছিল। তেনে হোৱাৰ আন এটা কাৰণ কিছুমান পুৰণি বাধা নিষেধ। ইয়াক যেয়ে-সেয়ে য'তে ত'তে গোৱা নীতি বিৰুদ্ধ। চমাংকান আদি ধৰ্মীয় অনুষ্ঠানতহে ছাৰিন আলুন কীৰ্তন হয়। তাকো এজন ব্যক্তিয়ে তেওঁৰ জীৱনকালত তিনিবাৰতকৈ অধিক কীৰ্তন কৰা নিয়ম নহয়। নিজৰ প্ৰাচীন চহকী সাংস্কৃতিক সম্পদৰ প্ৰতি ক্ৰম-বৰ্ধমান অনীহাৰ কাৰণেও ৰামায়ণখন কণ্ঠস্থ কৰিবলৈ আগ্ৰহ কৰা নতুন পুৰুষৰ অভাৱ হৈ আহিছিল। ফলত ছাৰিন আলুনখন সম্পূৰ্ণকৈ কণ্ঠস্থ থকা লোক এজন বিচাৰি পোৱাটো কঠিন হৈ পৰিছিল। পিচত মই গম পাইছিলো যে ডিফুৰ জিলা পৰিষদে গীতি ৰামায়ণখন উদ্ধাৰৰ কাৰণে সু-সাহিত্যিক প্ৰফেচাৰ ৰংবং টেৰাংদেৱক ভাৰ দিছিল। মোৰ পৰম সৌভাগ্যক্ৰমে মই প্ৰায় আঢ়ৈ বছৰৰ চেষ্টাৰ ফলত অ'ত ত'ত খণ্ডখণ্ডকৈ মুখে মুখে থকা ৰামায়ণখন পোন প্ৰথম লিপিবদ্ধ কৰিবলৈ সক্ষম হ'লো। জিলা পৰিষদৰ আৰ্থিক সাহায্যেৰে অসম সাহিত্য সভাৰ ডিফু শাখাই, মই সংগ্ৰহ আৰু সংকলন কৰা ছাৰিন আলুনখন শ্ৰীকেশৱ শৰ্মাৰ সম্পাদনাত প্ৰকাশ কৰে আৰু তাৰ প্ৰথম তাঙৰণখন ১৯৭৬ চনৰ জুন মাহত অসম সাহিত্য সভাৰ সভাপতি শ্ৰদ্ধেয় শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱে, ডিফুত সেই উদ্দেশ্যে পতা এখন গাম্ভীৰ্য্যপূৰ্ণ সভাত উন্মোচন কৰে।

ৰামায়ণৰ নিচিনা জনপ্ৰিয় কাহিনী পৃথিৱীত আৰু নাই যেন লাগে। স্বকীয় বৈশিষ্ট্যৰে ভাৰতৰ বিভিন্ন ভাষাত থকাৰ উপৰিও সুদূৰ যাভা, সুমাত্ৰা, ইণ্ডোনেচিয়া, তিব্বত আদি সকলো দেশতে ৰাম-কথা বিস্তৃত হৈ আছে। গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপক ড° বীৰেণ দত্তই আয়োজন কৰা "লোককথা হিচাপে ৰাম-কথা" শীৰ্ষক এখন কৰ্মশালাত এজন আলোচকে কোৱা শুনিছিলো যে তিব্বতৰ 'লামা' শব্দটো আচলতে 'ৰামা' হে। চীনা-তিব্বতী আদিলোকৰ

সম্ভৱত 'ৰ'টো 'ল' হয়। ৰূপীটো লূপী হয়—সেইদৰে ৰাম-ৰামা-লামা হৈছে। তিব্বততো হেনো ৰাম-কথা বৰ জনপ্ৰিয় বিষয়। সেই আলোচনাচক্ৰতে শুনিছিলো যে মিজো ভাষাতো লোককথা হিচাপে ৰাম-কথা সাহিত্য হিচাপে জনপ্ৰিয় আছিল। কিন্তু পাহাৰী জনজাতীয়সকলৰ সাংস্কৃতিক জীৱন ধাৰাৰ দ্ৰুতগতিত যি আমূল পৰিৱৰ্তন ঘটিছে তালৈ চাই তেওঁলোকৰ নিজৰ বুলিবলৈ পুৰণি কলা-কৃষ্টি উত্তৰ পুৰুষৰ কাৰণে কিবা থাকিবগৈ বুলি মনে নধৰে।

বৰ্তমানৰ পৰিস্থিতিলৈ চাই অসমীয়া ভাষা আৰু কলাকৃষ্টিও যে নিৰাপদ সেইটোতো সন্দেহ উপজিছে। নগৰ-চহৰ আৰু চহৰৰ ৰূপ ল'ব খোজা গাঁও অঞ্চলৰ ল'ৰা-ছোৱালীক মাতৃভাষাৰ পৰিৱৰ্তে যিটো হাৰত ইংৰাজী মাধ্যমত শিক্ষা, বিশেষকৈ দীক্ষা, দিয়াৰ পয়োভৰ হৈছে তালৈ চাই অসমীয়া সাহিত্য চৰ্চা কৰা আৰু অসমীয়া পুথি-পাঁজিৰ পাঠকৰ সংখ্যা হ্ৰাস পাই এটা সময়ত অসমীয়া ভাষা এটা চহা ভাষাত পৰিণত হ'লেও আচৰিত হ'বলগীয়া একো নাথাকিব। কেইটামান নমুনা দিওঁ:

এদিন এজন অসমীয়া গ্ৰেজুৱেট ডেকাই এটা প্ৰশ্ন সুধি মোক আচৰিত কৰিছিল। শংকৰদেৱৰ কীৰ্তন পুথিখন আগতে ৰচিত নে হেমকোষখন আগতে ৰচিত? মই অলপ থমকা মাৰি তেওঁৰ গভীৰতা জোখাৰ লগতে মোৰ অকণমান ৰহইছ্‌ কৰিবৰ মন গ'ল। ঘূৰাই তেওঁকে সুধিলো বোলো তুমি নিজে কি বুলি ভাবা? তেওঁ বোলে হেমকোষখন নহ'লে শংকৰদেৱে শব্দবোৰ ক'ৰপৰা পালে? মই বোলো সেয়া তুমি জানাই দেখোন। আকৌ সুধিলো বোলো শংকৰদেৱৰ প্ৰথম তীৰ্থ ভ্ৰমণত লগত কোন কোন আছিল? তেওঁ বোলে ঠিক নাজানো। মই বোলো অনুমান কৰাচোন। তেওঁ উৎসাহিত হৈ আৰম্ভ কৰিলে —হেমচন্দ্ৰ বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, লক্ষ্মীনাথ বেজবৰুৱা আৰু পাহৰিলো। মোৰ আৰু বহুৱা তুলিবৰ মন গ'ল। সুধিলো বোলো কোৱাচোন পাণ্ডু কংগ্ৰেছত শংকৰদেৱে কি বিষয়ৰ ওপৰত ভাষণ দিছিল? তেওঁ তপৰাই উত্তৰ দিলে ধৰ্মৰ ওপৰত। তেনেতে মোৰ গৃহিণীয়ে মোক অকণমান কদৰ্থনাৰ সুৰত বোলে, 'কিয় তেনেখন কৰিছে? বেচেৰাই নাজানে কাৰণেহে আপোনাৰ ওচৰলৈ আহিছে।'

বিশ্বাস কৰিবলৈ হয়তো টান পাইছে। "Truth is sometimes stranger than fictions." আৰু শুনক—এদিন এজন অতি বিদ্বান এম. এ. পাছ বয়সস্থ খাঁটি অসমীয়া সম্ভ্ৰান্ত পুৰুষে মোক সুধিলে বোলে আপুনি বাৰু ছাইবাবা সাহিত্য (Saibaba literature) পঢ়িছেনে? মই বোলো নাই পঢ়া। তেওঁ বোলে মই বাৰু আপোনাক দিম। বাবাই আকৌ তেওঁৰ শিষ্যসকলক নিজৰ নিজৰ ধৰ্ম এৰিবলৈ নকয়। যাৰ যি ধৰ্ম তাক পালিও বাবাৰ শিষ্য হ'ব পাৰি।

মই বোলো ভাল কথা। অলপ থমকি ময়ো তেওঁক সুধিলো বোলো আপুনি নামঘোষাখন পঢ়িছেনে? তেওঁ বোলে সেইখন শংকৰদেৱৰ নে মাধৱদেৱৰ? মই বোলো পঢ়িছেনে নাই বাৰু? বোলে নাই পঢ়া। কীৰ্তনখন একা? তেওঁ বোলে পঢ়া নাই; কিন্তু কিতাপখনৰ নাম শুনিছোঁ। মই বোলো আপুনি সেইবোৰ নাই পঢ়া কাৰণে আপোনাৰ অফুৰন্ত সময়। ছাইবাবা পঢ়িবলৈ সময় পায়। আমিবোৰে কীৰ্তন-ঘোষা পঢ়ি সেইবোৰ পঢ়িবলৈ সময় নাপাওঁ।

বহুত সম্ভ্ৰান্ত চহকী অসমীয়াৰ ঘৰতো আপুনি বঙলা ভাষাৰ ৰামকৃষ্ণ, বিবেকানন্দৰ বিষয়ৰ কিতাপ পাব। কিন্তু ঔষধত লাগ বুলিলেও দশম ৰত্নাৱলী বাদেই, কীৰ্তন ঘোষা এখনো নাপাব। ১৯৫৭ চনত ডিব্ৰুগড় খলিহা-মাৰী নামঘৰত অনুষ্ঠিত পণ্ডিত যোগীৰাজ বসুৱে সভাপতিত্ব কৰা ধৰ্মালোচনা সভা এখনত অসমৰ এগৰাকী প্ৰসিদ্ধ চাহ-খেতিয়ক, ব্যৱসায়ী আৰু সদাশিৱ প্ৰেছৰ গৰাকী নন্দেশ্বৰ চক্ৰৱৰ্তীয়ে কথা একাষাৰ কৈছিল বোলে—যিখন আঢ্যৱন্ত অসমীয়াৰ ঘৰত কীৰ্তন ঘোষা পুথিখন নাই সেইখন ঘৰ নহয় মৰিশালী।

অতীতত আৰু বৰ্তমান কালতো বহু স্বনামধন্য অসমীয়া প্ৰশাসনীয় আৰু আৰক্ষী সেৱাৰ বিষয়াই অসমীয়া সাহিত্য-সংস্কৃতিলৈ যোগোৱা কালজয়ী অৱদানৰ কথা স্বীকাৰ কৰিও মাজে মাজে একোটাহঁত কৰুণ প্ৰভেদ চকুত পৰে। অনেক বিয়াগোম বিষয়া আছে যি সহজ চাৰিটা প্ৰবৃত্তিৰ মাজতে নিজক সীমাবদ্ধ কৰি ৰাখে। অসমীয়া সাহিত্য-সংস্কৃতিৰ কোনো সংবাদ নাৰাখে। তেজপুৰৰ নিকামুল সত্ৰৰ সত্ৰাধিকাৰ অসমৰ এগৰাকী প্ৰথম শাৰিৰ মুক্তিযোদ্ধা, সত্ৰীয়া সংস্কৃতিৰ ওজা, সঙ্গীত নাটক একাদেমীৰ দ্বাৰা পুৰস্কৃত, প্ৰাক্তন বিধায়ক গহন চন্দ্ৰ গোস্বামীৰ মৃত্যুত দেৰগাঁৱৰ প্ৰথিতযশা সাহিত্যিক অধ্যাপক প্ৰফুল্ল চন্দ্ৰ বৰাই দৈনিক জনমভূমিত লিখা এটি আটক ধুনীয়া প্ৰবন্ধ পঢ়ি এজন শিৰ-ফুটা অসমীয়া বৰজ্যেষ্ঠ পুলিচ বিষয়াই আচৰিত হৈ মোকে সুধিছিল বোলে কোনহে এইজন গহন চন্দ্ৰ গোস্বামী? মই দেখোন কেতিয়াও নামেই শুনা নাই। মোৰ মুখখন কেতিয়াবা বেয়া হয়। ঘপকৰে কৈ পেলালো বোলো চাৰ আপুনি কেনেকৈ চিনি পাব? তেখেতে মদ নাখাইছিল, ক্লাচ নেখেলিছিল, ৰামী পপলু নেখেলিছিল।

মূল কথাৰ পৰা বহুত আঁতৰি আহিলো। আকৌ ছাৰিন আলুনলৈ উভতি যাওঁ।

ছাৰিন আলুনত ৰাৱণৰ মূৰ বাৰটা। জটায়ু পক্ষী—'মুমুৰাম ভেট'—ৰামৰ মোমায়েক। পৰশুৰাম—'বমপো কাঠাৰ'—কুঠাৰ লোৱা মানুহটো। বিস্তৃত কাৰ্বি জনগোষ্ঠীৰ মাজতে ৰাম-কথাই ভিন ভিন ৰূপ পাইছে। এঠাইত প্ৰচলিত কাহিনীমতে সীতা ৰাৱণৰ জীয়েকহে। ৰাৱণৰ ৰাণী 'বন্দদৰী'

বহুকাল নিঃসন্তানা আছিল। বহুত পুজাপাতলৰ মূৰত ৰাণী গৰ্ভৱতী হ'ল। কিন্তু সময়ত প্ৰসৱ কৰিলে এটা কণী। লাজ আৰু খঙত ৰাৰণে কণীটো দূৰলৈ দলি মাৰি দিলে। পৰিলগৈ কনকপো (জনকপো) ৰজাৰ মাটিত। কনকপো ৰজাৰ ৰাজ্য জয়ন্তীয়া পাহাৰ।

লৱৰ ভাতৃ কুশও সীতাৰ গৰ্ভজাত সন্তান নহয়। সীতাই হনুমানক শুই থকা কেঁচুৱা লৱৰ ওচৰত ৰখীয়া থৈ পানী আনিবলৈ যাওঁতে হনুমানৰ টোপনি আহিল। অলপ পিচত সাৰ পাই দেখে পাটিত লৱ নাই। হনুমানে শিল এটুকুৰাকে মন্ত্ৰ কৰি লৱ সজাই শুৱাই থৈ তাৰ পৰা পলাল। আচলতে লৱই হনুমান টোপনিত থাকোতেই শোৱাপাটীৰ পৰা নামি বগুৰা বাই মাকক বিচাৰি ঘাটৰ ফালে গৈ আদবাটতে মাকক পাই মাকৰ কোলাত উঠিল। সীতাই লৱক কোলাত লৈ আহি পাটীত আনটো শিশু পাই তাকো পুত্ৰে ৰূপে ললে আৰু নাম থলে কুশ। এনে বহু মনোৰম কথা আছে কাৰবি ৰামায়ণত। কাৰবি ৰামায়ণখনত মন্ত্ৰবলত বৰ গুৰুত্ব দিয়া হৈছে।

ডিফুত কাৰ্য্যভাৰ লোৱাৰ সময়ত কাৰবি আংলঙৰ জটিল ৰাজনৈতিক পৰিস্থিতিৰ সম্মুখীন হ'বলৈ যেনে কঠিন হ'ব বুলি সন্দেহ কৰিছিলো আৰু পেটে পেটে ভয় খাইছিলো তেনে নহ'ল। প্ৰথমতে পুলিচ-পাব্লিক সম্পৰ্কটোৱেই আছিল ঘাই প্ৰত্যাহ্বান। তেতিয়াৰ প্ৰভাৱশালী মন্ত্ৰী ছত্ৰসিং টেৰণ ডাঙৰীয়াই হেনো এঠাইত যুৱকসকলক কৈছিল বোলে ছাত্ৰই যি ভোৰতাল বজোৱাৰ কাৰণে পুলিচৰ লগত সংঘৰ্ষ হৈছিল এতিয়া আৰু তেনে হোৱাৰ ভয় নাই। নতুন কৈ অহা এছ পি-য়ে নিজে নিতৌ ভোৰতাল বজায়।

মই ডিফুত আৰক্ষী অধিক্ষক থকা সময়তে জৰুৰীকালীন অৱস্থা ঘোষিত হৈছিল। চাৰিওফালে 'ধৰ জৰি মাৰ টাঙোন'। এলাগী চাকৰিয়ালসকলক সোধ নাই পোছ নাই বৰ্খাস্ত। সোধ নাই পোছ নাই যাকে তাকে 'মিছা'ত আটক কৰি জেলত ভৰা। তেতিয়া উপায়ুক্ত বীৰকুমাৰ মিশ্ৰ। তেখেতলৈ ওপৰৰ পৰা তাগাদা 'মিছা'ত কিছুমানক গ্ৰেপ্তাৰ কৰিব লাগে। মিশ্ৰই মোক ঘনেঘনে ধৰে কেইজনমানৰ বিৰুদ্ধে পুলিচৰ প্ৰতিবেদন লাগে। মই তেখেতক বুজালো যে এইটোত আমি কিয় অনাহকতে তেনে কুকৰ্মবিলাক কৰিব লাগে? মোৰ নিজৰ বিভাগত বিষয়া-কৰ্মচাৰী বৰ্খাস্তৰ নিচিনা কুকামতো নকৰিলোৱেই উপায়ুক্তকো তেখেতে উদ্যোগ লোৱা কেটামান তেনে কামৰ পৰা তেখেতক বিৰত কৰিলো। ১৯৭৮ চনত প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাই অসমলৈ আহোতে মিশ্ৰ ডিব্ৰুগড়ৰ উপায়ুক্ত। মই প্ৰধানমন্ত্ৰীৰ নিৰাপত্তা সম্পৰ্কীয় দায়িত্বত ডিব্ৰুগড়লৈ যাওঁতে তেখেতৰ তাত মোক এসন্ধ্যা ভোজনলৈ নিমন্ত্ৰণ কৰিছিল। কথা প্ৰসঙ্গত তেখেতে আনন্দেৰে সুঁৱৰিছিল আমি জৰুৰীকালীন অৱস্থাত ডিফুত

সুবিবেচনাৰে কাম কৰা দিনবোৰৰ কথা। পুলিচ বিভাগত ক্ৰমে কমি অহা দুনীতিয়ে সেই সময়ছোৱাতে পুনৰ গা কৰি উঠিল।

কাৰ্বি আংলঙত থকা কালছোৱাত সকলোৰে সহযোগত ডিফু ক্লাবত 'পিয়লি ফুকন', 'ৰৰমানুহৰ দোলা', 'উপপথ' আদি নাট মঞ্চস্থ কৰা হৈছিল। নাট কৰাত আগৰণুৱা আছিল ৰসিক মুনীন বৰঠাকুৰ যাৰ প্ৰাণ খোলা হাঁহিটো সকলোৰে সুপৰিচিত। পিয়লি ফুকনত বৰঠাকুৰ পিয়লি, মই নাৰায়ণ; ৰৰমানুহৰ দোলাত তেখেত ডাঙৰীয়া আৰু মই দোলাভাৰী। উপপথত মই হৈছিলো দীননাথ। মই ডিফুৰ পৰা বদলি হৈ ডিফু এৰাৰ আগৰাতিও তাৰ লোক-সকলৰ অনুৰোধত উপপথ নাটকত দীননাথ অভিনয় কৰি আহিছিলোঁ।

অভিনয়ৰ প্ৰতি মোৰ দুৰ্বলতা পুৰণি। প্ৰাথমিক বিদ্যালয়ত পঢ়ি থকা কালত সত্ৰত 'ভোজন ব্যৱহাৰ', 'পত্নী প্ৰসাদ', 'অৰ্জুন ভঞ্জন' আদি অংকীয়া ভাওনাত কৃষ্ণৰ ভাও দিছিলো। মাইনৰ স্কুল আৰু হাইস্কুলত পঢ়াকালত বঁটা-বিতৰণী সভাত আবৃত্তিৰ উপৰিও খণ্ড নাটকবোৰত অভিনয় কৰিছিলো। তেজপুৰত পঢ়ি থকা কালৰ পৰা বাসনা আছিল প্ৰখ্যাত বাণ ৰঙ্গমঞ্চত অভিনয় কৰাৰ। অভিলাষ পূৰ্ণ হ'ল। বাণ ৰঙ্গমঞ্চত বলীগদা (ফণী শৰ্মা) হঁতৰ লগত লাচিত বৰফুকন নাটকত প্ৰথম অভিনয় কৰিছিলো এটা নাৰী চৰিত্ৰৰ এগৰাকী সখী—বন্তি। জামুগুৰিৰ বাপুজী ভৱনৰ উদ্বোধনী নাট পিয়লি ফুকন নাটৰ নাম ভূমিকাত অভিনয় কৰাৰ সৌভাগ্যও মোৰেই ঘটিছিল।

মই কাৰ্বি আংলং জিলালৈ বদলি হওঁতে মোৰ কেবাগৰাকীও সহকৰ্মীয়ে মন্তব্য কৰিছিল বোলে এইবাৰ মহন্ত কলৈ সাৰিব? অৰ্থাৎ পাহাৰী জনজাতীয়-সকলৰ মাজত প্ৰায় সকলো অনুষ্ঠান / উৎসৱৰ লগত মদৰ প্ৰচলন হয় বুলি বহুতৰ এটা ধাৰণা আছে। সেয়ে মোৰ বন্ধু কেজনমানে মোৰ ৰং চাবলৈ আশা পালি আছিল। পিছে তেওঁলোক হতাশ হ'ব লগা হ'ল। মোক কোনো দিন কোনেও মদ গ্ৰহণ কৰিবলৈ জোৰতো নকৰিলেই, বৰঞ্চ জিলা পৰিষদে পতা ভোজ-ভাতৰ অনুষ্ঠানলৈ মই নিমন্ত্ৰিত হৈ গলে তেতিয়াৰ জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী সদস্য জয়সিং দলৈদেৱে মোক পানী দিবৰ কাৰণে দুটা নতুন গিলাচ জোগাৰ কৰি ৰাখিছিল যাতে মই লেটিপেটি হোৱা গিলাচত পানী খাব লগা নহয়। অথচ মোৰ তেনে চাক-চিক নাছিল।

জয়সিং দলৈ এগৰাকী অতি ৰসিক আৰু সংস্কৃতিবান পুৰুষ আছিল। তেখেত এবাৰ নে দুবাৰ অসম সাহিত্য সভাৰ উপ-সভাপতিও আছিল। বিহুৱে সংক্ৰান্তিয়ে তেখেতে বিমল আনন্দদায়ক ৰং-ৰহইছ কৰিছিল। কেতিয়াবা বিহু সন্মিলনীৰ সভাত সভাপতিৰ আসনৰ পৰা একোটাহঁত উদ্ভট নিৰ্দেশ জাৰি কৰি হাঁহিৰ খলকনি তোলাইছিল। এবাৰ তেখেতে সভাপতিৰ আসনৰ পৰা ঘোষণা কৰিলে বোলে এতিয়া আমাৰ জিলাৰ ডি চি আৰু এছ পি চাহাবক

মেমচাহাব দলগৰাকীয়ে এপাক বিহু নাচিব। আৰু ৰক্ষা আছেনে? মঞ্চত থিয় দি এনেয়ে হ'লেও এপাক ঘূৰি সভাপতিৰ কথা ৰাখিব লগা হ'ল। আন এবাৰ ৰঙালী বিহুৰ খেল-ধেমালী গীতমাতৰ প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণীৰ শেষত সভাপতি দলৈয়ে জেপত জাপিজুপি লৈ যোৱা এখন ৰঙা হাঁচতি উলিয়াই ঘোষণা কৰিলে বোলে এতিয়া আৰু এটা প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰা হ'ব। আমাৰ পৰীক্ষক মণ্ডলীয়ে বিজেতা গৰাকী বাছি দিছে—তিৰোতা-সেবুৱাৰ প্ৰথম পুৰস্কাৰ। বিজেতাজনে আহি পুৰস্কাৰটো ল'ব লাগে। সেই পুৰস্কাৰ লাভ কৰিছে আমাৰ জিলাৰ জনপ্ৰিয় এছ পি চাহাবে। মই হাঁহি হাঁহি গৈ পুৰস্কাৰটো লৈ মাইকৰ আগত থিয় দি ক'লোঁ বোলো মোক এই পুৰস্কাৰটোৰ কাৰণে নিৰ্বাচন কৰাত পৰীক্ষক মণ্ডলীক মই ধন্যবাদ জনাইছোঁ। পণ্ডিতসকলে কয় যে চৰিত্ৰবান লোকসকলহে তিৰোতা-সেবুৱা হয়। পদুলি শুঙাসকল তিৰোতা-সেবুৱা হ'ব নোৱাৰে। গোটেই সভাঘৰত হাঁহিৰ খলকনি উঠিল। কাৰবি আংলঙত থকা কালৰ এনে বহুত মধুৰ স্মৃতি কথা আছে মোৰ মনৰ মণিকোঠাত।

ডিফুৰ পৰা নৱম আৰক্ষী বাহিনীৰ অধিনায়ক হৈ গৈছিলো অভয়াপুৰীলৈ ১৯৭৬ চনৰ মাজ ভাগত। সেইবাৰ অভয়াপুৰীত চৈয়দ আব্দুল মালিকৰ সভাপতিত্বত অসম সাহিত্য সভাৰ অধিৱেশন বহিছিল। সেই অধিৱেশনৰ ৰভা পৰালি তোৰণ মঞ্চ আদি সকলো কাম মোৰ বাহিনীৰ জোৱানসকলৰ শ্ৰমদানেৰে কৰা হৈছিল। অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল অক্লান্ত ডেকা কৰ্মী অকালতে কালে হৰি নিয়া সাংবাদিক জ্যোতিষ বৰুৱা।

মই ১৯৭৮-৭৯ চনত দেৰগাঁৱত সশস্ত্ৰ বাহিনীৰ প্ৰশিক্ষণ কেন্দ্ৰৰ অধিনায়ক থকা সময়তো গোলাঘাটত প্ৰসন্নলাল চৌধুৰীৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ ৰভা পৰালি দিয়া যাৱতীয় কাম মোৰ কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থী জোৱানসকলে সম্পন্ন কৰিছিল। এনে শ্ৰমদানৰ দ্বাৰা জনসাধাৰণ আৰু আৰক্ষীৰ সম্পৰ্ক মধুৰ হোৱাৰ উপৰিও জোৱানসকলে সজকামত অলপ সেৱা ধৰি এটা বিমল আনন্দ লাভ কৰে।

এক শ্ৰেণীৰ চৰকাৰী চাকৰিয়ালে ওপৰৱালাসকলৰ ভালৰি বোলাবলৈ কি কৰিব পাৰে তাৰ এটা ৰসাল উদাহৰণ দেখিছিলো নৱম আৰক্ষী বাহিনীত। তাৰ এজন জ্যেষ্ঠ অনা-অসমীয়া বিষয়াই মোৰ আগত নিতৌ এবাৰ নহয় এবাৰ শংকৰদেৱৰ প্ৰসঙ্গ তোলে। শংকৰদেৱৰ বিষয়ে তেওঁৰ জ্ঞান দেখি মই এক প্ৰকাৰ আচৰিতেই হৈছিলোঁ। পিচতহে সহকাৰী অধিনায়ক গৌৰব তামুলীৰ পৰা ওৰটো পালো। মই সেই বাহিনীলৈ বদলি হোৱাৰ জাননী ওলোৱাৰ লগে লগেই সেই বিষয়া গৰাকীয়ে হেনো গুৱাহাটীলৈ মানুহ পঠাই শংকৰদেৱৰ বিষয়ৰ কিতাপ কিনাই নি সাতদিনমান পঢ়ি লৈছিল। সেই একেজন বিষয়ায়েই

মোৰ আগৰজন অধিনায়ক শিৱভক্ত ৰোমান দত্তৰ দিনত নিতৌ হেনো দত্তৰ চকুত পৰাকৈ দত্তই তাত সজোৱা শিৱ মন্দিৰত দীঘল দি আহিছিল আৰু দত্ত বদলি হোৱাৰ লগে লগেই তেওঁৰো শিৱ ভক্তিৰ অন্ত পৰিল।

তোমামোদৰ আৰু এটা ৰসাল চিত্ৰ এতিয়াও মাজে সময়ে মোৰ মনত পৰি থাকে। মই হাফ্‌লঙত চতুৰ্থ বেটেলিয়নৰ চেকেণ্ড-ইন-কমাণ্ড থাকোতে মোৰ পৰিয়াল বৰপেটাতে এৰি গৈছিলোঁ। এবাৰ মোৰ পৰিবাৰ ল'ৰা-ছোৱালী কেইটাৰে দিনচেৰেকৰ কাৰণে হাফ্‌লঙলৈ গৈছিল। বৰ্দাৰ আউট পষ্ট্‌নো কি তাৰ এটা ধাৰণা দিবলৈ এদিন তেওঁলোকক লাইচঙলৈ লৈ গৈছিলো। জীপ ৰোৱা ঠাইৰ পৰা বিওপিটোলৈ তিনি কিলোমিটাৰ মান পাহাৰ বগাব লাগে। লাইচং উইঙৰ দায়িত্বত থকা এজন শিক্ষিত ডেকা সহকাৰী অধিনায়কে তোমামোদৰ আতিশয্যত মোৰ পৰিবাৰে ক'ৰবাত উজুটিখাই বুলি প্ৰায় গোটেই বাটছোৱা তেওঁৰ আগে আগে চাপৰি চাপৰি পিচ-হোঁহকি পিচ-হোঁহকি বাটৰ ওখোৰা-মোখোৰা শিলগুটিবোৰ "উঃ বাইদেউ আঃ বাইদেউ" বুলি আঁতৰাই গৈছিল। বিওপিত খাবলৈ দিয়া মিঠাইৰ বান্ধ অলপ টান হৈ থকাত মোৰ পৰিবাৰে মিঠাইত কামোৰটো মাৰে প্ৰতি মোৰ সহকাৰীজনে তেওঁৰ নিজৰ মুখ-খনৰ এনে ভঙ্গী কৰিছিল যেন পৰা হলে তেওঁ চোবাই গিলাতো সহায় কৰি দিব। পেটে পেটে ময়েই লজ্জিত হৈছিলোঁ। এনেধৰণৰ তোমামোদী বিষয়া সকল কিন্তু দুৰ্বলৰ যম। তেওঁ এতিয়া (১৯৯৩) এজন মুখ্যমন্ত্ৰীৰ সোঁ হাত স্বৰূপ প্ৰবল প্ৰতাপী ডি আই জি। হ'বই। আৰু হ'ব।

আগৰ নিয়ম অনুসৰি মই ১৯৭৭ চনৰ ৩১ আগষ্টত অৱসৰ ল'ব লগা আছিল। সেই কথা গম পাই অশোক কাগজ কলৰ পৰিচালন সঞ্চালক আনন্দদেৱ অধিকাৰীয়ে মোলৈ কাগজ কলব জ্যেষ্ঠ প্ৰশাসনিক কাৰ্য্যবাহী (Senior Administrative Executive) ৰ পদ যাচি পাৰিলে অৱসৰৰ পূৰ্বে পাব পৰা চাৰি মহীয়া ছুটী লৈ কাগজ কলত যোগ দিবলৈ টানি ধৰিলে। ময়ো সেইমতে ছুটী লৈ ১৯৭৭ চনৰ ১লা মে'ত কাগজ কলত যোগ দিলোঁ। কিন্তু ইতিমধ্যে চৰকাৰে অৱসৰৰ বয়স বঢ়াই ৫৮ বছৰ কৰাত চাৰিমাহৰ অন্তত পুনৰ মই নিজৰ বিভাগলৈ গুছি আহিলো।

চাৰিমহীয়া সেৱাকালৰ ভিতৰত আমাৰ ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান বিলাকৰ কিছুমান কেৰোণ মোৰ চকুত পৰিছিল আৰু মোৰ বিশ্বাস সেইবোৰেই আমাৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰ ৰুগীয়া হোৱাৰ কাৰণ। অশোক কাগজ কল এটা অৰ্থত ৰাজহুৱা খণ্ডত নপৰে। কাৰণ তাৰ মূলধনৰ একাওন্ন অংশ বেচৰকাৰী। তথাপিও কাৰ্য্যতঃ কলটো ৰাজহুৱা খণ্ডৰ উদ্যোগৰ নিচিনা হ'ল। ফলত চৰকাৰী সম্পত্তি গৰাকী নোহোৱা সম্পত্তিৰ ভাৱনাৰে তাৰ কৰ্মচাৰী-

সকলৰ বহুতেই কলটোৰ উন্নতিৰ কথা নাভাবি তাৰ ক্ষতিৰ বিনিময়ত হ'লেও ব্যক্তিগত লাভৰ কথা চিন্তা কৰিছিল।

আনন্দ অধিকাৰীৰ অশেষ যত্ন আৰু কৰ্ম দক্ষতাৰ কাৰণে অশোক কাগজ কলে বাণিজ্যিক উৎপাদন আৰম্ভ কৰাৰে পৰা ভাৰতৰ ভিতৰতে সৰ্বোৎকৃষ্ট কাগজ উৎপাদন কৰিবলৈ সক্ষম হৈছিল। অসমৰ বাহিৰৰ বহু কেইটা বৰ বৰ কাগজ উদ্যোগ অসমৰ কেঁচামাল তথা বাঁহৰ ওপৰত নিৰ্ভৰশীল আছিল। অসমত এটা প্ৰকাণ্ড কাগজ কল প্ৰতিষ্ঠা হোৱাত অসমৰ বাঁহৰ ওপৰত তেওঁলোকৰ একচেতীয়া আধিপত্যৰ ওৰ পৰিছিল। সেয়ে তেওঁলোকৰ কিছুমানে তলে তলে অশোক কাগজ কলৰ ভিতৰত অশান্তি লগাই কলটোৰ প্ৰগতিত বাধা দিবলৈ চেষ্টা কৰিছিল। তাৰ কাৰণে কলৰ ভিতৰতে 'বিভীষণ'ৰ অভাৱ হোৱা নাছিল। কিছুমানে অৱশ্যে অজ্ঞাতসাৰেই বাহিৰৰ অশুভ শক্তিৰ হাতচালিত যন্ত্ৰ হৈছিল। কৰ্মী সংগঠনত অনা-অসমীয়া নেতৃত্বাধীন এটা বাওঁপন্থী ৰাজনৈতিক দলৰ বাহিৰৰ নেতাই সঘনে ক্ষুদ্ৰ ক্ষুদ্ৰ অজুহাতত কলটোত আউল লগাই উৎপাদন বাধাগ্ৰস্ত কৰিছিল। তেতিয়া অশোক কাগজ কলত দৈনিক নিয়মিত হ'ব লগা এশ বিশ টন নহৈ আশী নবৈ টন কাগজ উৎপাদন হ'লেও দিনে গড়ে প্ৰায় এক লাখ টকা লাভ ৰয়। কিন্তু উৎপাদন বন্ধ থাকিলে দিনে প্ৰায় তিনি লাখ মানকৈ লোকচান হয়। শ্ৰমিক সংগঠনটোৰ, বিশেষকৈ তাৰ নেতাৰ নামত আগভাগ লোৱা কেজনমান উদণ্ড যুৱকৰ কলটোৰ প্ৰতি মৰম আৰু মানসিক দায়বদ্ধতাৰ অভাৱৰ কাৰণে কলটোৰ উৎপাদন সঘনে বাধাপ্ৰাপ্ত হৈছিল। তথাপিও কলটোৱে অসম আন্দোলনৰ সময়লৈকে মোটামুটিভাৱে উৎপাদন দি আছিল।

আমাৰ দেশত শিল্প উদ্যোগে, বিশেষকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগ/প্ৰতিষ্ঠান বিলাকে গা কৰিব নোৱাৰাৰ কাৰণ বিলাকৰ ভিতৰত এটা হ'ল দেশপ্ৰেম বৰ্জিত কিছুমান শ্ৰমিক সংগঠন। ইংলণ্ডত শ্ৰমিক সংগঠনবোৰে গা কৰি উঠিছিল তাৰ ঔদ্যোগিক বিপ্লৱ যৌৱন প্ৰাপ্ত হোৱাৰ পিচত। আমাৰ দেশত স'ৰা গছ দুপতীয়া হওঁতেই ভুত লম্ভে। আমাৰ দেশৰ আইন মতে কোনো এটা শিল্প উদ্যোগৰ বাণিজ্যিক উৎপাদন আৰম্ভ হোৱাৰ লগে লগে, লাভৰ মুখ দেখক নেদেখক, শ্ৰমিকসকলক লাভাংশ দিব লাগে। তাৰ নিম্নতম নিৰিখ তেতিয়া আছিল ৮'৩৩ শতাংশ। উদ্যোগটোৱে বাণিজ্যিক উৎপাদন কৰিব পৰা অৱস্থা পোৱাৰ আগলৈকে যে কেবাবছৰো ধৰি কোটি কোটি টকা খটুৱাব লগা হয় আৰু তাৰ ওপৰত সুদ ভৰিব লগা হয় সেইটো বিবেচিত নহয়। সেয়েহে ৰাজহুৱা অনুষ্ঠানে নিজৰ গাটোকে পোহৰাবলৈ সমৰ্থ নৌ হওঁতেই ৰোগগ্ৰস্ত হৈ পৰে। তাৰ উপৰি ৰাজহুৱা প্ৰতিষ্ঠানৰ কৰ্মীসকলৰ বহুতে নিষ্ঠা আৰু সততাৰে কাম নকৰে। অশোক কাগজ কলত লাভ কৰা তাকৰীয়া দিনৰ অভিজ্ঞতাৰ পৰা মোৰ তেনে এটা উপলব্ধিয়েই হৈছিল।

আমাৰ চকুৰ আগতে দেখাৰ উদাহৰণ আছে। এজন ব্যক্তিয়ে এখন বাছৰ পাৰ্মিট পালে তাৰ পৰা ব্যৱসায় বঢ়াই বাছৰ সংখ্যা বৃদ্ধি কৰে। ব্যৱসায় আগুৱাই যায়। তাহানি এজন মুখাৰ্জীয়ে কমাৰ্চিয়েল কেৰিইং কোম্পানী পাতি গুৱাহাটী-শ্বিলং পথত গাড়ী চলাই কোটিপতি হৈছিল। এতিয়া অসম ৰাজ্যিক পৰিবহণ নিগম দেউলীয়া। একালত একোজন বিদ্যুৎ উৎপাদন কৰা উদ্যোগপতিয়ে একোখন নগৰত নিয়াৰীকৈ বিজুলি যোগান ধৰি বছৰি লাভৰ ওপৰত লাভ কৰিছিল। আজি ৰাজহুৱা খণ্ডত পৰি দেউলীয়া। তেনেকৈয়ে ষ্টেট ফেদ আদি সকলো। ৰাজ্যিক বিদ্যুৎ পৰিষদৰ একোজন অধ্যক্ষই বোলে নিজৰ কাৰণেই মাহে পৰিষদৰ ভঁড়ালৰ পৰা কেবা লাখকৈ টকা খৰছ কৰে। অসম গণ পৰিষদ চৰকাৰৰ দিনত ষ্টেট ফেদৰ এজন যুৱক অধ্যক্ষইতো দিল্লীত তিনিদিন থাকোতেই হোটেলত বিশ হেজাৰমান টকাৰ বিল উঠিছিল।

অসম পৰিবহণ নিগমৰ বিষয়ত মোৰ এটা ক্ষুদ্ৰ অভিজ্ঞতা হৈছিল। কওঁ। মই ১৯৬২ চনত সঞ্চয় বিভাগ এৰি অসম আৰক্ষী সেৱা ল'বলৈ যো-জা কৰোঁতে মোৰ আচবাববোৰ ডিব্ৰুগড়ৰ পৰা তেজপুৰলৈ বুলি এখন ট্ৰাকত নি জখলা-বন্ধা পোৱাই তাতে পৰিবহণ নিগমৰ মোৰ এজন চিনাকি কৰ্মচাৰীৰ অনুগ্ৰহত ৰাতিটো তেওঁলোকৰ ৰাণিংৰুমত কটাইছিলোঁ। শুলো যদিও তেতিয়াও টোপনি অহা নাই। তেনেতে নিগমৰ দুখন বাছ গৈ চোতালত ৰোৱা গম পালোঁ। তাৰ অলপ পিচতে বাছ দুখনৰ কণ্ডাক্টৰ দুজন প্ৰায় একেলগেই তাত সোমালগৈ। মই তাপ মাৰি থাকিলো। তেওঁলোকৰ কথোপকথন মোৰ কাণত বাজি থাকিল।

১ম জন—অঃ এইজন কোন শুই আছে ঐ ?

২য় জন—কোনোবা যাত্ৰী হ'ব পায়। প্ৰফেচাৰ চফেচাৰ যেন পাইছো দেই। ইমানবোৰ ডাঙৰ ডাঙৰ কিতাপ বোজা বান্ধি ফুৰিছে ?

১ম—হ'ব পাৰে। গণ্ডগোল নকৰিব। তেওঁৰ টোপনি ভাগিব। পিচে আজি তই ভালকৈ বহালি দেই। কমেও ত্ৰিছ মাৰিছ। ষ্টেছন এৰাৰ পিচতে এজাক পেচেঞ্জাৰ তোৰ গাড়ীত উঠা দেখিছিলোঁ।

২য়—নহয় দাদা। চব টিকট কাটি দিলো নহয় ?

১ম—কিয় ?

২য়—সিফালৰ পৰা গাড়ীত হেডকোৱাৰ্টাৰৰ পৰা অহা ইন্সপেক্টৰ আহিছে বুলি শুনি দূৰত গাড়ী দেখিয়েই টিকট কাটি দিলো।

১ম—সিফালৰ গাড়ীৰ হেড্ লাইট জ্বলিছিল ?

২য়—নাই জনা।

১ম—তেন্তে কিয় কাৰ্টীল ? বিপদ থাকিলে দূৰতে সিফালৰ খনে হেড্‌ লাইট জ্বলাই দিব নহয়। তেতিয়াহে টিকট কাটি দিব লাগে।

২য়—মই কথাটো নাজানো নহয়।

১ম—বাৰু এতিয়াতো জানিলি ? পিচে এটা কথা। তই যলৈ অহা-যোৱা কৰিছ তাতে সোপাই টকা খৰছ কৰি নেপেলাবি। হাতত কমেও পাঁচ হেজাৰমান টকা ৰাখিবি। ধৰাতো এদিন পৰিবিয়েই। কোন দিনা পৰ ক'ব নোৱাৰ ? চাচপেণ্ড থকা সময়ত চলিবলৈ আৰু ইনকোৱাৰী কৰা অফিচাৰক দিবলৈ সদায় হাতত এটা মোটা জমা ৰাখিবি।" ইত্যাদি।

মই গুৰু-শিষ্যৰ শৰণ-ভজন শুনি পৰিবহণ নিগম নিগমে ডুবাৰ এটা ফুটা দেখিলো। পিচত শুনিলো বোলে সেইবোৰ মাছ চোৰহে। পৃথ্ৱী চোৰবোৰ মূল কাৰ্য্যালয়তে থাকে।

কাগজ কললৈ আকৌ উভতি যাওঁ। এনেয়ে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া। অসম আন্দোলনৰ গইনা লৈ অশোক কাগজ কলৰ শ্ৰমিকসকলে পুনৰ বিজুতি ঘটাবলৈ ধৰিলে। ইতিমধ্যে মই ১৯৮০ চনৰ ৩১ আগষ্টত অৱসৰ লৈছিলোঁ। ১৯৮১ চনৰ জানুৱাৰীৰ আগ ভাগতে এদিন আনন্দদেৱ অধিকাৰী মোৰ ঘৰ ওলালহি আৰু পুনৰ মোক কাগজকলত পূৰ্বৰ দায়িত্ব ল'বলৈ টানি ধৰিলে। মই পুনৰ চাকৰি কৰাৰ অনিচ্ছা প্ৰকাশ কৰা সত্বেও তেখেতে কলটোৰ দোহাই দি টানি ধৰাত মই সেই মাহতে যোগ দিলোগৈ।

তেতিয়া কলটোত সমস্যা সৃষ্টি হৈছিল ঘাইকৈ বাহিৰৰ পৰা। অসম আন্দোলনৰ নেতাৰ আহ্বানত সকলো বন্ধ। তেনেতে ব্যক্তিগত খণ্ডৰ প্লাইউদ উদ্যোগপতি সকলে ঘাই ছাত্ৰনেতা আৰু কৰ্মচাৰী পৰিষদৰ সমন্বয়ৰ নেতাসকলক ধৰি মেলি ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰৰ ক্ষেত্ৰত বন্ধ তুলি ল'বলৈ মান্তি কৰালে। সেই সূত্ৰে অশোক কাগজ কলৰ বন্ধও তুলি ল'ব লাগিছিল। কিন্তু নুতুলিলে। ব্যক্তিগত খণ্ডৰ উদ্যোগবোৰত বিক্ৰীৰ উৎকৰ্ষ (Sales Promotion) ৰ শিতানত যথেষ্ট ধন (ক'লা ধনৰ উপৰিও) ব্যয় কৰাৰ ব্যৱস্থা থাকে। তাৰে তেওঁলোকে আৱশ্যক বুজি হাত পিচলাব পাৰে আৰু তেনেকৈয়ে হেনো কেবালাখ টকাৰ বিনিময়ত তেওঁলোকৰ ক্ষেত্ৰত বন্ধ উঠাই লোৱা হৈছিল। অশোক কাগজকল টেকনিকেলি ব্যক্তিগত খণ্ডত যদিও ই একৰকম ৰাজহুৱা প্ৰতিষ্ঠান। গতিকে প্লাইউদে লোৱাৰ লেখীয়া ভিতৰুৱা পন্থা অশোক কাগজ কলে ল'ব নোৱাৰিছিল। মোৰ ব্যক্তিগত চেষ্টা আৰু কলৰ জনচেৰেক সচেতন কৰ্মী নেতাৰ চেষ্টা সত্বেও সঙ্কটকালত কলটোৰ বন্ধ উঠাব পৰা নগ'ল। তেতিয়া আত্মগোপন কৰি থকা কৰ্মচাৰী সমন্বয় সমিতিৰ সভাপতি কামাখ্যাচৰণ

চোধুৰীক, মই নিজে গৈ তেখেতৰ গোপন ঠাইত লগ ধৰি বুজাই বঢ়াইয়ো কাম নহ'ল। ঔদ্যোগিক সমস্যাৰ নিচিনা জটিল কথা বুজি পোৱাৰ জোখাৰে বিদ্যা-বুদ্ধি তথাকথিত (আন্দোলনৰ) নেতাসকলৰ আছিল বুলি মনে নধৰিলে। কাগজকলৰ জাতীয়তাবাদী এটা কৰ্মী সংগঠনৰ নেতা আৱাল মজিদ আৰু জনচেৰেকে গৈ গোপন ঠাইত ছাত্ৰসন্থাৰ শীৰ্ষস্থানীয় নেতাসকলক লগ ধৰোতে তেওঁলোকে হেনো উত্তৰ দিছিল বোলে "আন্দোলন সফল হ'বলৈ দিয়ক। আমি চৰকাৰ ললে এনেকুৱা এটা কাগজকলৰ ঠাইত দহটা পাতি দিম।" মূৰ্খ জানো গছত লাগে ?

আকৌ উজাই যাওঁ। মই ১৯৭৭ চনৰ ১লা চেপ্তেম্বৰত সশস্ত্ৰ পুলিচ প্ৰশিক্ষণ কেন্দ্ৰৰ অধিনায়কৰ দায়িত্ব লৈছিলো। ১৯৭৮ চনৰ আগ ভাগতে অসমত গোলাপ বৰবৰাৰ জনতা চৰকাৰ আৰম্ভ হ'ল। সেই চনৰে ১লা অক্টোবৰত হিৰণ্যকুমাৰ ভট্টাচাৰ্য্যই ডি. আই. জি. পদলৈ পদোন্নতি পাই সীমান্ত শাখাৰ মুৰব্বী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিলে। দৰাচলতে সেইটোৱেই অসম আন্দোলনৰো জন্মদিন।

১৯৭১ চনত পূব পাকিস্তানত বিপ্লৱ আৰম্ভ হোৱাৰ লগে লগে যেতিয়া লাখে লাখে পাকিস্তানী আশ্ৰয়-প্ৰাৰ্থীক আমাৰ দেশত আশ্ৰয় শিবিৰ পাতি পুহিবহে লগা হৈছিল তেতিয়া পাকিস্তানী চিনাক্তকৰণ আৰু বহিষ্কৰণ প্ৰক্ৰিয়াটো বন্ধ হৈ গ'ল যে গ'লেই। পূব পাকিস্তান গুছি বাংলাদেশ হোৱাত অসম পুলিচৰ "পাকিস্তানী শাখা" নামটো অপ্ৰযোজ্য হৈ পৰিছিল। 'পাকিস্তানী' বুজাবলৈ শাখাটোৰ বিশেষণ চুটিকৈ "পি" (P) আখৰটো ব্যৱহাৰ হৈছিল। তাৰ পিচত নতুনকৈ পতা মিতিৰে বেয়া পাব বুলি "বি" (B) আখৰটোৰে প্ৰথমতে বাংলাদেশ বুজোৱা হৈছিল যদিও ক্ৰমে তাৰে 'বৰ্দাৰ' তথা সীমান্ত বুজাবলৈ লোৱা হ'ল। শাখাটোৰ 'সীমান্ত'ৰ (বৰ্দাৰ) লগত লেশমানো সম্বন্ধ নোহোৱা সত্ত্বেও তাৰ নাম সীমান্ত শাখা। ১৯৭১ চনৰ পৰা সেই শাখাটোৰ বিষয়া-কৰ্মচাৰীসকলে, বিশেষকৈ বিষয়াসকলে থাই বহি আছিল। মোৰ বন্ধু প্ৰয়াত নৃপেন ভট্টাচাৰ্য্য সেই শাখাৰ এছ. পি. থকা সময়ত (১৯৭৬) মই এবাৰ ডিফুৰ পৰা কিবা বিভাগীয় কামত গুৱাহাটীলৈ আহোতে তাত সোমাইছিলোঁ। তেতিয়া তাৰ ডি. আই. জি. আছিল প্ৰয়াত সমৰ দাস। তেখেতৰ লগতো সৌজন্যমূলক সাক্ষাৎ কৰি কথা হৈছিলোঁ। দাসে খুব কিতাপ পঢ়িছিল। দেখিছিলোঁ কেবাখনো বিখ্যাত কিতাপৰ মাজত তেখেত বহি আছিল। তেখেতে কৈছিল "একো কাম-কাজ নাই। খুব কিতাপ পঢ়িছোঁ।"

শ্ৰীহিৰণ্য ভট্টাচাৰ্য্য আছিল এজন বাঘৰ আগতেল খোৱা বিষয়া (ক্ষমা প্ৰাৰ্থনাৰে)। তেখেতে সীমান্ত শাখাৰ ভাৰ লৈয়েই বিদেশী অনুসন্ধান, বিতাড়ণ আদি আৰম্ভ কৰি ঘৰ্মঘণ্টা লগাই দিলে। অতদিনে শুই থকা শাখাটো

হঠাতে সক্ৰিয় হৈ উঠিল। তেতিয়াও অবাধ গতিত চলি থকা অনুপ্ৰৱেশত কিছু যতি পৰিল আৰু ইতিমধ্যে অনুপ্ৰৱেশ কৰা বিলাকৰ মাজতো থৰ-কাছুটি হেৰাল। ভট্টাচাৰ্য্য এবাৰ দেৰগাঁৱলৈ যাওঁতে মোক ধৰিলে বোলে "আহক বৰ্দাৰলৈ।" লাগি ভাগি তেখেতেই মোক সশস্ত্ৰ প্ৰশিক্ষণ কেন্দ্ৰৰ অধিনায়ক পদৰ পৰা বদলি কৰাই সীমান্ত শাখাৰ এছ. পি. পদলৈ অনালে। মই ১৯৭৯ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত সীমান্ত শাখাৰ এছ. পি.-ৰ কাৰ্য্যভাৰ ললোঁ।

শ্ৰীভট্টাচাৰ্য্যৰ নেতৃত্বত সীমান্ত শাখাৰ পুলিচে আৰম্ভ কৰা বেদেশী চিনাক্ত-কৰণ আৰু বিতাড়ণ অভিযানত আতঙ্কিত হৈ কংগ্ৰেছ দলৰ উপৰিও শাসনাধিষ্ঠিত জনতা পাৰ্টিৰো জনচেৰেক ন্যস্ত স্বাৰ্থৰ বিধায়কে ভট্টাচাৰ্য্যক সেইপদৰ পৰা বদলি কৰোৱাৰ উপক্ৰম কৰিছিল। মুখ্যমন্ত্ৰী বৰবৰাদেৱক বুজাইছিল যে হিৰণ্য ভট্টই বিদেশী খেদাৰ নামত কৰা হাৰাশাস্তিৰ কাৰণেই সেইবাৰ সদ্য সমাপ্ত পঞ্চায়ত নিৰ্বাচনত জনতা পাৰ্টি হাৰিল। মই মুখ্যমন্ত্ৰীক দেখা কৰি আচল কথা খিনি বুজাই কোৱাত ভট্টৰ বদলিৰ প্ৰস্তাৱ স্থগিত হ'ল।

অসমৰ সকলো মন্ত্ৰীসভাৰ ভিতৰত একমাত্ৰ জনতাৰ মন্ত্ৰীসভাই, তথা মুখ্যমন্ত্ৰী বৰবৰাই, পোনপ্ৰথম বাৰৰ কাৰণে, নিৰ্বাচনী আয়োগৰ নিৰ্দেশত অসমৰ ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কাটিবলৈ লোৱা ব্যৱস্থাত বিধি-পথালি দিয়া দূৰৰ কথা ইতিবাচক সঁহাৰি দিছিল আৰু সীমান্ত শাখাৰ বিদেশী চিনাক্তকৰণ আৰু বিতাড়ণত প্ৰতিবন্ধক হোৱা নাছিল। সেইকাৰণে তেখেতৰ মন্ত্ৰীসভাৰে ঘনে ঘনে কোট চোলা সলোৱা কেবাগৰাকীও মন্ত্ৰী আৰু বিধায়কে তেখেতৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। দৰাচলতে সেইটো প্ৰশ্ন লৈয়েই বৰবৰা চৰকাৰৰ পতন হৈছিল। তাৰে কৃতজ্ঞতা স্বৰূপে পৰৱৰ্তী কোনো এটা নিৰ্বাচনতে অসমীয়া ৰাইজে তেখেতক নিৰ্বাচনত জিকিবলৈ দিয়া নাই। আনকি ১৯৯১ চনৰ নিৰ্বাচনত তেখেতে আমানত পৰ্য্যন্ত হেৰুৱাব লগা হ'ল। আজিও (১৯৯৩) কিন্তু বিদেশী নাগৰিকৰ ঢৌৱেই অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য-কেইখনৰ ঘাই সমস্যা আৰু লাহে লাহে সি সমগ্ৰ ভাৰতলৈ বিয়পিছে।

এখন ৰাষ্ট্ৰক বিদেশীমুক্ত কৰি ৰখাটো কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব যদিও ক্ষেত্ৰ বিশেষে বিদেশী অনুপ্ৰৱেশৰ বিষফলটো ভোগ কৰিব লগা হয় কিছুমান ৰাজ্যই। গতিকেই তেনে ৰাজ্যৰ গৰজটো কেতিয়াবা বেছি হয়। আৰম্ভণিতে, সেই কাৰণেই বোধ হয়, সীমান্ত সুৰক্ষা বাহিনী সম্পূৰ্ণ ৰাজ্য চৰকাৰৰ আছিল আৰু তাৰ খৰছৰ বোজাহে কেন্দ্ৰই বহন কৰিছিল। পিচত ১৯৬৯ চনত বি. এছ. এফ. তথা সীমান্ত সুৰক্ষা বাহিনীটোৰ সম্পূৰ্ণ প্ৰশাসন আৰু নিয়ন্ত্ৰণ কেন্দ্ৰই নিজৰ হাতলৈ নিলে।

নদী পৰ্বত আদি প্ৰাকৃতিক সীমাৰেখা নাথাকিলে আৰু মাজত এটা শূন্যৰেখা (No man's land) নাথাকিলে দুখন ৰাষ্ট্ৰৰ লোকসকলৰ লুকাই

চুৰকৈ হোৱা আহ-যাহ ৰোধ কৰাটো বৰ সহজ কাম নহয়। পাকিস্তান আৰু ভাৰতৰ সীমাৰ সৰহ অংশই মানুহে স্থিৰ কৰা সীমা। পূৰ্ব-পাকিস্তান বৰ্তমান বাংলাদেশ আৰু অসমৰ সীমা ঠায়ে ঠায়ে আমাৰ দুখন গাঁৱৰ সীমা বা পথাৰৰ দুঘৰৰ মাটিৰ সীমাৰলেখীয়া। কোন টলকত কোনে সীমা ভেই ইফাল সিফাল কৰে তাক টলকিব পৰা নাযায়। অসম পুলিচৰ পূৰ্বৰ 'পাক' বৰ্তমানৰ সীমান্ত শাখাটোৰ দায়িত্ব হ'ল চোৰাংকৈ সীমা পাৰ হৈ আহি ৰাজ্যখনৰ ভিতৰত থিতাপি লোৱা অনুপ্ৰৱেশকাৰীবিলাকক বিচাৰি উলিয়াই বহিষ্কাৰ কৰাটো। পূৱ পাকিস্তানত বিপ্লৱ হোৱাৰ আগলৈকে সেই শাখাটোৱে নানা বাধা-বিঘিনি আৰু ৰাজনৈতিক হস্তক্ষেপৰ মাজেদি হ'লেও সন্তোষজনকভাৱেই সেই কৰ্তব্য পালন কৰি আহিছিল। তেতিয়াও অৱশ্যে আইনগত কিছুমান হেণ্ডাৰ আছিল। এজন লোকক পাকিস্তানী বুলি প্ৰমাণ পালে জিলাৰ এছ. পি.য়ে (তেওঁ জিলা বিদেশী নাগৰিক পঞ্জীয়ন বিষয়াও) তেওঁক এটা সময় সীমাৰ ভিতৰত ভাৰত ত্যাগ কৰিবলৈ জাননী দিয়ে। তাকে 'কুইট ইণ্ডিয়া নোটিছ' বোলে। সেই নোটিছ পাই যি নিজকে ভাৰতীয় বুলি দাবী কৰে তেওঁ এছ. পি-ৰ ওচৰত আবেদন কৰে। এছ. পি-য়ে তেনে আবেদনবোৰ 'ফৰেইনাৰ্ছ ট্ৰিবিউনেল'লৈ বিচাৰৰ কাৰণে পঠায়। তাত নোটিছ পোৱাজনে নিজকে ভাৰতীয় নাগৰিক বুলি সাব্যস্ত কৰিব পাৰিলে তেওঁৰ ওপৰত জাৰি কৰা নোটিছ উঠাই লোৱা হয়। কিন্তু তাৰ মাজতে তেতিয়াও আৰু এটা কেণা লগোৱাৰ উপায় আছিল। তেনেকৈ নোটিছ পোৱাজনে দেৱানী আদালতত 'টাইটোল চুট' (Title Suit) কৰি মোকৰ্দমা চোঁচৰায়। তাত হাৰিব বুলি বুজি পালে তেওঁ সেই ঠাই এৰি আন কোনোবা চৰ অঞ্চলত আশ্ৰয় লয়গৈ।

১৯৭১ চনৰ ২৪ মাৰ্চৰ পিচত অসমলৈ অনুপ্ৰৱেশ কৰা হিন্দু তথা হিন্দু বাংলাদেশীসকলক বহিষ্কাৰ কৰাটো বহু সময়ত জটিল কৰিছিল পশ্চিমবংগৰ পুলিচে। হিন্দু বাংলাদেশী অসমত ধৰা পৰিলে সাধাৰণতে তেওঁলোকে পশ্চিমবংগৰ পৰা অহা বুলি কয়। তেওঁলোকৰ জবানবন্দী পশ্চিমবংগৰ সংশ্লিষ্ট পুলিচ কৰ্তৃপক্ষলৈ ৰিজাই চাবলৈ পঠোৱা হয়। তেনেকৈ পঠোৱা সকলোবোৰ শুদ্ধ বুলি উত্তৰ আহে। সন্দিহান হৈ মই এবাৰ অসমত ধৰা পৰা জনচেৰেক হিন্দু বাংলাদেশীৰ জবানবন্দীৰ লগতে কেটামান মনে সজা মানুহৰ নাম আৰু অনুৰূপ জবানবন্দী পশ্চিমবংগ পুলিচলৈ পঠিয়াইছিলোঁ। সেই মনে সজা মানুহৰ মনে সজা ঠিকনা বিলাকতো পশ্চিমবংগৰ পুলিচে স্থানীয়ভাৱে তদন্ত কৰি শুদ্ধ পোৱা বুলি জনাইছিল। সেই তথ্য মই আমাৰ বিভাগীয় কৰ্তৃপক্ষক জনাইছিলোঁ আৰু তাৰ দ্বাৰা পশ্চিমবংগ পুলিচে বাঙালী হিন্দু বাংলাদেশীৰ ক্ষেত্ৰত পক্ষপাতিতা কৰা কথাটো প্ৰমাণ হৈছিল।

পুলিচে বিদেশী অনুপ্ৰৱেশকাৰী বিলাকক আৰু তেওঁলোকৰ আশ্ৰয়দাতা

ভাৰতীয়সকলক বিদেশী আইনৰ ১৩/১৪ ধাৰা মতে অভিযুক্ত কৰি আদালতলৈ বিচাৰৰ বাবে প্ৰেৰণ কৰিব পাৰে আৰু কৰিও আহিছিল। আমাৰ ৰাষ্ট্ৰৰ সাধাৰণ বিচাৰ পদ্ধতি মতে গুচৰীয়া পক্ষই অভিযুক্তজনৰ অপৰাধ আদালতত প্ৰমাণ কৰিব লাগে। কিন্তু বিদেশী আইনৰ ক্ষেত্ৰত অভিযুক্ত জনেহে নিজৰ নাগৰিকত্ব প্ৰমাণ কৰিব লাগে। ৰাষ্ট্ৰৰ স্বাৰ্থত এইটো বৰ অৰ্থপূৰ্ণ কথা আৰু পৃথিবীৰ সকলো ৰাষ্ট্ৰতে সেই প্ৰথা প্ৰচলিত হৈ আছে। কিন্তু অতি পৰিতাপৰ কথা যে ১৯৮৩ চনত অসমৰ ৰাইজে বৰ্জন কৰা এটা ভুৱা নিৰ্বাচন পাতি ক্ষমতাত অধিষ্ঠিত হোৱা হিতেশ্বৰ শইকীয়াই কংগ্ৰেছ (আই) চৰকাৰে একমাত্ৰ অসমৰ ক্ষেত্ৰত প্ৰযোজ্য 'আই. এম. (ডিটি) আইন' নামৰ এখন অদ্ভুত আইন প্ৰণয়ন কৰিলে, যি খনৰ মতে কাৰবাক বিদেশী বুলি অভিযোগ কৰা জনে এটা "ফিজ' দিব লগা হৈছিল আৰু অভিযুক্তজন বিদেশী বুলিও অভিযোগকাৰী-জনেহে প্ৰমাণ কৰিব লগা হ'ল। আজি যদি বাংলাদেশৰ সৈন্যবাহিনীৰ সকলো লোক আহি ভাৰতত সোমাই তেতিয়াও ১৯৮৩ চনৰ আই. এম. (ডিটি) আইন মতে এজনকো বিদেশী বুলি প্ৰমাণ কৰি দিয়াটো কাৰোপক্ষে সম্ভৱ নহ'ব। দৰাচলতে এই আইনখন বাংলাদেশীসকলক, যাক কংগ্ৰেছে (আই) তেওঁলোকৰ ভোটবেঙ্ক বুলি গণ্য কৰে, ৰক্ষণাবেক্ষণ দিবলৈহে প্ৰণয়ন কৰা হ'ল। অসম তথা ভাৰতবৰ্ষৰ ৰাষ্ট্ৰৰ কাৰণেও আটাইতকৈ দুৰ্ভাগ্যৰ কথা হ'ল এয়েহে যে পৰৱৰ্তীকালত ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়েও গুৱাহাটীৰ মুকলি সভাত সগৌৰৱে ঘোষণা কৰি গ'ল যে তেওঁলোকে এনে কিটিপেৰে অসম আন্দোলনৰ নেতাসকলৰ লগত তথাকথিত অসম চুক্তিখন ৰচনা কৰিছিল যাতে অসমৰ পৰা এজনো বাংলাদেশীক বিতাড়ণ কৰিব পৰা নাযায়।

আমাৰ দেশত এটা শব্দ সঘনে ব্যৱহাৰ হয়। ধৰ্মীয় সংখ্যা-লঘু। বাংলাদেশৰ পৰা সীমান্তত ধৰা নপৰাকৈ আহি আমাৰ ভূমিত ভৰি দিয়া মাত্ৰেই এজন বাংলাদেশী মুছলমানে ধৰ্মীয় সংখ্যা-লঘু আখ্যা পায়। তেওঁক পুলিচে প্ৰশ্ন কৰিলেও ধৰ্মীয় সংখ্যা-লঘুৰ ওপৰত পুলিচৰ 'হাৰা শাস্তি' হোৱা বুলি হুলস্থূল লাগে। একে আষাৰতে ক'বলৈ গলে যিটো কাম একালৰ মুখ্যমন্ত্ৰী মুছলীম লীগৰ ছাৰ ছাদুল্লাই কৰিবলৈ সমৰ্থ নহ'ল সেইটো কাম কৰিবলৈ তেওঁ অসমত বেলেগ ৰূপত বেলেগ দলত পুনৰ জন্ম ল'লে।

আকৌ অলপ উজাই যাওঁ। ১৯৭৮ চনৰ ১লা অক্টোবৰত শ্ৰীহিৰণ্য কুমাৰ ভট্টাচাৰ্যই ডি. আই. জি. পদলৈ পদোন্নতি পাই অসম পুলিচৰ সীমান্ত শাখাত যোগদান কৰাটো অসমৰ কাৰণে যেনে এটা ঐতিহাসিক ঘটনা তেনেকৈ মই বদলি হৈ ১৯৭৯ চনৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহত সেই শাখাত এছ. পি.ৰ কাৰ্য্যভাৰ লোৱাটোও এটা সমান গুৰুত্বপূৰ্ণ ঘটনা। আমাৰ সংযোগ নঘটা হ'লে ছবছৰীয়া অসম আন্দোলন নামৰ আন্দোলনটো যে নহ'লহেঁতেন তাক মই ন দি কওঁ।

মই যোগ দিয়াৰ আগতেই প্ৰায় একদশক কাল নিষ্ক্ৰিয় হৈ থকা সীমান্ত শাখাটোৱে ভট্টাচাৰ্য্যৰ পৰশত সক্ৰিয় হৈ উঠিছিল। মঙ্গলদৈৰ পানেৰীৰ নালাপাড়া আদি ঠাইৰ পৰা বহুজন সংখ্যক বাংলাদেশী লোকক চিনাক্ত কৰি বহিষ্কাৰ কৰা কাৰ্যই কেইটামান ৰাজনৈতিক মহলত তোলপাৰ লগাইছিল। বিদেশী অনুসন্ধান আৰু বিতাড়ণত নিষ্ঠাৰে কৰ্তব্য পালন কৰাৰ পুৰস্কাৰ ৰূপে পানেৰী থানাৰ অ.চি. তিলক শইকীয়া লটিঘটি হ'ব লগা হৈছিল। সেই অঞ্চলৰ পৰা পুলিচে দুশৰো অধিক বাংলাদেশীক কৰায়ত্ত কৰোতে কেবাহাজাৰো সগোত্ৰীয়ে অস্ত্ৰ-সস্ত্ৰে সুসজ্জিত হৈ পুলিচক আক্ৰমণ কৰি দুজনমান লোকক পুলিচৰ হাতৰ পৰা কাঢ়ি নিবলৈকো সক্ষম হৈছিল। আশাশুধীয়াকৈ কাম কৰা খাৰুপেটীয়াৰ এজন পৰিদৰ্শক মাখন হাজৰিকাক প্ৰাণে মৰাৰ চক্ৰান্তও চলিছিল।

ৰঙিয়াৰ তামোলপুৰ তুলসীবাড়ী আদি কিছুমান ঠাইৰ পৰা ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিচত অনুপ্ৰৱেশ কৰা কিছুমান হিন্দু বাংলাদেশীক বহিষ্কাৰ কৰাত এটা চক্ৰত তোলপাৰ লাগিছিল। জনচেৰেক মন্ত্ৰী আৰু বিধায়কৰ হেঁচাত পৰি মুখ্যমন্ত্ৰী বৰবৰাই বিদেশীৰ বিৰুদ্ধে চলি থকা নিয়মীয়া অভিযান ১৯৭৯-ৰ মাৰ্চ মাহত বন্ধ কৰিবলৈকে নিৰ্দেশ দিব লগা হৈছিল। অৱশ্যে অসমত ইতিমধ্যে বিদেশী বিতাড়ণৰ সপক্ষে গা কৰি উঠা প্ৰবল জনমতক সন্মান জনাই মে' মাহত সেই নিষেধাজ্ঞা চৰকাৰে তুলিও ল'ব লগা হৈছিল।

তেনে সময়তে (১৯৭৯) মাৰ্চ মাহৰ ২৮ তাৰিখে মঙ্গলদৈ লোকসভা সমষ্টিৰ সদস্য হিৰালাল পাটোৱাৰী ঢুকাল। তাত উপনিৰ্বাচন পাতিবৰ কাৰণে ২৭ এপ্ৰিলত ভোটাৰ তালিকা সংশোধনীৰ কাৰণে জাননী জাৰি হ'ল। দৈনিক অসম কাকতত নলবাৰীৰ নিজা সংবাদদাতাই দিয়া সেই খবৰ ২৯ এপ্ৰিলৰ দৈনিক অসমত প্ৰকাশ হ'ল। এটা অৰ্থত সেই অকণমান তিনিশৰীয়া বাতৰিটোৱেই ছবছৰীয়া আন্দোলনৰ আৰম্ভণি।

গুৰুচৰিতত এটা কাহিনী আছে। এজনে সামান্যভাৱে আৰম্ভ কৰা এটা কামে কেনেকৈ বৃহৎ ৰূপ ল'ব পাৰে সেই বিষয়ে গুৰুজনে এটা উপকথাৰে দৃষ্টান্ত দিছিল। বোলে, পুৰণি কালত এজন ৰজাই মৃগয়ালৈ গৈ এক নিৰ্জন স্থানত পিয়াহত অণ্ঠকণ্ঠ শুকাই পানী বিচাৰি ফুৰোতে এঠাইত এটা ক্ষুদ্ৰ জলাশয় পালে। তাৰ পানীৰে ৰজাই পিয়াহ গুছালে। ৰজাই সেই খালটো ডাঙৰকৈ খন্দাই উছৰ্গাৰ সময়ত দেখে যে তেওঁৰ নামে উছৰ্গা নহয়। ভাবিলে নিশ্চয় সেইটো হাতীয়ে কৰা খাল। গতিকে হাতীৰ নামেৰে চালে। তাতো নহ'ল। ভাবিলে হাতীৰ আগতে ম'হে তাত ঘূৰি লৈছিল। ম'হৰ নামেৰে চালে। তাতো নহয়। তাৰ পিচত বৰাৰ নামে চালে, কোঢ়া চৰাইৰ নামে চালে। কতো নহ'ল। শেহত টিপচী চৰাইৰ নামে চাওঁতে উছৰ্গা হ'ল। সেই খালটো

এহাল টিপচী চৰায়ে থপ্‌থপাই গাধোৱা গাতৰ পৰা বুন্ধি পাইছিল। সেই দৃষ্টিৰে চালে নলবাৰীৰ দৈনিক অসমৰ সেই নিজা সংবাদদাতা জনেই অসম আন্দোলনৰ আৰম্ভ কৰোঁতা। কেনেকৈ তাকে কৈছোঁ।

অসম আন্দোলন সফল (?) হৈ অসম গণ পৰিষদ চৰকাৰ গঠন হওঁতে কেবাজনো কথা-চহকী নেতাই নিজকে আন্দোলন আৰম্ভ কৰা গৌৰৱৰ অধিকাৰী বুলি যহাইছিল। ইংৰাজীত এষাৰ কথা আছে বোলে "Success has many fathers, failure is an orphan." সফলতাৰ বাপেক দেধাৰ, বিফলতা মাতমাউৰা। তেনে ফোঁপযহীসকলৰ মুখত চূণ দিবলৈ মই অগ্ৰদূতৰ ১৯৮৭ চনৰ ১লা নবেম্বৰৰ সংখ্যাত 'অসম আন্দোলনৰ জন্মদিন' শীৰ্ষক এটা প্ৰবন্ধ লিখিছিলোঁ।

দৈনিক অসমত প্ৰকাশিত সেই খবৰটো সীমান্ত শাখাৰ পৰিদৰ্শক টিকেন্দ্ৰজিত ফুকনে এটা টোকাৰে মোৰ দৃষ্টিলৈ আনি আশংকা প্ৰকাশ কৰিছিল বোলে, সেই সুযোগতে বহু বিদেশীয়ে ভোটাৰ তালিকাত নাম সুমুৱাবলৈ যত্ন কৰিব পাৰে। গতিকে ভোটাৰ তালিকা পঞ্জীয়ন বিষয়াসকলক সেই বিষয়ত সহায় কৰিবলৈ আমি সীমান্ত শাখাৰ পৰা প্ৰত্যেকজন পঞ্জীয়ন বিষয়াক একোজন পুলিচ বিষয়া দিব পাৰোনে কি? প্ৰস্তাৱটো মোৰ মনঃপুত হ'ল। ডি আই জি ভট্টাচাৰ্যয়ো সমৰ্থন কৰিলে আৰু মোক মঙ্গলদৈ আৰু নলবাৰীৰ মহকুমাধিপতি দুজনলৈ বেতাঁৰ যোগে আৰু কামৰূপৰ উপায়ুক্তক হাতে হাতে তাৰ বাবে অনুৰোধ জনাবলৈ নিৰ্দেশ দিলে। মঙ্গলদৈ লোকসভা সমষ্টিত নলবাৰী আৰু গুৱাহাটী মহকুমাৰ কেইটামান বিধানসভা সমষ্টি পৰে। পিচদিনাখনেই নলবাৰী মহকুমাধিপতি ভাটনগৰৰ পৰা সম্মতিসূচক বাৰ্তা আহিল। দেখা গ'ল আমাৰ সিঁচৰতি হৈ থকা পুলিচ বিষয়াসকলক গোটাই আৱশ্যকীয় প্ৰশিক্ষণ দি সেই কামত নিয়োগ কৰিবলৈ হাতত সময় তাকৰ। ডি আই জি-ৰ নিৰ্দেশ মতে মই এসপ্তাহ সময় বঢ়াই দিবলৈ অনুৰোধ জনাই এখন চিঠি মুখ্য সচিবলৈ লিখি সেইদিনাই বিয়লি গৃহ সচিব শ্ৰীযতীন হাজৰিকাৰ হাতত দিলোগৈ। পিচদিনা ডি আই জি ভট্টই মুখ্য সচিবক লগ ধৰিলে। সেইদিনা কিবা বন্ধ আছিল। মুখ্য সচিবে মোৰ চিঠিখন নাই পোৱা বোলাত ভট্টই মোক ফোনযোগে অফিচ কপিটো লৈ মুখ্য সচিবৰ বাসভৱনলৈ মাতি পঠিয়ালে। মই লৈ গলো। প্ৰথমতে মুখ্য সচিব পৰমাশিৱমে সেই বিষয়ত অসম চৰকাৰৰ হাত নাই আৰু সেইটো নিৰ্বাচনী আয়োগৰ একচোটিয়া বিষয় বুলি কৈছিল যদিও ভট্টৰ হেঁচাত তেখেতে তেতিয়াই ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত ছাকধেৰলৈ ফোন কৰি কথাটো ক'লে। ছাকধেৰে সেইটো এটা সমষ্টিৰ উপনিৰ্বাচন সম্পৰ্কীয় যেতিয়া সময়সূচী সলনি কৰাত একো অসুবিধা নাই বুলি এপষ সময় বঢ়াই দিবলৈ মান্তি হ'ল। আৱশ্যক হ'লে আৰু সময় বঢ়াই দিব পৰা যাব বুলিও জনালে।

এসপ্তাহ বিচাৰোতে পযেক অধিক সময় পাই ভট্টৰ গা উঠিল। তেখেতে বোলে, সময় বেছি পোৱা গ'ল যেতিয়া ১৯৭৮ চনৰ ভোটাৰ তালিকাত সোমোৱা বিদেশী নাগৰিকৰ নামবোৰো কটোৱা যাওঁক। ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাদ দিয়াৰ পদ্ধতি জানিবলৈ গৈ তেতিয়াৰ অসমৰ উপমুখ্য নিৰ্বাচনী বিষয়া শ্ৰীভবেন শৰ্মাৰ পৰা জনা গ'ল যে প্ৰক্ৰিয়াটো জটিল। ভোটাৰ তালিকাত থকা নাম এটা কটাবৰ হ'লে তেওঁৰ একে সমষ্টিৰ এজন ভোটাৰে দহ পইচাত কিনি ল'ব লগা ৭ নম্বৰ প্ৰ-পত্ৰত আপত্তি দৰ্শাব লাগে আৰু তাত সেই একে খণ্ডৰ তালিকাত নাম থকা এজন ভোটাৰে সমৰ্থন জনাব লাগে। যদিও লোক প্ৰতিনিধিত্ব আইনৰ এটা ধাৰা মতে ভোটাৰ তালিকাৰ পঞ্জীয়ন বিষয়াই সন্তুষ্ট হ'লে নিজৰ ববীয়াকৈয়ো কোনো নাম কাটিব পাৰে ; তথাপিও সেইটো ক্ষমতা তেতিয়াৰ পৰিস্থিতি আৰু সিমান বৃহৎসংখ্যক লোকৰ ক্ষেত্ৰত প্ৰয়োগ কৰিবলৈ সুবিধা নহ'ব। গতিকেই ভাৰতীয় নাগৰিক ভোটাৰসকলৰ মাজত তেওঁলোকৰ নিজ নিজ সমষ্টিৰ তালিকাত থকা বিদেশীসকলৰ নামৰ বিৰুদ্ধে আপত্তি দৰ্শাবলৈ সজাগতা আৰু জনমত গঠন কৰাৰ প্ৰয়োজন হ'ল। সেই কামটো চৰকাৰী বিষয়া হিচাপে আমাৰ দ্বাৰা সম্ভৱ নাছিল। তাতে বাংলাদেশী ভোটেৰে ৰাজপাত খোৱা কংগ্ৰেছ (আই) দল আৰু বাওঁপন্থী ৰাজনৈতিক দলবোৰে ভোটাৰ তালিকাৰ পৰা বাংলাদেশীৰ নাম কটাৰ ঘোৰ বিৰোধিতা কৰি আহিছেই। গতিকে সেই অপশক্তিবোৰৰ লগত সমানে যুঁজিব পৰা অন্য শক্তিৰ সন্ধান কৰাৰ আৱশ্যক হ'ল।

মোৰ স্কুলীয়াকালৰ চিনাকি শ্ৰীনিবাৰণ বৰা আৰু শ্ৰীনগেন হাজৰিকা (নগা) তেতিয়া যথাক্ৰমে পূৰ্বাঞ্চলীয় লোক পৰিষদ আৰু অসম জাতীয়তাবাদী দলৰ সভাপতি। ডি আই জি ভট্টৰ ওচৰত মই সেই নেতা দুজনক গোপনে নি বিষয়টো আলচ কৰাৰ পৰামৰ্শ দিলো। সেইমতে এদিন ভট্টৰ ঘৰতে সান্ধ্য-ভোজনৰ ব্যৱস্থা কৰি বৰাক নি বিষয়টো আলচ কৰা হ'ল। নগেন হাজৰিকা, গিৰীণ বৰুৱা, নৃপেন গোস্বামী আদি জাতীয়তাবাদী দলৰ নেতাসকলকো বিষয়টোৰ লগত জড়িত কৰা হ'ল।

প্ৰায় একে সময়তে মাৰ্চ (১৯৭৯) মাহত শিৱসাগৰত বহা সদৌ অসম ছাত্ৰ সন্থাৰ সভাত শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু শ্ৰীভৃগু কুমাৰ ফুকন যথাক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক নিৰ্বাচিত হোৱাৰ সংবাদ বাতৰি কাকতত প্ৰকাশ হ'ল। ছাত্ৰ সন্থাৰ একৈছদফীয়া দাবীৰ এটা দফাত অসমলৈ বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ সমস্যাৰ ভয়াবহতাৰ কথাও আছিল। তেওঁলোকক সদ্যহতে বিদেশী নাগৰিকৰ সমস্যাটো অবগত কৰাবৰ কাৰণে আমি পৰামৰ্শক্ৰমে সীমান্ত শাখাৰ ডি এছ পি যোগেন ডেকাক পঠাই বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰা সেই ছাত্ৰনেতা দুজনকো অনোৱা হ'ল। তেওঁলোক দুজনৰ লগত, মোৰ যিমানদূৰ মনত

পৰে ৺ললিত ৰাজখোৱা আৰু লাচিত কলিতাও আহিছিল। আমি তেওঁলোকক পি এল পি আৰু অ জা দ-ক দিয়াৰ দৰেই আৱশ্যকীয় তথ্য-পাতিৰ যোগান ধৰিলোঁ। তেওঁলোকে সদায়হতে বিদেশী নাগৰিক আৰু ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্তন কৰাৰ বিষয়টোত অগ্ৰাধিকাৰ দিবলৈ মান্তি হ'ল।

২৩ মে'ত (১৯৭৯) আছুৰ মুখ্য কাৰ্য্যালয়ত বহা কাৰ্য্য নিৰ্বাহকে এটা প্ৰস্তাৱ যোগে "অসমত বহিৰাগত সমস্যাই তীব্ৰৰূপ ধাৰণ কৰাৰ সময়তো চৰকাৰে অনুপ্ৰৱেশকাৰীৰ সোঁত বন্ধ কৰিবলৈ কোনো কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত আৰু পূৰ্বৰ কংগ্ৰেছ চৰকাৰে ৰাজনৈতিক ক্ষমতা লাভৰ আশাত নিগাজীকৈ সংস্থাপন দিয়াৰ নীতিকে জনতা চৰকাৰেও অনুসৰণ কৰি ইতিমধ্যে অনুপ্ৰৱেশ কৰাসকলক এচাম অসম বিৰোধী চক্ৰৰ প্ৰৰোচনাত ঘূৰাই নপঠোৱাত ক্ষোভ প্ৰকাশ কৰি" ৮ (৯ ?) জুনত বাৰ ঘণ্টীয়া অসম বন্ধ ঘোষণা কৰে। সীমান্ত পুলিচে তুলসীবাৰী অঞ্চলৰ পৰা কিছুমান বাংলাদেশী (হিন্দু) চিনাক্ত কৰি সীমান্ত পাৰ কৰিবলৈ পঠিয়াই দিওঁতে জনতা চৰকাৰৰ ভিতৰৰে জনচেৰেক বিধায়কৰ হেঁচাত তেওঁলোকক সীমান্তৰ পৰা ঘূৰাই আনিব লগা হৈছিল আৰু কাহিলীপাৰাত বাহৰ পাতি ৰাখিব লগা হৈছিল। সেয়ে আছিল ওপৰৰ উল্লেখিত প্ৰস্তাৱটোৰ প্ৰাসঙ্গিকতা।

আন এটা প্ৰস্তাৱযোগে "বহিৰাগত" সমস্যা সমাধানৰ বাবে সৰ্বসন্মত সিদ্ধান্ত ল'বলৈ গুৱাহাটী বিশ্ববিদ্যালয় চৌহদত অসম সাহিত্য সভা, বড়ো সাহিত্য সভা, বড়ো ছাত্ৰ সস্থা আৰু সকলো আঞ্চলিক ৰাজনৈতিক দল আৰু অৰাজনৈতিক সংগঠনক ২৭ জুন তাৰিখে এখন সভালৈ আহ্বান কৰিলে।

একে সময়তে অসম জাতীয়তাবাদী দলে অসমৰ পৰা সকলো বিদেশীক বহিষ্কাৰ নকৰা পৰ্য্যন্ত আগন্তুক ১৯৮১ চনৰ লোকপিয়ল অসমত স্থগিত কৰিবলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰিলে। আনহাতে মঙ্গলদৈ লোকসভা সমষ্টিৰ ভোটাৰ তালিকাৰ পৰা বহুতো 'ভাৰতীয় নাগৰিকক বিদেশী বুলি অভিযুক্ত কৰি পুলিচে তেওঁলোকৰ নাম কটাৰ ষড়যন্ত্ৰ কৰা'ৰ অভিযোগ তুলি অসম আৰু অসমৰ বাহিৰৰ কেবাগৰাকীও কংগ্ৰেছী নেতাই মুখ্য নিৰ্বাচনী আয়ুক্তৰ ওচৰত স্মাৰক-পত্ৰ প্ৰদান কৰিলে। তাৰেই পৰিণামত বিদেশী বহিষ্কৰণ আৰু ভোটাৰ তালিকাৰ পৰা তেওঁলোকৰ নাম কৰ্তন প্ৰক্ৰিয়া স্থগিত কৰিবলৈ আদেশ আহিল। সেই স্থগিতকৰণৰ আগলৈকে আমাৰ সীমান্ত শাখাৰ উদ্যোগত মঙ্গলদৈত ৪৭,৬৫৮ জনৰ বিৰুদ্ধে দাখিল কৰা আপত্তিৰ ভিতৰৰ ৩৬,৭৮০ জন বিদেশী বুলি পঞ্জীয়ন বিষয়াৰ বিচাৰত প্ৰমাণিত হৈছিল।

এই সময়খিনিতে অসম আৰু ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিয়ে অতি ক্ষিপ্ৰগতিত মোৰ সলাইছিল। মঙ্গলদৈ লোকসভা সমষ্টিৰ ভোটাৰ তালিকা

সংশোধনৰ ওপৰত বাদ-বিসম্বাদ চলি থাকোতেই কেন্দ্ৰ আৰু অসমৰ জনতা চৰকাৰত খোৱা-কামোৰা লাগিল। কেন্দ্ৰত চৰণ সিঙে দুদিনৰ বাবে হ'লেও প্ৰধানমন্ত্ৰী হোৱাৰ তেওঁৰ "জীৱনৰ অভিলাষ" পূৰাবলৈ মোৰাৰজী দেশাইৰ মন্ত্ৰীসভা ভঙাৰ ষড়যন্ত্ৰত লাগিল। তাত ইন্ধন যোগালে ইন্দিৰা কংগ্ৰেছে। অসমতো গোলাপ বৰবৰাক মুখ্যমন্ত্ৰী ভাঙি গাইপতি এদিনকৈ হ'লেও মুখ্যমন্ত্ৰী হোৱাৰ সপোন দেখিলে তেওঁৰ দলৰে কেবাজনেও। যোগেন হাজৰিকাই আটাইতকৈ সন্মানজনক বিধানসভাৰ অধ্যক্ষৰ পদত বহি তাৰ পৰা হাঁকুটি লগাই গোলাপ বৰবৰাক থহাই নিজে আটাইতকৈ ক্ষমতাপন্ন মুখ্যমন্ত্ৰী হোৱাৰ ষড়যন্ত্ৰ কৰিলে। সিফালে ১৫ জুলাইত (১৯৭৯) দেশায়ে পদত্যাগ কৰিলে। অসমত ১৬ জুলাইত কেশৱ গগৈয়ে মন্ত্ৰীপদ ইস্তফা দি ১৭ জুলাইত বিকল্প চৰকাৰ গঠনৰ দাবী তুলিলে। ২৬ জুলাইত কেন্দ্ৰত চৰণ সিংক মন্ত্ৰীসভা গঠন কৰিবলৈ ৰাষ্ট্ৰপতিয়ে আমন্ত্ৰণ জনালে। দিনচেৰেক পিচতে কংগ্ৰেছে গছত তুলি গুৰি কাটি দিয়াত চৰণ সিঙে ২০ আগষ্টত পদত্যাগ কৰি ৰাষ্ট্ৰপতিক মধ্যকালীন নিৰ্বাচনৰ পৰামৰ্শ দিয়ে আৰু ২৩ আগষ্টত লোকসভা ভঙ্গ হ'ল। সেই একে দিনাই অসমত জনতাদলৰ পৰা ফাটি যোৱা জনচেৰেক দুৰাকাঙ্ক্ষীয়ে অসম জনতা দল নামৰ এটা ৰাজনৈতিক দল গঠন কৰিলে।

সেই বছৰৰে ১লা চেপ্তেম্বৰৰ পৰা ২০ চেপ্তেম্বৰলৈ অসমত ঘৰে ঘৰে গৈ খচৰা ভোটাৰ তালিকা প্ৰস্তুতিৰ কাম আৰম্ভ হ'ল। খচৰা তালিকা ৩ অক্টোবৰত প্ৰকাশ হোৱাৰ কথা। ইতিমধ্যে ভোটাৰ তালিকাৰ সম্পৰ্কত অসমৰ ছাত্ৰ আৰু যুৱশক্তি সজাগ হোৱাত মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই সন্তোষ প্ৰকাশ কৰি বিদেশী অনুপ্ৰৱেশৰ ভয়াবহতাৰ কথা ৰাইজক সকীয়াই দিলে। ২৫ আগষ্টত বৰবৰাই মধ্যকালীন নিৰ্বাচনৰ বাবে খচৰা তালিকাত যাতে প্ৰকৃত ভাৰতীয় নাগৰিকসকলৰ নামেহে ঠাই পায় তাৰ বাবে গণনাকাৰীসকললৈ সকলো প্ৰকাৰে সহায় সহযোগ আগবঢ়াবলৈ অসমৰ ৰাইজৰ প্ৰতি দিয়া আহ্বান আছিল ঐতিহাসিক। মুখ্যমন্ত্ৰী বৰবৰাই বিদেশী অনুপ্ৰৱেশৰ ভয়াবহতাৰ সম্পৰ্কে সজাগ হ'বলৈ অসমৰ যুৱ আৰু ছাত্ৰসমাজক আহ্বান জনায়। তেখেতে কৈছিল যে, "লোকসভা ভঙ্গ কৰি মধ্যকালীন নিৰ্বাচনৰ আদেশ দিয়াৰ পিচত নিৰ্বাচনী আয়োগে ভোটাৰ তালিকা-সমূহ প্ৰস্তুত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। সময়সূচী অনুযায়ী অহা ১লা চেপ্তেম্বৰৰ পৰা ২০ চেপ্তেম্বৰলৈ ঘৰে ঘৰে গৈ গণনা কাৰ্য্য চলোৱা হ'ব আৰু তাৰ পিচত ৫ অক্টোবৰ তাৰিখে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ওজৰ-আপত্তি দাখিলৰ শেষ দিন হ'ব ২০ অক্টোবৰ......। ৰাইজে জানে যে কিছুমান ৰাজনৈতিক দলকে ধৰি এচাম লোকে মঙ্গলদৈ সংসদী সমষ্টিৰ ভোটাৰ তালিকাৰ পৰা বিদেশীলোকৰ নাম উঠাই দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লোৱা প্ৰচেষ্টাক ব্যাহত কৰি চৰকাৰক হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা চলাই আহিছে।

সৌভাগ্যক্ৰমে তেওঁলোকৰ সেই অপচেষ্টা ব্যৰ্থ হৈছে।……সেই তালিকাত যাতে প্ৰকৃত ভাৰতীয় নাগৰিকেহে ঠাই পায় তাত বাইজে চকু দিব।"

বৰবৰাৰ সেই কাৰ্য্যই কেৱল ক্ষমতালোভী দেশদ্ৰোহী এচাম ৰাজনীতি-জীৱিক তেওঁৰ চৰকাৰৰ পতন ঘটাবলৈ পথ সুচল কৰি দিলে। সাত আগষ্টৰ দিনা অসমৰ জনতা বিধায়নী দলৰ পৰা এঘাৰজন সদস্যই পদত্যাগ কৰি বৰবৰাৰ মন্ত্ৰীসভাৰ বিপৰ্য্যয়ৰ সূচনা কৰিলে।

২৮ আগষ্টৰ দিনা যোগেন হাজৰিকাই জনতা দলৰ পৰা পদত্যাগ কৰি পাঁচদিন পিচতে তিনি চেপ্তেম্বৰত নতুনকৈ গঠন কৰা অসম জনতা দলত যোগ দিলে আৰু সেই দিনাই তেওঁ বিধান সভাৰ অধ্যক্ষ হিচাপে বৰাবৰা মন্ত্ৰীসভাৰ বিৰুদ্ধে তোলা অনাস্থা প্ৰস্তাৱ আলোচনাৰ বাবে গ্ৰহণ কৰিলে। চাৰি চেপ্তেম্বৰত বৰবৰাই পদত্যাগ কৰিলে। সদৌ অসম ছাত্ৰ সন্থাই ৬ আৰু ৭ চেপ্তেম্বৰত শ্ৰেণী বৰ্জন কৰি অফিচ-কাছাৰীৰ সন্মুখত ধৰনি দিয়াৰ কাৰ্যসূচী ঘোষণা কৰিলে। ৯ চেপ্তেম্বৰৰ দিনা নিজৰ মুখৰ মুখা সোলোকাই যোগেন হাজৰিকাই নতুন মন্ত্ৰীসভাৰ নেতৃত্ব লৈ শপত গ্ৰহণ কৰিলে। তেওঁ অৱশ্যে গাদীত বহিয়েই বুজি পাইছিল যে কাঁইটীয়া গাদীখনত বেছি পৰ বহিব পৰা নাযাব। যেনে হ'লেও তেওঁৰ প্ৰাক্তন মুখ্যমন্ত্ৰী হোৱাৰ হেঁপাহ পলাল। সেই দিনাই তেওঁ ঘোষণা কৰিছিল যে বিদেশী অনুপ্ৰৱেশৰ সম্পৰ্কে তেওঁ সজাগ আছিল আৰু এজনো ভাৰতীয়ক আমনি নকৰাকৈ বিদেশী চিনাক্তকৰণ, বিতাড়ণ আৰু নাম-কৰ্তনৰ নীতি অব্যাহত ৰাখিব। আছুৱে ১২ আৰু ১৪ অক্টোবৰত চৰকাৰ অচল কৰিবলৈ পিকেটিঙৰ কাৰ্য্যসূচী ঘোষণা কৰিলে।

তেনে সন্ধিক্ষণতে লোকসভা ভঙ্গ হৈ যোৱাত মঙ্গলদৈ লোকসভা সমষ্টিৰ ভোটাৰ তালিকা সংশোধনিৰ তেতিয়ালৈকে মঙ্গলদৈত সীমিত থকা জনজাগৰণটো গোটেই ব্ৰহ্মপুত্ৰ উপত্যকালৈ বিয়পিল। বিদেশীৰ নাম থাকিব পৰা অসমৰ প্ৰায় আশীটা বিধানসভা সমষ্টিৰ ভোটাৰ তালিকা চালি-জাৰি বিদেশীৰ নাম কাটিবলৈ মুখ্য নিৰ্বাচনী আয়ুক্তই দিয়া নিৰ্দেশত বৰবৰা চৰকাৰে সহযোগিতা আগবঢ়াইছিল। বৰবৰাৰ জনতা মন্ত্ৰীসভাৰ পতন, মেৰুদণ্ডহীন হাজৰিকা মন্ত্ৰীসভাৰ দুৰ্বল স্থিতি আৰু ভূমিকা আৰু সকলোকে আচৰিত কৰি ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্ত ছাকধেৰে ওলোটা থৰ মাৰি অসংশোধিত ভোটাৰ তালিকাৰেই, গোটেই ভাৰতৰ লগতে, অসমতো ডিচেম্বৰ (১৯৭৯) মাহত মধ্যকালীন নিৰ্বাচনৰ আদেশে অসমত জুই জ্বলাই দিলে। যি ছাকধেৰে মাত্ৰ কেই বছৰ মানৰ আগতে অসমকে ধৰি পূব ভাৰতৰ ৰাজ্যকেইখনৰ ভোটাৰ তালিকাত অসংবিধানিকভাৱে অগণন বিদেশীৰ নাম থকা বুলি ঘোষণা কৰিছিল, যাৰ তেনে স্পষ্ট ঘোষণাক ভিত্তি কৰি ১৯৭৮ চনৰ ১৪ ডিচেম্বৰত ভাৰতৰ আইন আৰু সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে সেই ৰাজ্যকেইখনৰ ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম কৰ্তন

কৰা হ'ব বুলি সংসদত প্ৰতিশ্ৰুতি দিছিল আৰু ভাৰত চৰকাৰৰ গৃহ বিভাগে গোপনীয় নিৰ্দেশ যোগে অসম আদি ৰাজ্যকেইখনৰ চি আই ডি শাখাৰ হতুৱাই সেই সম্পৰ্কে তদন্ত কৰাই বিদেশীৰ নামবোৰ কাটিবলৈ নিৰ্দেশ দিছিল, সেই ছাকধেৰেই বিদেশীৰ নামেৰে কলুষিত ভোটাৰ তালিকাৰে অসমত নিৰ্বাচন পাতিবলৈ নিৰ্দেশ দি লগতে এটা ফুচুৰি কথা ক'লে যে সেইটো নিৰ্বাচনত ভোট দিবলৈ পোৱা মানেই বিদেশীবিলাকে ভাৰতৰ নাগৰিকত্ব দাবী কৰিব নোৱাৰিব। নিৰ্বাচনৰ পিচত ধীৰে সুস্থিৰে বিদেশীসকলৰ নাম ভোটাৰ তালিকাৰ পৰা কাটিব পৰা যাব।

ছাকধেৰৰ সেই ঘোষণাৰ পিচতে অসমত জানুৱাৰীত (১৯৮০) অসংশোধিত ভোটাৰ তালিকাৰে নিৰ্বাচন পতাৰ বিৰুদ্ধে আন্দোলন প্ৰবল হৈ পৰিল। ৰাইজৰ মতৰ বিৰুদ্ধে আকোৰগোজ মনোবৃত্তিৰে পাতিবলৈ লোৱা নিৰ্বাচনৰ ঘোষণাই অসমৰ আন্দোলনটোক এটা গণ-আন্দোলনলৈ ৰূপান্তৰ কৰিলে। নিৰ্বাচনৰ সম্ভাব্য প্ৰাৰ্থীসকলক আন্দোলনকাৰীসকলে ঘেৰাও কৰি মনোনয়ন দিবলৈ ওলাব নোৱাৰা কৰিলে। তেতিয়া নামমাত্ৰকৈ অসমত যোগেন হাজৰিকাৰ থৰক-বৰক চৰকাৰ।

১৯৭৯ চনৰ দহ ডিচেম্বৰ আছিল মনোনয়ন দাখিলৰ শেষ তাৰিখ। ন ডিচেম্বৰৰ ৰাতি নমান বজাত আমি এটা গোপন সংবাদ পালোঁ যে অলপ সময়ৰ আগতে অসমৰ সকলো ডি. চি., এছ. পি, এছ. ডি. অ, আৰু এছ. ডি. পি.-অলৈ মুখ্য সচিব চাৰাত্তৰ পৰা এক কাড়া গোপন নিৰ্দেশ বেতাঁৰ যোগে গৈছে য'ত কোৱা হৈছে যে যি কোনো ক্ষতিৰ বিনিময়ত পিচ দিনা অৰ্থাৎ দহ তাৰিখে ইচ্ছুক প্ৰাৰ্থীসকলৰ হতুৱাই মনোনয়ন দাখিল কৰাব লাগিব। হিৰণ্য ভট্টাচাৰ্য্য আৰু মই ভয়ানক দুঃচিন্তাত পৰিলো। পিচদিনা চি. আৰ. পি. আৰু পুলিচৰ গুলীত ব্ৰহ্মপুত্ৰ উপত্যকা তেজেৰে ৰাঙলি হ'ব। আমি একে সূত্ৰৰ পৰা এইটোও জানিছিলো যে যোগেন হাজৰিকাই সেই গুৰুত্বপূৰ্ণ নিৰ্দেশৰ একো উমঘাম পোৱা নাছিল। সেইটো অসমৰ মুখ্য সচিব আৰু পুলিচ মহাপৰিদৰ্শকৰ ফালৰ পৰা লোৱা প্ৰশাসনিক সিদ্ধান্ত। আমি দুয়ো যুক্তি কৰি তেতিয়া হাজৰিকা মন্ত্ৰীসভাৰ সহযোগী পি দি পি দলৰ এগৰাকী কেবিনেট মন্ত্ৰী শ্ৰীপ্ৰেমধৰ বৰাক ফোন কৰিলো। বৰাই সেইদিনাই নে তাৰ আগদিনা পদত্যাগ কৰিছে যদিও তেতিয়ালৈকে পদত্যাগ-পত্ৰ গ্ৰহণ হোৱা নাই আৰু তেখেতে অব্যাহতি পোৱা নাই। প্ৰেম বৰাক টেলিফোনেৰে কথাটো জনালোঁ। তেখেতে প্ৰথমতে অসহায় ভাব প্ৰকাশ কৰি ক'লে যে তেখেতে ইতিমধ্যে পদ ইস্তফা দিছে। মই তেতিয়া ক'লো যে পদত্যাগ কৰিলেও তেতিয়ালৈকে তেখেত মন্ত্ৰীসভাৰ সদস্য হৈ আছে আৰু পিচদিনাৰ ঘটিব লগা নৰমেধ যজ্ঞৰ তেখেতো এজন অংশীদাৰ হ'ব আৰু তেখেতৰ হাতো অসমীয়াৰ তেজেৰে ৰাঙলি হ'ব। মই ফোনত বৰ

আবেগিক হৈ কৈ পেলাইছিলো বোলো—"বৰাদেউ আপুনি এজন মন্ত্ৰী আৰু মই এজন সামান্য এছ. পি.। আপোনাৰ ওচৰত কোনো দিনে কেতিয়াও মই একো অনুগ্ৰহ বিচৰা নাই। আজি আপোনাৰ ভৰিত ধৰি কাবৌ কৰিছো আপুনি এই নৰহত্যা ৰোধ কৰক।" তেখেতে "ৰাম ৰাম ৰাম ৰাম" বুলি সুৰ সলাই সুধিলে "কওঁক, মই কি কৰিব লাগে"। মই ক'লো, "আপুনি এতিয়াই মুখ্যমন্ত্ৰীক লগ ধৰি খবৰটো দিয়ক। কথাটো হয় নহয় চয়-নিচয় কৰক। যদি হয় তেনেহ'লে এখন শুধৰণি বেতাঁৰ বাৰ্তা ৰাতিৰ ভিতৰতে পোৱাকৈ পঠোৱাৰ দিহা কৰক।" সেই বুলি আমি কৰা এখন খচৰা বেতাঁৰ বাৰ্তা তেখেতক শুনালোঁ। তেখেতে টুকি ললে। আমি দিয়া খচৰাখনৰ মতে শান্তিপূৰ্ণ পিকেটিঙকাৰী জনতাৰ ওপৰত একোপধ্যেই শক্তি প্ৰয়োগ নকৰিবলৈ দঢ়াই দঢ়াই কোৱা হৈছিল।

শ্ৰীবৰা লগে লগেই মুখ্যমন্ত্ৰীৰ ঘৰলৈ গ'ল। মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব আৰু আই. জি. পি-য়ে যুটীয়াভাৱে পঠোৱা পূৰ্বৰ আদেশখনৰ বিষয়ে অজ্ঞ আছিল। আচলতে সেইখন আদেশ আঁৰ-কাপোৰৰ সিফালৰ পৰা আই কংগ্ৰেছৰ আন এগৰাকী "দ্যা ফেক্ত" মুখ্যমন্ত্ৰীয়েহে দিয়াইছিল। মুখ্যমন্ত্ৰীয়ে মুখ্য সচিব আৰু পুলিচ প্ৰধানজনক মতাই নি আমি দিয়া খচৰামতে সংশোধনি নিৰ্দেশ পঠোৱালে। সেইখন নিৰ্দেশ নোযোৱা হ'লে পিচ দিনা গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাত তেজৰ নৈ ব'লেহেঁতেন। প্ৰেম বৰাদেৱে অসমবাসীৰ প্ৰতি কৰা সেইকণ সেৱাৰ কথা আমি দুজনৰ বাহিৰে আনে গম নাপায়।

নিৰ্বাচন ৰোধ কৰিবলৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো ঠাইতে আন্দোলনকাৰী ৰাইজে পথ অৱৰোধকে ধৰি নানা বিঘিনিৰ সৃষ্টি কৰিছিল। ফলত বৰাক উপত্যকাত দুটা লোকসভা সমষ্টিৰ বাহিৰে অসমৰ অন্য ঠাইত নিৰ্বাচন সম্ভৱ নহ'ল। চৰকাৰে ঘোষণা কৰা সান্ধ্য আইনকো নেওচি গুৱাহাটীকে ধৰি বিভিন্ন ঠাইত লাখ লাখ জনতা শান্তিপূৰ্ণভাৱে ৰাজপথলৈ ওলাই আহিছিল।

সেই হুলস্থুলীয়া সময়ত গোটেই অসম আলোড়িত কৰা আৰু আন্দোলন-টোক অধিক শক্তি যোগোৱা যিটো ঘটনা ঘটিছিল সেইটো আছিল ভৱানীপুৰত খগেশ্বৰ তালুকদাৰৰ অস্বাভাৱিক মৃত্যু। আন্দোলনকাৰীসকলে দাবী কৰা মতে আৰু বাতৰি কাকতবিলাকত প্ৰকাশ পোৱা তথ্য মতে বৰপেটালৈ প্ৰাৰ্থী আবিদা আহমদক নে তেওঁৰ এজেণ্টক সশস্ত্ৰ পুলিচেৰে লৈ যাওঁতে পথ বন্ধ কৰাসকলৰ এজন খগেশ্বৰ তালুকদাৰক পুলিচে নিৰ্মমভাৱে কোবাই মাৰিলে।

মই তেতিয়া চাকৰিত থাকিও অসম আন্দোলনৰ যে ঘোৰ সমৰ্থক আছিলোঁ তাক দোহাৰিবৰ প্ৰয়োজন নাই। তথাপিও সত্যপ্ৰকাশ কৰাটো এটা নৈতিক কৰ্তব্য বুলি ভৱানীপুৰৰ ঘটনা সম্পৰ্কে তলৰ কথাখিনি কওঁ।

সেই সময়ত আন্দোলনৰ আন এগৰাকী ঘোৰ সমৰ্থক আছিল, মোৰ বৰ

বিকৃত ডি. এছ. পি. প্ৰয়াত যোগেন গোস্বামী। গোস্বামী এজন সৎ বিষয়া আছিল। তেতিয়া তেওঁ এশিট কৰাপ্চনৰ সাধাৰণ পোছাক পিন্ধা ডি. এছ.পি. আছিল। তেওঁ একে শাখাৰে আন এজন ডি. এছ. পি-ৰে কিবা কামত নলবাৰীলৈ গৈ জনতা সান্ধ্য আইনৰ কাৰণে তাতে আবদ্ধ হৈ পৰিছিল। তেনে সময়তে ডি. আই. জি. গিল, এছ. পি. শ্ৰীবাস্তৱ আদিয়ে দলে-বলে বৰপেটাৰ লোকসভা সমষ্টিৰ আই কংগ্ৰেছৰ প্ৰাৰ্থী আবিদাৰ এজেণ্ট গৰাকীক লৈ বৰপেটা অভিমুখে যোৱা গম পাই গিলক লগ ধৰি তেওঁলোকৰ অৱস্থাটোৰ বিষয়ে ক'লে। গিলে তেওঁলোকৰ জীপখনো তেওঁৰ কনভয়ৰ লগত লগ লগাবলৈ নিৰ্দেশ দিলে। গতিকে গোস্বামীহঁতো গুৱাহাটীলৈ উভতি নগৈ বৰপেটা মুখী হ'ল। ৰাতি একমান বজাত পাটাছাৰকুচি থানাৰ সন্মুখত আঁতৰা-আঁতৰিকৈ যোৱা কনভয়টোৰ গাড়ীবোৰ লগ লাগি কিছুসময় তাত বৈ ওচৰা-উচৰিকৈ যাত্ৰা আৰম্ভ কৰিলে। ৰাতি দুই-আঢ়ৈমান বজাত তেওঁলোক গৈ ভৱানীপুৰ পালে আৰু দেখিলে যে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত একুৰা প্ৰকাণ্ড জুই জ্বলি আছে। কিছুমান আলকতৰাৰ ধামা ৰাস্তাটোৰ ওপৰত থোৱা আছে। জুই আলকতৰাৰেই জ্বলোৱা হৈছিল। কনভয়টো ৰব লগা হ'ল আৰু তেনে পৰিস্থিতিৰ কাৰণে লগত লৈ যোৱা বনুৱাৰ দলে জুই নুমুৱাই তপত হৈ থকা ৰাস্তাটোত পানী ঢালি চেঁচা কৰি হেণ্ডাৰবোৰ আঁতৰালে। তাত তেওঁলোকে কোনো জনপ্ৰাণী লগ পোৱা দূৰৰ কথা আঁতৰতো কাকো দেখা নাছিল। পুনৰ যাত্ৰা আৰম্ভ হ'ল। হাউলিতো তেনে কিছুমান হেণ্ডাৰ আছিল। সেইবোৰ গুছাই পুৱতি নিশা গৈ তেওঁলোক বৰপেটাত উপস্থিত হ'ল। ৰাতিপুৱা কোনোবাই এটা খবৰ দিলে যে ভৱানীপুৰত এজন ছাত্ৰ মৰিছে। সেইটো শুনি গিলে হেনো আচৰিত হৈ সুধিছিল বোলে, "সেইটো কেনেকৈ হ'ল?" তেওঁলোক সকলোৱে সেইটো এটা উৰাবাতৰি বুলিয়েই উৰাই দিছিল। তথাপিও গিলে এছ. পি. শ্ৰীবাস্তৱক নিজে ভৱানীপুৰলৈ গৈ এটা তদন্ত কৰিবলৈ ক'লে। নহ'লে সেই "মিছা জনৰৱটোৱে পৰিস্থিতি বেয়া কৰি পেলাব পাৰে।" শ্ৰীবাস্তৱে গৈ ভৱানীপুৰত জানিলে যে খগেশ্বৰ তালুকদাৰ নামৰ ছাত্ৰ এজন মৰাটো সঁচা। তেওঁক হেনো মৃত অৱস্থাত কোনোবা ফালে সোমাই যোৱা লুংলুঙীয়া বাটৰ কাষৰ মেটেকাৰে ভৰা পানীৰ দোং এটাত এৰীয়া কাপোৰেৰে জোট-পোট খাই মৃত অৱস্থাত পোৱা গৈছিল। শ্ৰীবাস্তৱে তাৰ স্থানীয় ডাক্তৰজনক সোধোতেও তেওঁ বোলে ল'ৰাটো পানীত পৰি মৰা বুলিয়েই কৈছিল। কিন্তু যিহেতু তেওঁ ওপৰে ওপৰেহে চাইছিল সেয়ে এছ. পি-য়ে বিচৰা সত্ত্বেও তেওঁ মৰণোত্তৰ পৰীক্ষা নকৰাকৈ মৃত্যুৰ কাৰণটো পানীত পৰি হোৱা বুলি লিখিতভাৱে দিবলৈ অস্বীকাৰ কৰিলে। ইতিমধ্যে আন্দোলনকাৰীসকলে তালুকদাৰৰ মৃতদেহ লৈ গুৱাহাটী অভিমুখে গুছি গৈছিল।

প্ৰয়াত গোস্বামী মোৰ বৰ বিশ্বস্ত আছিল। মোক মিছা কথা কোৱাৰ তেওঁৰ কোনো আৱশ্যকতাও নাছিল। তেওঁৰ কথাৰ ওপৰত মই একো মন্তব্য নকৰো। আন্দোলনৰ খাতিৰত আমি সেইবোৰ কথা তেতিয়া সদাৰি কৰা নাছিলো—তেনে আন বহু ভিতৰুৱা কথাৰ দৰেই।

খগেশ্বৰ তালুকদাৰৰ মৃতদেহৰ ওপৰত গুৱাহাটীত আন্দোলনৰ পক্ষৰ বিশ্বস্ত চিকিৎসকেই মৰণোত্তৰ পৰীক্ষা কৰিছিল। সেই ডাক্তৰি প্ৰতিবেদন মতেও, যি গম পাইছিলো, খগেশ্বৰৰ পানীত পৰি মৃত্যু ঘটা বুলিহে মত দিছিল।

গোলাপ বৰবৰাৰ চৰকাৰৰ পতনৰ পিচত যোগেন হাজৰিকাই দিনচেৰেক মুখ্যমন্ত্ৰীৰ গাদীত থাকিয়েই তেওঁৰো পতন ঘটিল। অস্থিৰ এটা অৱস্থাৰ পিচত অসম বিধান সভাখন অৰ্ধমৃত কৰি অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন হ'ল। সেই সময়ৰে এটা ঘটনা ঃ

তেতিয়া কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনৰ নেতাসকলৰ মাজত কেবালানিও আলোচনা বিফল হৈ এটা অস্বস্তিকৰ স্থিতাৱস্থা চলি আছে। মই তেতিয়াও সীমান্ত শাখাৰ এছ পি। এদিন ৰাতি নমান বজাত প্ৰাক্তন গৃহমন্ত্ৰী তেতিয়া জীয়াতে মৰা বিধানসভাৰ কংগ্ৰেছ (আই) ৰ সদস্য হিতেশ্বৰ শইকীয়া আচম্বিতে যোৰহাটৰ ৰোহিত পাচনিক লগতলৈ মোৰ ঘৰত উপস্থিত হ'ল। শইকীয়াই বহিয়েই তেখেতে প্ৰধানমন্ত্ৰীলৈ পঠাব খোজা এখন টেলিগ্ৰামৰ খচৰা মোক পঢ়ি চাবলৈ দিলে আৰু ক'লে বোলে,"মই এইখন মেডামলৈ পঠাব খুজিছোঁ। আপুনি লিখি লওঁকচোন। কিবা সালসলনি কৰিব লাগে নে কি চাই কালিলৈ পুৱা মোক দিব।" তেখেতৰ খচৰাখন আছিল—"(1) Assam Police detected and deported two lakh eighty thousand Pakistanis and prepared a list of......to be deported under PIP Scheme (.) Movement leaders however allege that many deported Pakistanis have re-infiltrated (2) Whether now all those who have re-infiltrated and all those who were listed by Assam Police may be deported along with all those who entered after 25th March/71 (.)

তিনি নম্বৰত তেখেতে ওপৰৰ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ তেতিয়া চলি থকা দমন নীতি আৰু আন্দোলনকাৰী পক্ষই আন্দোলন কাৰ্যসূচী স্থগিত ৰখাৰ সম্পৰ্কে প্ৰস্তাৱ দিছিল। মই খচৰাখন টুকি লৈ পিচদিনা আনবোৰ একেৰাখি দুই নম্বৰ বাকাটো এনেকৈ সলাই তেখেতক দিলোগৈ। (2) Whether now all those whose deportation was envisaged under the PIP Scheme may now be deported along with all those who entered Assam after 25th March /71.

মই হাতফুৰাই দিয়া খচৰাখন চাই শইকীয়াই সন্তোষ প্ৰকাশ কৰিলে আৰু সেইমতেই প্ৰধান মন্ত্ৰীলৈ পঠাইছিল বুলিও মই গম পাইছিলো। পিচত ভিতৰুৱাকৈ জানিব পাৰিছিলো যে প্ৰধানমন্ত্ৰীয়ে শইকীয়াৰ প্ৰস্তাৱটো গ্ৰহণ কৰি আন্দোলনৰ নেতাসকললৈ তেনে এটা প্ৰস্তাৱৰ গ্ৰহণযোগ্যতা সম্পৰ্কে অনানুষ্ঠানিকভাৱে জানিবলৈ মধ্যস্থতাকাৰী লগাইছিল। আন্দোলনৰ ছাত্ৰ-নেতাসকলে হেনো সেইটো গ্ৰহণীয় নহ'ব বুলি ইঙ্গিত দিছিল। কিয়নো পি আই পি স্কীমৰ আধাৰত ১৯৭১ চনৰ ২৫ মাৰ্চৰ আগলৈকে কেৱল পাকিস্তানী মুছলমান অনুপ্ৰৱেশকাৰী সকলকহে বিতাড়িত কৰিব খোজা হৈছিল। পূৰ্ব পাকিস্তানৰ পৰা ভাগি অহা হিন্দু / বৌধসকল শৰণাৰ্থী বুলি গণ্য হৈছিল। আন্দোলনৰ ছাত্ৰ-নেতাসকলৰ "অতিমাত্ৰা চেকুলাৰ" দৃষ্টিভঙ্গীৰ লগত হেনো সেইটো খাপ নোখোৱা প্ৰস্তাৱ আছিল।

হিতেশ্বৰ শইকীয়াই পঠোৱা পৰামৰ্শৰ ওপৰত ভিত্তি কৰি প্ৰধানমন্ত্ৰীয়ে আগবঢ়োৱা অনানুষ্ঠানিক সেইটো প্ৰস্তাৱ নাকচ কৰাৰ আগতে তাতোকৈ এটা দুৰ্ভাগ্যজনক ঘটনা ঘটিছিল ১৯৮০ চনৰ এপ্ৰিল মাহতে।

লালনপ্ৰসাদ সিংহ, যি চৰকাৰী প্ৰশাসক ১৯৬৩ চনত পাকিস্তানী অনুপ্ৰৱেশ প্ৰতিৰোধ আঁচনি (পি আই পি স্কীম) প্ৰস্তুত কৰোতে ভাৰত চৰকাৰৰ গৃহ সচিব আছিল, তেতিয়া অসমৰ ৰাজ্যপাল। অসমৰ সমস্যা ভালকৈ বুজি পোৱা আৰু আন্তৰিকতাৰে সমাধানৰ চিন্তা কৰাসকলৰ ভিতৰত তেখেত আছিল অন্যতম। ভাৰতৰ গৃহমন্ত্ৰী জাইল সিং অসম আন্দোলনৰ নেতাসকলৰ লগত আলোচনা কৰিবলৈ গুৱাহাটীলৈ আহিছিল। আলোচনা হ'ল, কিন্তু ব্যৰ্থ হ'ল। পিচ দিনা গৃহমন্ত্ৰী দিল্লীলৈ উভতিব। সেই ৰাতিয়েই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ৰাজ্যপালৰ লগত টেলিফোনত কথা হৈ আন এটা অনানুষ্ঠানিক প্ৰস্তাৱ আগবঢ়াইছিল। সেইটো আছিল আন্দোলনকাৰীসকলে দাবী কৰা তিনিওটা 'দি' অৰ্থাৎ ডিটেকচন—চিনাক্তকৰণ, ডিলেচন—ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন আৰু ডিপৰটেচন—বিতাড়ণৰ সময়সীমা ১৯৬৫ চনৰ ৩১ ডিচেম্বৰ। ৰাজ্যপালে মাজৰাতিয়েই ডি আই জি হিৰণ্য ভট্টক মতাই নি আন্দোলনকাৰী ছাত্ৰ-নেতাসকলে সেই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ সম্ভাৱনাৰ বিষয়ে সুধিলে। ৰাজ্যপালে আমাৰ আৰু আন্দোলনৰ নেতাসকলৰ ভিতৰুৱা যোগাযোগৰ বিষয়ে উমান পাই আছিল। যদি প্ৰস্তাৱটো গ্ৰহণ হোৱাৰ সম্ভাৱনা আছে তেন্তে গৃহমন্ত্ৰীৰ পিচদিনাৰ প্ৰত্যাৱৰ্তন স্থগিত হ'ব আৰু চুক্তি স্বাক্ষৰ কৰিহে দিল্লীলৈ উভতিব। ভট্টাচাৰ্যই সেইটো নিশ্চয় গ্ৰহণ হ'ব বুলি ৰাজ্যপালক এক প্ৰকাৰ ন দি ক'লে। এক নম্বৰ অতিথিশালাৰ পৰা ভট্টাচাৰ্য পোনে পোনে মাজৰাতি মোৰ ঘৰলৈ আহিল আৰু মোক জগাই সকলো কথা বিবৰি ক'লে। পিচ দিনা ভেটেৰিণাৰী কলেজত বহিব লগা আছুৰ কাৰ্য্য নিৰ্বাহকক

মান্তি কৰাব পাৰিলেই এটা মহৎ কাম হ'ব। ইমান এটা সফলতাৰ সম্ভাৱনাত আমি দুয়ো উৎফুল্ল হলো। আবেগ আৰু আনন্দেৰে ৰাতি পুৱাবলৈ বাট চালো। সেই ৰাতি আমাৰ কত কি পৰিকল্পনা। মাৰোৱাৰীৰ যিটো ভাৰাঘৰত আমাৰ, অৰ্থাৎ সীমান্ত শাখাৰ অফিচ আৰু য'ৰ পৰা বিদেশী বিতাড়ণ আদিৰ আন্দোলনটো আৰম্ভ হৈছিল, সেইটো কিনিলৈ আমি এটা স্মৃতিভৱন পাতিম। আৰু কত কি!

পিচ দিনা অফুৰন্ত আশা আৰু উদ্দীপনাৰে আমি দুয়ো ভেটেৰিণাৰী কলেজলৈ গ'লো—য'ত আছুৰ কাৰ্য্য নিৰ্বাহক বহিছিল। আমাৰ লগত সীমান্ত শাখাৰ ডি এছ পি যোগেন ডেকাও। আছুৰ কাৰ্য্য নিৰ্বাহক সভা স্থগিত কৰি ভৃগু ফুকনে আমাক সভাঘৰলৈ লৈ গ'ল। আমি প্ৰধানমন্ত্ৰীৰ পৰা অনানুষ্ঠানিক ভাৱে অহা প্ৰস্তাৱটোৰ কথা বুজাই ক'লো। তাৰ আগলৈকে ইন্দিৰা গান্ধীয়ে ১৯৭১ চনৰ ২৫ মাৰ্চত গোজপুটি আছিল। ১৯৬৫ চনৰ ৩১ ডিচেম্বৰ সময়সীমা কৰাৰ এটা কাৰণ আছিল। ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধৰ সময়ত তেতিয়াৰ পূব পাকিস্তানৰ পৰা বহু হিন্দু আৰু বৌধ লোক ভাৰতলৈ আহিছিল। আমাৰ বিবেচনাত তেতিয়া তাতকৈ অধিক ভাল আৰু বাস্তৱ চৰ্ত আন একো নাছিল। আজিতো (১৯৯৩) তেনে চিন্তা কল্পনাৰো অগোচৰ। আছুৰ কাৰ্য্য নিৰ্বাহকে মানি ললে গণসংগ্ৰাম পৰিষদৰ কাৰণে চিন্তাৰ কাৰণ নাছিল। কিয়নো গণসংগ্ৰাম পৰিষদে সাধাৰণতে আছুৰ বিৰোধিতা নকৰিছিল।

কিন্তু ছাত্ৰ সন্থাই সেই প্ৰস্তাৱ মানিবলৈ অমান্তি হ'ল। প্ৰথমতে জয়নাথ শৰ্মাই ঘোষণা কৰিলে যে ১৯৫১ চনৰ ১ লা জানুৱাৰীৰ প্ৰথম ঘণ্টাত প্ৰৱেশ কৰা বিদেশীজনকো বিতাড়ণ কৰাৰ প্ৰস্তাৱ আহিলেহে তেওঁলোকৰ গ্ৰহণীয় হ'ব। ভৰত নৰহে এটা সাঁথৰ উলিয়ালে বোলে আপোনাৰ গৰুজনী মই চুৰ কৰি আনিলো। চাৰি পাঁচ বছৰৰ পাচত যোনিবা ধৰা পৰিল। গাইজনী আপুনি পাব। কিন্তু মোৰ ঘৰত জগা পোৱালী কেটা কাৰ হ'ব? এনে ধৰণৰ লঘু কথাৰ অৱতাৰণা হ'ল। হিৰণ্য ভট্টই জয়নাথক তথা ছাত্ৰ-নেতাসকলক কৈছিল বোলে, দুৰ্যোধনেও শুচাগ্ৰ মেদিনী এৰি নিদিও বুলি প্ৰতিজ্ঞা কৰি কি হৈছিল ভাবি চোৱা। মোটতে নহ'ল। নোহোৱাৰ গূঢ় কাৰণ আছিল। আন্দোলনৰ সমাপ্তি ঘটিলেই অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত স্থগিত হৈ থকা লোকসভা আৰু গোটেই অসমত বিধানসভাৰ নিৰ্বাচন হ'ব। কিন্তু লেঠা হ'ল ইতিমধ্যে আছুৰ নেতাসকলৰ লোলুপ দৃষ্টি নিবদ্ধ হৈছিল ৰাজনৈতিক ক্ষমতাৰ ওপৰত। তেওঁলোকে মন্ত্ৰী, বিধায়ক, এম পি হোৱাৰ স্বপ্ন দেখিছিল। নিৰ্বাচনত উঠিবলৈ নিম্নতম বয়সৰ অৰ্হতা পঁচিশ বছৰ। ছাত্ৰ-নেতাসকলৰ ভিতৰৰ যিসকলে সেই পদবোৰকে পেছা হিচাপে লৈ দীৰ্ঘদিন ধৰি কিবা নহয় কিবা প্ৰকাৰে ছাত্ৰহে আছিল সেইসকলৰ বাহিৰে বাকীবোৰৰ বয়স

তেতিয়াও পঁচিশ হোৱা নাছিল। তেতিয়াই অসম সমস্যা সমাধান হ'লে তেওঁলোকে অর্জা ফল আনেহে ভোগ কৰিব। গতিকে আন্দোলন চলি থাকিব লাগিব—ল'ৰাহঁতৰ বয়স পঁচিশ বছৰ নোহোৱা পর্যন্ত ; তাৰ বাবে শ্বহীদৰ তালিকা যিমানেই দীঘল নহওঁক লাগে। ছাত্র-নেতাসকলৰ মাজতে ৰাজনৈতিক ক্ষমতাৰ অৱিয়া-অৱি ক্রমাৎ স্পষ্টতৰ হৈ আহিছিল আৰু ১৯৮৩ চনত সি এক চূড়ান্ত ৰূপ পাইছিল।

অলপ ভটিয়াই যাওঁ। ১৯৮৩ চনৰ ৫ জানুৱাৰীৰ দিল্লীত বহা আছু/গণসংগ্রাম পৰিষদ, কেন্দ্রীয় চৰকাৰ আৰু বিৰোধীদলৰ ত্রিপাক্ষিক আলোচনা ব্যর্থ হোৱাৰ পিচদিনা আছু আৰু গণ সংগ্রাম পৰিষদৰ নেতাসকলক গ্রেপ্তাৰ কৰি ভাৰত চৰকাৰে অসমত অসংশোধিত ভোটাৰ তালিকাৰেই নির্বাচন ঘোষণা কৰিলে। সেই নির্বাচন, দুই কংগ্রেছ আৰু বাওঁপন্থী সর্বভাৰতীয় দলবোৰৰ বাহিৰে, সকলোৱে বর্জন কৰিলে। আছুৰ সভাপতি প্রফুল্ল মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু ফুকন গ্রেপ্তাৰ হোৱাত উপ-সভাপতি নুৰুল হোচেইন আৰু গিৰীন্দ্র কুমাৰ বৰুৱাই যথাক্রমে সভাপতি আৰু সাঃ সম্পাদকৰ দায়িত্ব লৈ ফেব্রুৱাৰীৰ (১৯৮৩) নির্বাচন প্রতিৰোধৰ অভিযানত নুৰুল হোচেইনে চমকপদ নেতৃত্ব দিছিল। সেই সংকটকালত নৰুলে দেখুওৱা দক্ষতাৰ কাৰণে তেওঁ প্রফুল্ল মহন্তৰ পিচতে ছাত্র সন্থাৰ দুই নম্বৰ নেতা হিচাপে আত্মপ্রকাশ কৰিলে। তাৰ মূল্য, অৱশ্যে তেওঁ ভৰিব লগা হ'ল।

ফেব্রুৱাৰীৰ শেষৰ ফালে উচ্চ ন্যায়ালয়ৰ নির্দেশক্রমে প্রফুল্ল-ভৃগু আদি ছাত্রনেতাসকল মুক্ত হ'ল। নির্বাচন প্রতিৰোধৰ কালছোৱাত অসমৰ বহু ঠাইত যাউতিযুগীয়া সাম্প্রদায়িক এনাজৰিডাল ছিগো ছিগো হৈছিল। আছুৰ ভিতৰৰে হিন্দু ছাত্রৰ এটা গোটে কিছুমান মুছলমান বসতি প্রধান অঞ্চলত অবাঞ্চনীয় ব্যৱহাৰ কৰা বুলি অভিযোগ উঠিছিল। তাৰ প্রতিক্রিয়া হিচাপে আছুৰ কিছুমান মুছলমান ছাত্র সদস্যই গুৱাহাটীৰ জে বি আইন কলেজত এখন আছুতীয়া সভা পাতিছিল। সেই সভাত আছুৰ উপসভাপতি তথা নির্বাচন প্রতিৰোধ কালৰ ভাৰপ্রাপ্ত সভাপতি নুৰুল হোচেইনো উপস্থিত আছিল। সেই অপৰাধতে তেওঁৰ বিৰুদ্ধে আছুৱে অনুশাসনমূলক ব্যৱস্থা ল'ব খুজিছিল যাৰ ফলত আছু সাম্প্রদায়িক ভিত্তিত বিভক্ত হোৱাৰ উপক্রম হৈছিল। সেই সন্ধিক্ষণত আছু ধর্মৰ ভিত্তিত দুভাগ হ'লে যি ভয়ানক পৰিস্থিতি হ'ব পাৰে তাক অনুধাৱন কৰি দীঘলীপুখুৰী পাৰৰ শ্রীসুবোধ তালুকদাৰৰ ঘৰত এৰাতি এখন বিশেষ গোপন সভা পতা হৈছিল। তাত মোৰ উপৰিও আতাউৰ ৰহমান, বছুল (তেতিয়া অধিক্ষক অভিযন্তা), প্রবোধ শর্মা প্রমুখ্যে কেবাগৰাকীও আন্দোলনৰ সমর্থক উপস্থিত আছিল। সেই আলোচনাত নুৰুল আৰু গোলাঘাটৰ ফালৰ কেবা গৰাকীও মুছলমান ছাত্রনেতাই কিছুমান অতি চাঞ্চল্যকৰ

তথ্য প্ৰকাশ কৰিছিল। নুৰুলে কৈছিল যে তেৱেঁই আছুৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে নিৰ্বাচন প্ৰতিৰোধৰ আন্দোলনত নেতৃত্ব দিছিল। অথচ, তেওঁৰ অজ্ঞাতেই কিছুমান ঠাইত কেৱল হিন্দু ছাত্ৰৰ হাতে হাতে আগ্নেয়াস্ত্ৰ দেখা গৈছিল। সেইবোৰ ক'ৰ পৰা যোগাৰ হৈছিল তেৱেঁই নাজানিছিল। তেওঁ জয়নাথ শৰ্মাৰ ভায়েকনে কি তেনে কিছুমান ছাত্ৰৰ কথা তাত উল্লেখ কৰিছিল। তেওঁলোকে বোলে খিলঞ্জীয়া অসমীয়া মুছলমানকো আক্ৰমণ কৰিছিল। তেনে অভিযোগ গোলাঘাটৰ ছাত্ৰ কেজনেও আনিছিল। সেই বিষয়ে আলচ কৰিবলৈহে তেওঁলোকে জে বি কলেজত সভাখন পাতিছিল। সেই অপৰাধতে ভৃগু ফুকনে নুৰুলৰ কৈফিয়েৎ তলব কৰাত সন্দেহ উপজিছিল যে তেওঁক আছুৰ পৰা বহিষ্কাৰ কৰা হ'ব।

আলোচনাত ভাগ লোৱা আমি সকলোৱে শংকা কৰিছিলা যে তেনে কাৰ্য্য ব্যৱস্থাৰ ফলত আছু দুফাল হ'ব পাৰে। সেই কাৰণে ভৃগুক লগ ধৰি তেনে কঠোৰ ব্যৱস্থা নলবৰ কাৰণে মান্তি কৰাবলৈ মোকে ভাৰ দিয়া হৈছিল। ৰাতি আঠমান বজাত সভাখন শেষ হ'ল।

পিচদিনা পুৱা মই বিশ্ববিদ্যালয়লৈ বুলি ওলোৱাৰ আগতেই ভৃগু মোৰ ঘৰত উপস্থিত হ'ল। ভাবিছিলো তেওঁ আগৰাতিৰ সভাখনৰ খবৰ পায়েই মোৰ তালৈ গৈছিল। পিচে নহয়। আন্দোলন সম্পৰ্কীয় আন কথাতহে গৈছিল। তেতিয়া মই কথাটো উলিয়ালো। কিন্তু ভৃগু অলৰ-অচৰ। নুৰুলক বহিষ্কাৰ কৰিবই।

মই পিচে ভিতৰৰ তত্ত্বটো বুজি পাইছিলোঁ। নিৰ্বাচন প্ৰতিৰোধ কালত সবল নেতৃত্ব দি নুৰুল প্ৰফুল্লৰ পিচতে দুই নম্বৰলৈ উঠিছিল। সেয়ে সময়তে পাখি কাটি নুৰুলক তললৈ নমোৱাটো আছিল আচল উদ্দেশ্য। কাৰণ তেতিয়াই তেওঁলোকে মন্ত্ৰীৰ স্বপ্নই নহয়, মন্ত্ৰীসভাত কাৰ কি স্থান হ'ব তাৰ চিন্তাও কৰিছিল।

আকৌ ১৯৮০ চনলৈ উজাই যাওঁ। এপ্ৰিলৰ ইন্দিৰা গান্ধীৰ প্ৰস্তাৱ মানি লোৱা হ'লে ১৯৮৩ চনৰ ফেব্ৰুৱাৰীৰ ৰক্তাক্ত নিৰ্বাচনটো নহ'লহেঁতেন। তাতোকৈ ডাঙৰ কথা হিতেশ্বৰ শইকীয়াই বিদেশীবিলাকক ৰক্ষণা-বেক্ষণ দিবলৈ আই. এম. (ডিটি) আইনখন প্ৰণয়ন কৰাৰ সুযোগ নাপালেহেঁতেন।

১৯৮৫ চনত আছুৰ ঘাই নেতাসকলৰ বয়স ২৫ পাৰ হ'ল আৰু যি কোনো চৰ্তত ৰাজি হ'বলৈ তেওঁলোক প্ৰস্তুত হ'ল। ১৯৮৫ চনৰ ১৪/১৫ আগষ্টৰ পুৱাতি নিশা ভাৰত চৰকাৰৰ লগত আন্দোলনকাৰীৰ চুক্তি হ'ল। দীঘলীয়া অসম আন্দোলনৰ অন্ত পৰিল। অসমৰ ক্লান্ত ৰাইজৰ তেতিয়া চুক্তিখনত কি হাতী-ঘোঁৰা আছিল তাক চোৱাৰ ধৈৰ্য্যও নাছিল আৰু সকামো নাছিল। সেই চুক্তিখনে আচলতে মূল সমস্যাটোৰ ওচৰে পাজৰেও নগ'ল। দিল্লীত মাৰি অনা

পহু নেদেখাকৈয়ে অসমৰ ৰাইজে প্ৰফুল্ল-ভৃগুক বৰঝাৰ বিমানকোঠত শৰাইঘাটৰ যুদ্ধ জিনি অহাৰ আদৰণি জনালে। বৰঝাৰৰ পৰা গুৱাহাটীলৈকে হেজাৰ হেজাৰ কলপুলি কাটি বাটৰ দুয়োকাষে পুতি তেওঁলোকক স্বাগতম জনালে। তাৰ পিচত আৰম্ভ হ'ল তেওঁলোকৰ ৰথযাত্ৰা। তেওঁলোকৰ প্ৰশংসাত কিছুমান বলীয়া হ'ল। খেনোৱে এজনক শঙ্কৰদেৱ আৰু এজনক লৌহ মানৱ চৰ্দাৰ বল্লভভাই পেটেল পাতিলে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ নগৰে নগৰে পতা 'সম্বৰ্ধনা' সভাবোৰত তেওঁলোকৰ কোনেও চুক্তিখনৰ ভিতৰৰ দুৰ্বলতাৰ কথা উল্লেখ নকৰে আৰু আন্দোলনক্লান্ত ৰাইজৰো সেইবোৰ শুনিবলৈ আগ্ৰহ নাছিল। প্ৰফুল্ল-ভৃগুৰ বাহিৰে আনৰ কথা শুনাৰো যেন কাৰো ধৈৰ্য্য নাছিল।

তেজপুৰৰ চাৰ্চ ফিল্ডত পতা বিৰাট ৰাজহুৱা সমাৱেশত ময়ো যোগ দিছিলো। হিতেশ্বৰ শইকীয়া আৰু সভাস্থলীৰ সম্মুখৰ নবীন কাথহাৰ্জাৰিকাৰ ঘৰখনক উদ্দেশ্য কৰি দিয়া ছাত্ৰ-নেতাসকলৰ বিদ্ৰুপাত্মক ভাষণেহে ৰাইজক আমোদ দিছিল। শেষৰ ফালে ময়ো দুআষাৰ কৈছিলোঁ। মোৰ বক্তব্যত চুক্তিখনৰ লাভালাভৰ বিষয়ে এটা ৰূপকৰ জৰিয়তে কৈছিলোঁ আৰু পিচত প্ৰকাশিত প্ৰবন্ধতো লিখিছিলোঁ। "এজন চিকাৰীয়ে বনলৈ শৰপহু মাৰিবলৈ গৈ আন সৰু-সুৰা চিকাৰ পায়ো সেইবোৰ এৰি কেৱল শৰটোৰ পিচে পিচে খেদি ফুৰোতে চিকাৰীজনৰ ভৰিত এডাল অঘৈয়া হুল সোমাল। হুলৰ বিষত চিকাৰীৰ প্ৰাণ যায়। তেতিয়া চিকাৰীৰ শৰপহুৰ চিন্তা গ'ল। কোনোৰকম হুলডাল ওলালেই ৰক্ষা। আমাৰো ১৯৭৯ চনৰে পৰা ১৯৫১ চন স্বৰূপ শৰ খেদি ফুৰোতে ফুৰোতে ১৯৮৩ চনত অসমীয়া জাতীয় জীৱন শৰীৰত এডাল বিষাক্ত অঘৈয়া হুল সোমাল। হিতেশ্বৰ শইকীয়াৰ চৰকাৰ। এইডাল হুলৰ বিষত অসমীয়া জাতি জৰ্জৰিত। ১৯৮৫ চনৰ চুক্তিখনে অঘোষিতভাৱে হ'লেও সেই হুলডাল উলিওৱাৰ প্ৰতিশ্ৰুতি দিছে। আৰু কৈছিলো যে চুক্তিখন সত্যবানৰ প্ৰাণ নহয় যদিও তাত এশপুত্ৰ লাভৰ বৰদানৰ ইঙ্গিত আছে।

১৯৮৫ চনৰ ডিচেম্বৰ মাহত হুলডাল সঁচাকৈয়ে ওলাল হয়। কিন্তু তাৰ ঠাইত যিডাল হুল অসমৰ ৰাইজৰ কলিজাত সোমাল সেইডালৰ যন্ত্ৰণা অনন্তকলীয়া হ'ল। সেয়া পিচত কম।

অসমৰ স্বাৰ্থ কেৱল এটা শক্তিশালী আঞ্চলিক ৰাজনৈতিক দলেহে ৰক্ষা কৰিব পাৰিব সেই ধাৰণা তেতিয়া (আশীৰ দশকত) কিছু পুৰণি। কিন্তু আঞ্চলিক শক্তিসমূহ বিভাজিত হৈ থাকিলে সেই আশা কেতিয়াও ফলৱতী হ'ব নোৱাৰে। সেয়ে আমি কেজনমানে ১৯৮০ চনৰ পৰা তেতিয়াৰ দুয়োটা আঞ্চলিক দল—অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদক আমি দলৰ বাহিৰত থাকিও লগ লগাবলৈ যত্নপৰ হৈছিলোঁ। দুয়োটা দলৰ

কাৰ্য্যালয়লৈ তাঁত-বাটি কৰিছিলো। একত্ৰিকৰণত তেতিয়া প্ৰধান হেঙাৰৰ এডাল আছিল পি এল পি-ৰ পবিন্দ্ৰ ডেকা। তেওঁ সেইটো কামৰ কাৰণেই কংগ্ৰেছ (আই) ৰ দ্বাৰা নিয়োজিত হৈছিল যদিও নাজানো, তেওঁৰ শেহতীয়া দলান্তৰত তেনে সন্দেহৰ থল ওলাইছে। এদিন মই আবেগত তেওঁক কৈছিলো বোলো আপোনালোকে যদি লগ লাগি দুটাদল এটা নহয় তেন্তে একত্ৰিকৰণৰ আৱশ্যকতাৰ প্ৰতি অসমৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ তেনে এখন ঘোষণা পত্ৰ লিখি থৈ মই আত্মহত্যা কৰিম। সেইবোৰ অৱশ্যে সাময়িক আবেগৰ কথা। তেতিয়া কিজানি মনে প্ৰাণেই ভাবিছিলো। তেতিয়া ৰাজ্যসভাৰ সদস্য দীনেশ গোস্বামীয়েও দল দুটা লগ লাগি এটা হ'লে তাত যোগ দিব বুলি মই পবিন ডেকাক কওঁতে ডেকাৰ প্ৰতিক্ৰিয়াটো আছিল—"দীনেশ গোস্বামীয়ে জইন কৰিব নে কি? তেতিয়া হ'লেতো দলৰ নেতৃত্ব লৈ প্ৰশ্ন উঠিব?" মই ক'লো, "কেলেই উঠিব? দলত তেখেতে যোগ দিলেই তেখেত দলৰ নেতা হ'বনে? দলে যাক যি পাতে সেইমতেহে হ'ব।" সেই কথোপকথনটো সেইদিনাই কথা প্ৰসঙ্গত মই অগ্ৰদূতৰ সম্পাদক কণকসেন ডেকাক কৈ পেলাইছিলো। পিচ দিনানে কি, অগ্ৰদূতত "আঞ্চলিক দলৰ ঐক্যত হেঙাৰ "শীৰ্ষক সম্পাদকীয়ত মোৰ বা পবিন ডেকাৰ নাম উল্লেখ নকৰাকৈয়ে ডেকাই এটা সমালোচনা লিখিছিল। আৰু এদিন পবিন ডেকাই হিৰণ্য ভট্টকে মোকে একত্ৰিকৰণৰ কথা উত্থাপন কৰোতে আমাক পৰামৰ্শ দিছিল বোলে আপোনালোকে আমাৰ দুইটা দললৈকে প্ৰস্তাৱ আকাৰে এখন "শ্বেত-পত্ৰ" দিয়ক। শ্বেত-পত্ৰ মানে ডেকাই কি বুজিছিল বা বুজাইছিল আমাৰ বোধগম্য নহ'ল যদিও আমি দুয়ো স্বাক্ষৰ কৰি সেইদিনাই দুই দললৈ এখন গোহাৰি পঠাইছিলো। দুয়োটাদলকে এখন উমৈহতীয়া অভিৰৰ্তন পাতি অসমৰ সমভাৱপন্ন লোকসকলক লগলগাবলৈ পৰামৰ্শ দিছিলো। অসম জাতীয়তাবাদী দলে এটা "বৈপ্লৱিক অভিনন্দনে"ৰে তাৰ প্ৰাপ্তিস্বীকাৰ কৰিলে। পি এল পি নিমাত থাকিল।

আনহাতে অসম আন্দোলনত আগভাগ লোৱা বৃন্দাবন গোস্বামী আদি জনচেৰেক প্ৰাক্তন আছু নেতাই অহৰহ দলদুটা লগ নলগাকৈ থকাটোহে বিচাৰিছিল যেন লাগিছিল। তেওঁলোকৰ, বোধ হয়, তেতিয়াৰ পৰাই মৎলব আছিল এখন অভিৰৰ্তন পাতি নতুন কৈ এটা আঞ্চলিক দল কৰি তাৰ নেতৃত্ব নিজৰ হাতলৈ নিয়াৰ। তাৰ প্ৰমাণ পাইছিলো বঙাইগাঁৱৰ অসম সাহিত্য সভাৰ অধিৱেশনত।

১৯৮৩ চনত বঙাইগাঁৱৰ সাহিত্য সভাথলীত অসমৰ বিভিন্ন ঠাইৰ পৰা গোটখোৱা অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোকপৰিষদৰ সদস্য-সকলক লগ ধৰি তেওঁলোকৰ মাজত একত্ৰিকৰণৰ এটা জনমত গঠন কৰাৰ চেষ্টা কৰিছিলো। গোলাঘাটৰ কেবাজনো অ জা দ-ৰ প্ৰভাৱশালী সদস্যৰ লগত সেই

বিষয়ে আলোচনা কৰি থাকোতেই তাত প্ৰাক্তন এম পি অধ্যাপক অজিত শৰ্মা ওলালগৈ। তেখেতেও মত প্ৰকাশ কৰিলে যে দলদুটা লগ হ'লে তেখেতেও আঞ্চলিক দলভুক্ত হোৱাৰ কথা চিন্তা কৰিব। তেনেতে বৃন্দাবন গোস্বামীয়েও গৈ তাত যোগ দিলে। তেওঁৰ মতে থকা দলদুটা লগ লাগিব নেলাগে। আন এটা নতুন দলহে গঠন কৰিব লাগে। পৰৱৰ্তী যোৰহাটৰ জাতীয় অভিবৰ্তনে অ জা দ আৰু পি এল পি-ক এক কৰিবলৈ পাতি দিয়া সমন্বয় সমিতিখনতো তেনে-সকল লোকেই সিন্ধি দি একত্ৰিকৰণত হেঙাৰ দিলে। তাৰ ফলস্বৰূপে ১৯৮৫ চনৰ ১৪ অক্টোবৰত নতুন দল অসম গণ পৰিষদ গঠন হ'ল। ক্ষমতাৰ ৰাজনীতিত সিদ্ধহস্ত হৈ পৰা প্ৰাক্তন ছাত্ৰনেতাসকলৰ অংক মতেই দলৰ নেতৃত্ব তেওঁলোকৰ অপৰিপক্ক হাতত থাকিল। আমাৰ কিছুমানৰ অৱস্থা অ গ প গ্ৰহৰ উপগ্ৰহৰ নিচিনা হ'ল। আমি তাৰ ভিতৰতো সোমাব নোৱাৰিলো আৰু আঁতৰি আহিবও নোৱাৰা হৈ এটা দূৰত্বৰ কক্ষপথত ভ্ৰমি ফুৰিব লগা হ'ল। একোটা সময়ত আমাৰ "ক'লে আয়ে কিল খাই নক'লে পিতায়ে চুৰাত খায়" অৱস্থা হ'ল। আনহাতে মুকলিকৈ সমালোচনাও কৰিব নোৱাৰা হ'লো। কৰিলেই ক্ষমতা-ধিষ্ঠিত জনপ্ৰিয় নেতাসকলে কৈ দিব সেয়া হতাশাগ্ৰস্তৰ চিঞৰ-বাখৰ বুলি আৰু ৰাইজেও তাঁকেইহে বিশ্বাস কৰিব। কিয়নো বতাহ তেতিয়া তেনেই আছিল।

আকৌ অলপ উজাই যাওঁ। ১৯৮৪ চনৰ চেপ্তেম্বৰত মই দীনেশ গোস্বামীয়ে একে দিনাই অসম জাতীয়তাবাদী দলত যোগ দিলো। ১৯৮০ চনতে অৱসৰ লৈ আঞ্চলিক ৰাজনীতি কৰাৰ হেঁপাহ বুকুত বান্ধিও ১৯৮৪ চনলৈকে কোনো এটা দলত যোগ নিদিয়াৰ মোৰ ব্যক্তিগত দুটা কাৰণ আছিল।

নিবাৰণ বৰাৰ লগত মোৰ পুৰণি চা-চিনাকি আৰু আন্দোলনৰ সময়ত গঢ়লৈ উঠা ঘনিষ্ঠতাৰ কাৰণে মোৰ তেওঁৰ দলতে যোগ দিয়াৰ ইচ্ছা আছিল। মোৰ এটা ভ্ৰান্ত ধাৰণা আছিল যে বৰাই মোক তেওঁৰ দললৈ আহ্বান জনাব। তেনে আশাৰে মই ১ লা চেপ্তেম্বৰত অৱসৰ লোৱাৰ পৰাই পি এল পি-ৰ কাৰ্য্যালয়লৈ ঘনাই গৈ বৰাৰ লগত কথা-বতৰা হৈছিলো। বৰাই মোক এদিনলেও "আমাৰ দলত যোগ দিয়ক" বা "নিদিয়ে কিয়?" বুলি নক'লে। পিচত শুনিলো তেওঁ হেনো দলৰ আনসকলক কৈছিল বোলে মহন্ত পুলিচৰ খবৰ বাহক হ'ব। পি এল পি-তনো কি ৰাষ্ট্ৰ বিৰোধী কথা আছিল যাৰ কাৰণে সিমান সাৱধান হ'ব লগা হৈছিল মোৰ বোধগম্য নহ'ল। আনহাতে বৰাৰ মানৱ চৰিত্ৰ অধ্যয়নত তেনেই দুখ লগা অৱস্থা দেখি মোৰো মোহভঙ্গ হৈছিল।

দ্বিতীয় কাৰণটো আছিল—১৯৮৩ চনৰ ফেব্ৰুৱাৰীত হিৰণ্য ভট্টই দ্বিতীয়বাৰ জেললৈ যোৱাৰ বিদায় বেলাত মোৰ হাত দুখনত ধৰি আবেগৰ সুৰত কৈছিল বোলে, মহন্ত মই ঘূৰি নহালৈকে আপুনি অকলে কোনো ৰাজনৈতিক (মানে আঞ্চলিক) দলত যোগ নিদিব। তাৰ পিচত তেখেত গুৱাহাটী জেলত

থাকোতেই মোৰ ওপৰত জাতীয়তাবাদী দলৰ পৰা সময়ে সময়ে হেঁচা পৰিছিল। এক শনিবৰীয়া সন্ধ্যা অ জা দ-ৰ কেবাগৰাকীও জ্যেষ্ঠ নেতা মোৰ ঘৰত উপস্থিত হৈ মোক অনুৰোধ জনালে যে 'পিচদিনা মই দলৰ নগৰ সমিতিৰ সাধাৰণ সভাত যোগ দিব লাগে সভাপতিৰ বাব ল'ব লাগে। মই অলপ আকৰ্ষিত হৈছিলো যদিও মই মোৰ সুহৃদ ভট্টক দিয়া বাক্য লঙ্ঘন কৰিব নোৱাৰা অৱস্থাটো তেখেতসকলক খুলি ক'লো। তেখেতসকলেই পৰামৰ্শ দিলে বোলে কালিলৈ পুৱা ভট্টক জেলত লগ ধৰি পোনে পোনে দলৰ শিলপুখুৰীৰ কাৰ্য্যালয়লৈ নাহে কিয়? মই মান্তি হ'লো।

পিচদিনা পুৱা গুৱাহাটী জেললৈ গ'লো। আগৰ বাৰতো শ্ৰীভট্টাচাৰ্য্য গুৱাহাটী জেলত থকা কালছোৱাত প্ৰায় প্ৰত্যেক দেওবাৰে এবেলা তেখেতৰ লগত কটাইছিলোঁগৈ। তাতে দুয়ো ৰান্ধি-বাঢ়ি দিনৰ সাজ খাওঁগৈ। ভট্ট বৰ ভাল ৰান্ধনিও। ধেমেলীয়াকৈ মই কৈছিলোঁহে বোলো বহুত চেষ্টা কৰিও সমৰ দাসে মোক জেলৰ ভাত খুৱাব নোৱাৰিলে। শেষত হিৰণ্য ভট্টইহে খুৱালে। মই অ জা দ-ত যোগ দিয়াৰ প্ৰসঙ্গ উলিয়ালোঁ। ভট্টই মোক আৰু দুদিনমান অপেক্ষা কৰিবলৈ ক'লে। তেখেতৰ কথা ৰাখি সেইদিনা বাহিৰে বাহিৰে অ জা দ-ৰ কাৰ্য্যালয়লৈ গৈয়ো আনুষ্ঠানিকভাৱে দলত যোগ নিদিলোঁ।

সহৃদয়তাৰ উপৰিও ভট্টৰ লগত মোৰ এটা আৱেগিক সম্বন্ধ, অসমৰ এটা গভীৰ সংকটপূৰ্ণ সমস্যাৰ নগ্নৰূপ আমি দুয়োজনে একেলগে দেখাৰ সম্বন্ধ আছে। তাৰ উপৰিও মোৰ মনক দুটামান 'যদি' আৰু 'হেঁতেন' আমনি দি থাকে। মই 'যদি' সীমান্ত শাখাৰ এছ পি হৈ নাহিলো'হেঁতেন' তেন্তে তেখেতে চাকৰিটো হেৰুৱাই নাজল-নাথল অৱস্থাত নপৰিলহেঁতেন। তেখেতেও এদিন লঘু সুৰত এইষাৰ কথা কৈ পেলাইছিল; মোটৰ ওপৰত আমাৰ দুয়োৰে সংযোগ নঘটাহেঁতেন, ফল যিয়ে নহওঁক 'অসম আন্দোলন' নামৰ আন্দোলনটো নহ'লহেঁতেন। দুনাই কৈছো নহ'লহেঁতেন।

আগৰ কথালৈ আহো। ১৯৮৪ চনত মই অ জা দ-ত যোগ দিয়া দিন ধৰি অসমৰ আঞ্চলিক দল দুটা এক কৰাৰ কাৰণে নেৰানেপেৰাকৈ লাগি আছিলোঁ। যোৰহাটত আছুৰ আহ্বানত বহা দুয়োখন অভিৱৰ্তনতে অ জা দ-ৰ ফালৰ পৰা একত্ৰিত হোৱাৰ আগ্ৰহ মুকলিকৈ প্ৰকাশ কৰাও হৈছিল। কিন্তু পি এল পি-ৰ পবিন ডেকা আদি কেজনমান নেতাৰ বিৰোধিতাৰ কাৰণে হওঁ হওঁ হৈয়ো হোৱা নাছিল। দল দুটাৰ লক্ষ্য প্ৰায় একেই। মাত্ৰ কৰ্মক্ষেত্ৰ এটাৰ অসমতে সীমিত আৰু আনটোৱে গোটেই পূৰ্বাঞ্চল সামৰি ল'ব খোজে।

এইখিনিতে আৰু এটা কথা কৈ থওঁ। ১৯৮১ চনৰ এটা সময়ত মই অকলেও দল দুটা লগ লগাবৰ কাৰণে চেষ্টা কৰিছিলোঁ। মই যোৰহাটলৈ গৈ প্ৰবীণ ৰাজনীতিবিদ অসমপ্ৰেমী দেৱেশ্বৰ শৰ্মাদেৱক দেখা কৰি তেখেতক এবাৰ

দলদুটাৰ নেতাসকলক এটা আহ্বান দিবলৈ খাটনি ধৰিছিলোঁ। তাৰ কিছুদিন পিচত তেখেত গুৱাহাটীলৈ আহোতে প্ৰথমতে পি এল পি-ৰ অফিচলৈকে গৈছিল। তেখেতক দলৰ অফিচৰ পদুলিৰ পৰা আগবঢ়াই নিয়ক ছাৰি তেখেতে গৈ সভাপতি নিবাৰণ বৰাৰ দৰ্শন লাভ কৰিবলৈকে বোলে কিছু সময় বাহিৰ কোঠাত অপেক্ষা কৰিব লগা হৈছিল। বৰাদেৱে কোনোবা সাংবাদিকাক এটা সাক্ষাৎ দি আছিল। তাতে সেই চেষ্টাৰ ইতি পৰিল।

দীনেশ গোস্বামী আৰু মই অ জা দ-ত যোগ দিয়াৰ পিচত দলদুটাৰ একত্ৰিকৰণৰ কাৰণে আমি দুয়ো চেষ্টা কৰি আছিলোঁ। অ জা দ-ৰ কেইজনমানে যে একত্ৰিকৰণৰ বিৰোধিতা কৰা নাছিল এনে নহয়। তথাপিও এটা সময়ত দুইটা দলৰ প্ৰতিনিধিৰে এখন কমিটি পাতি দিয়া হৈছিল। সেই কমিটিয়ে একত্ৰিকৰণৰ চূড়ান্ত ৰূপ দিলে। অ জা দ-ৰ সাধাৰণ সভায়ো অনুমোদন জনালে। পি এল পি-য়েও দল হিচাপে সিদ্ধান্ত ললে। আমি, দুয়োটাদলৰ কাৰ্য্যনিৰ্বাহকৰ এখন যুটীয়া সভাত দুইদল হিচাপে শেষবাৰৰ কাৰণে মিলিত হলো পি এল পি-ৰ কাৰ্য্যালয়তে। তাত পবিন ডেকাই এডাল অদ্ভুত নতুন হেঙাৰ থিয় কৰি দিছিল। বোলে আমি এক হোৱাৰ পিচত একত্ৰিকৰণৰ কাৰণে আছুৱে পাতি দিয়া সমন্বয় সমিতি বা আছুৰ লগত কোনো সম্পৰ্ক ৰাখিব নোৱাৰিম। ভাগ্যে দীনেশ গোস্বামীয়ে এটা প্ৰস্তাৱ দিলে বোলে সেই বিষয়লৈ আমি এতিয়া কিয় মূৰ ঘমাব লাগে? সেই সিদ্ধান্তটো আমাৰ একত্ৰিত দলটোৰ কাৰ্য্যনিৰ্বাহকে ল'ব। সকলোৱে মানিলে।

পি এল পি-য়ে তেওঁলোকৰ সাধাৰণ সভা পাতিলে আনুষ্ঠানিক অনুমোদনৰ কাৰণে। তেওঁলোকৰ দলীয় সভাৰ পিচতে জজ খেল পথাৰত দলৰ সভাপতি থানেশ্বৰ বড়োৰ সভাপতিত্বত বহা ৰাজহুৱা সভালৈ আমিও নিমন্ত্ৰিত হলো আৰু একে মঞ্চত একেলগে বহিলো। অ জা দ-ৰ সভাপতি বিনোদ গোস্বামী আৰু মোৰ ভাষণত আমি দুয়ো দলদুটা এটা হোৱাৰ কথা ঘোষণা কৰিলো। ৰাইজে তুমুল হৰ্ষধ্বনিৰে সমৰ্থন জনালে। তাৰ পিচতে অতুল বৰাৰ ভাষণটো শুনি আমাৰ গা চেবালে। তেওঁ কৈছিল বোলে "পাঁচ বছৰীয়া আন্দোলন কৰি আপোনালোকে চিপাহীক চাহাব কৰিলে। এতিয়া হোমগাৰ্ডটোৱে আহি আপোনাক কয়হি—'আপোনাক আমাৰ সৌ চিপাহী চাহাবে মাতিছে।' প্ৰফুল্ল-ভৃগুক আপোনালোকে নেতা পাতিলে।" ইত্যাদি। তাৰ পিচতে খনিন মহন্তই বিষয় বাছনি সভাত গৃহীত হোৱা প্ৰস্তাৱ এক দুই কৈ পাঠ কৰি গ'ল। একত্ৰিকৰণৰ উল্লেখ কতো নাই। যেতিয়া তেওঁ "আৰু সাত নম্বৰ" বুলি আৰম্ভ কৰা প্ৰস্তাৱটোতো একত্ৰিকৰণৰ কথা নক'লে তেতিয়া মই সভাপতি থানেশ্বৰ বড়োক সুধিলো। তেখেতে বোলে হ'ব, সেই প্ৰস্তাৱটোৰ খচৰাৰ

ওপৰত আলোচনা চলি আছে। আমি সাংবাদিক মেল পাতি ঘোষণা কৰিম বিটো কেতিয়াও নহ'লগৈ।

আকৌ ভটিয়াই যাওঁ। অসম চুক্তিৰ পিচত আছুৰ ঘাই ঘাই নেতাসকলে উত্তৰ লক্ষীমপুৰত অধিৱেশন পাতি ছাত্ৰ তথা ছাত্ৰ-নেতাৰ পৰা অব্যাহতি লৈ প্ৰাক্তন ছাত্ৰ-নেতা হ'ল। তেওঁলোকেই সেই বছৰৰ (১৯৮৫) ১২ অক্টোবৰৰ পৰা গোলাঘাটত তিনিদিনীয়া জাতীয় অভিবৰ্তন আহ্বান কৰিলে। তালৈ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ আৰু আঞ্চলিক ৰাজনৈতিক দলকেইটাৰ প্ৰত্যেকৰে দহজনকৈ প্ৰতিনিধি নিমন্ত্ৰণ কৰিলে। তাৰ উপৰি আন্দোলনৰ লগত জড়িত আৰু তাৰ প্ৰতি সমৰ্থন থকা বছা বছা ব্যক্তি নিৰ্মাল্পিত হ'ল।

অসম জাতীয়তাবাদী দলে অভিবৰ্তনলৈ প্ৰতিনিধি পঠোৱাৰ প্ৰাকমুহূৰ্তত পতা এখন দলীয় সভাত বহু বাক-বিতণ্ডাৰ অন্তত আগন্তুক একত্ৰিকৰণৰ কাৰণে কেইটামান চৰ্ত বান্ধি দিছিল। তাৰ ভিতৰত এটা আছিল নতুনকৈ গঠিত হ'ব লগা দলটোত আমাৰ দলৰ স্থিতি সম্পৰ্কে। প্ৰস্তাৱিত দলত সভাপতি বা সম্পাদকৰ যি কোনো এটা বাব আমাৰ দলে পাব লাগিব। মই তেনে পূৰ্বচৰ্তৰ বিৰোধিতা কৰিছিলো। মোৰ বিবেচনাৰে প্ৰস্তাৱিত নতুন দলটোৰ বিষয় বাব বোৰ চামিল হোৱা পূৰ্বৰ দলৰ সদস্যৰ মাজত ভগাই ল'ব লাগিলে দলৰ ভিতৰত অন্তৰ্দ্বন্দ্ব থাকিব। আমি এক হৈ যোৱাৰ পিচত পূৰ্বৰ পৰিচয় লোপ পাব লাগে। নহ'লে দলত 'গ্ৰুপিজিম' হ'ব আৰু দলটো পুনৰ খণ্ড খণ্ড হোৱাৰ সম্ভাৱনা থাকিব। আমাৰ দলৰ দহজনীয়া প্ৰতিনিধিৰ ভিতৰত দীনেশ গোস্বামী আৰু মোকে ধৰি সাতজনে বিনাচৰ্তে আমাৰ দল প্ৰস্তাৱিত দলত চামিল হোৱাৰ সপক্ষে আছিলো। অৰূপ বৰদলৈ, দিলীপেশ্বৰ বৰবৰাকে ধৰি তিনিজনে তাৰ বিৰোধিতা কৰি গুছি আহিল। আমি সংখ্যা-গৰিষ্ঠ সাতজনে বিনা চৰ্তে লগ লগাৰ সিদ্ধান্ত ল'লো।

অৰূপ বৰদলৈ আঁতৰি যোৱাত আমাৰ তথা অসমৰ ৰাজনীতিত বৰ ক্ষতি হ'ল বুলি আজিও মই বিশ্বাস কৰো। অৰূপ ওলাই নোযোৱাহেঁতেন তেওঁহে অ জা দ-ৰ ফালৰ পৰা অ গ প-ত এজন সাধাৰণ সম্পাদক হ'লহেঁতেন। তেওঁ ব্যক্তিত্বসম্পন্ন বুদ্ধিমান আৰু সৎ যুৱক। অ গ প-ৰ গাঁথনিত অৰূপৰ স্থিতিয়ে কিছু শুভ প্ৰভাৱ পেলালেহেঁতেন। তেনে 'হেঁতেন' আৰু 'যদি' অৱশ্যে কেবাটাও আছে। অ জা দ-ৰ এজন মুখ চোকা নেতা নৃপেন গোস্বামীয়ে অসম চুক্তিৰ আগে আগে দলত্যাগ কৰি কংগ্ৰেছ (আই) ত যোগ নিদিয়াহ'লে আছুৰ প্ৰাক্তন নেতাসকলে অ গ প-ত সিমান মইমতালি কৰিব নোৱাৰিলেহেঁতেন।

অ গ প গঠন হোৱাৰ পিচতো অ জা দ-ৰ স্থিতি ৰক্ষা কৰি থকা কেইজনমান নেতা আৰু কৰ্মীয়ে দীনেশ গোস্বামী আৰু মোক দলক বিশ্বাসঘাতকতা কৰা বুলি দোষাৰোপ কৰিছিল। কিন্তু অ জা দ-ক চামিল কৰি নতুন দল অ গ-প

গঠন কৰাটো তেতিয়াৰ সময়ৰ আহ্বান বুলি মই দৃঢ়ভাৱে বিশ্বাস কৰিছিলো। পি এল পি আৰু অ জা দ চামিল নহৈ স্বতন্ত্ৰ হৈ থকা হ'লেও ১৯৮৫ চনৰ নিৰ্বাচনত একে গৰিষ্ঠতাৰেই অ গ প-ই জয়লাভ কৰিলেহেঁতেন। সেইটো হোৱা হ'লে এই দল দুটা অপ্ৰাসাংগিক হৈ পৰিলহেঁতেন—অন্ততঃ কিছুদিনলৈ। আৰু কেনেবাকৈ সেই নিৰ্বাচনত ভোট বিভাজিত হৈ অ গ প-কে ধৰি আঞ্চলিক দলবোৰ পৰাস্ত হোৱা হ'লেও মানুহে আঞ্চলিক দল দুটাকে দোষাৰোপ কৰিলে-হেঁতেন। সি যি কি নহওঁক ১৯৮৫ চনৰ ১৪ অক্টোবৰত গোলাঘাটত অ গ প-ৰ জন্ম হ'ল।

গোলাঘাটৰ অভিবৰ্তনলৈ প্ৰাক্তন ছাত্ৰ-নেতাসকলে প্ৰখ্যাত সাংবাদিক অৰুণ শৌৰীক বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰি নিছিল। সেই সময়ত শৌৰী আন্দোলনকাৰীসকলৰ মাজত হঠাতে জনপ্ৰিয় হৈ পৰিছিল। সিয়ো এক সাময়িক বতাহ।

অসমৰ বিদেশী নাগৰিকৰ বিৰুদ্ধে চলা গণ আন্দোলনৰ সময়ত বা অসমীয়া ৰাইজৰ ওপৰত কংগ্ৰেছ (আই) চৰকাৰৰ বীভৎস নিৰ্য্যাতন চলি থকাৰ সময়ত ভাৰতৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ সাংবাদিকসকলৰ সৰহ ভাগেই হয় নিমাত আছিল নহয় আন্দোলনটোক "তথাকথিত বিদেশী" আন্দোলন বুলি উপলুঙা কৰিছিল। ইন্দিৰা গান্ধীয়েতো ভাৰতৰ বিভিন্ন ঠাইত—ক'ৰবাত মুছলমান খেদা, ক'ৰবাত বাঙালী খেদা, ক'ৰবাত অসমত বাস কৰা অনা অসমীয়া খেদা আৰু উৰিষ্যাত অসমত খিলঞ্জীয়া হৈ পৰা চাহ বনুৱা সম্প্ৰদায়ৰ লোকসকলক খেদা আন্দোলন বুলি মিথ্যা প্ৰচাৰ কৰি ফুৰিছিল। ঐতিহ্যমণ্ডিত কংগ্ৰেছৰ পৰা ফাটি এগৰাকী ব্যক্তিৰ নামেৰে নামাকৰণ কৰা আৰু এটা পৰিয়ালৰ ব্যক্তিগত সম্পত্তি হিচাপে ব্যৱহাৰ কৰা এটা দলৰ অসমীয়া অনুগামীসকলৰো কাৰো তেনে কথাৰ প্ৰতিবাদ কৰিবৰ সাহস নহ'ল। তেনেস্থলত অৰুণ শৌৰী কেনেকৈ হঠাতে আন্দোলনকাৰীসকলৰ বুকুৰ কুটুম হৈ পৰিল ? "শত্ৰুৰ শত্ৰুক মিত্ৰজ্ঞান কৰিবা" এই সংজ্ঞাৰেহে আচলতে অৰুণ শৌৰী আমাৰ মিত্ৰ হৈ পৰিছিল। ১৯৮৩ চনত ইন্দিৰা গান্ধী তথা আই কংগ্ৰেছ চৰকাৰে গাৰ বলেৰে অসমত নিৰ্বাচন জাপি দিলে। ব্ৰহ্মপুত্ৰ উপত্যকাত দুই এক বিদেশী নাগৰিক অধ্যুষিত আৰু সমৰ্থক গৰিষ্ঠ অঞ্চলৰ বাহিৰে নিৰ্বাচনটো সকলোৱে বৰ্জন কৰিছিল। ৰাষ্ট্ৰপতিৰ শাসনত থকা অসমত তেতিয়া আৰ ভি চুব্ৰামণিয়াম প্ৰধান উপদেষ্টা। অৱশ্যে তেওঁৰো এগৰাকী উপদেষ্টাই দিচপুৰত বাহৰ পাতি আছিল। চুব্ৰামণিয়ামে সকলো মানৱীয় অনুভূতি আৰু গুণ বিসৰ্জন দি বন্দুক-বেয়নেটেৰে অসমত নিৰ্বাচন পাতিছিল। আইন শৃংখলা জহন্নামে যাওঁক কথা নাই। কোনোৰকম নিৰ্বাচনৰ নামত কিবা এটা পাতি কংগ্ৰেছ (আই) ক তথা দিচপুৰত বহি থকা জনক গাদীত অহুৱাব লাগিব। ঠায়ে ঠায়ে ভোটাৰসকল বেলট বাকচৰ ওচৰলৈ

নোবোৱাত বেলট বাকচবোৰেই ভোটাৰ বিচাৰি ভোটাৰৰ ঘৰে ঘৰে গ'ল। সেই প্ৰক্ৰিয়াত ক'ত কিমান মানুহ মৰিল তাৰ সঠিক হিচাপ নহলেই। অকল নেলী অঞ্চলতে কেবা হেজাৰো নিৰীহ লোকৰ প্ৰাণ হানি হৈছিল। কোনো কোনো ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষও ঘটিছিল। শুনা মতে নেলী অঞ্চলৰ পুৰুষসকলে মঙ্গলদৈৰ চৰ অঞ্চলৰ ফালে ঘটা সাম্প্ৰদায়িক সংঘৰ্ষত অংশ ল'বলৈ যোৱাৰ সুযোগতে তেওঁলোকৰ অসহায় শিশু আৰু তিৰোতাসকলক আক্ৰমণকাৰীসকলে বধ কৰিলে। নেলীৰ নৰমেধযজ্ঞ কেন্দ্ৰীয়-শাসিত অসম চৰকাৰ তথা আৰ ভি চন্দ্ৰামণিয়ামৰ কাৰণে মচিব নোৱাৰা এক কলঙ্ক হৈ ৰ'ল। চন্দ্ৰামণিয়ামে সেই বদনামৰ হাত সাৰিবলৈ দোষটো জাপি দিছিল অসম পুলিচৰ বিশেষ শাখাৰ ওপৰত। সেই শাখাই আগতীয়াকৈ তেনে সম্ভাৱনাৰ খবৰ দিবলৈ অপাৰগ হোৱাতহে তেনে ভয়ানক ঘটনা ঘটিবলৈ পালে—এইটো আছিল চন্দ্ৰামণিয়ামৰ কৈফিয়ৎ। দৰাচলতে অসম পুলিচে স্পষ্টভাৱে তেনে সম্ভাৱনাৰ সম্বাদ বেচ আগতীয়াকৈ চৰকাৰক দিছিল। চৰকাৰে তাক আওকাণ কৰি "কোন ক'ত মৰে মৰক নিৰ্বাচন অব্যাহত থাকিব" এই মনোভাৱ লোৱাতহে সেই কৰুণ ঘটনা হ'বলৈ পালে।

তেতিয়া অসম পুলিচৰ বিশেষ শাখাৰ মুৰব্বী আছিল সমৰ দাস। তেওঁ ঘোৰ অসমীয়া বিৰোধী বাংলাভাষী খ্ৰীষ্টান বিষয়া আছিল। তেৰো নিৰ্বাচন পতাৰ অভিসন্ধিৰ অংশীদাৰ আছিল। তেৱেঁই শংকৰ শৰ্মা নে শিৱ শৰ্মা নামৰ এজন নিম্ন বৰ্গৰ মেৰুদণ্ডহীন পুলিচ বিষয়াক শিখণ্ডী কৰি হিৰণ্য ভট্টাচাৰ্য্যৰ বিৰুদ্ধে তেনেই মিছা কথা সজাই-পৰাই ভট্টাচাৰ্য্যক বৰ্খাস্ত কৰাই ফাটেকত দিয়াইছিল। সমৰ দাসে আৰ ভি চন্দ্ৰামণিয়ামৰ অভিযোগ খণ্ডন কৰিবলৈ, তেতিয়া অসমত ঘটি যোৱা হত্যালীলাৰ বুজ ল'বলৈ অহা সাংবাদিক অৰুণ শৌৰীক মনে মনে সান্ধ্য ভোজনলৈ নিমন্ত্ৰণ কৰিনি পুলিচৰ ফালৰ পৰা চৰকাৰলৈ আগতীয়াকৈ পঠাই থকা অতি স্পষ্ট সতৰ্কবাণী বিশেষকৈ নেলীত ঘটিব পৰা অশান্তিৰ পূৰ্বাভাস থকা অনাতাঁৰ বাৰ্তাবিলাকৰ ফটোষ্টেট্ কপি ল'বলৈ সুবিধা কৰি দিলে। সেই চাঞ্চল্যকৰ তথ্যবোৰ বাতৰি কাকতত ছপাইদি অসমীয়া ৰাইজে ঘোৰ শত্ৰুজ্ঞান কৰা চন্দ্ৰামণিয়ামক ঘাইল কৰা বীৰ অৰুণ শৌৰী হঠাতে অসমীয়াৰ মহামিত্ৰ ৰূপে গোলাঘাট অভিবৰ্তনত ঘাই আকৰ্ষণ হৈ পৰিছিল।

অৰুণ শৌৰীয়ে, তেওঁৰ ভাষণত প্ৰফুল্ল-ভৃগুৰ নাম উল্লেখ কৰোতে প্ৰতিবাৰেই তেওঁলোক দুজনক "আপোনালোকৰ আচৰিত নেতাদ্বয়" বুলি বিশেষিত কৰিছিল। ৰাইজৰ প্ৰশংসাই ইতিমধ্যে শিখৰত তোলা 'নেতাদ্বয়ক' অৰুণ শৌৰীয়ে গগনচুম্বী 'কলছাছ' কৰি তাত সমবেত হোৱা গণ্যমান্য অভিজ্ঞ বয়োজ্যেষ্ঠসকলক লিলিপুট কৰি পেলালে।

পি এল পি-ৰ অতুল বৰা আৰু পবিন ডেকাই প্ৰথম অৱস্থাত অভিৱৰ্তনত অসম চুক্তিৰ ঘোৰ বিৰোধিতা কৰিছিল যদিও অৱস্থা আৰু পৰিস্থিতি দেখি সেও মানিলে। প্ৰাক্তন ছাত্ৰ-নেতাসকলে তলে তলে আগতীয়াকৈ কৰি নিয়া আঁচনি মতেই নতুন দলটোৰ ক্ষমতাৰ বাঘ-জৰী তেওঁলোকৰ হাততে ৰ'ল।

গোলাঘাট অভিৱৰ্তনৰ প্ৰাক মুহূৰ্তত তেতিয়া সদ্য প্ৰাক্তন হোৱা ছাত্ৰ-নেতা-কেজনে আঞ্চলিক দলদুটাক এটা মৌখিক প্ৰতিশ্ৰুতি দিছিল যে প্ৰস্তাৱিত আঞ্চলিক দলটো গঠন হ'লে আগন্তুক নিৰ্বাচনত বিধানসভাৰ দহ বা খুব বেছি পোন্ধৰখনৰ অধিক আসন তেওঁলোকে নিবিচাৰিব, সেইটো তেতিয়া প্ৰয়োজন হৈছিল। আনৰ কথা নাজানো, অসম জাতীয়তাবাদী দলৰ কেবা গৰাকীও নেতাই শংকা কৰিছিল যে সেই অপৈণত ল'ৰাবোৰৰ লগ লাগি দল কৰিলে তেওঁলোকৰ আটাইবোৰে দলৰ টিকট বিচাৰি হেতা-ওপৰা লগাব। আমি কিছুমান ক্ষমতাৰ ৰাজনীতিৰ আও-ভাও নোপোৱা মানুহে ছাত্ৰ-নেতাসকলৰ মৌখিক কথাত পতিয়ন গৈছিলো। কিন্তু তেওঁলোকৰ দুৰভিসন্ধি গোলাঘাটত ওলাই পৰিল। তাতে তেওঁলোকৰ স্বাৰ্থত ইন্ধন যোগালে তাত গোটখোৱা কিছুমান তোষামোদী প্ৰতিনিধিয়ে।

এঘাৰ অক্টোবৰৰ পৰাই দিনে-নিশাই খোৱা শোৱাও নেওঁচি প্ৰস্তাৱিত দলটো গঠনৰ কামত লাগি থাকি চৈধ্য অক্টোবৰৰ দিনা নতুন দল অসম গণ পৰিষদ জন্ম পোৱাৰ আনন্দৰ সোৱাদ পাওঁতে নাপাওঁতেই মোৰ ব্যক্তিগত এটা দুৰ্ঘটনা ঘটিল। নৱগঠিত দলৰ সতীৰ্থ হিচাপে দীনেশ গোস্বামীৰ পিচতে এটা চমু ভাষণ দি উঠি মুহূৰ্ততে সেইদিনাই আৰম্ভ হোৱা এটা ৰোগত মই মূৰ্ছা গ'লো আৰু মোক দাংদোলাকৈ সভাঘৰৰ পৰা উলিয়াই নি কাষৰ এটা কোঠাত চেলাইন দি ৰাখিব লগা হ'ল। দীনেশ গোস্বামীৰ ভাষণৰ পিচতে সভাপতিয়ে মোৰ নাম ঘোষণা কৰোতে সমবেতসকলৰ বহুতে চিঞৰ-বাখৰ লগাই কৈছিল বোলে, "আৰু নালাগে, এতিয়া প্ৰফুল্ল-ভৃগুৱে ভাষণ দি শেষ কৰক"। তিনিদিন ভাষণ শুনি শুনি শ্ৰোতাসকল অতিষ্ঠ হয়তো হৈছিল। কিন্তু তেখেতসকলৰ সেই ব্যৱহাৰটোৰ পৰা তেখেতসকলৰ মনোবৃত্তি আৰু তাৰ সুদূৰপ্ৰসাৰী ফল অনুধাৱন কৰিব পাৰি। যি হওঁক মই মোৰ তিনি চাৰি মিনিটীয়া ভাষণটোত অগপৰ তৎকালিন কাৰ্য্যসূচীৰ কথা কৈছিলোঁ।

মই কৈছিলোঁ যে "বিগত ছটা বছৰত, বিশেষকৈ হিতেশ্বৰ শইকীয়াৰ আঢ়ৈ বছৰীয়া শাসন কালত, অসমীয়া বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ মাজত যথেষ্ট পাৰস্পৰিক ভুল বুজাবুজি আৰু অবিশ্বাসৰ বীজ সিঁচা হ'ল। তাহানি ৰেল কোম্পানীৰ দিনত টিকটৰ খিৰিকিৰ ওপৰত একোখন ফলক আঁৰি সাৱধান বাণী লিখি থোৱা আছিল "সাবধান! পকেটমার আপনার নিকটেই আছে"। তেতিয়া টিকট কাটিবলৈ থুপ খোৱা ইজনে সিজন, সিজনে ইজনক

জেপকটা চোৰ বুলি সন্দেহ কৰিছিল। এতিয়াও যোৱা আঠেটা বছৰত এনে এটা বাতাবৰণ সৃষ্টি কৰা হ'ল যে হিন্দুৱে মুছলমানক, মুছলমানে হিন্দুক, জনজাতীয়ই অজনজাতীয়ক, অজনজাতীয়ই জনজাতীয়ক, ইটো জনগোষ্ঠীয়ে সিটোক, সিটোৱে ইটোক শত্ৰুজ্ঞান কৰিছে। আমাৰ দলৰ এতিয়া প্ৰথম আৰু প্ৰধান কাম হিচাপে আমি সকলোৱে মাজলৈ গৈ সেই অবিশ্বাস আৰু শংকা দূৰ কৰিব লাগে।"

মই শয্যাশায়ী হৈ থাকোতেই সভা ভঙ্গ হ'ল। বেজাৰৰ কথা যে সেইদিনা অ গ প দলৰ সদস্য হৈ পৰা তৎকাললৈকে অ জা দ-ৰ সগোত্ৰীসকলৰ বাহিৰে মোৰ অৱস্থাৰ বুজ ল'বলৈ বা মোক মাত এষাৰ দিবলৈ মোৰ নতুন দলৰ নতুন নেতা-সকলৰ কাৰো অকণমান আহৰি বা জ্ঞান নহ'ল। মই পৰি থকা বিছনাৰ খিৰিকিৰ কাষেদিয়েই সভা ভঙ্গৰ পিচত তেওঁলোক ৰাজহুৱা সভাস্থলীলৈ গুছি গ'ল।

নৰিয়া পাটীতে গম পাইছিলো যে সমবেত বহুতৰ আপত্তি সত্ত্বেও প্ৰাক্তন ছাত্ৰ-নেতাসকলে পূৰ্বে প্ৰস্তুত কৰি নিয়া দলৰ কাৰ্য্যকৰী সদস্যৰ তালিকা ঘোষণা কৰি ততাতৈয়াকৈ সভা ভঙ্গ ঘোষণা কৰিলে। দৰাচলতে সেই দিনাই দলত একনায়কত্বৰ সূচনা হৈছিল আৰু তাৰ বাবে জগৰীয়া আছিল এচাম অত্যাধিক তোষামোদকাৰী। অসমৰ ৰাইজে তেতিয়া অনুধাৱন কৰিবলৈ সক্ষম নহ'ল যে দলৰ কাৰ্য্যনিৰ্বাহক গঠন কৰাৰ দৰেই বিধানসভাৰ টিকটো বিতৰণ কৰা হ'ব। দিনচেৰেক পিচতেই নিৰ্বাচন ঘোষণা কৰা হ'ল। আটাইবোৰ প্ৰাক্তন ছাত্ৰ-নেতা পালি-নেতাৰ মাজত দলৰ টিকটৰ কাৰণে হেতো-ওপৰা লাগিল। বয়স, অভিজ্ঞতা, জ্ঞান তল পৰি টিকট বিচৰা আৰু দিয়াটো এটা ল'ৰা ধেমালিত পৰিণত হ'ল।

দলে চান্দমাৰীৰ এটা ভাড়াঘৰত কেন্দ্ৰীয় কাৰ্য্যালয় পাতিলে। দলৰ ছজনীয়া সভাপতি মণ্ডলীৰ এজন প্ৰফুল্ল মহন্ত আৰু তিনিজন সাধাৰণ সম্পাদকৰ অসাধাৰণ জন ভৃগু ফুকন বহিবৰ কাৰণে ফাঁচী বজাৰৰ কোনোবা এজন হৰলালকাই দান দিয়া থনে পতি পাঁচ হেজাৰ টকীয়া (তেতিয়াৰ পাঁচ হেজাৰ), সিংহাসনৰ নিচিনা চকীত "আচৰিত নেতাদ্বয়" বহি অসমত এখন দুনীতিমুক্ত নিকা চৰকাৰ গঠনৰ প্ৰতিশ্ৰুতি ঘোষণা কৰিলে। তেতিয়াই মুখ্যমন্ত্ৰীত্ব আৰু আন আন মন্ত্ৰীদপ্তৰৰ ভাগ বটোৱা লৈ উখনা-উখনি আৰম্ভ হ'ল। আন্দোলনৰ চোঁত উঠা নেতাসকল যে ৰাজ্য বা ৰাইজৰ স্বাৰ্থতকৈ নিজৰ ৰাজনৈতিক ভৱিষ্যত গঢ়াৰ কাৰণেহে তলে তলে অধিক আগ্ৰহী আছিল সেই সত্য দ্ৰুতগতিত প্ৰকাশ পালে। বিধানসভাৰ কাৰণে প্ৰাৰ্থীৰ টিকট দিওঁতেই কোনজন নেতাই কিমানজন নিজৰ সমৰ্থক প্ৰাৰ্থী থিৰ কৰাই জিকাই আনি বিধায়িনী দলৰ নেতা হ'ব পাৰে তাৰ প্ৰতিযোগিতা তেতিয়াই আৰম্ভ হ'ল।

আন সকলো সজকামত অনভিজ্ঞ ছাত্ৰ-নেতাসকল যে তলে তলে ক্ষমতাৰ ৰাজনীতিৰ কূট কৌশলত ইমান পকি আছিল সেইটো বৰ বিস্ময়ৰ কথা আছিল।

আমি কিছুমানে অ গ প দল গঠন নোহওতেই বিশ্লেষণৰ ওপৰত ভিত্তি কৰি অনুমান কৰিছিলো যে একত্ৰিত আঞ্চলিক দলটো গঠন হ'লে সেই দলে ক্ষমতা দখল কৰিব। অসম চুক্তি আৰু অ গ প গঠনৰ মাজৰ সময়ছোৱাত ১৯৮৫-ৰ চেপ্তেম্বৰৰ এটা পষেকৰ পদ্ম বৰকটকীৰ সম্পাদিত পষেকীয়া আলোচনী আজিৰ সময়ৰ এখন প্ৰশ্নাৱলীৰ উত্তৰত মই ইঙ্গিত দিছিলো যে প্ৰস্তাৱিত দলটোৱে এসত্তৰখন বিধানসভাৰ আসন পাই ক্ষমতালৈ আহিব। ১৯৮৩ চনত গাৰ বলেৰে পতা নিৰ্বাচনত উনৈশটা সমৰ্থিত নিৰ্বাচন পাতিবই পৰা নাছিল আৰু বাৱনটাত শতকৰা দশমিক পাঁচৰ পৰা দহ ভাগ মানুহে ভোট দিছিল। মোৰ সেই অনুমান নিৰ্ভুল প্ৰমাণিত হৈছিল। আমি কিছুমান আঁচনি আৰু ব্যয় সংকোচন কাৰ্যসূচীও যুগুতাই ৰাখিছিলো। কিন্তু সেইবোৰ অথলে গ'ল।

ওপৰত উল্লেখ কৰা আজিৰ সময়ৰ একেখন প্ৰশ্নাৱলীৰ উত্তৰত অতুল বৰা আৰু পবিন ডেকাই অসম চুক্তিৰ ফলত কংগ্ৰেছ (আই) হে লাভবান হ'ব বুলি, দৈনিক অসমৰ সম্পাদক কীৰ্তি নাথ হাজৰিকা, এডভোকেট সুৰেন্দ্ৰনাথ মেধি, পি এল পি-ৰ সভাপতি থানেশ্বৰ বড়োৱে আঞ্চলিক দলটোৱে বিধান সভাত শক্তিশালী বিৰোধী দল হ'ব বুলি মত প্ৰকাশ কৰিছিল।

১৯৮৫ চনৰ নৱেম্বৰত নিৰ্বাচন ঘোষণা হোৱাৰ লগে লগে অ গ প দলত যিটো অৱস্থাৰ সৃষ্টি হৈছিল তাক বৰ্ণাব নোৱাৰি। দলৰ আটাইবোৰ বিষয়-ববীয়া প্ৰাৰ্থী হৈ নিজ নিজ সমৰ্থিৰ মনোনয়ন নিজৰ ভিতৰতে ভগাই ললে। বাকীবিলাকো থপিয়া-থপিকৈ যেয়ে যেনেকৈ পাৰে, ঠায়ে ঠায়ে ডকাহকা দিও, দলীয় প্ৰাৰ্থী হ'ল। মই চাতিয়া সমৰ্থিৰ বাবে দলৰ মনোনয়ন বিচাৰিছিলো, নাপালো। তথাপিও দলৰহে নিৰ্বাচনত সেৱা আগবঢ়োৱাৰ কাৰণেও দলৰ ফালৰ পৰা মোক একো কাৰ্যভাৰ দিয়া নহ'ল। আচলতে দলৰ কাৰ্য্যালয়ত কোনো বিষয়ববীয়ায়েই নোহোৱা হ'ল। অ'ত কেইবছৰ আন্দোলনত লাগি থাকি, আঞ্চলিক দল গঠনত আগভাগ লৈ, শেষত মই সেই মহৎ নিৰ্বাচনটোত নিষ্কৰ্মা হৈ ঘৰত সোমাই থকাটো মোৰ বাবে কি বেদনাদায়ক আছিল তাক ভাষাৰে বুজাব নোৱাৰো। শেষত মই উপযাচি দলৰ কাৰ্য্যালয়লৈ গৈ নিম্ন বৰ্গৰ এজন প্ৰাক্তন ছাত্ৰনেতাক লগ ধৰিহে তেলেগু দেশম দলৰ পৰা অ গ প-ৰ হৈ নিৰ্বাচনত কাম কৰিবলৈ অহা এজন এম পি আৰু এজন অন্ধ্ৰপ্ৰদেশৰ মন্ত্ৰীৰ সৈতে উত্তৰ লক্ষীমপুৰকে ধৰি কিছুমান ঠাইত প্ৰচাৰ অভিযান চলোৱাৰ ভাৰ ললোগৈ।

নিৰ্বাচন শেষ হ'ল। অ গ প জিকিল। প্ৰফুল্ল মহন্ত বিধায়িনীদলৰ নেতা

নিৰ্বাচিত হ'ল। ২৪ ডিচেম্বৰত নেহৰু ষ্টেডিয়ামত ৰাজহুৱাভাৱে শপত গ্ৰহণ অনুষ্ঠান হ'ব। যাতোৰ কাকতত দেখিলো নিমন্ত্ৰিতসকল কেনি সোমাব, বাকীবোৰ কোন কেনি সোমাব লাগিব তাৰ বিৱৰণ। মই নিমন্ত্ৰণ নাপালো। কি যে মনোবেদনা!

২৪ ডিচেম্বৰৰ পুৱাতে মোৰ ঘৰত এক নাটকীয় ঘটনা ঘটিল। মই পুৱা ৬-৩০ মান বজাত গোসাঁই ঘৰৰ পৰা ওলোৱা মাত্ৰেই মোৰ ছোৱালীজনীয়ে উলাহেৰে ক'লে বোলে আমাৰ ঘৰলৈ সেই দিনাই মুখ্যমন্ত্ৰীৰ শপত খাব লগা প্ৰফুল্ল মহন্ত আহিব। আহিব মানে এই আহিব। মই বিচুৰ্তি। মই গোসাঁই ঘৰত থাকোতেই হেনো দুবাৰো কেবাজোৰাও যুৱকে প্ৰফুল্ল মহন্ত আহি পালেনে নাই খবৰৰ ওপৰত খবৰ কৰিছেহি। মোৰ মনটো ফৰকাল হ'ল। ভাবিলো, যাহওঁক অৱশেষত ল'ৰাহঁতৰ জ্ঞান হ'ল। এক প্ৰকাৰ আমিয়েই (ভট্ট আৰু মই) যে তেওঁলোকৰ ভাগ্য ৰচনা কৰিলো সেই উপলব্ধি পলমকৈ হ'লেও হ'ল। মই ধৰি লৈছিলো যে প্ৰফুল্লৰ লগত নিশ্চয় ভৃগুও আহিব। তেওঁলোক নিশ্চয় আশীৰ্বাদ (দিবৰ লায়ক হওঁ নহওঁ) বিচাৰি আহিব। ধৰি ললো যে তেওঁলোক প্ৰথমে চাগে ভট্টৰ তালৈ গৈছে। তাতে পলম কৰিছে। ভট্টৰ সৈতে আহি পাব আৰু একেলগে নেহৰু ষ্টেডিয়ামলৈ যাম।

তেনেকৈ আলাসত চাংপাতি থাকোতেই এখন নতুন এম্বাচাদৰ আহি মোৰ পদুলিত ৰ'লহি। ভাবিলো—এই আহিল। পিচে নহয়। বেলেগ এজন অচিনাকি যুৱকহে। লগত আৰু চাৰিজনমান। তেওঁ আহি মোকে সুধিলে বোলে, "প্ৰফুল্ল আছেনে আপোনাৰ ইযাত?" মই বোলো কতা এতিয়াওতো আহি পোৱা নাই। তেওঁ বোলে, "অলপ ভালকৈ চাওঁকচোন ভিতৰতে আছেনে কি?" ক'ত মৰো এতিয়া? মোৰে ঘৰ। ময়েই গম নাপাওঁনে অসমৰ আজি হ'ব লগা মুখ্যমন্ত্ৰীজন মোৰ ঘৰৰ ভিতৰতে ক'ৰবাত চুকে-কোণে সোমাই আছেনে নাই? তেতিয়াহে প্ৰফুল্ল মহন্ত মোৰ ঘৰলৈ অহাৰ ৰহস্যটো বুজিলো। বিচাৰি অহা যুৱকজন আছিল এজন নিৰ্বাচিত বিধায়ক অতুল কোঁচ। মন্ত্ৰীসভাৰ ঠাই পাবলৈ লগত দুজনমান দাদা লৈ প্ৰফুল্লক বিচাৰি ফুৰিছে। আগতে অহা কেজনো তেনে নৱ নিৰ্বাচিত বিধায়কেই আছিল। পিচতহে শুনিলো বোলে হেঁচাৰ প্ৰতাপ আৰু ভয়ত প্ৰফুল্ল-ভৃগুহঁতে ছয় মাইলৰ ফালে 'ড্ৰাগছ ইণ্ডিয়া'ৰ গৰাকী ফুকনৰ ঘৰত আত্মগোপন কৰি মন্ত্ৰীসভাৰ সদস্যৰ তালিকা প্ৰস্তুত কৰিছিল। দলৰ নেতাজনে হৰলুকি মায়াৰে অদৃশ্য হৈ মন্ত্ৰীসভাৰ সদস্য তালিকা প্ৰস্তুত কৰিব লগা অৱস্থাটোৱেই দলটোৰ আভ্যন্তৰীণ খোৱা-কামোৰা, শৃংখলাহীনতা আৰু ল'ৰামতীয়া চৰিত্ৰৰ ইঙ্গিত বহন কৰিছিল।

নেহৰু ষ্টেডিয়ামৰ শপত গ্ৰহণ উৎসৱলৈ শ্ৰীহিৰণ্য ভট্টও নিমন্ত্ৰিত নহ'ল। অৱশ্যে তালৈ আন্দোলনৰ সময়ত হিংসাৰ আশ্ৰয়লোৱা আৰু গুৰুতৰ অপৰাধৰ

গোচৰত অভিযুক্ত হৈ জেল হাজোতত থকা যুৱকসকলকো জেলৰ পৰা উলিয়াই নি সম্মানিত আসনত বহুওৱা হৈছিল। সেই কাৰ্যই অ গ প চৰকাৰৰ ভৱিষ্যত কাৰ্যকালত হ'ব লগা অৰাজকতা আৰু হিংসাৰ পয়োভৰৰ আগজাননী দিছিল।

মই নিৰ্বাচনত দলৰ টিকট নোপোৱা সন্দৰ্ভত মোৰ এজন বন্ধুৱে হাঁহি হাঁহি এটা মন্তব্য কৰিছিল বোলে, "গাহৰি চৰাই আপুনি কেনেকৈ দলৰ টিকট আশা কৰে?" সাঁথৰটো ভাঙি কওঁ। ১৯৮৫ চনৰ ৪/৫ জুনত গোলাঘাট অঞ্চলৰ মেৰাপানীত কিছুমান নগাই বহুত অসমীয়া মানুহ মাৰি কাটি তাৰ গাঁওবোৰ লণ্ড-ভণ্ড কৰাৰ পিচত আমি কিছুমান আঞ্চলিক দল আৰু সংগঠনৰ মানুহে এখন মিনিবাছ ভাড়া কৰি গোলাঘাট অভিমুখে ৰাতি গুৱাহাটী এৰিছিলো। বাছখনগৈ জোৰাবাটত ৰখালে। সেইখিনিতে মেঘালয়ৰ ফালে দেখাৰ বিলাতী মদৰ দোকান। লগে লগে প্ৰায়বোৰ মানুহেই বাছৰ পৰা নামি পিনাপিন দিলে। দীনেশ গোস্বামী, চন্দ্ৰমোহন পাটোৱাৰী, প্ৰহ্লাদ বৰঠাকুৰকে ধৰি আমি জন চেৰেকহে গাড়ীতে বহি থাকিলো। অস্বাভাৱিক ৰূপে মানুহ-বোৰে ঘূৰি অহাত পলম কৰা দেখি চন্দ্ৰমোহনে খং কৰি তাৰ পৰাই গুৱাহাটীলৈ উভতি গ'ল। যা হওঁক দেৰিকৈ হ'লেও আটাইবোৰ ঘূৰি অহাৰ পিচত পুনৰ আমাৰ যাত্ৰা আৰম্ভ হ'ল। মই সকলোৰে মনোৰঞ্জনৰ কাৰণে মোৰ চাকৰিকালৰ এটা অভিজ্ঞতা বৰ্ণনা কৰিলোঁ।

অভিজ্ঞতাটো আছিল মই গোৱালপাৰা জিলাৰ (অবিভক্ত) অতিৰিক্ত আৰক্ষী অধিক্ষক থকা কালৰ। ধুবুৰীৰ পৰা গোলোকগঞ্জলৈ গৈছো। গৌৰীপুৰ এৰি কিছু যোৱাৰ পিচত পোন বাটটোৰ দূৰৈত দেখো দুশমান গাহৰিৰ এটা ডাঙৰ পাল কেৰাজনো মানুহে বাটৰ কাষে কাষে খেদি নি আছে। তেনেতে দেখো হঠাতে গাহৰি জাক চঞ্চল হৈ বাট এৰি পথাৰৰ ফালে ঢাপলি মেলিলে। ৰখীয়াহঁতে টোকোনেৰে কাণে-মূৰে টঙনিয়ায়ো সিহঁতক নিয়ন্ত্ৰণ কৰিব পৰা নাই। এক নিৰ্দিষ্ট ঠাই পাইহে গাহৰিপাল বৈ কিবা খোৱাত লাগিল। মোৰ চকুত প্ৰশ্নসূচক দৃষ্টি দেখি মোৰ পুলিচ ড্ৰাইভাৰ জনে ক'লে বোলে চাৰ সোঁযে ইটাৰ ভাটাবিলাক দেখিছে তাতে ঢেৰ বিহাৰী আছে। সিহঁতে সেইখিনিতে সিকথা কৰে।

মোৰ কাহিনীটো শুনাৰ পিচত বহুপৰলৈ গাড়ীৰ ভিতৰত মাতবোল নোহোৱা হ'ল।

১৯৮৫ চনৰ ২৪ ডিচেম্বৰত অ গ প-ৰ চৰকাৰ হ'ল। অসমৰ আন্দোলনকাৰী ৰাইজৰ আশা-আকাংক্ষা পূৰ্ণ হ'ল। কিন্তু ৰাইজে আশাই বা কৰিছিল কি আৰু ৰাইজৰ আকাংক্ষাই বা আছিল কি? আমাৰ এটা জন-বিশ্বাস মতে কোনো কেঁচুৱাৰ জন্মতে দাঁত গজি আহিলে সি বেছি দিন নাবাচে। বোধ হয় জ্ঞান বিবেচনা নৌ হওঁতেই চোবাব পৰা ক্ষমতা পাই তেনে কেঁচুৱাই পথ্য-অপথ্য

থাছু বিচাৰ নোহোৱাকৈ যিহঁকে তিহঁকে খাই মৃত্যুৰ মুখত পৰে। আমাৰ অ গ প চৰকাৰৰো সেই দশাই হ'ল। আনবোৰ ৰাজনৈতিকদলে বহুদিনৰ ত্যাগ, ব্যক্তিগত আৰু দলীয় অভিজ্ঞতাৰ মূৰত ক্ৰমান্বয়ে শাসনৰ গাদীলৈ উঠে। অ গ প-ই পানী কেঁচুৱা অৱস্থাতে ক্ষমতা পালে। দাঁত গজিল। নিজৰ পৰিশ্ৰমেৰে ফুটা কড়ি এটাও উপাৰ্জন কৰাৰ দক্ষতা আৰু অনভিজ্ঞতাৰে শ শ কোটি টকাৰ লেন-দেনৰ চৰকাৰ চলাবলৈ পালে, ঘৰ এখন পৰিচালনা কৰাৰ অভিজ্ঞতা নোহোৱাকৈ ৰাজ্য এখন চলাব লগা হ'ল। প্ৰশাসনৰ পটো নজনাকৈ, প্ৰশাসন চলোৱা তীক্ষ্ম বুদ্ধিসম্পন্ন অভিজ্ঞ বিষয়াসকলক সমীহ কৰাৰ পৰিৱৰ্তে অসৎ আৰু কেতিয়াবা অভদ্ৰ ব্যৱহাৰ কৰিবলৈ ললে। যিবোৰ বিষয়ৰ দাবীত দীঘলীয়া আন্দোলন কৰিছিল সেইবোৰ তেনেই নেওচি মন্ত্ৰী-বিধায়কৰ পদবোৰ কেৱল লাহ বিলাহৰ পদ বুলি ললে। পূৰ্বৰ গৃহস্থী মন্ত্ৰী-বিধায়ক-সকলক থাকিবলৈ জোৰা দিচপুৰৰ চৰকাৰী ঘৰবোৰ তেওঁলোকলৈ সৰু হ'ল। সেইবোৰ বহলাব লগা হ'ল। বাসভৱনবিলাকৰ পূৰ্বৰ দামী কাৰ্পেট পৰ্দা-বোৰ সলাব লগা হ'ল। সকলোকে প্ৰফুল্লৰ ঘৰত লগোৱা আৰু পৰা পৰ্দা কাৰ্পেট লগা হ'ল। সকলোকে নতুন গাড়ী লগা হ'ল। একোখন গাড়ীৰ মূল্যৰ সমান মূল্যৰ বাহ্যিক আচবাবেৰে গাড়ীবোৰ সজাব লগা হ'ল। ঘৰ-বোৰতেই নহয় গাড়ীবোৰতো শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰপাতি দৰকাৰ হৈ পৰিল। প্ৰথম কাৰ্য্যসূচী হিচাপে তেওঁলোকে মন্ত্ৰী আৰু বিধায়কসকলৰ দা-দৰমহা বঢ়াই ললে।

মহাপুৰুষ মাধৱদেৱে দায়িত্ব বহনৰ এটা প্ৰসঙ্গত কৈছিল বোলে, যাৰ গাত পৰ্বত ব'বৰ বল সি ক'ৰবাতে থাকে। যাৰ গাত তুলা অকণমান দঙাৰ বলো নাই সি পৰ্বত ব'বলৈ আগবাঢ়ি যায়। আমাৰ প্ৰাক্তন ছাত্ৰ-নেতাসকলৰো তেনে হ'ল। এআষাৰ সাৰুৱা আৰবি কথাও আছে—বোলে মানুহ চাৰিবিধ। নাজানে নাজানে, নাজানে জানে, জানে নাজানে আৰু জানে জানে। প্ৰথম বিধ জধামূৰ্খ। কিয়নো সি যে মূৰ্খ সেইটো সতাও সি নাজানে। দ্বিতীয় বিধ নিজৰ অজ্ঞতাৰ বিষয়ে সচেতন। সেইবিধ জানিবলৈ শিকিবলৈ আগ্ৰহী। চৰকাৰ স্বৰূপ গধুৰ বোজা ব'বলৈ হেতা-ওপৰা লগোৱা নিশকতীয়াসকল ওপৰৰ কোন বিধত পৰে সেইটো ৰাইজৰ বিচাৰ্য্য বিষয়। মন্ত্ৰীৰ পদ মানে গাড়ীত নিচান উৰুৱাই আগে পিচে পালি প্ৰহৰী লৈ ফুৰা বুলিহে তেওঁলোকে বুজিছিল যেন লাগে। তেওঁলোকৰ চেম্বাৰবোৰ গম্ভীৰ গুৰুত্বপূৰ্ণ কাম আৰু আলোচনাৰ ঠাই নহৈ জাকে জাকে উদণ্ড ল'ৰাৰ আড্ডা হৈ পৰিছিল। আত্মসন্মানবোধসম্পন্ন উচ্চপদস্থ বিষয়া বা সম্ভ্ৰান্ত মানুহে পৰাপক্ষত তেওঁলোকৰ কাষ চাপিবলৈ ভাল নাপাইছিল। সজ পৰামৰ্শ দিবলৈকো শংকা কৰিছিল। তেওঁলোকৰ বহুত মৌন হ'ল। সংস্কৃত সাহিত্যত এনে পৰিস্থিতিৰ

লগত থাপ খোৱা একাষাৰ কথা আছে বোলে—"ভদ্রং কৃতং কৃতং মৌনম্ কোকিলৈৰ্জলাগমে। দৰ্দুৰাঃ যত্র বক্তাৰঃ মৌনমহি তত্র শোভনম্" বাৰিষা কালত কুলিয়ে তাপমাৰি উচিত কামেই কৰে। ভেকুলিৰ টোৰটোৰণিয়ে যেতিয়া বোৰোৱাই থাকে তেতিয়া কুলি মনে মনে থকাইহে সজ।

সি যি কি নহওঁক ১৯৮৬ চনৰ জানুৱাৰীৰ শেষৰ ফালে হঠাতে এদিন অ গ প চৰকাৰে মোক অসম ৰাজ্যিক মাদকদ্রব্য নিবাৰণী পৰিষদৰ অধ্যক্ষৰ পদটো যাচিলে। ময়ো চৰকাৰখনৰ লগত এটা সম্বন্ধ ঘটাৰ আশাত, পাৰ্যমানে বুদ্ধি পৰামৰ্শ দিব পৰাৰ সুযোগ ঘটাৰ আশাত আৰু এটা সজকামত সেৱা আগবঢ়োৱাৰ হেঁপাহত পদটো গ্রহণ কৰিলো। পিচত অৱশ্যে গম পাইছিলো যে মোলৈ সেই পদটো, মই আঞ্চলিক দলগঠনত যোগোৱা অৰিহণাৰ স্বীকৃতিত বা মোৰ যোগ্যতা বিচাৰ কৰি, যচা হোৱা নাছিল। মাদকদ্রব্য নিবাৰণী পৰিষদৰ অধ্যক্ষজনে অন্ততঃ কেইটামান বস্তু ত্যাগ কৰিব লাগিব। দলৰ প্রভাৱশালী প্রাক্তন ছাত্র-নেতাসকলৰ মাজত তেনে ত্যাগ কৰোতা কোনো নোলোৱাতহে "সাপো মৰক লাঠিও নাভাগক" বুলি মোক সেই পদটোলৈ মনোনীত কৰা হৈছিল।

অ গ প-ৰ যুৱনেতাসকলৰ প্রায় সকলোৱেই মদ প্রচলনৰ পক্ষপাতী আছিল। পূৰ্বৰ কংগ্রেছ (আচল কংগ্রেছ) চৰকাৰে মদ নিবাৰণৰ এটা পদক্ষেপ হিচাপে অসমৰ কেইখনমান জিলা নিষিদ্ধ জিলা (DRY DISTRICT) ঘোষণা কৰিছিল। চাহবাগান আৰু জনজাতীয় লোক প্রধান জিলা কেইখনতহে চৰকাৰী মদৰ দোকান চলিবলৈ দিয়া হৈছিল। অতি দুখৰ কথা যে চাহবাগানৰ বনুৱা সম্প্রদায়ৰ ভোট লাভৰ কাৰণে, অভিযোগ মতে, কংগ্রেছ দলেই নিৰ্বাচনৰ সময়ত বদান্যতাৰে বিনামূলীয়াকৈ বনুৱাসকলৰ মাজত মদ বিতৰণ কৰি থকাৰ এটা পৰম্পৰা চলি আহিছে। মই মাদক দ্রব্য নিবাৰণী পৰিষদৰ অধ্যক্ষ থকা কালতে চাহ বনুৱা সম্প্রদায়ৰ সচেতন যুৱকসকলেই মোৰ আগত তেনে অভিযোগ কৰি আক্ষেপ কৰিছিল। অ গ প চৰকাৰে এটা বৈপ্লৱিক নীতিৰে অসমৰ আটাইবোৰ জিলা মদ নিষিদ্ধ কৰাৰ পৰিৱৰ্তে পূৰ্বৰ কংগ্রেছ চৰকাৰৰ দিনত নিষিদ্ধ কৰা জিলা কেইখনতো মদৰ নৈ বোৱোৱাৰ দিহা কৰিছিল আৰু সেই চেষ্টাত বিফল হ'ল যদিও বিধানসভাত তেনে এখন 'বিল' হুৰামূৰাকৈ 'পাচ' কৰাই লৈছিল। সেই বিলখন আইনত পৰিণত হোৱাত বাধা দিবলৈ বিভিন্ন মহিলা সংগঠনে আৰু পৰোক্ষভাৱে মোৰ নিবাৰণী পৰিষদৰ ফালৰ পৰাও ৰাজ্যপালৰ ওচৰ চাপিব লগা হৈছিল। অ গ প চৰকাৰে ৰাজ্যিক মাদক দ্রব্য নিবাৰণী পৰিষদৰ ঘোৰ আপত্তি সত্ত্বেও পাণ চিগাৰেটৰ দোকানৰ দৰে নগৰে চহৰে, আনকি গাঁৱে-ভূঞেও বিয়াৰৰ দোকান খোলাই দিলে, যাতে স্কুলীয়া চেমনীয়ায়ো সহজতে তাৰ সোৱাদ ল'ব পাৰে। আজি আকস্মিকভাৱে অসমত ড্রাগচৰ প্রচলনৰ

ভয়াবহতাৰ কাৰণেও পৰোক্ষভাবে অ গ প চৰকাৰেই দায়ী। সেইটো হেনো কৰা হৈছিল নিবনুৱা যুৱকৰ কৰ্মসংস্থান দিবলৈ। বহুতে মদ সহজলভ্য কৰি দিয়াৰ সপক্ষে যুক্তি দৰ্শাই যে ইমান বাধা দিয়ো যেতিয়া চৰকাৰে চুলাই মদৰ প্ৰচলন বন্ধ কৰিব পৰা নাই সেয়ে তাক খুলি দিব লাগে। চুৰি-ডকাইটি, ধৰ্ষণ আদি অপৰাধৰো কঠোৰ শাস্তি আইনত থকা সত্ত্বেও সেইবোৰ নিৰ্মূল কৰিব পৰা নাই। সেই বুলি তেনে ঘৃণনীয় অপৰাধৰ শাস্তি বিধান আইনৰ পৰা উঠাই দিব লাগিবনে? আৰু এটা তেওঁলোকৰ যুক্তি আছিল যে মদ খুলি দিলে বহুত ৰাজহ বাঢ়িব। ৰাজ্য চৰকাৰৰ অৰ্থসংকট দূৰ হ'ব। ৰাজহেই যদি জনকল্যাণ ৰাষ্ট্ৰৰ একমাত্ৰ লক্ষ্য হয় তেন্তে আন বহুত, একালত বৃটিছ চৰকাৰৰ দিনত চলি থকা আৰু পিচত স্বাধীন ভাৰতত নিষিদ্ধ কৰা, ঘৃণনীয় ব্যৱসায় আছে যিবোৰ পুনৰ প্ৰচলন কৰিলে ৰাজহে চোঁচোৱাই থাকিব। আচল লক্ষ্যটো কিন্তু ৰাজ্যৰ ৰাজহো নহয়। কি তাক নকলেও পাঠকে বুজিব।

অসম গণ পৰিষদ চৰকাৰে এবাৰ চৰকাৰৰ অৰ্থ সংকটৰ বিষয়ে আলচ কৰিবলৈ এখন আলোচনা চক্ৰ পাতিছিল—ৰবীন্দ্ৰভৱনত। তালৈ এগৰাকী আমেৰিকা ফেৰৎ অসমীয়া ডেকা অৰ্থনীতিবিদকো মাতিছিল। সেই পণ্ডিতজনে তিনিনে চাৰি বছৰ আমেৰিকাত থাকি মাতৃভাষাটো কিছু পাহৰি আহিছিল। খোকোজা লগা অসমীয়াৰে আৰম্ভ কৰি তেওঁ ইংৰাজীতে ভাষণ দিলে। ইংৰাজীও যে বৰ ভালকৈ শিকি আহিছিল সিয়ো নহয়। ৰবি ঠাকুৰে ক'বৰ দৰে বোলে 'বিলাতলৈ গৈ মাতৃভাষাটোও পাহৰিলি আৰু ইংৰাজীটোও ভালকৈ শিকি নাহিলি।' যা হওঁক মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ সভাপতিত্বত বহা সেই চক্ৰত পূৰ্ব ব্যৱস্থা মতেই নে কি এজন শ্ৰোতাই অৰ্থনীতিবিদজনক প্ৰশ্ন কৰিলে বোলে অসম চৰকাৰে বৰ্তমান সম্মুখীন হোৱা অৰ্থ সংকটটোৰ পৰা উদ্ধাৰ হোৱাৰ উপায় কি? তেওঁ তপৰাই উত্তৰ দিলে যে, মদ নিষিদ্ধ আইনখন বাতিল কৰিব লাগে। তেওঁৰ ভাষণৰ অন্ত পৰাৰ লগেলগেই শ্ৰোতাৰ ফালৰ পৰা মই থিয় দি সেই বিষয়টোৰ ওপৰত দুই মিনিট ক'বলৈ অনুমতি বিচাৰিছিলো। সভাপতিয়ে আন এজন নিৰ্দিষ্ট বক্তাৰ পিচতে মোক ক'বলৈ দিব বুলি কৈ হঠাতে সভা ভঙ্গ ঘোষণা কৰিলে।

অ গ প-ৰ আবকাৰী মন্ত্ৰী ভৃগু ফুকনো মদ নিষিদ্ধ নীতি উঠাই গুৱাহাটীত অবাধ মদৰ দোকান খোলাৰ পক্ষপাতি আছিল। তেওঁ যুক্তি দৰ্শাইছিল যে খানাপাৰাৰ পৰা জোৰাবাটলৈকে পথছোৱাৰ মেঘালয়ৰ ফালে যি একুৰিমান বিলাতী মদৰ দোকান চলি আছে তাৰ গ্ৰাহকবোৰ অসমৰ। গ্ৰাহক আমাৰ ৰাজহ পাইছে মেঘালয়ে। গতিকে অসমে নিষিদ্ধ আইন উঠাই দি ৰাজহখিনি পাব পাৰে। মেঘালয়ৰ ফালে থকা মদৰ দোকানবোৰৰ ওপৰত আমাৰ হাত নাই। মই তেওঁক পৰামৰ্শ দিছিলোঁ যে সেই দোকান বা বাৰবোৰৰ পৰা মদ কিনি বা

খাই ওলাই আমাৰ ৰাজপথত থিয় দিয়া মাত্ৰেই দেখোন আমি যথোচিত ব্যৱস্থা ল'ব পাৰো। সেইটো নকৰা কিয়? মই কৈছিলো যে যদি চৰকাৰে নোৱাৰে তেন্তে মই গুৱাহাটীৰ মহিলা আৰু আন স্বেচ্ছাসেৱী সংগঠনৰে সেই বাটছোৱাত যথোচিত ব্যৱস্থা লোৱাব পাৰো। তেওঁ উচাপ খাই উঠিল। নাই নাই তেনে কৰিলে মেঘালয়ৰ লগত আমাৰ সম্পৰ্ক বেয়া হ'ব। আচলতে মই শুনা মতে সেই দোকানবোৰৰ পৰা নিয়মিতভাৱে দিচপুৰলৈ দান আৰু লগত দক্ষিণা আহি আছিল। পৰৱৰ্তীকালত বিৰাজ শৰ্মা আবকাৰী মন্ত্ৰী হওঁতে বিয়াৰ বাৰ দিয়াৰ সম্পৰ্কে নানা কথা শুনা গৈছিল।

১৯৮৬ চনৰ মাৰ্চ মাহতে এদিন মই মুখ্যমন্ত্ৰীক লগ ধৰি উপযাচি কেইটামান পৰামৰ্শ দিছিলো। (১) শ্ৰীহিৰণ্য ভট্টাচাৰ্য্যৰ পুনৰ নিযুক্তিৰ কাৰণে ব্যৱস্থা ল'ব লাগে। মুখ্যমন্ত্ৰীয়ে ক'লে যে সেই বিষয়ে তেওঁ বোলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীক কৈছেই। মই ক'লো যে সেই বিষয়ে প্ৰধান মন্ত্ৰীকহে তেওঁ এটা ব্যক্তিগত অনুৰোধ জনাব লাগে। তেতিয়াও তেওঁ লগে লগে ক'লে বোলে সেইটো কৰিছো। সেইবাৰ যে সঁচা কথা নাছিল তাক বুজাত মোৰ কঠিন হোৱা নাছিল। তেওঁৰ এটা অসুবিধা আছিল। মুখ্যমন্ত্ৰী হোৱাৰ এশ ত্ৰিশদিন আগলৈকে দোভাষী নোহোৱাকৈ কেন্দ্ৰৰ লগত আলোচনা কৰিব নোৱাৰা মানুহ-জনে মুখ্যমন্ত্ৰী হৈয়েই ইংৰাজী ভাষাত কিতাপ লিখি উলিয়ালেও কথোপকথনত যে তেওঁ ইংৰাজীত ভাবৰ আদান-প্ৰদান কৰিব নোৱাৰিছিল তাত মোৰ সন্দেহ নাছিল। ডাঃ সুশীলা নায়াৰক তেওঁৰ ওচৰলৈ লৈ যাওঁতে সেইটো মই বুজিছিলোঁ। (২) দ্বিতীয় পৰামৰ্শ দিছিলোঁ তেওঁ তৎক্ষণাৎ কাছাৰ জিলালৈ ভ্ৰমণ সূচী ল'ব লাগে। তাত ৰাইজক ক'ব লাগে যে অসম আন্দোলনটো কোনো ভাষিক বা ধৰ্মীয় সংখ্যালঘুৰ বিৰুদ্ধে নাছিল। তেতিয়াৰ কংগ্ৰেছ (আই) চৰকাৰৰ অপপ্ৰচাৰৰ ফলত অসম আন্দোলন বৰাক উপত্যকালৈ সম্প্ৰসাৰিত কৰিব পৰা নগ'ল। তাত অ গ প দলো সংগঠন কৰিব পৰা নগ'ল। তথাপিও সেই উপত্যকাৰ পৰা মন্ত্ৰীসভাত এজন প্ৰতিনিধি লোৱা গৈছে। কাছাৰৰ ৰাইজে মোকে (মুখ্যমন্ত্ৰীকে) তেওঁলোকৰ প্ৰতিনিধি বুলি জ্ঞান কৰিব লাগে। (৩) কাৰবি আংলং আৰু উত্তৰ কাছাৰ জিলালৈ সেই যাত্ৰাতে যাব লাগে, ভাবৰ আদান-প্ৰদান কৰিব লাগে আৰু তাৰ বিশেষ বিশেষ সমস্যাবিলাকৰ প্ৰতি বিশেষভাৱে মনোনিবেশ কৰিব লাগে। (৪) কোকৰাঝাৰলৈ তেতিয়াই গৈ তাৰ নেতাসকলৰ লগত আলচ কৰি কি কি সা-সুবিধা দিব পাৰি চয়-নিচয় কৰিব লাগে। সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ আধাৰত তাতো জিলা পৰিষদ গঠন কৰিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে ইত্যাদি।

এই সকলোবোৰৰ উপৰিও মই এটা অতি গুৰুত্বপূৰ্ণ সেৱা আগবঢ়াবলৈ উপযাচি চৰকাৰ আৰু দলৰো মুৰব্বী মুখ্যমন্ত্ৰীৰ কাষ চাপিছিলোঁ। আলফা

সংগঠনটো অসমৰ দেশপ্ৰেমিক যুৱশক্তিৰে গঠিত হৈছিল। তেওঁলোকৰ দেশসেৱাৰ পন্থা আৰু অন্তিম লক্ষ্যত আমি বিশ্বাসী নহ'লেও তেওঁলোকৰ দেশপ্ৰেম অকৃত্ৰিম আছিল (তেতিয়া সেয়ে আমাৰ ধাৰণা আছিল)। অসমৰ ওচৰ-পাঁজৰৰ জনজাতীয় ৰাজ্যসমূহেৰে লগলাগি হওঁক বা অকলে হওঁক অসমক এখন সাৰ্বভৌম ৰাষ্ট্ৰ কৰি শোষণমুক্ত কৰাৰ পৰিকল্পনা, আমাৰ মতে, অৱাস্তৱ, অসম্ভৱ আৰু অনাৱশ্যক। সেই আদৰ্শ আগত ৰাখি আমাৰ দেশপ্ৰেমিক তেজাল যুৱ-শক্তিয়ে চামে চামে প্ৰাণ আহুতি দি শ্বহীদৰ তালিকা দীঘল কৰিব পাৰিব ; কিন্তু অসমক কোনোকালে ভাৰতৰ পৰা বিচ্ছিন্ন কৰিব নোৱাৰিব। তাতোকৈ ডাঙৰ কথা, সেই অসম্ভৱ আৰু অৱাঞ্ছনীয় কল্পনাটো যদিহে কেতিয়াবা সম্ভৱ হয়ো (যিটো অৱশ্যে সৌভাগ্যক্ৰমে কেতিয়াও নহয়) তেতিয়াহে অসমীয়াৰ নাম নুমাব। অসম তথা পুৰণি কামৰূপ ৰাজনৈতিকভাৱে ভাৰতৰ অঙ্গ ৰাজ্য নথকা কালতো সাংস্কৃতিকভাৱে অসম ভাৰতৰ অবিচ্ছেদ্য অঙ্গ। সেয়েহে গুৰুজন আৰু মহাপুৰুষ মাধৱদেৱে তেৰাসবৰ লেখাৰ পাতে পাতে অসমক ভাৰতৰ এক অঙ্গ বুলি ঘোষণা কৰি গৈছে। অসমত জন্ম পাই বুলি ন'কৈ "ভাৰতত জন্ম পাই", ধন্য ধন্য অসম ন'কৈ "ধন্য ধন্য ভাৰত বৰিষে" বুলি গৌৰৱ কৰি গৈছে। গতিকে এই দেশপ্ৰেমিক যুৱ শক্তিটোক শুদ্ধপথ দেখুৱাই তেওঁলোকক ৰাষ্ট্ৰীয় ধাই সুঁতিলৈ অনাটো নিতান্ত আৱশ্যক আৰু সেই কামটো সহজে সম্ভৱ হ'ব পাৰে তেওঁলোকৰে অসম আন্দোলনৰ সতীৰ্থেৰে গঠিত অ গ প চৰকাৰৰ শাসন কালতেই। আনহাতে আলফাৰ আইন বহিৰ্ভূত কাৰ্য্যকলাপ বৃদ্ধি পাই গৈ থাকিলে অ গ প চৰকাৰ আৰু অসমৰ কাৰণে সি এটা ভয়ংকৰ সমস্যা হৈ পৰিবগৈ। এইখিনি কথা মই ১৯৮৭ চনৰ মাজভাগতে মুখ্যমন্ত্ৰীক লগ ধৰি, দায়িত্ব দিলে ময়ে সেই পথত আগভাগ ল'বলৈ আগ্ৰহ প্ৰকাশ কৰিছিলোঁ। উত্তৰত অল্প-ভাষী মুখ্যমন্ত্ৰীয়ে "সেইটো কাম ভৃগুৱে কৰি আছে" বুলি ক'লে।

কিন্তু তাৰ বেছ কিছুদিন পিচতো সেইটো দিশত একো অগ্ৰগতি নেদেখি মই হতাশ হৈছিলোঁ। তেনেতে শ্ৰীনিশিনাথ চাংকাকতিদেৱ আৰক্ষী সঞ্চালক প্ৰধান হ'ল। তেখেতে আৰক্ষীসকলৰ মাজত মদৰ বিৰুদ্ধে এটা অভিযান চলোৱাৰ আঁচনি কৰি মোক আৰক্ষী জোৱান আৰু প্ৰশিক্ষাৰ্থীসকলৰ মাজত এলানি বক্তৃতা দিবলৈ অনুৰোধ কৰিলে। মই অতি আগ্ৰহেৰে তাক গ্ৰহণ কৰি তেখেতৰ সৈতে একেলগে ভ্ৰমণ কৰি ফুৰোঁতে অসমৰ নানা সমস্যাৰ লগতে আলফা প্ৰসঙ্গ ওলাল। মুখ্যমন্ত্ৰীৰ ওচৰত মই দিয়া প্ৰস্তাৱৰ কথা শুনি তেখেতে আলফাৰ নেতা বুলি সন্দেহ কৰি নিৰাপত্তা আইনৰ অধীনত আটক কৰি ৰখা যুৱকৰ লগত মই কথা হ'ব খোজোনে কি সুধিলে। মোৰ পৰা

ইতিবাচক সঁহাৰি পাই কেইদিনমানৰ পিচতে দুদিনমানতে মুক্তি পাবলগীয়া এজন যুৱকক গুৱাহাটী জেলৰ পৰা বিশেষ শাখাৰ অফিচলৈ অনাই মোৰ লগ লগাই দিলে। সেই যুৱকজন আছিল গোলাপ বৰুৱা ওৰফে অনুপ চেতিয়া। মই তেওঁক বহুসময় ধৰি সকলো দিশ সামৰি বুজালো। গোলাপে উত্তৰত কৈছিল যে তেওঁ ওলাই গৈ আনসকলৰ সৈতে মই দেখুওৱা যুক্তিবিলাক আলোচনা কৰিব। তেওঁ জেলৰ পৰা কেইদিনমান পিচতে ওলাই গৈ মোৰ ওচৰলৈ এজন তেওঁৰ সহযোগী পঠাই কোৱাইছিল যে তেওঁলোকৰ ওচৰলৈ হেনো ভৃগু ফুকনে সংসদী সদস্যা বিজয়া চক্ৰৱৰ্তীক পঠাই আলফাৰ ল'ৰাবোৰক চাকৰি বাকৰি ব্যৱসায় আদি সংস্থানৰ লোভ দেখুৱাইছিল। সেইটোত হেনো তেওঁলোক ক্ষুন্ন হৈছিল। কিয়নো তেওঁলোকে হেনো নিজৰ প্ৰতিষ্ঠাৰ কাৰণে হাতত অস্ত্ৰ তুলি লোৱা নাছিল। আৰু মোক কোৱাইছিল যে তেওঁলোকে সেই সম্পৰ্কে স্বয়ং মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তৰ লগত পোনপতীয়াকৈ কথা হ'ব পাৰে। মই পিচ দিনাই নিজে মুখ্যমন্ত্ৰীক কথাটো ক'লোগৈ। তেওঁ কি কৰিলে গম নাপালো।

ওপৰৰ কথাখিনি ১৯৮৭/৮৮ চনৰ। তেতিয়া আলফাৰ ল'ৰাহঁতৰ দেশপ্ৰেম আৰু ত্যাগ সম্পৰ্কে মোৰ তেনে ধাৰণা আৰু বিশ্বাসেই আছিল। আজি ১৯৯৩ চনৰ দ্বিতীয়াৰ্ধত তেওঁলোকৰ বিষয়ে তেতিয়া তেনে ভ্ৰান্ত ধাৰণা লোৱাৰ কাৰণে লজ্জিত হৈছোঁ। বাতৰি কাকতবোৰে তেওঁলোকক 'দুৰ্ধৰ্ষ' 'কাচিনত প্ৰশিক্ষিত' আদি নানা বিশেষণেৰে বিভূষিত কৰিলেও অসমৰ বাইজৰ এতিয়া বুজিবলৈ বাকী নাই যে তেওঁলোকৰ বীৰত্ব নিৰীহ, নিৰস্ত্ৰ মানুহৰ বুকুলৈ বন্দুক টোৱাই গুলী মৰা বা অপহৰণ কৰি নিয়াতে সীমাবদ্ধ। তেওঁলোকৰ বা আন যাৰে তাৰে হিংসানীতি বা সন্ত্ৰাসৰ মই মনে-প্ৰাণে ঘোৰ বিৰোধী। তথাপিও অ গ প চৰকাৰৰ নিষ্ক্ৰিয়তা আৰু অযোগ্যতাৰ সুযোগত নিৰীহ মানুহৰ ওপৰত 'বীৰত্ব' দেখুৱাই ফুৰা "দেশপ্ৰেমিক" "কাচিন প্ৰশিক্ষিত" 'দুৰ্ধৰ্ষ" যোদ্ধাসকলে যে ৰাষ্ট্ৰপতিৰ শাসনৰ লগে লগে তেওঁলোকক বলীয়া কুকুৰ খেদাদি খেদি ফুৰা সেনাবাহিনীৰ লগত কতো ক্ষন্তেকলৈও মুখামুখী হোৱাৰ সাহস দেখুৱাব নোৱাৰিলে সেইটোহে অসমীয়া জাতিটোৰ নাতিহঁতৰ কাৰণে যুগমীয়া কলঙ্কৰ চেকা হৈ ৰ'ল।

অ গ প-ৰ আমোলত তেওঁলোকে কিছুমান সমাজ বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে, দুৰ্নীতিৰ বিৰুদ্ধে ব্যৱস্থা লৈ ৰাইজৰ মাজত কিছু জনপ্ৰিয়তা লাভ কৰিছিল। কিন্তু সেইটো আছিল "হাতী চুৰ কৰি নেয় আগে আগে বেঙেনা চোৰক ধৰে। নাকটো কাটিলে লাজ নপাবয় নখটো কাটিলে মৰা" বিধৰ ব্যৱস্থা। সকলোৰে চকুৰ আগতে অ গ প-ৰ কপৰ্দহীন মন্ত্ৰী-বিধায়কসকলে আলাউদ্দিনৰ চাকিত ঘঁহা মাৰি কোটিপতি হ'ল। তাত তেওঁলোকে মাত

আত্মাৰে নামাভিলে। সাধাৰণ মেগুনা চোৰ আজিমন্থৰী, বিবয়া কৰ্মচাৰীৰ দুনীতিতহে তেওঁলোকৰ চকু পৰিল। সেইবোৰো বাৰু যেন তেন। এতিয়া তেওঁলোকৰ এভাগে গোৱৰেৰে ডিঙিত সোণৰ শিকলি পিন্ধি আত্মসমৰ্পণ-কাৰীৰ ভূমিকা লৈ শাসনাধিষ্ঠিত দল আৰু চৰকাৰৰ দুনীতিৰ সমভাগী হৈ ভেৰোণীয়া গুণ্ডাৰ দলত পৰিণত হ'ল। ইহে বৰ বেজাৰৰ কথা হ'ল। ভুল হওঁক শুদ্ধ হওঁক, বাইজে সমৰ্থন কৰক নকৰক, একালৰ এটা 'উচ্চ' আদৰ্শত উদ্বুদ্ধ ল'ৰাহঁতৰ এই অধঃপতন অতি মৰ্মন্তুদ আৰু ই তেওঁলোকৰ ঘৃণনীয় মৃত্যু। তেজ-মঙহেৰে শৰীৰ এটা ধাৰণ কৰি লাৰিচাৰি ফুৰাকে জীৱন নকয়।

আত্মসমৰ্থন নকৰা যিসকল আলফা ৰ'ল তেওঁলোকেও এনে এখন ৰাষ্ট্ৰত আশ্ৰয়লৈ এনে লোকৰ পদ-লেহন কৰিবলৈ দ্বিধাবোধ নকৰিলে যাৰ পৰা অসমৰ ঘাই সমস্যাৰ সৃষ্টি হৈছিল, হৈ আছে আৰু হৈ থকাৰ সম্ভাৱনা। তেওঁলোকে প্ৰাণৰ সংশয়তেই তেনে কৰিছে—বুজিলো। কিন্তু এনে ঘৃণনীয় কামতকৈ প্ৰাণটো ডাঙৰ হ'লনে? তাতোকৈ পুতৌ লগা কথাটো হ'ল যে তেওঁলোকে সুচতুৰ ভেদনীতিৰ ফান্দত পৰি নিজৰ ভিতৰতে মৰামৰি কৰি নিজেই শেষ হ'বলৈ ওলাইছে। এতিয়া আৰু তেওঁলোকক বধ কৰিবলৈ পুলিচ মিলিটাৰীৰ দৰকাৰ নাই। সেই ফেৰা কাম তেওঁলোকে নিজে নিজেই কৰিব। অদৃষ্টৰ কি পৰিহাস!

এতিয়া তেওঁলোকৰ পৰিত্ৰাণৰ পথ এটাই খোলা আছে। যিসকলে আত্ম-সমৰ্পণ কৰা নাই তেওঁলোকে অস্ত্ৰ-শস্ত্ৰে আহি চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰি দেশৰ প্ৰচলিত আইনৰ সম্মুখীন হওঁক। যি সকলে আত্মসমৰ্পণ কৰি বঁটা-বাহন লৈ ডিঙিত সোণৰ শিকলি পিন্ধি ঘৃণনীয় দালালী বৃত্তিত ধৰিছে, ডকাইতৰ বৃত্তিত ধৰিছে, সেইসকলে বঁটা-বাহন চৰকাৰক সোধাই দি তেওঁলোকৰ কৃত অপকৰ্মৰ কাৰণে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা কৰক। দ্বিখণ্ডিত দুইভাগ এক হৈ শান্তিপূৰ্ণভাৱে দেশৰ ৰচনাত্মক কামত আত্মনিয়োগ কৰক। এটা বৃহৎ স্বেচ্ছাসেৱী অনুষ্ঠান গঢ়ি নিস্বাৰ্থভাৱে দেশসেৱাত লাগি দেশৰ সেৱা কৰক। অসমৰ ৰাইজে তেওঁলোকক আকৌ মোৰ বুলিব।

অসম আন্দোলনৰ ফলশ্ৰুতি হিচাপে যিসকল যুৱক ১৯৮৫ চনত অসমৰ শাসনৰ গাদীত বহিছিল তেওঁলোকেই সদৌ অসম বড়ো ছাত্ৰ সন্থাৰ এটা গোটক ক্ষুন্ন কৰি অসমত এটা নতুন সমস্যাৰ সৃষ্টি কৰাৰ কাৰণে দায়ী। অ গ প চৰকাৰ গঠন হোৱাৰ লগে লগেই, পৃথ্বী সিঁচাৰ লেহেতি-লাহনীত হাত নলগোৱাকৈয়ে মাছৰ ভাগ বিচৰা সুবিধাবাদীৰ দৰে, অনেকে নতুন চৰকাৰৰ ওচৰত সা-সুবিধা বিচাৰি ভিৰ কৰিলেগৈ। কোকৰাঝাৰ, গোসাঁইগাঁও আদি অঞ্চলবোৰৰ স্থানীয় নিকায়, নিগম, পৰিষদ আদি চৰকাৰী বা অৰ্ধচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান বিলাকত জনজাতীয়সকলক, বিশেষকৈ আন্দোলনত অংশগ্ৰহণকাৰীসকলক গুৰুত্বপূৰ্ণ স্থানবিলাকত নবহুৱাই সেইবোৰ অঞ্চলত প্ৰবাস খটা, মন্ত্ৰী-

বিধায়কৰ নিজৰ নিজৰ অজনজাতীয় লোকসকলক বহুৱালে। উপেন ব্ৰহ্ম আদি জনজাতীয় নেতাসকলক এক প্ৰকাৰ উপেক্ষা আৰু অৱজ্ঞা কৰিলে। ক্ষমতাৰ গাদীত বহাৰ পিচত যুৱ-নেতাসকলৰ নিজৰ বাহিৰে আন কাৰো ফালে চাবৰ সময় নোহোৱা হ'ল। প্ৰায় পাঁচ বছৰীয়া শাসনকালত প্ৰফুল্ল মহন্তই সঘনাই অহা-যোৱা কৰি থকা পথৰ পৰা দলি মাৰিলে শিলগুটি এটাই ঢুকি পোৱা দূৰত্বৰ কাৰবি আংলঙত এটা (এটা) পাক মাৰিবলৈ তেওঁৰ সময় নহ'ল—তাকো বিশেষভাবে সকীয়াই দিয়া সত্ত্বেও। গতিকেই জনজাতীয়সকলৰ মাজত স্বাভাৱিকতেই এক বিৰূপ প্ৰতিক্ৰিয়া হৈছিল। বড়ো যুৱকসকলৰ মাজত তেনে অসন্তুষ্টিয়ে ভুমুকি মৰা দেখি তেতিয়াৰ পুলিচ প্ৰধান শ্ৰীনিশিনাথ চাংকাকতিয়ে বড়ো নেতাসকলৰ লগত চৰকাৰৰ এটা ভাল বুজাবুজি কৰাই দিবলৈ চেষ্টা কৰিছিল। মই জনা মতে অসম পাঠ্যপুথি প্ৰকাশন পৰিষদৰ এজন কৰ্মী শ্ৰীলক্ষ্মীনাথ পাণ্ডিঙৰ লগত উপেন ব্ৰহ্মৰ আহ-যাহ আৰু ঘনিষ্ঠতা থকাৰ সুযোগত অসম পুলিচৰ এজন জ্যেষ্ঠ বিষয়া শ্ৰীনোমল চন্দ্ৰ পাণ্ডিঙৰ জৰিয়তে তেতিয়াৰ এজন আই. জি. পি. শ্ৰীহৰিদাস কছাৰী, ডি. আই. জি. শ্ৰীবিপুল কলিতা, এছ. পি. শ্ৰীৰোহিণী বৰ্ণিয়াৰ প্ৰচেষ্টাত লক্ষ্মীনাথ পাণ্ডিঙে তেওঁৰ আত্মীয় এছ. পি. নোমল পাণ্ডিঙৰ গুৱাহাটীস্থিত নিজা ঘৰত ১৯৮৮ চনৰ আগ-ভাগতে উপেন ব্ৰহ্ম, প্ৰমিলা ব্ৰহ্ম আৰু চাৰিজন আন জ্যেষ্ঠ বড়ো নেতাক লগ লগাই এটা প্ৰাৰম্ভিক আলোচনা কৰিছিল। তাৰ পিচৰ লানি আলোচনা হ'ব লাগিছিল মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ পৰ্য্যায়ত। কিন্তু অৰুণ শৌৰীৰ ভাষাত অসমৰ "আচৰিত নেতাদ্বয়" আন দৰকাৰী কামত ব্যস্ত থকা হেতুকে তেনে অদৰকাৰী কামৰ বাবে তেওঁলোকৰ সময় নহ'ল। ফলত বড়ো নেতাসকল ক্ষুণ্ণ হৈ উভতি গ'ল। জোনাকত বড়ো সমস্যাৰ সমাধান সূত্ৰ হেৰুৱাই পিচত এন্ধাৰত বিচাৰি বিফল হোৱাটোৱেই স্বাভাৱিক আছিল।

দীঘলীয়া অসম আন্দোলনৰ ফলশ্ৰুতি হিচাপে জন্ম পোৱা অসমৰ ৰাইজৰ ইমান আশীৰ্বাদপুষ্ট অসম গণ পৰিষদ চৰকাৰটোৰ কৰুণ ব্যৰ্থতাৰ কাৰণে অকল অ গ প-ৰ মন্ত্ৰী বিধায়কসকলেই দায়ীনে? আমি বোৰ অৰ্থাৎ অসমৰ ৰাইজো সমানে বা অধিক দায়ী নহওঁনে? মন্ত্ৰীসভাতো অভিজ্ঞ বয়োজ্যেষ্ঠ মন্ত্ৰী চাৰে তিনিজনমান আছিল। এজনতো শিৰ ফুটা আইনজ্ঞও আছিল। তেওঁলোকে কি ভূমিকা পালন কৰিলে বাৰু? তেওঁলোকে ল'ৰা মন্ত্ৰীহঁতৰ ওপৰত অকণো সুপ্ৰভাৱ পেলাব নোৱাৰিলে কিয়? দুনীতিৰ বিৰুদ্ধে মাত মাতিব নোৱাৰাৰ কাৰণটো বাৰু বুজিলো। গিৰীহঁতে দিচপুৰত মন্ত্ৰীৰ শপত লওঁতেই সুদূৰত পুত্ৰ-পৰিবাৰে ধনী ঠিকাদাৰৰ ওচৰত ৰঙীন টিভিৰ ফৰমাচ দিয়া সকল দুনীতিৰ বিৰুদ্ধে যুঁজিব নোৱাৰে। কিন্তু কোনবোৰ কামত হাত দিব লাগে কোনবোৰত নালাগে সেই পৰামৰ্শতো তেখেতসকলে দিব পাৰিব লাগিছিল। নোৱাৰিলে কিয়?

তাৰ উত্তৰ মাত্ৰ এটাই—ভয়ত। মন্ত্ৰীসভাৰ পৰা বাদ পৰাৰ ভয়ত। পিচৰ নিৰ্বাচনত দলৰ টিকট নোপোৱাৰ ভয়ত। আৰু হয়তো অপদস্থ হোৱাৰ ভয়ত। কিন্তু সেইকেইটা ভয় দেশৰ স্বাৰ্থতকৈ ডাঙৰ আছিল নে? ভৱিষ্যতে দলৰ টিকট হেৰুৱাৰ ভয়তেই নে কি, আনৰ কথা বাদেই, সংকটৰ কালত দীনেশ গোস্বামীয়েও চ'ৰাঘৰৰ ভিতৰত বহি চাহৰ কাপত ধুমুহা তোলাতকৈ অধিক বিদ্ৰোহ কৰিবলৈ সাহ গোটাব নোৱাৰিলে। তেখেতে সদায় মোৰ আগতো 'অসহায় অসহায়' বুলিয়েই গোঁজৰি-গুমৰি সময় অতিবাহিত কৰি অন্তিমকালত দলটো দুফাল কৰিলে। মাজতে এবাৰ অ গ প-ত এটা বিপৰ্যায় হওঁ হওঁ অৱস্থা হৈছিল। তাহানি যোগেন হাজৰিকাই বিধানসভাৰ অধ্যক্ষৰ আসনৰ পৰা হাঁকুটি লগাই গোলাপ বৰবৰাক খহাই তেৱো 'প্ৰাক্তন মুখ্যমন্ত্ৰী' হোৱাৰ দৰে পুলকেশ বৰুৱায়ো ষড়যন্ত্ৰ কৰি প্ৰফুল্ল মহন্তৰ মন্ত্ৰীসভা 'এই ভাঙো এই ভাঙো' কৰিছিল। তেতিয়া মই বাৰ্তাৰ কাকততো ৰাজহুৱাকৈ তেনে কাৰ্য্যৰ পৰা হ'ব পৰা পৰিণতিৰ কথা সকীয়াই দিছিলো। দীনেশ গোস্বামীয়েও দিল্লীৰ পৰা আহি সংকটটোৰ পৰা চৰকাৰটো ৰক্ষা কৰিবলৈ বহু চেষ্টা কৰি বিফল হৈ দিল্লীলৈ উভতি যাবৰ দিনা পুৱাবেলা মোক ক'লে, বোলে মহন্ত চৰকাৰ ভাগিব—দুই এদিনতে। পুলকেশ বৰুৱাই খোপনি লেৰে। তেওঁ কেবাজনো বৰ্তমান মন্ত্ৰীসভাৰ সদস্য আৰু মন্ত্ৰীপদ অভিলাষী বিধায়কেৰে ষড়যন্ত্ৰ প্ৰায় সম্পূৰ্ণ কৰিছে। আপুনি পাৰে যদি কিবা কৰক।

সেই দিনা ২৫ ডিচেম্বৰ আছিল। ৰবীন্দ্ৰ ভৱনত শোণিত কোঁৱৰ গোষ্ঠীৰ এটা অনুষ্ঠানত যোগ দি গোস্বামী তাৰপৰা বাহিৰে বাহিৰে দিল্লীলৈ যাব। মই তেতিয়া শোণিত কোঁৱৰ গোষ্ঠীৰ সভাপতি। মই ৰবীন্দ্ৰ ভৱনৰ পৰা পোনে পোনে অধ্যক্ষৰ বাসভৱনত সোমাই (সেয়ে প্ৰথম আৰু সেয়ে শেষ) পুলকেশ বৰুৱাক ল'গ ধৰি কৈছিলো বোলো, বৰুৱা এটা কথাৰ কাৰণে আহিছোঁ। আপুনি কিন্তু ভুলতো নাভাবিব যে মই প্ৰেম মহন্তই প্ৰফুল্ল মহন্তৰ স্বাৰ্থত আপোনাক কিবা ক'বলৈ আহিছো। অসম গণ পৰিষদ দলত, মোৰ প্ৰতি অন্যায় কৰা আৰু মোক বিশ্বাসঘাতকতা কৰা মানুহজন কোন বুলি যদি সোধে মই একে আষাৰেই উত্তৰ দিম যে সেইজন প্ৰফুল্ল মহন্ত। মোকেই নহয়—অসম আৰু অসমীয়া জাতিকো তেৰেই আটাইতকৈ বেছি বিশ্বাসঘাতকতা কৰিছে। তথাপিও আজি মই তেওঁৰ চৰকাৰ ৰক্ষাৰ কাৰণে আপোনাক খাটনি ধৰিবলৈ আহিছোঁ—অসমৰ স্বাৰ্থত আৰু অ গ প-ৰ স্বাৰ্থত। আপুনি বিশ্বাস কৰে নকৰে মই প্ৰফুল্ল মহন্তৰ হৈ আপোনাক ক'বলৈ অহাৰ কথা তেওঁ নাজানে আৰু নাজানিবও। তেনেকৈ আৰম্ভ কৰি প্ৰফুল্ল মহন্তৰ চৰকাৰ ভাঙিলে ঘটিব পৰা পৰিণতি মই বৰুৱাক ফঁহিয়াই দেখুৱালো। তেখেতে মোৰ কথাত পতিয়ন যোৱা যেন পালোঁ। মোৰ কথাতে বৰুৱা তেতিয়া সেই ষড়যন্ত্ৰৰ পৰা বিৰত

হ'ল বুলি মই দাবী নকৰো। কিন্তু তেওঁ বিৰত হ'ল। পুলকেশ বৰুৱাই নিশ্চয় এইখিনি কথা অস্বীকাৰ নকৰিব। প্ৰফুল্ল মহন্তকো, মই লোৱা সেই ভূমিকাৰ বিষয়ে, কোনো দিন কোনো পৰ্য্যায়তে কোৱা নাই। আনকি তাৰ পিচত মই তেওঁৰ ওচৰলৈ ৰাজ্যসভাৰ আসনৰ মনোনয়ন বিচাৰি যাওঁতেও তেওঁক সেই কথা কোৱা নাই।

সংখ্যাত তাকৰ হ'লেও প্ৰিন্সিপাল পৰাগধৰ চলিহাকে ধৰি বয়োজ্যেষ্ঠ অভিজ্ঞ লোকসভাৰ কেজন আৰু মন্ত্ৰীসভাৰ কেজন সদস্যই ব্যক্তিগত স্বাৰ্থতকৈ অসমৰ স্বাৰ্থক আগঠাই দিয়া হ'লে, ল'ৰা মন্ত্ৰীসকলৰ অপকৰ্মবোৰৰ বিৰুদ্ধে উচিৎ সময়ত, অসমৰ বাইজে শুনাকৈ মাত মতা হ'লে তেখেতসকলৰ পিচত থিয় দিয়া লোকৰ অভাৱ নহ'লহেঁতেন আৰু অ গ প-ৰ বিপৰ্য্যয়ো নঘটিলহেঁতেন।

আন্দোলন কালত বিশ্ব বিদ্যালয়ৰ এগৰাকী জ্যেষ্ঠ শিক্ষাগুৰুৱে যোৰহাট অধিৱেশনত তোষামোদৰ আতিশয্যত আছুৰ সভাপতি প্ৰফুল্ল মহন্তই "সোণ মুখেৰে" কথা কোৱা বুলি কৈছিল? সেই শিক্ষকসকলে প্ৰিয় ছাত্ৰ নেতাসকলক উচিৎ পথ দেখুৱাৰ পৰিৱৰ্তে অনুচিত আৰু অনৈতিক সহায় কৰি তেওঁলোকৰ সন্তোষীয়া তোষামোদী হৈ পিচত যিমানলৈকে সম্ভৱ সিমানলৈকে গাই-গুটীয়া সা-সুবিধা আদায় কৰি ল'লে। সেইসকল শিক্ষকৰ অৱশ্যে, সজ উপদেশ দিয়াৰ নৈতিক বল নাছিল। চিকুণ বৰুৱা আৰু জনচেৰেক নিচেই সাধাৰণভাৱে লিখা পঢ়া জনা নিষ্ঠাবান পুলিচ পেৰেদ শিক্ষকৰ কথা মই এঠাইত উল্লেখ কৰিছো। সাধাৰণভাৱে শিক্ষিত সেই প্ৰাশিক্ষকসকলৰ তুলনাত বিশ্ববিদ্যালয়ৰ এই মুধা-ফুটা শিক্ষিতসকলৰ চৰিত্ৰৰ আৰু নৈতিকতাৰ কিমান প্ৰভেদ!

অসমৰ আন্দোলনকাৰী ৰাইজেও আন্দোলনৰ উদ্দেশ্যনো কি আছিল তাক যেন পাহৰি পেলালে। এনেহে দেখা গ'ল যেন ছাত্ৰ তথা প্ৰাক্তন ছাত্ৰ-নেতা-সকলক কেইবছৰ মানৰ বাবে মন্ত্ৰী পাতিবলৈকে দীঘলীয়া আন্দোলনটো কৰি ৰাইজে নিৰ্য্যাতন ভুগিছিল। যিটো জ্বলন্ত সমস্যা, তথা বিদেশী নাগৰিকৰ সমস্যাৰ কাৰণে আন্দোলন কৰিছিল তাক যেন সকলোৱে পাহৰি পেলালে। সকলোৱে আহি দিচপুৰত দলদোপ্-হেন্দোলদোপ্ লগালে ভিক্ষা পাত্ৰলৈ 'লাগে লাগে' 'দিয়া দিয়া' বুলি। আনকি যিসকলৰ পুত্ৰ বা অণ্ডহী-বণ্ডহী, আত্মীয়-স্বজন, সঁচাই হওঁক মিছাই হওঁক, 'শ্বহীদ' হৈছিল সেই সকলেও যেন ত্ৰিশ হেজাৰ টকাৰ ক্ষতিপূৰণ পাবলৈ বা মহকুমা পৰিষদ, স্কুলৰ শিক্ষক বাছনি কমিটিৰ সদস্যপদ আদি পোৱাৰ আশাতহে পুত্ৰ বা আত্মীয়-স্বজনক বন্দুকৰ গুলিত হওঁক বা কিবা প্ৰকাৰে আন্দোলন কালত আওমৰণে মৰিবলৈ আগবঢ়াই দিছিল। অদৃষ্টৰ কি পৰিহাস যে কংগ্ৰেছ (আই) চৰকাৰকে ধৰি অগপ চৰকাৰলৈকে আটাইকেটা চৰকাৰৰ ভিতৰত বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়ে আটাইতকৈ উদাসীন আছিল অ গ প চৰকাৰ।

১৯৮৩ চনত জনমতৰ বিৰুদ্ধে অসমত 'নিৰ্বাচন' পাতি শাসনত বহা হিতেশ্বৰ শইকীয়াৰ তথাকথিত চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলৰ বিশেষ নিৰাপত্তাৰ প্ৰয়োজন আছিল—কিয়নো তেওঁলোক জনতাৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। তেওঁলোকক ৰাইজে গণশত্ৰু জ্ঞান কৰিছিল, দেশদ্ৰোহী বুলি গণ্য কৰিছিল। ৰাইজে তেওঁলোকক বৰ্জন কৰিছিল। গতিকেই ৰাইজক ওচৰ চপাবলৈ তেওঁলোকে সা-সুবিধাৰ বিলনীয়া হৈ হোৱাই নোহোৱাই আধাৰ-শিলা বৃষ্টি কৰিছিল। চাকৰি-বাকৰিৰ আবেদনতো সমষ্টিৰ বিধায়কৰ অনুমোদন বাধ্যতামূলক কৰিছিল, মন্ত্ৰী-বিধায়কসকলোকে জাকৰুৱাকৈ গা-ৰখীয়া দিব লগা হৈছিল। সেই কাৰণে সকলো বিধায়কক কিবা নহয় কিবা প্ৰকাৰে চৰকাৰী গাড়ী দিব লগা হৈছিল। দিচপুৰৰ কেউফালে পৰুৱা এটাৰো প্ৰৱেশ ঘটিব নোৱাৰাকৈ হেঙাৰ আৰু পালী-পহৰীয়া দিব লগা হৈছিল। ৰাজধানীৰ প্ৰকল্পটোকে তেওঁলোকে স্থায়ী বাসস্থান কৰিব লগা হৈছিল; কিয়নো নিজৰ সমষ্টিত নিজৰ ঘৰত থকাটো তেওঁলোকৰ কাৰণে মুঠেই নিৰাপদ নাছিল। তাৰ আগলৈকে বিধায়কসকলে দিচপুৰত বিধানসভাৰ অধিবেশনৰ সময়ৰ বাহিৰে বাকী সময়ত নিজৰ ঘৰত থাকি, নিজৰ সমষ্টিত খোজকাঢ়ি, চাইকেল মাৰি বা ৰাজহুৱা যান-বাহনত ফুৰা চকা কৰিছিল, ৰাইজৰ দুখ সুখৰ সমভাগী হৈছিল, বুজ লৈছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে অ গ প-ৰ জনপ্ৰিয় বিধায়কসকলেও ১৯৮৩-৮৫ চনৰ তথাকথিত মন্ত্ৰী-বিধায়কসকলৰ আচৰণটোহে পৰম্পৰা বুলি গ্ৰহণ কৰিলে। মই সেই বিষয়ে বাতৰি কাকতত লিখিও একো ফল নেদেখিলো। তেওঁলোকে হেঙাৰৰ মাজত চিপাহী-চন্তৰীৰে পৰিবেষ্টিত হৈ থকাটো এটা মৰ্য্যাদা আৰু 'বাহাদুৰী'ৰ কথা বুলি গণ্য কৰিলে। সিফালে টেকেলি কাতি—তালৈ চকুকাণ নাই বা সেই সম্পৰ্কে জ্ঞানৰ অভাৱ।

১৯৮৫ চনৰ পোন্ধৰ আগষ্টৰ ধলপুৱাতে স্বাক্ষৰিত হোৱা অসম চুক্তিত তেতিয়া মৰি থকা শিলঘাটৰ মৰাপাটকল 'তুলসী'ৰ লগতে একেদৰে মৰি থকা যোগীঘোপাৰ অশোক কাগজ কল "কল পটুৱা"কো পুনৰ্জীৱিত কৰাৰ এটা চৰ্ত আছিল। অসম চুক্তি ৰূপায়ণ কৰিবলৈ অ গ প চৰকাৰে অতিৰিক্ত মুখ্য সচিব অচ্যুৎ কুমাৰ শইকীয়াক বিশেষ দায়িত্ব দিছিল। ১৯৮৬ চনৰ মাজ-ভাগতে এদিন শইকীয়া আৰু মই একেখন উৰাজাহাজতে ওচৰা-উচৰিকৈ বহি দিল্লীৰ পৰা গুৱাহাটীলৈ আহিছিলো। অচ্যুৎ মোৰ ভাতৃপ্ৰতীম। মোক তেওঁ সুধিলে বোলে দাদা আপুনিতো অশোক কাগজ কলত এসময়ত মুখ্য প্ৰশাসক আছিল। কওঁকচোন কলটো কেনেকৈ পুনৰ্জীৱিত কৰিব পৰা যায়। মই সুধিলো বোলো আনন্দ অধিকাৰী ক'ত আছে? তেওঁ বোলে, গুৱাহাটীতে। মই ক'লো, তেখেতক মতাই নি দায়িত্ব [illegible] এমাহৰ ভিতৰতে কলটো চলাব লাগে। অচ্যুতে মোৰ কথা সমৰ্থন [illegible] কিন্তু লগতে সন্দেহ প্ৰকাশ

কৰিলে যে তেওঁক অ গ প চৰকাৰে পচন্দ কৰেনে নে নকৰে। মই ক'লো, অশোক কাগজ কলো নচলে। অচ্যুতে বিদেশী নাগৰিকৰ কথাটো উত্থাপন কৰি সুধিলে, কেনেভাৱে আগবঢ়া যায়। মই ক'লো বোলো হিৰণ্য ভট্টক ভাৰত চৰকাৰে চাকৰি ঘুৰাই দিবনে নাই সন্দেহ। গতিকে অ গ প চৰকাৰে বিদেশী নাগৰিক সম্পৰ্কে চৰকাৰক পৰামৰ্শ দিবলৈ এখন অৰ্ডিনেন্সৰ যোগেদি এখন উপদেষ্টা কমিটি পাতি ভট্টক তাৰ অধ্যক্ষ পাতি দিয়ক। ইতিবাচক কাম আৰম্ভ হ'ব। সেইটোতো শইকীয়াই হয়ভৰ দিলে।

মই ক'লো, বোলো মই উপযাচি ল'বা ৰজাহ'তক আৰু উপদেশ বা পৰামৰ্শ নিদিওঁগে। আগতে দিয়াবোৰৰ একো প্ৰতিক্ৰিয়া দেখা নাই। তুমি চুক্তি ৰূপায়ণৰ দায়িত্বত থকা হিচাপে কৰা। কি হ'ল নাজানিলো।

১৯৮৫ চনৰ ১৪ অক্টোবৰৰ দিনা অ গ প দল গঠন হোৱাৰ ঠিক পিচতে হঠাতে মই সভাকক্ষতে অচেতন হৈ পৰাৰ কথা এঠাইত উল্লেখ কৰিছোঁ। তাত আমাৰ দলৰে স্থানীয় ডাঃ লক্ষ্মী বৰুৱাৰ পৰিচৰ্য্যাত মই সুস্থ হৈছিলো। ডাঃ বৰুৱাই মোৰ হাৰ্ট, প্ৰেচাৰ আদি সকলো স্বাভাৱিক পাইছিল যদিও তেখেতে মোক গুৱাহাটীত এবাৰ ই. ছি. জি. কৰাই চাবলৈ পৰামৰ্শ দিছিল। সেইমতে গুৱাহাটী মেডিকেল কলেজত পৰীক্ষা কৰায়ো মোৰ একো দোষ পোৱা নগ'ল। ডাঃ বৰুৱাই সেই কেইদিন মই খোৱা বোৱাৰ আওকাণ কৰি পৰিশ্ৰম কৰাৰ কাৰণে 'ডিহাইড্ৰেছন' হোৱা বুলি সন্দেহ কৰিছিল। তাত মোক চেলাইন দিয়াত মই সুস্থ হৈছিলো। কিন্তু ১৯৮৬ চনৰ ৩০ জুলাইত মোৰ ঘৰতে মই পুনৰ একেদৰেই অচেতন হ'লো। ডাঃ দুলাল বৰকটকীয়ে পৰীক্ষা কৰি মোক এটা ঔষধৰ বিধান দি মুৰৰ এক্সৰে আৰু ই ই জি লোৱালে। সেইবোৰ চাই তেখেতে সঠিক ৰোগ নিৰ্ণয়ৰ কাৰণে মোক তৎক্ষণাৎ বিমানেৰে লগত এজন সহায়কৰে ভেলোৰলৈ যাবলৈ লিখিত পৰামৰ্শ দিলে যাতে মই অৱসৰ প্ৰাপ্ত বিষয়া হিচাপে হওঁক বা ৰাজ্যিক পৰিষদৰ অধ্যক্ষ হিচাপে চৰকাৰী খৰছত ভেলোৰত পৰীক্ষা/চিকিৎসা কৰাব পাৰো।

মই এটা সংকটত পৰিলো। চৰকাৰী খৰছত ব্যয়বহুল চিকিৎসা কৰাব পৰা সুবিধা থকা সকলে সাধাৰণ একোটাহ'ত বেমাৰতো পোনেই অসমৰ বাহিৰলৈ, কেতিয়াবা ভাৰতৰো বাহিৰলৈ লৰ মাৰে। তেনে একোজন "বৰলোকৰ" চিকিৎসাৰ বাবদ ৰাজহুৱা ভঁৰালৰ পৰা নিযুত নিযুত ধন খৰছ কৰা হয়। কিন্তু সাধাৰণ ৰাইজৰ বিষয়ে ভাবোতা কোনো নাই। আধুনিক যন্ত্ৰপাতিৰে আমাৰ চিকিৎসালয় সুসজ্জিত কৰিলে সেই সুবিধা সকলোৱে পাব পাৰে। আমাৰ দেশত বা ৰাজ্যত প্ৰতিভাশালী চিকিৎসকৰ অভাৱ নাই। অসমীয়া ডাক্তৰে ইংলণ্ড আমেৰিকাত চিকিৎসক হিচাপে সুনাম অৰ্জন কৰি আছে। এইবোৰ কথা আলচি "আমি কলৈ যাম ?" শীৰ্ষক মোৰ এটা প্ৰবন্ধ অগ্ৰদূতত প্ৰকাশ

হৈছিল। এতিয়া মৰে অৱসৰ প্ৰাপ্ত চৰকাৰী বিষয়া হিচাপে যেনতেন, কিন্তু অ গ প চৰকাৰৰ ৰাজ্যিক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ অধ্যক্ষ হিচাপে চৰকাৰী খৰছত সেই আহুতীয়া সুবিধা কেনেকৈ গ্ৰহণ কৰো? মোৰ কথা আৰু কামৰ সঙ্গতি নাথাকে। গতিকে মই বাহিৰলৈ নোযোৱাটোকে সিদ্ধান্ত কৰি ডাক্তৰে দিয়া পৰামৰ্শৰ প্ৰতিলিপিৰে সৈতে মুখ্যমন্ত্ৰী, আবকাৰী মন্ত্ৰী আৰু স্বাস্থ্য-মন্ত্ৰীক লিখিতভাৱে জনাই দিলো যে মই ভেলোৰলৈ নাযাও। সেই ৰোগ নিৰ্ণায়ক প্ৰয়োজনীয় আধুনিক যন্ত্ৰপাতি সা-সৰঞ্জাম গুৱাহাটীতে পোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি মই আঁকোৰ-গোজ হ'লো।

তেনেতে কাক-তালীয় ভাবেইনে কি ভেলোৰৰ নিউৰলজি বিভাগৰ বিখ্যাত চিকিৎসক ডাঃ মাথাইক গুৱাহাটী মেডিকেল কলেজত ভিজিটিং চিকিৎসকেই নে অধ্যাপক হিচাপে নিয়োগ কৰা হৈছিল। তেখেতে মেডিকেল কলেজত যোগ দিয়াৰ দিনাই মোক পৰীক্ষা কৰি ড্ঃ বৰকটকীয়ে দিয়া ঔষধৰেই মোৰ আৰোগ্য হ'ব আৰু ভেলোৰলৈ যোৱাৰ প্ৰয়োজন নাই বুলি ব্যৱস্থা দিলে। ইতিমধ্যে সেই আধুনিক যন্ত্ৰপাতিও গুৱাহাটীত সুলভ হ'ল।

মোৰ নিজৰ জীৱনক বাজি লগাই মই আঁকোৰ-গোজ হোৱাৰ গুৰিতে মোৰ এটা উদ্দেশ্য আছিল। ল'ৰামতীয়া মন্ত্ৰীহঁতক এটা আদৰ্শ দেখুৱাব খুজিছিলো। কিন্তু পিচত যি দেখিলো মোৰ সেই প্ৰচেষ্টা "হেৰিয়াৰ" আগত টোকাৰি বোৱাৰ নিচিনাহে হ'ল।

অ গ প-ৰ এজনে মন্ত্ৰী হৈয়েই দহ বছৰ মান আগতে মদৰ খলাত মৰামাৰি কৰি হেৰুওৱা চকু এটা লগাবলৈ বিলাতলৈ গ'ল। এজনে কেঁচুৱা কালতে 'পলিঅ' হৈ পঙ্গু হোৱা ভৰি ভাল কৰিবলৈ যোৱাৰ চলেৰে বিধায়ক হৈয়েই ৰাজহুৱা খৰছেৰে লগত এজন ডাক্তৰ সহায়ক লৈ আমেৰিকালৈ গ'ল। এনেকৈ চীকিৎসাৰ নামত যোৱাৰ উপৰিও একোজনে আমাৰ দেশৰ ল'ৰা-ছোৱালীৰ খেলা-ধুলাৰ মানদণ্ড উন্নয়নৰ কাৰণে, একোজনে আমাৰ দেশৰ কৃষি বাণিজ্যৰ উৎকৰ্ষ সাধিবলৈ বিদেশলৈ গ'ল। অকল মন্ত্ৰী-বিধায়কেই নহয়—অনেক নিকায় নিগম আদিৰ প্ৰাক্তন ছাত্ৰনেতা বিষয়ববীয়াবো নানা অজুহাতত বিদেশ-যাত্ৰাৰ ধুম উঠিল।

অসমৰ ৰাইজৰ চকুৰ মণি স্বৰূপ অসম গণ পৰিষদ চৰকাৰৰ সকলো ব্যৰ্থতাৰ মূল কাৰণ তেওঁলোকৰ কেৱল 'সজ-কাম'ৰ অনভিজ্ঞতা বা 'সজ-কাম'ৰ বাবে দক্ষতাহীনতাই নাছিল। তেওঁলোকৰ আটাইতকৈ যিটো গুণৰ অভাৱ আছিল সেইটো হৈছে আন্তৰিকতা। এই সকলোবোৰ নোহোৱা সত্ত্বেও তেওঁ-লোকৰ যদি মাত্ৰ এটা গুণ থাকিলহেঁতেন, দোহাৰি কৈছো মাত্ৰ এটা গুণ থাকিলহেঁতেন, তেতিয়াও তেওঁলোকক অসমৰ ৰাইজে পুনৰ সাৰ্যটি ললেহেঁতেন—সেইটো হৈছে সততা। মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলতকৈ দুই

তিনি গুণ সৰহ দৰমহা পোৱা সং চৰকাৰী বিষয়াসকলে ত্ৰিশ-বত্ৰিশ বছৰীয়া চাকৰি কালত কঠোৰ মিতব্যয়িতা অৱলম্বন কৰিও যি সম্পদ গোটাবলৈ সমৰ্থ নহয় তেনে সম্পদৰ অনেক গুণ ধন-সম্পদ অ গ প-ৰ মন্ত্ৰীসকলৰ প্ৰায় সৰহ ভাগেই শূন্য হস্তে দিচপুৰত প্ৰৱেশ কৰি পাঁচ বছৰতকৈয়ো কম সময়তে গোটালে। ইয়াৰ ওপৰত তেওঁলোকৰ দুৰ্নীতিৰ আৰু কিবা প্ৰমাণ লাগেনে? ১৯৯১ চনত দুভাগ হোৱা অ গ প এতিয়া (আগষ্ট, ১৯৯৩) পুনৰ ক্ষমতা লাভৰ আশাৰে একগোট হৈছে। ভাল কথা। দলৰ সভাপতি গৰাকীয়ে ঘোষণা কৰিছে যে এইবাৰ অ গ প-ৰ যুদ্ধ বিদেশীৰ বিৰুদ্ধে নহয়। কংগ্ৰেছ (আই) চৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে হ'ব। আৰু ভাল কথা। কিন্তু তাৰ আগতে তেওঁলোকৰ নেতা মন্ত্ৰীসকলে ১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ দিনাৰ সা-সম্পত্তি আৰু বৰ্তমানৰ অসমৰ ভিতৰৰ বাহিৰৰ তেওঁলোকৰ সা-সম্পত্তিৰ একোটা হিচাপ ৰাজহুৱাকৈ দাঙি ধৰিলে ভাল আছিল। লেতেৰা কানিৰে আৰ্চি চাফা কৰিব নোৱাৰি।

অ গ প মন্ত্ৰীসকলৰ ভাগ্য ভাল যে তেওঁলোকে তেওঁলোকৰ শাসনকালত সৃষ্টি কৰা দুৰ্নীতিৰ অভিলেখ বৰ্তমানৰ (১৯৯৩) কংগ্ৰেছ (আই) চৰকাৰে এনেভাৱে ভঙ্গ কৰিবলৈ ধৰিছে যে সি হয়তো সৰ্বতিকালৰ অভিলেখ হৈ ৰব।

পৰিশিষ্ট : এটা কথা নিলিখো বুলিয়েই এৰি আহিছিলোঁ। কেবা গৰাকীও বন্ধু-বান্ধৱে কথাটো অন্তৰ্ভুক্ত কৰা উচিত বুলি মন্তব্য কৰাত আৰু তাত আন্দোলন কালৰ অসমৰ পৰিস্থিতিৰ এটা আভাস থকাত উল্লেখ কৰি থ'লো।

১৯৭৯ চনৰ ১৫ আগষ্টৰ স্বাধীনতা দিৱসত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে মোলৈ কৃতিত্বপূৰ্ণ সেৱাৰ কাৰণে "ৰাষ্ট্ৰপতিৰ পুলিচ পদক" আগবঢ়াইছিল। 'ৰাষ্ট্ৰপতিৰ পুলিচ পদক' প্ৰত্যেকজন পুলিচ বিষয়াৰে বৰ আকাংক্ষাৰ বস্তু। এই পদকৰ কাৰণে যোগ্যতা অৰ্জন কৰিবলৈ কমেও পোন্ধৰ বছৰ কাৰ্য্যকাল হ'ব লাগে আৰু দক্ষতাৰে কোনো চেকা নথকা সততাপূৰ্ণ সেৱা আগবঢ়াব লাগে।

মোৰ দুবছৰ প্ৰশিক্ষণৰ সময়কে ধৰি সোতৰ বছৰীয়া আৰক্ষী সেৱাৰ অন্তত মোলৈ ৰাষ্ট্ৰপতিয়ে এই পদক আগবঢ়োৱাত মই উৎফুল্লিত নোহোৱাকৈ থকা নাছিলো। কিন্তু ৰাষ্ট্ৰপতিৰ শাসন কালতে অসম আন্দোলন দমনৰ নামত কেন্দ্ৰীয় কংগ্ৰেছ (আই) চৰকাৰে লোৱা ভূমিকাৰ প্ৰতিবাদ কৰি মই সেই পদক প্ৰত্যাখ্যান কৰিলোঁ। সেইটো আছিল নোহোৱা নোপজা ঘটনা। সৰ্ব ভাৰতীয় সকলো বাতৰি কাকতৰ উপৰিও লণ্ডনৰ বি. বি. চি.-য়েও সেই খবৰ অতি গুৰুত্বসহকাৰে প্ৰচাৰ কৰিছিল। মই চৰকাৰলৈ দিয়া প্ৰত্যাখ্যান পত্ৰখনত মোৰ তেতিয়াৰ মনৰ অৱস্থা আৰু অসমৰ সামগ্ৰিক পৰিস্থিতিৰ এটা আভাস

থকা হেতুকে মোৰ ইংৰাজী পত্ৰখনৰ ১৯৮০ চনৰ দুই ছেপ্তেম্বৰৰ দৈনিক অসমে প্ৰকাশ কৰা অসমীয়া অনুবাদ তলত তুলি দিলোঁ।

"১৯৭৯ চনৰ স্বাধীনতা দিৱসত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে মোক কৃতিত্বপূৰ্ণ সেৱাৰ বাবে ভাৰতীয় পুলিচ পদক দিয়া বাবে মই কৃতজ্ঞ। কিন্তু পুলিচ বিষয়াই মোৰ একমাত্ৰ পৰিচয় নহয়। মই ভাৰতীয় নাগৰিক আৰু সৰ্বোপৰি মই এজন মানুহ। এজন সচেতন ব্যক্তি হিচাপে দেশৰ উত্তৰ পূৰ্বাঞ্চলত, বিশেষকৈ অসমত ঘটা মানবীয়তাৰ প্ৰশ্ন জড়িত বৃহত্তম শোকাবহ ঘটনাৱলীৰ প্ৰতি মই নিৰ্বিকাৰ হৈ থাকিব পৰা নাই। অৱশ্যে পুলিচ বিষয়া স্বৰূপে মই প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো পক্ষ অৱলম্বন কৰা সমীচীন নহয়। বিদেশীৰ প্ৰশ্ন লৈ অসমত এটা বছৰ ধৰি গান্ধীবাদী পন্থা আৰু সংবিধানসম্মতভাৱে চলোৱা আন্দোলনে সমগ্ৰ দেশৰ দৃষ্টি, সমৰ্থন আৰু সহানুভূতি আকৰ্ষণ কৰিছে। দেশৰ সৰ্বোচ্চ কৰ্তৃপক্ষই অসমৰ বিদেশী সমস্যাটোক প্ৰকৃততে ৰাষ্ট্ৰীয় সমস্যা স্বৰূপে স্বীকৃতি দিয়া উচিৎ আছিল। ক্ষমতাধিষ্ঠিতসকলে সংবিধানৰ গণ্ডীত এই সমস্যাটো গণতান্ত্ৰিক পন্থা অনুসৰণ কৰি শান্তিপূৰ্ণ ভাৱে সমাধান কৰিব লাগিছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে এই গণ-আন্দোলনটো সাম্ৰাজ্যবাদী ভেদনীতি, কল্পনাপ্ৰসূত সাম্প্ৰদায়িকতা আৰু বিচ্ছিন্নতাবাদৰ অভিযোগ তুলি মষিমূৰ কৰিবলৈ চেষ্টা কৰা হৈছে আৰু এই ক্ষেত্ৰত বাংলাদেশী অনুপ্ৰৱেশকাৰীসকলৰ ক্ষমতাশীল পৃষ্ঠপোষক স্থানীয় ঘৰ বিভীষণ আৰু দিচপুৰৰ অসম বিৰোধী আমোলাতান্ত্ৰিক চক্ৰৰ সাহায্য গ্ৰহণ কৰা হৈছে।

উত্তৰ কামৰূপত সন্ত্ৰাসৰ ৰাজত্ব, দুলীয়াজান আৰু উত্তৰ লক্ষীমপুৰত শান্তিপূৰ্ণ পিকেটিংকাৰীৰ ওপৰত পুলিচৰ নিৰ্মম গুলিবৰ্ষণ, শান্তিপূৰ্ণ সত্যাগ্ৰহী আৰু পিকেটিংকাৰীৰ ওপৰত পুলিচৰ লাঠী চালনা, নাবেজীৰ দৰে জনবসতিপূৰ্ণ অঞ্চলত চাৰিমাহলৈকে সান্ধ্য আইন প্ৰবৰ্তন, নিৰপৰাধী গাঁৱলীয়া লোকৰ ওপৰত জধে-মধে পাইকাৰী জৰিমনা নিৰ্ধাৰণ, চৰকাৰী আৰু অৰ্ধচৰকাৰী কৰ্মচাৰীৰ ওপৰত লোৱা নিৰ্যাতনমূলক ব্যৱস্থা, পৃথিৱীৰ বৃহত্তম গণতন্ত্ৰ ভাৰতৰ ইতিহাসৰ কাৰণে এক কালিমাপূৰ্ণ অধ্যায় হৈ থাকি যাব। চৰকাৰী আৰু অৰ্ধচৰকাৰী কৰ্মচাৰীসকলে এটা মহৎ উদ্দেশ্যত দেশৰ সংবিধানৰ প্ৰতি আনুগত্য ৰাখিয়েই গণ-আন্দোলনত সমৰ্থন দিছে। সেইসকল লোকক সাধাৰণ অপৰাধীৰ দৰে ব্যৱহাৰ কৰাৰ কোনো যুক্তি নাই।

এজন উচ্চপদস্থ প্ৰশাসকে সাতশ গৰ্ভপাতৰ কথা উদ্দেশ্য প্ৰণোদিতভাৱে উল্লেখ কৰি অসমৰ মাতৃ আৰু বাইভনীসকলক অপমানিত কৰিছে।

অসম পুলিচে অসমৰ গণ আন্দোলনত নেতৃত্ব দিয়াসকলৰ প্ৰতি পক্ষ-পাতিত্বমূলক আচৰণ কৰা বুলি ৰহস্যজনক অভিযোগ উত্থাপন কৰাত অসম

পুলিচ সেৱা সংস্থাৰ সভাপতি স্বৰূপে মই গভীৰভাৱে মৰ্মাহত হৈছো। পিকেটিংকাৰী লোকসকলক মাৰপিট কৰিবলৈ অসম পুলিচক “অস্ত্ৰ” স্বৰূপে ব্যৱহাৰ কৰা হৈছে, অথচ তেওঁলোকক পক্ষাৱলম্বন কৰা বুলি অভিযুক্ত কৰা হৈছে। কেন্দ্ৰীয় কৰ্তৃপক্ষৰ পক্ষে ই অতি অকাম্য আচৰণ। বাহিৰৰ অৰ্ধসামৰিক বাহিনী অসমত নিয়োগ কৰি অসমৰ পুলিচৰ ওপৰত অবিশ্বাস যথা মনোভাৱ স্পষ্ট কৰি দিয়া হৈছে। অসমৰ বাহিৰৰ পৰা অহা এই অৰ্ধসামৰিক বাহিনীৰ লোকসকলে অসমক অধিকৃত অঞ্চল স্বৰূপে গণ্য কৰি অসমৰ জনসাধাৰণ আৰু অসমৰ পুলিচৰ প্ৰতি অসদাচৰণ কৰিবলৈ লৈছে। যোৱা ২৬ আগষ্টত চন্দ্ৰপুৰত হোৱা ঘটনা ইয়াৰ স্পষ্ট নিদৰ্শন। এই প্ৰসঙ্গত উল্লেখযোগ্য কথা যে ১৯৭৮-৭৯ চনত যেতিয়া দেশৰ প্ৰায় সকলো অংশৰ পুলিচ বাহিনী কাৰ্যতঃ বিদ্ৰোহী হৈ উঠিছিল তেতিয়াও অসমৰ পুলিচ সম্পূৰ্ণ শৃংখলাবদ্ধ হৈ আছিল। এনে পুলিচ বাহিনীৰ ওপৰত অবিশ্বাসৰ ভাব লোৱাত মই অন্তৰত গভীৰ আঘাত পাইছো।

এনে অৱস্থাত মোৰ কাৰণে ৰাষ্ট্ৰপতিৰ পুলিচ পদক গ্ৰহণ কৰা সম্ভৱ নহ'ব।”

এইখন আছিল মোৰ ইংৰাজী প্ৰত্যাখ্যান পত্ৰৰ দৈনিক অসমে প্ৰকাশ কৰা হুবহু অনুবাদ। ইয়াত উল্লেখ কৰা দুটামান কথা সেইসময়ৰ অৱস্থাৰ লগত পৰিচয় নথকাসকলৰ কাৰণে বুজাত অসুবিধা হ'ব পাৰে কাৰণে অকণমান ব্যাখ্যাৰ প্ৰয়োজন হ'ল।

(১) আন্দোলনটোত যুৱক-যুৱতীসকলে একেলগে মুকলিকৈ কাম কৰি ফুৰিছিল। তাতে ৰাষ্ট্ৰপতি শাসনকালৰ মুখ্য উপদেষ্টা গৰ্গকায়ে কলংক আৰোপ কৰি প্ৰচাৰ কৰিছিল যে তেনেকৈ আন্দোলনত ঘূৰি ফুৰা যুৱতীসকলৰ সাতশ গৰ্গকায়ে হেনো গোপনে গৰ্ভপাত কৰিব লগা হৈছিল বুলি তেওঁ কোনোবা চিকিৎসকৰ পৰা গম পাইছিল। তেওঁ আশা কৰিছিল যে সেই কথা জানিলে অভিভাৱকসকলে যুৱতীসকলক আন্দোলনত ভাগ ল'বলৈ নপঠাব।

(২) মই অৱসৰ গ্ৰহণ কৰাৰ সময়লৈকে অসম পুলিচ বিষয়া সংস্থাৰ সভাপতি আছিলো।

এই প্ৰসঙ্গতে গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক জনমভূমি কাকতৰ ৩ চেপ্তেম্বৰ (১৯৮০)-ৰ “এজন পুলিচ বিষয়াৰ আদৰ্শ” শীৰ্ষক সম্পাদকীয় প্ৰবন্ধটো হুবহু তুলি দিলো।

“কেন্দ্ৰীয় চৰকাৰে অসমৰ বিদেশী নাগৰিক সমস্যাৰ আশু সমাধান নকৰাৰ প্ৰতিবাদত অসমৰ বেছি ভাগ স্বাধীনতা যুঁজাৰুৱেই দেশ সেৱাৰ প্ৰতি চৰকাৰে স্বীকৃতি দি তেওঁলোকলৈ আগবঢ়োৱা তাম্ৰপত্ৰ ঘূৰাই দিলে। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ক্ষেত্ৰত দিয়া স্বীকৃতি আৰু প্ৰমাণ-পত্ৰ ঘোৰা লোক অসমত যথেষ্ট

আছে। তেওঁলোকৰ এজনেও কিন্তু তেনে স্বীকৃতি পৰিত্যাগ কৰা বা ঘূৰাই দিয়াৰ কথা জনা নাযায়। অকল স্বাধীনতা যুঁজাৰুসকলকহে কিয় তেনে ত্যাগ স্বীকাৰ কৰিবলৈ কোৱা হয় সেই কথা জনা নাযায়। স্বেচ্ছাই তেওঁলোকে এনে ত্যাগ কৰিবলৈ আহিছে যদি সেই কথা বেলেগ। কিন্তু যদিহে বিদেশী নাগৰিক প্ৰসঙ্গত ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদৰ আহ্বানত এই কাম হৈছে তেন্তে আমাৰ ধাৰণা যে কেন্দ্ৰীয় চৰকাৰে দিয়া বিভিন্ন সন্মান আৰু সেৱাৰ স্বীকৃতি পোৱা সকলোকে তেনে সন্মান ঘূৰাই দিবলৈ আহ্বান জনোৱাটোহে যুক্তিসঙ্গত হ'লহেঁতেন।

যি কি নহওঁক, বিদেশী নাগৰিক প্ৰসঙ্গত অসমত হোৱা আন্দোলন সন্দৰ্ভত এজন উচ্চপদস্থ পুলিচ বিষয়াই চৰকাৰে তেওঁলৈ আগবঢ়োৱা সন্মান গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাত আমি তেওঁক অভিনন্দন জনালোঁ। এই বিষয়াজন হৈছে সীমান্ত বিভাগৰ পুলিচ অধিক্ষক শ্ৰীপ্ৰেমকান্ত মহন্ত। প্ৰকাশিত বাতৰি মতে, "বিদেশী নাগৰিক সমস্যা সন্দৰ্ভত হোৱা অভূতপূৰ্ব গণ-আন্দোলন চলালিবলৈ যাওঁতে অসমত সংঘটিত হোৱা মানৱতাৰ চূড়ান্ত শোকাবহ ঘটনাৰ পৰিপ্ৰেক্ষিতত এজন বিবেকসম্পন্ন ব্যক্তি হিচাপে তেওঁৰ পক্ষে এনে সন্মান গ্ৰহণ কৰাটো অসম্ভৱ বুলি তেওঁ অসম চৰকাৰৰ মুখ্য সচিবলৈ দিয়া এখন চিঠিত জনাইছে। শ্ৰীমহন্তই চিঠিত ব্যৱহাৰ কৰা ভাষা যি ধৰণৰেই নহওঁক লাগিলে, বিদেশী নাগৰিকৰ প্ৰশ্নত কেন্দ্ৰৰ নীতি যে মানি ল'বলৈ তেওঁ টান পাইছে, সেই কথা তেওঁৰ চিঠিত পৰোক্ষভাৱে হ'লেও প্ৰকাশ পাইছে। পুলিচ বিভাগৰ বিষয়া এজনে অসমৰ জীৱন-মৰণৰ প্ৰশ্ন এটাত এনে সাহসী পদক্ষেপ লোৱাটো নিঃসন্দেহে অভিনন্দনৰ যোগ্য। মন কৰিব লগীয়া যে শ্ৰীমহন্তই, তেওঁৰ এনে মনোভাৱৰ বাবে চৰকাৰী কোপদৃষ্টিত পৰিব পৰাৰ সম্ভাৱনা নথকা নহয়। কাৰণ চৰকাৰে লোৱা কোনো ব্যৱস্থাক পুলিচ বিষয়া হিচাপে তেওঁ বিৰোধিতা কৰিব নোৱাৰে। অৱশ্যে শ্ৰীমহন্তই কোনো প্ৰকাৰে চৰকাৰী নীতিৰ বিৰোধিত কৰা নাই—কেৱল মাত্ৰ এই আন্দোলনৰ সন্দৰ্ভত ঘটা শোকাবহ ঘটনাবোৰ দেখি তেওঁৰ মনৰ অৱস্থা প্ৰকাশ কৰিছে। তথাপিও শ্ৰীমহন্তৰ এনে কামৰ মূলতঃ কি তাক বাইজে বুজিবলৈ বাকী নাই।

আমাৰ নিশ্চিত ধাৰণা যে শ্ৰীমহন্তৰ দৰে আন যি সকলে বিভিন্ন কাৰণত কেন্দ্ৰীয় চৰকাৰৰ পদক পাইছে, তেওঁলোকেও এনে পন্থাকে অনুসৰণ কৰা হ'তেন অসমৰ ৰাইজৰ মূলদাবী অধিক শক্তিশালী হৈ উঠিলহেঁতেন আৰু অসমে কৰা যুক্তিসঙ্গত আৰু সাংবিধানিক আন্দোলন আৰু বেছি শক্তিশালী হ'লহেঁতেন।"

এনেকুৱাই আছিল তেতিয়া অসম আন্দোলনৰ বতাহ। কিন্তু সকলো অথলে গ'ল। কিয়? কাৰ দোষত?

—ঃ(*)ঃ—